(46)

# Assam Legislative Assembly Debates

## OFFICIAL REPORT

SIXTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## No. 9 –12

The 24th March, 1993 — 31 MAR.

Price—Rs. 44·09

CONTENTS

**BUDGET SESSION**

No. 9

**Dated the 24th March, 1993**


| | | Page |
|---|---|---|
| 1. | Questions and Answers — — — | 1—68 |
| 2. | Discussion During Zero Hour— — — | 69—94 |
| 3. | Matter Under Rule 301 — — — | 94—98 |
| 4. | Introduction of the Government Bill — | 98—100 |
| 5. | General Discussion on the Budget — | 101—174 |
| 6. | Obituary Reference— — -- — | 175—176 |
| 7. | Adjournment — — — | 176 |
| 8. | Annexures—I, II, III, IV, V, VI, VII, VIII, IX, X, XI, XII | 177—233 |

# DEBATES OF THE
# ASSAM LEGISLATIVE ASSEMBLY
## Wednesday, the 24th March, 1993

The House met at 9 A. M. of the Clock in the Assembly Chamber at Dispur, with Prof. Debesh Chakraborty, Speaker in the Chair.

## STARRED
## QUESTIONS AND ANSWERS
### ( To which oral answers were given )

Mr. Speaker : The position of Oral and Written Questions for 24. 3. 93 is as follows :-

Oral Question from Sl. Nos. 121 to 140, Written Questions from Sl. Nos. 273 to 322. Oral Question No. 125 relating to Public Health Engineering Department has been deferred on the request of the Minister, P. H. E.

Written Question No. 306 relating to Public Health Engineering Department has been deferred on the request of the Minister, P. H. E.

Now Starred Question No 121, Honourable Member Dr. Krishna Kanta Lahkar.

বিষয়ঃ পাঠশালাৰ পৰা দাওধাৰালৈ যোৱা কঠোৰ আলি।

ডাঃ কৃষ্ণ কান্ত লহকৰে সুধিছে :

*১২১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) পাঠশালাৰ পৰা বাঘমাৰা অঞ্চলী হৈ দাওধাৰালৈ যোৱা কঠোৰ আলি নামৰ পথটো বাৰিষাৰ সময়ত যাতায়তৰ বাবে বন্ধ হৈ পৰা কথাটো চৰকাৰ জ্ঞাত নে ?

(খ) উক্ত 'কঠোৰ আলি' নামৰ পথটো জৱাহৰ ৰোজগাৰ যোজনাৰ অন্তৰ্ভুক্ত কৰি উন্নতিৰ ব্যৱস্থা লোৱাৰ বাবে আগৰ চৰকাৰৰ দিনত কিবা সিদ্ধান্ত গ্ৰহণ কৰা সম্পৰ্কে চৰকাৰে জানেনে ?

(গ) যদি জানে, বৰ্তমান উক্ত পথ সম্পৰ্কে কি ব্যৱস্থা লোৱা হৈছে ?

শ্ৰীশৰৎ বৰকটকী, (গড়কাপ্তানী বিভাগৰ (ভৈয়াম) ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) হয় জানে।

(খ) উক্ত ৰাস্তাটো জৱাহৰ ৰোজগাৰ যোজনা আঁচনিৰ অন্তৰ্ভুক্ত কৰা হোৱা নাই বা তেনে সিদ্ধান্তৰ কথা জনোৱা নাই।

(গ) অষ্টম পঞ্চমবাৰ্ষিক পৰিকল্পনাৰ ১৯৯২-৯৩ বিত্তীয় বছৰত ১১ কি. মি. আৰু ১২ কি. মি. (১০৯১৫ মি. ৰ পৰা ১১৩৬৫ মি. লৈ) নিম্নতম চাহিদা আঁচনিৰ অন্তৰ্গত ৩০২৮ লক্ষ্য টকা আৰু ১০ কি. মি. (১৪৩৯৬ মি. ৰ পৰা ১৪৭৫০ কি. মি.) লৈ অন্যান্য নিম্নতম চাহিদা আঁচনিৰ বহিৰ্ভুত ৩.০২ লক্ষ টকাৰ পকীকৰণৰ কাম হাতত লোৱা হৈছে।

ডাঃ কৃষ্ণকান্ত লহকৰ : মাননীয় অধ্যক্ষ মহোদয়, উক্ত ৰাস্তাটোৰ কাষত এখন চেণ্টেল প্লেটফাৰ্ম আছে, সেই কথাটো মাননীয় মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীশৰৎ বৰকটকী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে সেই কথা নাজানে।

ডাঃ কৃষ্ণকান্ত লহকৰ : মাননীয় অধ্যক্ষ মহোদয়, সেই চেণ্টেল প্লেটফৰ্মখনে গোটেই অসমকে শস্য যোগান ধৰে। তাৰ কাৰণে এই ৰাস্তাটো অতি সোনকালে কৰাৰ ব্যৱস্থা লব নেকি ?

শ্ৰীশৰৎ বৰকটকী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, অনুসন্ধান কৰি ব্যৱস্থা গ্ৰহণ কৰা হব।

*শ্ৰীসুৰেণ স্বৰ্গীয়াৰী : মাননীয় অধ্যক্ষ মহোদয়, এই কঠোৰ আলি নামৰ যিটো ৰাস্তাৰ কথা ইয়াত উল্লেখ কৰিছে ই অতি পুৰণি ৰাস্তা, স্বাধীনতাৰ আগৰ ৰাস্তা। বৃটিছ চৰকাৰৰ দিনৰ ৰাস্তা। এই ৰাস্তাটোৰ এনে শোচনীয় অৱস্থা যে পথাৰ আৰু ৰাস্তা জনা নাযায়। এই ৰাস্তাটো যি অঞ্চলত আছে তাৰ ৰাইজ বৰ দুখীয়া। আমাৰ বজালী অঞ্চলত এখন ৰাজহুৱা সভা হৈছিল। সেই ৰাজহুৱা সভালৈ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু প্ৰাক্তন মাননীয় মুখ্যমন্ত্ৰী

*Speech not corrected.

ডাওৰীয়া গৈছিল। সেই ৰাজহুৱা সভাত মাননীয় মুখ্যমন্ত্রী ডাওৰীয়াই জনাইছিল, সেই ৰাস্তাটো আমাৰ স্বাধীনতাৰ সংগ্রামী স্বহীদ মদন ৰাউতাৰ নামেৰে নামকৰণ কৰা হব। মাননীয় মুখ্যমন্ত্রীয়ে যিটো আশ্বাস দিছিল, সেইজনা স্বহীদৰ নামেৰে নামাকৰন কৰাৰ কথা আছিল সেই বিষয়ে নামাকৰণ কৰা হলনে নাই মই মাননীয় মুখ্যমন্ত্রীৰ পৰা জানিব বিচাৰিছো?

শ্রীশৰৎ বৰকটকী (মন্ত্রী): মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীয়ে উল্লেখ কৰা বিষয়টোৰ প্রতি অনুসন্ধান কৰি অতি সোনকালে ব্যৱস্থা গ্রহণ কৰিম।

(Starred Question No. 122 was not teken up for disposal as the Questioner was not present in the House, when called for. However, the same deemed to have been disposed of).

Mr. Speaker: Starred Question No. 122, Honourable Member Shri Rameswar Dhanowar:

বিষয়: ডিগবৈৰ সংমণ্ডলৰ গছ।

শ্রীৰামেশ্বৰ ধানোৱাৰে সুধিছে:

*১২২। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে:

(ক) ডিগবৈৰ বন সংমণ্ডলত ১৯৯১-৯২ আৰু ১৯৯২-৯৩ চনত কিমান জোপা গছ বিভাগীয় Operation কৰা হৈছে?

(খ) উক্ত বিভাগীয় Operation কৰা বাবদ চৰকাৰৰ কিমান টকা ব্যয় হৈছে।

(গ) উক্ত দুই বছৰত উক্ত Operation ৰ জৰিয়তে কিমান ৰাজহ ৰাজ-ভঁৰাললৈ আহিল?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে:

(ক) ১৯৯১-৯২ চনত ৭৬২ জোপা আৰু ১৯৯২-৯৩ চনৰ ফেব্রুবাৰী মাহলৈকে ১৪৯১ জোপা মুঠ ২২৬১ জোপা গছ বিভাগীয়ভাবে অপাৰেচন্ কৰা হৈছে।

(খ) সৰ্বমুঠ ব্যয় ৩৭,৪৮,৯৬৫ টকা। (সাতত্রিশ লাখ, আঠচল্লিশ হাজাৰ, ন শ পষষ্ঠি) মাথোন।

(গ) উক্ত দুটা বছৰত মুঠ ৰাজহ ৮২,৬২,৮৪৩ টকা (বিৰাশী লাখ, ৰাষষ্ঠি হাজাৰ. আঠশ তিয়াল্লিশ) টকা ৰাজভঁৰাললৈ আহে।

Mr. Speaker : Starred Question No. 123, Honourable Member Shri Pranab Kumar Nath.

বিষয় ঃ ৰেলৰে গেট স্থাপন।

শ্ৰীপ্ৰণৱ কুমাৰ নাথ জিজ্ঞাসা কৰেসন ঃ

*১২৩ মাননীয় গড়কাপ্তানী বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) করিমগঞ্জ জিলার বাটেগ্রাম প্রেচারপার ও কায়স্থগ্রাম সিঙ্গারিয়া রাস্তার রেললাইন সংলগ্ন স্থানে রেলয়ে গেইট স্থাপনের জন্য P. W.D. বিভাগ কোন তারিখে রেলয়ে বিভাগকে কত টাকা জমা দিয়েছিলে এবং বর্ত্তমান পর্য্যন্ত আর কত টাকা দেওয়ার বাকী রয়েছে?

(খ) বর্ত্তমান অর্থ বছরে অবশিষ্ট টাকা গুলি শীঘ্রই রেলয়ে বিভাগকে জমা দেওয়ার ব্যবস্থা করবেন কি?

(গ) যদি হয় কখন, যদি না কেন?

শ্ৰীশৰৎ বৰকটকী (গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্ৰী, ভৈয়াম) ) য়ে উত্তৰ দিছে ঃ

(ক) ইং ৮-৮-৮৬ তাৰিখে ১,০৩,২১৪·০০ টকা বাৰৈগ্ৰাম পাচাৰ পাৰ ৰাস্তা ৰেলৱে লেভেল ক্ৰচিঙৰ বাবদ আৰু ইং ১৮-১১-৮১ তাৰিখে ১.৩১,৮৮০·০০ টকা কায়স্থগ্ৰাম সিঙ্গাৰিয়া ৰাস্তা ৰেলৱে লেভেল ক্ৰচিঙৰ বাবদ ৰেলৱে কৰ্তৃপক্ষক জমা দিয়া হৈছিল। বাৰৈগ্ৰাম পাচাৰ পাৰ ৰাস্তা ৰেলৱে লেভেল ক্ৰচিঙৰ বাবে ৰেলৱে কৰ্ত্তৃপক্ষৰ পৰা আকৌ টকা জমা দিবলগীয়া প্ৰস্তাৱ পোৱা নাই। (কায়স্থগ্ৰাম সিঙ্গাৰিয়া ৰাস্তাত ৰেলৱে লেভেল ক্ৰচিঙৰ প্ৰস্তাৱ এতিয়া ৰেলৱে কৰ্তৃপক্ষই অগ্ৰাহ্য কৰিছে সেই বাবে আকৌ টকা জমা দিয়াৰ প্ৰশ্ন উঠা নাই।)

(খ) 'ক'ত দিয়া উত্তৰ অনুযায়ী প্ৰশ্ন নুঠে।

(গ) 'ক'ত দিয়া উত্তৰ অনুযায়ী প্ৰশ্ন নুঠে।

শ্ৰীপ্ৰণৱ কুমাৰ নাথ ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় গড়কাপ্তানী মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে যে তেখেতে উত্তৰত কৈছে যে কায়স্থগ্ৰাম-সিঙ্গাৰিয়া ৰাস্তাত ৰেলৱে লেভেল ক্ৰচিঙৰ প্ৰস্তাৱ ৰেলৱে কৰ্ত্তৃপক্ষই অগ্ৰাহ্য কৰিছে, এইটো কিয় কৰিছে?

Shri Sarat Barkataki (Minister of State, I/C P.W.D Plains)

(A) **Baraigram Pecharpar Road**

An amount of Rs. 1,03, 214/- as per estimate submitted by the Railway authorities for construction of a level crossing on this road have been deposited by this Department to the concerned authorities in the Railways in August, 1986. There-after the Assistant Engineer, N. F Railways, Badarpurghat was directed by the Divisional Manager (W) Lumding to take up the construction of the said level crossing to open the road for public purposes, vide letter No.W./218/W-A dated 28.12.87. This action was taken bv the Divisional Manager (W) Lumding, after a lapse of more then one year since making available the amount for the purpose by this Department. The Assistant Executive Engineer, N. F. Railways, Badar-purghat, was reminded through series of correspondances by the Executive Engineer, Karimganj; but to no avail. However, the matter is also being pursued from this end for installation of the said level crossieg immediately,

All other works relating to this project have already completed long back.

(B) **Kayastbagram-Singaria road**

Administrative approval for construction of Kayastha-gram Singaria road (with a railway level cro sing) was originally communicated for Rs. 1.68 lakhs, which includes an amount of Rs. 0·50 lakhs for providing the railway level crossing vide Government Memo No. DA5R, 272/62/40 dated 18.9.70. The railway authorities asked for placing of the fund of Rs. 2,000/- at their disposal for carrying out survey works which was completed with by this Depart-

ment as an advance. All other works related to this project was completed long back, for which an expenditure of Rs. 1,08,421/- has been incurred. Railway authorities submitted an estimate for the level crossing amounting to Rs. 1,3188/- lakhs vide their letter No. W-218/22-5 dated 17/20.7.79 with a request to deposit the balance amount of Rs. 1,29,880/-. The estimate for the project was, therefore revised for Rs. 2,38,301/-, which was duly approved by the Government in the department vide No. DA5R-272/62/87 dated 5.12 81 and the balance amount for the level crossing amount to Rs. 1,29,880/- was deposited to the railway authorities through Bank Draft by the Executive Engineer Karimganj Road Division's No. G-5/9-8/38 dated 28.11.81. The Railway authority, however, asked for depositing a further amount of Rs: 33,763/-, stating the total cost of the level crossing would be Rs. 1,73,643/- vide their letter No. 218/22/W-5 dated 22.2 83.

The project was therefore again revised for Rs. 2,93,600/- only, inclusive of Rs. 1,73,643/- for the level crossing. Re-revised approval was accorded on this estimate for Rs. 2.936 lakhs vide Government's No. DA5R-272/62/73 dated 6.5.86. Railway authorities however, did not act to provide the level crossing and instead of submitted a fresh estimate amounting to Rs. 7,10,883/- (instead of Rs. 1,73,643/- for the level crossing only) and asked for depositing a future amount of Rs. 5,79,003/- vide their No. W/218/22/W-5 dated 4.2.92.

It is therefore, evident that instead of taking timely action for providing the level crossing the railway authorities have gone on revising the estimate for the same, due

to which the project estimate has to be revised on two occasions till 1986. It is however, been reported by the Executive Engineer, recently that railway anthorities have now expressed their inability to provide the proposed railway crossing on this alignment of the aforesaid road, due to existence of another level crossing on NH-44 within a distance of 400 meter of the proposed crossing.

In view or the position as attained above, the Executive Engineer, Karimganj Road Division has been suggested to take action as follows.

1) Re-revising the estimate for the project and submitting the same omiting provision of the level crossing and including provision of a link road connecting this alignment with NH-44 on the eastern side of the railway line So that the portion of the road already constructed in the eastern side can become functional, while the portion of the road already constructed on the western side of the railway side is already serving as a link road to NH-44 for the adjoining areas.

2) To ask railway authorities to refund the amount deposited with them immediately, in view of dropping of the proposal for providing the railway level crossing.

Mr. Speaker: Starred Question No. 124, Honourable Member Shri Hitendra Nath Goswami.

বিষয়: মহকুমা ভিত্তিত SDPC গঠন।

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামীয়ে সুধিছে:

★১২৪। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) অসমত মহকুমা ভিত্তিত SDPC সমূহ গঠন কৰি পৰিকল্পনা বিকেন্দ্ৰীকৰণ প্ৰক্ৰিয়া কোন চনৰ পৰা আৰম্ভ কৰা হৈছে আৰু ইয়াক কি

উদ্দেশ্য আগত ৰাখি পূৰ্বৰ প্ৰচলিত ব্যৱস্থাৰ পৰিবৰ্তে আৰম্ভ কৰা হৈছিল ?

(খ) বিকেন্দ্ৰীকৃত পৰিকল্পনা ব্যৱস্থাত ৰাজ্যখনৰ এটা বিত্তীয় বছৰৰ পৰিকল্পনাৰ চুড়ান্ত ৰূপ দিয়াৰ আগেয়ে প্ৰতি মহকুমাত গঠিত SDPC সমূহৰ পৰা Draft plan বিচৰা হয়নে ?

(গ) যদি হয় কিয় ?

(ঘ) ১৯৯২-৯৩ চনৰ SDPC সমূহৰ আগত দাখিল কৰা বছৰেকীয়া পৰিকল্পনা সুচীত দৰমহা বিষয়টো ( Salary Componant ) অন্তৰ্ভুক্ত সমীচিন হৈছেনে, যদি নহয় অহা বছৰত ইয়াৰ শুধৰণী হবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) অসমত মহকুমা পৰিকল্পনা পৰিষদ গঠনৰ দ্বাৰা পৰিকল্পনাৰ বিকেন্দ্ৰীকৰণ প্ৰক্ৰিয়া ভৈয়াম অঞ্চলৰ আটাইকেইখন জিলাকে সামৰি ১৯৮৬ চনৰ ১ এপ্ৰিলৰ পৰা আৰম্ভ কৰা হৈছে।

পৰিকল্পনা বিকেন্দ্ৰীকৰণ ব্যৱস্থা ঘাইকৈ নিম্ন উল্লেখিত উদ্দেশ্য সমূহ আগত ৰাখিয়েই প্ৰবৰ্ত্তন কৰা হয়।

১। বিকেন্দ্ৰীকৃত পৰিকল্পনাৰ আসোৱাহসমূহ আতৰ কৰা।

২। মহকুমা সমূহৰ স্থানীয় সম্পদ আৰু সম্ভাৱনীয় সম্পদৰ সঠিক প্ৰয়োগ আৰু লগতে স্থানীয় সমস্যা সমূহ দূৰীকৰণ।

৩। মহকুমা সমূহৰ মাজৰ আৰু মহকুমা সমূহৰ আভ্যন্তৰীন উন্নয়নৰ বৈষম্য দূৰীকৰণ।

৪। উন্নয়নৰ ক্ষেত্ৰত জনসাধাৰণক সক্ৰিয়ভাৱে জড়িত কৰা।

৫। জনসাধাৰণৰ আশা আকাংখ্যা সমূহ মহকুমা সমূহৰ সংহত বিকাশৰ দ্বাৰা বাস্তৱত ৰূপায়িত কৰা।

(খ) আৰু (গ) অসমত বিকেন্দ্ৰীকৃত পৰিকল্পনাৰ ক্ষেত্ৰত প্ৰতিটো বাৰ্ষিক পৰিকল্পনাত বিকেন্দ্ৰীকৰণৰ পদ্ধতিগত বিষয়সমূহৰ উন্নতি সাধনৰ প্ৰক্ৰিয়া চলি আছে। প্ৰতি বছৰে বিকেন্দ্ৰীকৃত পৰিকল্পনাৰ বাবে মুঠ আৱণ্টনৰ পৰিমান বঢ়াই থকা হৈছে। বিকেন্দ্ৰীকৃত পৰিকল্পনাত সামৰি লোৱা

বিভাগ সমূহৰ সংখ্যাও বৃদ্ধি কৰা হৈছে। ১৯৯২-৯৩ চনত বিকেন্দ্ৰীকৰণৰ পদ্ধতিত সামৰি লোৱা বিভাগ সমূহৰ প্ৰসাৰ ঘটাই ৩৯ টালৈ বৃদ্ধি কৰা হৈছে আৰু আৱণ্টনৰ ক্ষেত্ৰটো বিকেন্দ্ৰীকৃত পৰিকল্পনাৰ বাবে পৰিকল্পনা বাজেটৰ প্ৰায় আধা অংশ ধন আৱণ্টনৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মহকুমা পৰিকল্পনাও উন্নয়ন পৰিষদসমূহে সকলো সংশ্লিষ্ট বিভাগৰ জিলা/মহকুমাৰ মুৰব্বী বিষয়াৰ অংশ গ্ৰহণৰ দ্বাৰা মহকুমা বাৰ্ষিক কাৰ্যকৰী পৰিকল্পনা প্ৰস্তুত কৰে।

বিভিন্ন উন্নয়ন বিভাগে পৰিকল্পনা আয়োগৰ কাৰ্যকৰী গোটৰ লগত আলোচনা মাধ্যমেৰে আঁচনিসমূহ প্ৰস্তুত কৰে আৰু এই চুড়ান্ত কৰা আঁচনি সমূহ বাৰ্ষিক পৰিকল্পনাত অন্তৰ্ভূক্ত কৰা হয়। পৰিকল্পনা আয়োগৰ দ্বাৰা অনুমোদিত আঁচনিসমূহ মহকুমা পৰ্য্যায়ত মহকুমা পৰিকল্পনা ও উন্নয়ন পৰিষদসমূহে বিষদ আলোচনাৰ যোগেদি গ্ৰহণ কৰে।

(ঘ) বিকেন্দ্ৰীকৃত পৰিকল্পনাৰ অধীনৰ পৰিকল্পনা পদসমূহৰ দৰ্মহা বিষয়টো অপৰিহাৰ্য্য বুলি ভাবি অন্তভূৰ্ক্ত কৰা হৈছে। অৱশ্যে বিকেন্দ্ৰীকৃত পৰিকল্পনাৰ সকলো আঁচনিতে দৰ্মহাৰ অংশ অন্তৰ্ভুক্ত হৈ থকা নাই।

*শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী :—মাননীয় অধ্যক্ষ মহোদয়, চাব-ডিভিজনেল প্লেন কমিটিৰ জৰিয়তে মহকুমাত ৫টা পৰিকল্পনা বিকেন্দ্ৰীকৰণ কৰা হৈছে। দ্বিতীয় প্ৰশ্ন আছিল কি উদ্দেশ্য আগত ৰাখি পূৰ্বৰ প্ৰচলিত ব্যৱস্থাৰ পৰিবৰ্ত্তে আৰম্ভ কৰা হৈছিল? বিকেন্দ্ৰীকৃত পৰিকল্পনা ব্যৱস্থাত ৰাজ্যখনৰ এটা বিত্তীয় বছৰৰ পৰিকল্পনাৰ চুড়ান্ত ৰূপ দিয়াৰ আগেয়ে প্ৰতি মহকুমাত গঠিত চাব-ডিভিজনেল প্লেনৰ পৰা ড্ৰাফ প্লেন বিচৰা হৈছে নে? মহকুমা পৰিকল্পনা সমূহত দেখা যায় যে বিকেন্দ্ৰীকৃত পৰিকল্পনা আমাক দিয়ে সেইটো সাল-সলনি ঘটাই কৰিব লগা হয়। কিন্তু যিটো উদ্দেশ্য বিকেন্দ্ৰীকৰণ কৰা হৈছে সেই মহকুমাৰ আশা-আকাংখ্যাৰ কাৰণে কৰিবলগীয়া হৈছে। মহকুমা প্লেনবোৰ চৰকাৰে গ্ৰহণ কৰাত কিবা আপত্তি আছে নেকি? ড্ৰাফ প্লেন বিলাক ষ্টেট প্লেনলৈ পঠিয়াই ফাইনেল কৰিছে। মোৰ মহকুমাত কি কি অসুবিধা আছে বা কি অৱস্থাত আছে সেইটো কেনেকৈ প্ৰতিফলিত কৰিব পাৰিম। মহকুমা বিলাকত দি থকা হৈছে বুলিয়ে আমাৰ অনুমান হৈছে।

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী):— মাননীয় অধ্যক্ষ ডাঙৰীয়া, আপত্তি থাকিব নোৱাৰে। প্ৰকৃততে মহকুমা বিলাকে আনিব লাগে, সেইমতে বিচৰাও

*Speech not corrected.

হয়। বিভিন্ন মহকুমাৰ পৰাও সময়ত নিজৰ কাৰণে পঠিয়াই দিয়ে। যদি সেই-মতে আনিব পাৰো বা পঠিয়াই নিশ্চয় আমি এই বিলাক কাম কৰিব পাৰিম।

*শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী :— মাননীয় অধ্যক্ষ মহোদয়, মহকুমা পৰিকল্পনা প্ৰিজাৰ্ভ কৰাৰ কাৰণে এবাৰ নহয় ৩ বাৰ মিটিং হব লাগে। চেপ্তেম্বৰত ১ বাৰ অক্টোবৰত ১ বাৰ আৰু ফাইনেল এপ্ৰোভত দিবৰ কাৰণে মে বা জুলাই মাহত বৈঠক বহিব লাগে যাতে কমিটিয়ে নিয়াৰিকৈ চাব পাৰে। এটা ড্ৰাফ প্লেন আনটাইদ ফাণ্ডত টকা দিয়া হয়। কিন্তু মহকুমা পৰিকল্পনা সময়ত আগতে এপ্ৰোভ হৈ আহিব লাগে। আমাৰ কেৱল নিবিদাৰ কাৰণেহে দায়িত্ব থাকে। আনটাইদ ফাণ্ড যি ধৰণে হব লাগে সেই ধৰণে হোৱা নাই।

*শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : — মাননীয়া অধ্যক্ষ ডাঙৰীয়া, মই ভাবো আমাৰ ৩ খন মিটিং বহিব লাগে। এইটো নিৰ্দেশ দিয়া হব। আনটাইদ ফাণ্ডৰ এটা সমস্যা হৈছে আনটাইদ ফাণ্ড বিতৰণ কৰা আগতে কমিটি বহিব লাগে।

*শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, কমপালচৰি কৰিব লাগে।

*শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, সেইটো কৰা হব।

*শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, চাব ডিভিচন প্লেনৰ পৰা কিমানটা প্লেন ষ্টেট প্লেনলৈ পঠিওৱা হয়।

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) . মাননীয় অধ্যক্ষ ডাঙৰীয়া, সেইটো বিশেষকৈ তেওঁলোকৰ ওপৰত নিৰ্ভৰ কৰে।

*শ্ৰীপ্ৰমোদ গগৈ : মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই মাননীয় মুখ্যমন্ত্ৰীৰ পৰা এটা কথা জানিব বিচাৰিছো যে চাব-ডিভিজনেল প্লেনত স্কীম এপ্ৰোভ কৰি দিয়া হয়। ১৯৯২-৯৩ চনত বিভিন্ন শিতানত যিবিলাক প্লেন স্কীম কৰি দিছিল সেইটো ফাণ্ড বিভিন্ন শিতানত সেই টকাটো ৰিলিজ কৰা হৈছে নে নাই? মই জনাত শিৱসাগৰ ডেপুটি কমিশ্যনাৰে ১০ দিনৰ আগতে ফাণ্ড এলকেচনৰ ইনদিগেচন দিছিল। অসমৰ কিমানটা এচ, দি, পি স্কীমক অনুমোদন কৰিছে আৰু সেইটো ফাণ্ড স্পেচিয়েল ইনদিগেচন হিচাবে কৰা হৈছে নে নাই? যদি কৰা হোৱা নাই কেতিয়াকৈ ৰিলিজ কৰাৰ ব্যৱস্থা কৰিব।

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, শৰ্মা ডাঙৰীয়াই কৈছে যে প্লেনিং কমিচনাৰে এনোৰেজৰ কাৰণে ১৯৯২-৯৩ চনৰ ডিচেম্বৰত ৯৬০

* Speech not corrected

কোটি টকা ধাৰ্য্য কৰিলেও ৬৪৯ কোটি টকাহে এদজাচ কৰা হৈছে। ৩১১ কোটি টকাৰে কামবিলাক কৰি আছে। তেখেতে কোৱা কথা সঁত্য। কিছু টকা মুকলি কৰি দিয়া হব যাতে আৰু কাম কৰিব পাৰে।

*Shri Mission Ranjan Das : Will the Honourable Chief Minister be pleased to assure us that in 1992-93 also the untied fund will be granted ?

*Shri Hiteswar Saikia (Chief Minister) : Yes.

(Starred question No. 125 was deferred on the request of the Minister, Public Health Engineering)

Mr. Speaker : Starred Question No. 126 Honourable Member Shri Hiteswar Deka.

বিষয় : মদৰ দোকানৰ বাবে অনুজ্ঞাপত্ৰ।

শ্ৰীহিতেশ্বৰ ডেকাই সুধিছে :

★১২৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমত সৰ্বমুঠ চৰকাৰী অনুজ্ঞাপত্ৰ পোৱা ভাৰতত নিৰ্মিত বিদেশী সুৰা ( IMFL )ৰ খুচুৰা বিক্ৰীৰ দোকান কিমান আছে? (জিলা ভিত্তিত তথ্য সদনত দাখিল কৰিব)।

(খ) এই অনুজ্ঞাপত্ৰবোৰ বছৰে বছৰে 'নবীকৰণ' কৰা হৈছেনে আৰু যদি হৈছে কিহৰ ভিত্তিত কৰা হৈছে ?

(গ) ভাৰতত নিৰ্মিত বিদেশী সুৰাৰ অনুজ্ঞাপত্ৰ একেজন ব্যাক্তি অথবা একোটি প্ৰতিষ্ঠানক একে লেঠাৰীয়ে কিমান বছৰৰ কাৰণে দিব পাৰি।

(ঘ) আবকাৰী নিয়মানুযায়ী 'শিক্ষানুষ্ঠান' অথবা ধৰ্মীয়নুষ্ঠানৰ পৰা কিমান দুৰত্বত সুৰাৰ দোকানৰ বাবে অনুজ্ঞাপত্ৰ দিব পাৰি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ২২৩ (দুশ তেইশ) খন। তালিকা অনুবদ্ধ—১ত দিয়া হৈছে। ( See the Annexure—I ).

*Speech not corrected.

(খ) ভাৰতত নিৰ্মিত বিদেশী সুৰাৰ 'বাৰ' (On Licence) সমূহ প্ৰতি বছৰে আৰু Off Licence সমূহ প্ৰতি তিনি বছৰৰ মূৰে মূৰে নবীকৰণ কৰা হয়। অসম আবকাৰী আইন, ১৯৪৫ অনুযায়ী এনেকুৱা অনুজ্ঞাপত্ৰধাৰীৰ আয়কৰ, বিক্ৰীকৰ, অনুজ্ঞাপত্ৰ কৰ ঠিকমতে আদায় দিয়া থাকিলে আৰু অনুজ্ঞাপত্ৰত থকা সৰ্ত্তসমূহ মানি চলিলে চৰকাৰৰ অনুমোদন সাপেক্ষে জিলা কালেক্টৰৰ দ্বাৰা নবীকৰণ কৰা হয়।

(গ) ভাৰতত নিৰ্মিত বিদেশী সুৰাৰ দোকানৰ (Off Licence) অনুজ্ঞাপত্ৰ সাধাৰণতে একেলেঠাৰীয়ে তিনি বছৰৰ বাবে দিয়া হয়। চৰকাৰে এনেকুৱা অনুজ্ঞাপত্ৰ তিনিবছৰকৈ যেছি আৰু দুটা নবীকৰণ কৰিব পাৰে। ভাৰতত নিৰ্মিত বিদেশী সুৰাৰ 'বাৰ'ৰ (On Licence) অনুজ্ঞাপত্ৰ কোনো ব্যক্তি'প্ৰতিষ্ঠানক বছেৰেকীয়া নবীকৰণৰ ভিত্তিত এবছৰৰ বাবে দিয়া হয়।

আবকাৰী নিয়ম ১৯৪৫ চনৰ ২৭৩ (২) বিধি অনুসৰী যিবোৰ ব্যক্তিৰ অনুজ্ঞাপত্ৰৰ ম্যাদ ইতিমধ্যে একেলেঠাৰীয়ে ২৫ বছৰ বা তাতকৈ বেছি হৈছে তেনেকুৱা ব্যক্তিয়ে আৰু অনুজ্ঞাপত্ৰ পোৱাৰ যোগ্যতা নাথাকে। ঐই ধৰণৰ অনুজ্ঞাপত্ৰ পোৱাৰ যোগ্যতা নাথাকে। এই ধৰণৰ অনুজ্ঞাপত্ৰবোৰ চৰকাৰে আনব্যৱস্থা নোহোৱালৈকে অসম আবকাৰী আইন ১৯৪৫ আৰ ১৭৮ (৪) বিধি অনুযায়ী প্ৰতি তিনিমাহৰ মূৰে মূৰে নবীকৰণ কৰি চলাই থাকিবলৈ চৰকাৰে অনুমতি দিছে।

(ঘ) অসম আবকাৰী নিয়ম ১৯৪৫ চনৰ ১৮৩(২) বিধি অনুযায়ী ভাৰতত নিৰ্মিত বিদেশী সুৰাৰ দোকান শিক্ষা অনুষ্ঠান অথবা ধৰ্মীয় অনুষ্ঠান পৰা যথাসম্ভৱ যথোপযুক্ত দূৰত্বত (reasonable distance) থাকিব লাগে। এই ক্ষেত্ৰত কোনো নিৰ্দ্ধাৰিত ধৰা বন্ধ দূৰত্ব উক্ত নিয়মত উল্লেখ নাই।

*শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই প্ৰশ্নোত্তৰ 'খ'ৰ উত্তৰত যিটো বিচাৰিছিলো সেইধৰণে উত্তৰ দিয়া নাই। মই সুধিছিলো এই অনুজ্ঞাপত্ৰবিলাক বছৰে বছৰে 'নবীকৰণ' কৰা হৈছেনে নাই? মাননীয় মুখ্যমন্ত্ৰীয়ে নিশ্চয় লক্ষ্য কৰিছে যে তেখেতে উত্তৰটো দিছে— কৰা

★Speech not corrected

হয়। মই সুধিছো এই ২২৩ খন বিদেশী সুৰাৰ খুচুৰা বিক্ৰীৰ দোকান 'নবীকৰণ' কৰা হৈছেনে নাই, তাৰ স্পেচিফিক উত্তৰ লাগে। তেখেতে 'গ'ৰ উত্তৰত কৈছে — ১৯৪৫ চনৰ ১৭৩(২) বিধি অনুসৰী হিবোৰ ব্যক্তিৰ অনুজ্ঞাপত্ৰৰ ম্যাদ ইতিমধ্যে একেলেঠাৰীয়ে ২৫ বছৰ বা তাতকৈ বেছি হৈছে তেনেকুৱা ব্যক্তিয়ে আৰু অনুজ্ঞাপত্ৰ পোৱাৰ যোগ্যতা নাথাকে। মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে ২৫ বছৰৰ বেচি অতিক্ৰম কৰা কোনোবা ব্যক্তিয়ে এই অনুজ্ঞাপত্ৰৰ দ্বাৰা কাম চলাই আছে নেকি ? আৰু 'ঘ'ৰ উত্তৰত তেখেতে কৈছে— অসম আবকাৰী নিয়ম ১৯৪৫, ১৮৩ (২) বিধি অনুযায়ী ভাৰতত নিৰ্মিত বিদেশী সুৰাৰ দোকান শিক্ষা অনুষ্ঠান অথবা ধৰ্মীয় অনুষ্ঠানৰ পৰা যথা সম্ভৱ যথোপযুক্ত দূৰত্বত ( ৰিজনেবল ডিষ্টেনচত ) থাকিব লাগে। এতিয়া মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে গুৱাহাটীৰ মাজ মজিয়াত তেনেকুৱা শিক্ষানুষ্ঠান বা ধৰ্মীয় অনুষ্ঠানৰ ওচৰত তেনেকুৱা অনুজ্ঞাপত্ৰ পোৱা আছে নেকি ?

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনে 'খ'ৰ প্ৰশ্নৰ উত্তৰত সুধিছে 'নবীকৰণ' কৰা হৈছেনে নাই ? মই কৈছোৱেই কৰা হৈছে। আৰু তেখেতে ২৫ বছৰ বেচি থকা দিব নেলাগে বুলি কৈছে। সেইটো হাইকোৰ্টত কেচ কৰাৰ কাৰণে লাইচেঞ্চ কেনচেল কৰিব পৰা নাই। শিক্ষানুষ্ঠান বা ধৰ্মীয় অনুষ্ঠানৰ ওচৰত কোনো ধৰণৰ অনুজ্ঞাপত্ৰ দিয়া নহয়। অৱশ্যে হোটেল বিলাকত 'বাৰ'ৰ কাৰণে অনুজ্ঞাপত্ৰ দিয়া হয় কিয়নো ইয়াৰ লগত 'ফৰেইনাচ''ৰ সম্পৰ্কৰ কথাটো জড়িত আছে।

*শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰশ্নটো 'স্পেচিফিক' সুধিছিলো যে গুৱাহাটীৰ মাজ-মজিয়াত শিক্ষানুষ্ঠান বা ধৰ্মীয় অনুষ্ঠানৰ ওচৰত তেনেকুৱা অনুজ্ঞাপত্ৰ দিয়া হৈছে নেকি ?

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই এতিয়া সেইটো কথা খাটাংকৈ কব নোৱাৰিম। অনুসন্ধান কৰি সদনত পিচত জনাব পাৰিম।

*শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটীৰ মাজ-মজিয়াৰ অসমৰ আটাইতকৈ পুৰণা শিক্ষানুষ্ঠান 'কটন কলেজ'। ইয়াৰ সন্মুখতে 'বি, এন. দে'ৰ কোম্পানী নামে এখন দোকান আছে আৰু পান বজাৰত 'খুবচান্দ এণ্ড কোম্পানী'

*Speech not corrected

নামৰ এখন দোকান আছে। মই মুখ্যমন্ত্ৰীৰ পৰা এইটো আশ্বাস বিচাৰিছো যে এই পবিত্ৰ অথচ অতি পুৰণা শিক্ষানুষ্ঠানৰ সন্মুখৰ পৰা কটন কলেজৰ ছাত্ৰ-ছাত্ৰীসকলক সুৰাপানৰ পৰা মুক্ত কৰাৰ কাৰণে উক্ত কোম্পানীটোৰ দোকান-খন স্থানান্তৰ কৰিবনে? তাৰ এটা সদনত আপোনাৰ পৰা আশ্বাস বিচাৰিছো।

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, তেখেতে নিজেই কৈছে যে বহু বছৰ আগতে প্ৰতিষ্ঠিত দোকান। মই এই বিভাগৰ লগত আলোচনা কৰি চাম। আইনে বা কি কয় গোটেই বিলাক চাই-চিটি ইয়াৰ বিহিত ব্যৱস্থা লোৱা হব।

*শ্ৰীহিতেশ্বৰ ডেকা: মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা 'কটন কলেজ'ৰ সন্মুখৰ পৰা উক্ত দোকানখন অনতি পলমে হস্তান্তৰ কৰাৰ কাৰণে আশ্বাস বিচাৰিছো।

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, মই এইটো তদন্ত কৰি চাম।

*শ্ৰীবদন বৰুৱা: মাননীয় অধ্যক্ষ মহোদয়, ধৰ্মীয় অনুষ্ঠান বিলাকত মদৰ লাইচেঞ্চ দিয়ে নেকি?

মাননীয় অধ্যক্ষ: আপুনি এই বিষয়ে কিবা নিজে জানে নেকি?

*শ্ৰীবদন বৰুৱা: মাননীয় অধ্যক্ষ মহোদয়, কামাখ্যা মন্দিৰত যেতিয়া যজ্ঞ পাতে বা পূজা কৰে তেতিয়া পাণ্ডাবিলাকে হাতত বটল লৈ খাই খাই পূজা কৰে, তাৰ কিবা এনে ধৰণৰ ধৰ্মীয় অনুষ্ঠানত লাইচেঞ্চ দিয়াৰ নিয়ম আছে নেকি?

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, ধৰ্মীয় অনুষ্ঠানত লাইচেঞ্চ দিয়াৰ নিয়ম নাই পূজাৰ কাৰণে যদি কোনোবাই মদ দিয়ে মই নেজানো।

Mr. Speakar: Starred Question No, 127 Honourable Member Shri Kamal Brahma.

বিষয়: তুলানি নৈৰ দলং।

শ্ৰীকমল ব্ৰহ্মই সুধিছে:

*১২৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) বিজনী নগৰৰ ওচৰত থকা তুলানি নৈ খনৰ R.C.C. দলংখনৰ কাম কেতিয়া আৰম্ভ হয়?

(খ) এই দলংখন এতিয়ালৈকে নিৰ্মান হৈ নুঠাৰ কাৰণ কি?

*Speech not corrected

(গ) ১৯৯৩-৯৪ চনৰ বিত্তীয় বছৰত চৰকাৰে এই দলংৰ কাম সম্পূৰ্ণ কৰিবনে ?

শ্ৰীশৰৎ বৰকটকী (গড়কাপ্তানী বিভাগৰ (ভৈয়াম) ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) ১৯৮৮ চনৰ ২৫ জুনত।

(খ) এই দলংখনৰ নিৰ্মানৰ কাম এতিয়ালৈ হৈ নুঠাৰ কাৰণ কেবাটাও, প্ৰধানকৈ ১৯৯০ চনলৈ আইন শৃঙ্খলাৰ পৰিস্থিতি বেয়া হোৱা বাবে আৰু বড়োলেণ্ডৰ সমৰ্থনত কেবাটাও সংগঠনে দিয়া বন্ধৰ ফলত কাম সুকলমে চলাত বাধা পৰিছিল, প্ৰায়ে হৈ থকা বানপানীৰ কাৰণেও কিছু দিন কাম ব্যাহত হয়। ১৯৯২ চনত আইন শৃঙ্খলাৰ পৰিস্থিতি কিছু উন্নত হোৱাত দলং নিৰ্মানৰ কিছু কাম আগ বাঢ়ে ইয়াৰ পাচত দলং নিৰ্মানত নিয়োজিত নিৰ্মান প্ৰতিস্থান M/S Bridge & Building Co. ৰ গাফিলতিৰ কাৰণে দলং নিৰ্মানৰ কাম যোৱা ১৯৯২ চনৰ জুনৰ পৰা বন্ধ হৈ আছে।

(গ) কাম নকৰাৰ বাবে নিৰ্মান প্ৰতিস্থানক ইতিমধ্যে চুড়ান্ত জাননী দিয়া হৈছে। বিত্তীয় নিয়ম অনুযায়ী উক্ত প্ৰতিস্থানৰ পৰা কামটো বাতিল কৰি অইন প্ৰতিস্থানৰ দ্বাৰা কৰাবলৈ প্ৰাথমিক ব্যৱস্থা হাতত লোৱা হৈছে। আশা কৰা যায় ১৯৯৩-৯৪ চনৰ বিত্তীয় বছৰত এই দলংৰ কাম সম্পূৰ্ণ হব বুলি আশা কৰা দেখা গৈছে।

শ্ৰীকমল ব্ৰহ্ম : মাননীয় অধ্যক্ষ মহোদয়, ইয়াত উত্তৰ দিয়া হৈছে যে ১৯৯০ চনলৈ আইন শৃংখলা পৰিস্থিতি ব্যাহত হৈছে। কিন্তু আচলতে ১৯৯০ চনলৈ আইন শৃংখলা পৰিস্থিতি ব্যাহত হোৱা নাই বৰং উন্নত হৈছিল। আৰু বানপানীৰ কাৰণে কাম ব্যাহত হৈছে বুলি তেখেতে উল্লেখ কৰিছে কিন্তু ১৯৯০ চনৰ পৰা বানপানী হোৱা নাই। পানী হলেও কাম চলি থাকিব পাৰে। সেই কাৰণে মই ভাবো দলং নিৰ্মাণৰ বাবে নিয়োজিত নিৰ্মাণ প্ৰতিষ্ঠানৰ দুৰ্বলতা আৰু কামৰ গাফিলতিৰ বাবে দলং নিৰ্মাণ কৰা হোৱা নাই। আইন শৃংখলা পৰিস্থিতি বা বানপানীৰ বাবে দলং নিৰ্মাণ নোহোৱা নহয়, কামৰ গাফিলতিৰ বাবেহে হোৱা নাই।

শ্ৰীশৰৎ বৰকটকী (মন্ত্ৰী, গড়কাপ্তানী ভৈয়াম) : মাননীয় অধ্যক্ষ মহোদয়, সেই কাৰণে এই প্ৰতিষ্ঠানটোক জাননী দিয়া হৈছে। জাননী পোৱাৰ পিছত

যদি দলং নিৰ্মাণৰ কাম ঠিকমতে নকৰে তেতিয়াহলে অন্য কোম্পানীক নিৰ্মাণ কৰিবলৈ দিয়া হব।

Shri Parameswar Barhma: Mr. Speaker Sir, I want to know whether our Honourable, P W D Minister is aware of the longest wooden bridge over the River Gangis at Gawraguri-Kachukata Road. It is a very important road and it is the only short cut route to reach Kokrajhar from Gossaigaon. I want to know from the Honourable Minister, PWD. whether he would give assurance to take up the construction of this longest bridge.

*Shri Sarat Barkataki (Minister P.W.D.): I do not know about this bridge. I will look into the matter.

★শ্ৰীভূপেন ৰয়: মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে বিজনী নগৰৰ ওচৰত থকা তুলনী নৈৰ দলং নিৰ্মাণৰ কথা কোৱা হৈছে। সেই কামত কিমান টকা দিয়া হৈছে?

★শ্ৰীশৰৎ বৰকটকী (গড়কাপ্তানী মন্ত্ৰী, ভৈয়াম): মাননীয় অধ্যক্ষ মহোদয়, বিজনী নগৰৰ ওচৰত থকা তুলনী নদীৰ ওপৰত আৰ, চি, চি, দলং নিৰ্মাণ কৰিবলৈ ৮৬,১৩,৬০০ (চিয়াশী লাখ তেৰ হাজাৰ ছশ) টকাৰ প্ৰশাসনিক মঞ্জুৰী চৰকাৰী চিঠি নং এএ-১২৪/৮৭/২ তাৰিখ দিশপুৰ ১৮ চেপ্তেম্বৰ '৮৭ ৰ দ্বাৰা পোৱা হয়। ইয়াৰ ভিতৰত কেৱল দলং খনৰ বাবে মঞ্জুৰ হোৱা টকাৰ পৰিমান ৭০,৮০,০০০ (সত্তৰ লাখ আশী হেজাৰ) টকা এই দলং নিৰ্মাণ কৰিবলৈ ১৯৮৮ চনৰ ২৫ জুনতেই (ব্ৰিজ এণ্ড বিল্ডিং কনষ্ট্ৰাকছন কোঃ লিঃ) নামৰ এটা কলিকতাৰ নিৰ্মাণ প্ৰতিষ্ঠানক কামৰ আদেশ দিয়া হয়। উক্ত কামটো নিবিদা মূল্য আছিল ৭১,৯৯,৯৯৯ টকা। নিবিদা চুক্তি অনুসৰি কামটো ১৯৯০ চনৰ জুন মাহতে সম্পূৰ্ণ হব লাগিছিল। এতিয়ালৈকে কামটো ৭৫ শতাংহে সম্পূৰ্ণ হৈছে। এতিয়ালৈ এই কোম্পানীটোক ৩৫,২৮,৫০০ টকাৰ বিল আদায় দিয়া হৈছে।

*Speech not corrected.

*শ্ৰীভূপেন ৰয় : মাননীয় অধ্যক্ষ মহোদয়, মাত্ৰ ৮ জন লেবাৰৰ দ্বাৰা কাম কৰা এই কোম্পানীটোক কি যুক্তিত ৩৫ লাখ টকা আদায় দিলে আমি বুজি নাপালো। যোৱা মাৰ্চ মাহৰ সদনত মন্ত্ৰী ডাঙৰীয়াই ১৯৯৩ চনৰ জুন মাহৰ ভিতৰত এই কাম সম্পূৰ্ণ কৰিব বুলি কৈছিল। কিন্তু সেই কাম কৰিবলৈ এই কোম্পানীটোৱে কোনো ব্যৱস্থা নললে। গতিকে এই কোম্পানীটোক ব্লেক লিষ্টেদ কৰিব লাগিছিল। কিন্তু আজিলৈ কোম্পেনীটোৰ বিৰুদ্ধে কোনো ব্যৱস্থা নললে।

*শ্ৰীশৰৎ বৰকটকী (গড়কাপ্তানী মন্ত্ৰী, ভৈয়াম) : মাননীয় অধ্যক্ষ মহোদয়, শেহতীয়াভাৱে নিয়ম অনুসৰি নিৰ্মাণ প্ৰতিষ্ঠানটোৰ পৰা কামটো বাতিল কৰি অইন প্ৰতিষ্ঠানৰ দ্বাৰা আধৰুৱা কামখিনি কৰাৰ বাবে যো-যা কৰা হৈছে। আশা কৰা যায় ১৯৯৩-৯৪ চনৰ বিত্তীয় বছৰতেই নিৰ্মিয়মান দলংখনৰ অসম্পূৰ্ণ হৈ থকা কামখিনি সম্পূৰ্ণ হব।

*শ্ৰীফণীভূষণ চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই ঠিকাদাৰক ৩৫ লাখ টকা দিয়াৰ কথা কৈছে। কিন্তু কথা হৈছে ৩৫ লাখ টকাৰ কাম হৈছে নে নাই। আমি জনাত ৩৫ লাখ টকাৰ কাম হোৱা নাই। গতিকে কি ভিত্তিত ৩৫ লাখ টকা দিলে?

*শ্ৰীশৰৎ বৰকটকী (গড়কাপ্তানী মন্ত্ৰী, ভৈয়াম) : মাননীয় অধ্যক্ষ মহোদয়, মই জনাত কাম হৈছে সেই কাৰণে টকা দিয়া হৈছে।

Mr. Speaker : Now Question No. 128, Honourable Member Shri Promode Gogoi.

**Re : R. C. C. Bridge over Dikhow River.**

Shri Promode Gogoi asked :

*128. Will the Minister of P. W. D. be pleased to state :

(a) Whether the works for construction of the R. C. C. Bridge over Dikhow River have been allotted to any firm/contractor ?

(b) If not, what are the causes of such inordinate delay ?

*Speech not corrected.

Shri Sarat Barkataky (Minister of State P.W.D, Plains) replied :

(a) No.

(b) Delay is due to lack of response from the competent contractor to execute the work at reasonable cost.

*শ্ৰীপ্ৰমোদ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে ইয়াত দিখৌ নৈৰ যিখন দলঙৰ কথা উল্লেখ কৰিছে সেই দলঙখন যিহেতু অ', এন, জি, চি ফাণ্ডিং কৰিছে। ৬০ শতাংশ অ', এন, জি, চি, আৰু ৪০ শতাংশ ৰাজ্য চৰকাৰৰ ফালৰ পৰা দিব লাগে। এই দলঙখন নিৰ্মাণত যদি ২/৩ বছৰ লাগে তেতিয়া হলে এই দলং নিৰ্মাণৰ কাৰণে ৬ কোটি টকা লাগিব। ইতিমধ্যে ভাৰত চৰকাৰে সিদ্ধান্ত লৈছে যে অ', এন, জি, চিক পাব্লিক লিমিটেড কোম্পানী কৰিব। সেয়া মে / জুন মাহৰ ভিতৰত কৰিব বুলি আমি জানো। এতিয়া বেয়া হৈছে যে চৰকাৰে এই কোম্পানীটোৰ লগত আলোচনা চলাই আছে কিন্তু চৰকাৰে বিবেচনা কৰিব পৰা নাই যে আজি যিটো কোম্পানী কেপেবুল হৈ আছে সেই কোম্পানীটোৱে হয়তো পাব্লিক লিমিটেড হৈ যোৱাৰ পিছত কেপেবুল নহবও পাৰে। গতিকে মে মাহৰ আগতে দিয়াৰ ব্যৱস্থা লব লাগে। অ' এন, জি, চিৰ স্কীমৰ লগত যিবিলাক আঁচনি আছে সেইবিলাক মে মাহৰ আগতে কৰাৰ ব্যৱস্থা কৰিব লাগে।

*শ্ৰীশৰৎ বৰকটকী ( গড়কাপ্তানী মন্ত্ৰী, ভৈয়াম ) : মাননীয় অধ্যক্ষ মহোদয়, শ্ৰীগগৈ ডাঙৰীয়াৰ লগত এই বিষয়ে ৬/৩/৯৩ তাৰিখে আলোচনা কৰা হৈছে। আৰু ইতিমধ্যে মুখ্য অভিযন্তাক জনাই দিয়া হৈছে আৰু মুখ্য অভিযন্তাক মাতি পঠাইছো যাতে মে মাহৰ ভিতৰত কাম আৰম্ভ কৰাৰ ব্যৱস্থা কৰিব পাৰি তাৰ ব্যৱস্থা গ্ৰহণ কৰিম।

Mr. Speaker : Now Question No. 129. Honourable Member Shri Samarendra Nath Sen.

**Re : Security Deposit of Sales.**

Shri Samarendra Nath Sen asked :

*129. Will the Minister Finance be pleased to state :

★Speech not corrected

(a) Whether it is a fact that Sales Tax Department has passed an order for collecting huge amount as Security Deposit from the Businessman, Industrials etc ?

(b) If so, what is the reason ?

(c) Whether it is a fact that if Government realises any money as advances or as Security Deposit and if so, whether the Government is to pay interest to such depositor ?

(d) If so, whether the Government will pay any interest ?

Shri Jiba Kanta Gogoi (Minister, Finance) replied :

(a) Yes, it is a fact that notices have been issued to sales tax dealers for payment of Security Deposit.

(b) Security is demanded to ensure realisation of tax payable under the Sales Tax Act and to ensure proper custody of the Statutory forms.

(c) No.

(d) Does not arise.

*Shri Samarendra Nath Sen : Mr. Speaker Sir, may I know from the Honourable Minister, Finance what is the purpose of collecting huge amount of security and whether it is for the purpose of safe custody, if not why this huge amount of security has been demanded by the Government ?

*Shri Jiba Kanta Gogoi (Minister, Finance) : Mr. Speaker Sir, the additional security money demanded by the Department because there may be some unscrupulous traders. To prevent such acts of unscrupulous we wanted payment of additional security.

*Speech not corrected

*Shri Samarendra Nath Sen : Under what provision this security money has been selected ?

*Shri Jiba Kanta Gogoi (Minister, Finance) : Sir, this security deposit is demanded from registered dealers under the provisions of Section 7 (2-A) and 7 (3-A) of the Central Sales Tax Act, 1956, Section II / 8 of the Assam Sales Tax Act, 1947 and Section 7 (1) of the Assam Finance (Sales Tax) Act, 1956. The purpose is to ensure realisation of payable tax and to ensure proper custody of the statutory forms.

*Shri Mission Ranjan Das : May I know from the Honourable Minister whether the traders will be paid interest for giving this security ?

*Shri Jiba Kanta Gogoi (Minister, Finance) : There is no provision to pay interest for the security money.

*Shri Mission Ranjan Das : Whether the Honourable Minister would consider payment of interest for the security deposits ?

*Shri Jiba Kanta Gogoi (Minister, Finance) : Mr. Speaker Sir, when there is no provision in the Acts and Rules how can we pay the interest.

*Shri Samarendra Sen : The security deposit have been already paid by the dealers under provision of Section 7 (2-A) and 7 (3-A) of the Central Sales Tax Act, 1956 and now if they are again asked to pay the security what is the reason for this ?

*Shri Jiba Kanta Gogoi (Minister, Finance) : Maximum security that can be demanded from a dealer is the amount of tax payable by him in the previous financial year. The

---

*Speech not corrected.

procedure also requires a notice to be issued to the dealer demanding the security deposit. I will have to enquire whether the notice had been issued along with the demand to the dealers.

★Shri Samarendra Nath Sen : Will the Government be pleased to pay the interest for the security deposits ?

★Shri Jiba Kanta Gogoi (Minister, Finance) : Sir, I have already told that under the relevant Acts there is no provision for paying interest for security deposit. When there is no mention in the law about interest payment how can I pay interest ?

★Shri Samarendra Nath Sen : Sir, I should say this is an arbitrary action of the Finance Department.

A dealer who has already paid a security deposit, if he is asked to pay another then he should be asked to give reasons in writing to the Department. Whether any reason has been demanded by the Department from the dealer ?

★Shri Jiba Kanta Gogoi (Minister, Finance) : The reasons are to be furnished along with notices. I shall have to make an enquiry whether they have furnished it or not.

★Shri Samarendra Nath Sen : The Minister has already replied that interest will not be paid. But Sir, in case Government demand any amount from any persons then Government is to pay interest

*Shri Jiba Kanta Gogoi (Minister, Finance) : I have already told that under the present condition there is no provision of paying interest for the security deposits.

---

*Speech not corrected.

*Shri Samarendra Nath Sen : Then if I say that it is arbitrary

Shri Jiba Kanta Gogoi (Minister, Finance) : I have said that no interest will be paid.

*Shri Holiram Terang : This has been done because there are unscrupulous traders. Whether Government has made any list of unscrupulous traders?

Shri Jiba Kanta Gogoi (Minister, Finance) : No. list has been made.

*Shri Holiram Terang : Then why such an order has been passed if a list has not been made?

Shri Jiba Kanta Gogoi (Minister, Finance) : This order has been passed not because there are unscrupulous ...... (interruption) ......

Mr. Speaker : Now, Starred Question No. 130. Honourable Member Shri Suren Swargiary.

বিষয় : খোৱাপানী আঁচনি।

শ্ৰীসুৰেন স্বৰ্গীয়াৰীয়ে সুধিছে :

*১৩০। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) নলবাৰী জনস্বাস্থ্য কাৰিকৰী সংমণ্ডলৰ কাৰ্য্যবাহী অভিযন্তাৰ অধীনত তলত উল্লেখ কৰা আঁচনি সমূহ কাৰ্য্যকৰী কৰণৰ বাবে চৰকাৰে কোন চনত সিদ্ধান্ত গ্ৰহণ কৰিছে আৰু প্ৰতিটো আঁচনিৰ বিপৰীতে কিমান টকা ধাৰ্য্য কৰা হৈছে?

১। বামপুৰ খোৱাপানী যোগান আঁচনি।

২। আঠিয়াবাৰী খোৱাপানী যোগান আঁচনি।

৩। চৰাইমাৰী খোৱাপানী যোগান আঁচনি।

(খ) উক্ত আঁচনি সমূহ সম্পূৰ্ণ কৰা হৈছেনে?

(গ) যদি হোৱা নাই তাৰ কাৰণ কি?

(ঘ) বৰ্ত্তমানলৈ প্ৰতিটো আঁচনিৰ কামৰ অগ্ৰগতি কিমান শতাংশ?

(ঙ) আঁচনি সমূহ কেতিয়া সম্পূৰ্ণ কৰা হব?

*Speech not corrected.

শ্ৰীদীনেশ প্ৰসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

| (ক) পানী যোগান আঁচনিৰ নাম | সিদ্ধান্ত লোৱা বছৰ | ধাৰ্য্য কৰা ধনৰ পৰিমান |
|---|---|---|
| (১) ৰামপুৰ | ১৯৮৬-৮৭ | ১১.৬৬ লাখ টকা |
| (২) আঠিয়াবাৰী | ১৯৮৬-৮৭ | ১১.২১ লাখ টকা |
| (৩) চৰাইমাৰী | ১৯৮৬-৮৭ | ১০.৩৬ লাখ টকা |

(খ) উক্ত আঁচনি সমূহ সম্পূৰ্ণ হোৱা নাই যদিও আঠিয়াবাৰী পানী যোগান আঁচনিৰ পৰা খোৱা পানী যোগান ধৰি থকা হৈছে।

(গ) প্ৰয়োজনীয় পুজিৰ অভাৱ আৰু অঞ্চলবোৰত অশান্ত পৰিবেশ বিৰাজ হৈ থকা বাবে আঁচনিবোৰ সম্পূৰ্ণ কৰাত বিলম্ব হৈছে।

(ঘ) ৰামপুৰ ৮০%, আঠিয়াবাৰী ৪০% আৰু চৰাইমাৰী ৫০%।

(ঙ) প্ৰয়োজনীয় পুজি পালে আৰু অঞ্চলবোৰৰ পৰিস্থিতি উন্নত হলে ১৯৯৩-৯৪ আঁচনি সমূহেৰে পানী যোগান ধৰিবলৈ যত্ন কৰা হ'ব।

*শ্ৰীসুৰেন স্বৰ্গীয়াৰী : এই বিভাগটোৰ বিষয়াসকলে মন্ত্ৰী মহোদয়ক ভুল তথ্যপাতি দিয়া বুলি মোৰ অনুমান হৈছে।

(খ) প্ৰশ্নৰ উত্তৰত কৈছে আঠিয়াবাৰী পানী যোগান আঁচনিৰ পৰা খোৱা পানী যোগান ধৰি থকা হৈছে। এতিয়া আঠিয়াবাৰী পানী যোগান আঁচনিৰ কাম হৈছে ৪০ শতাংশ। কিন্তু ৰামপুৰ খোৱা পানী যোগান আঁচনিৰ কাম হৈছে ৮০ শতাংশ আৰু চৰাইমাৰী খোৱা পানী যোগান আঁচনিত ৫০ শতাংশ কাম হৈছে। যদি আঠিয়াবাৰী ৪০ শতাংশ কাম হওঁতে পানী যোগান ধৰিব পাৰে, তেতিয়া হলে ৰামপুৰ আঁচনিত ৮০ শতাংশ হৈছে তেতিয়াহলে তাত পানী যোগান ধৰিব পৰা নাই, সেই বিষয়ে মন্ত্ৰী মহোদয়ে জনাব।

*শ্ৰীদীনেশ প্ৰসাদ গোৱালা (মন্ত্ৰী) : বিভাগীয় ৰিপ'ৰ্টমতে আঠিয়াবাৰী জল প্ৰকল্পত পানী যোগান ধৰা হৈছে। ৮০ শতাংশ কাম হৈছে যদিও পাম্পচেট নিদিয়াৰ কাৰণে পানী যোগান ধৰিব পৰা নাই। এতিয়া মাননীয় সদস্য গৰাকীয়ে কৈছে যেতিয়া আঠিয়াবাৰীত পানী যোগান ধৰিব পৰা হৈছে নে নাই তদন্ত কৰি চাম।

★ Speech not corrected

*শ্ৰীসুৰেন স্বৰ্গীয়াৰী : এই আঁচনিৰ বিপৰীতে ফাণ্ড এলোকেচন কৰা হৈছে। ৰামপুৰ ১১.৬৬ লাখ, আঠিয়াবাৰী ১১.২১ লাখ, চৰাইবাৰী ১০.৩৬ লাখ টকা দিয়া হৈছে, মন্ত্ৰী ড°ঙৰীয়াৰ পৰা জানিব বিচাৰিছো তাত (ঙ) প্ৰশ্নত কৈছে প্ৰয়োজনীয় পুজি পালে আৰু অঞ্চলবোৰৰ পৰিস্থিতি উন্নত হলে ১৯৯৩-৯৪ আঁচনি সমূহেৰে পানী যোগান ধৰিবলৈ যত্ন কৰা হব। যিখিনি ফাণ্ড এলোকেচন কৰা হৈছে, এই স্কীমৰ বিপৰীতে এইখিনি টকা খৰচ কৰা হৈছে নে? এই আঁচনি সমূহৰ বিপৰীতে কিমান টকাৰ প্ৰয়োজন হব মন্ত্ৰী মহোদয়ে জনাবনে?

*শ্ৰীদীনেশ প্ৰসাদ গোৱালা (মন্ত্ৰী) : এই তিনিটা আঁচনি টি, এচ, পি আৰু এম, এন. পি ১৯৮৬-৮৭ চনত লোৱা হৈছিল, যিটো ধন ধাৰ্য্য কৰা হৈছিল এতিয়া ১৯৯২-৯৩ চনত ডাবোল হৈছে। আমি আশা কৰো ১৯৯৩-৯৪ চনত এম, এন. পিত আৰু টি, এচ, পিৰ টকা পাম, বেছি টকা নাপাও এইটো কৰি দিয়াৰ ব্যৱস্থা কৰা হব।

*শ্ৰীবুবুল দাস : আপোনালোকে জানে যে অসমৰ বিভিন্ন ঠাইত পানী যোগান আঁচনিত বিজুলী যোগান বন্ধ কৰাৰ ফলত খোৱা পানী যোগন বন্ধ হৈ আছে। মৰিগাওঁ পাব্লিক হেল্‌থত পানী যোগান বন্ধ কৰি দিয়াত আঁচনি সমূহ বন্ধ হৈ আছে। এইদৰে বিজুলী শক্তি যোগান বন্ধ হৈ থাকিলে বহু আঁচনি উন্নত হোৱাত বাধা আহি পৰিব।

★শ্ৰীদীনেশ প্ৰসাদ গোৱালা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, বিদ্যুৎ বিভাগৰ লগত এই বিষয়ে কথা পাতিছো। কেইদিনমানৰ ভিতৰতে সমাধানৰ ব্যৱস্থা কৰা হব।

*শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : আমাৰ যিটো স্কীম দিয়া হয় ভাল বিদ্যুৎশক্তি নথকাৰ কাৰণে প্ৰায় ঠাইতে এই আঁচনি সমূহ ১০-১২ লাখ টকাৰ স্কীম লোৱা হয় কিন্তু বন্ধ হৈ থাকে। য'ত বিদ্যুৎ শক্তি নাই তাত ২০-২২ লাখ খৰছ কৰি এই সমস্যা সমাধান কৰাৰ ব্যৱস্থা কৰিব লাগে। কেন্দ্ৰীয় চৰকাৰে পাইপ স্কীম কৰি দিয়াৰ দৰে আমাৰ ইয়াত পাইপ স্কীম লব নোৱাৰে নেকি?

*শ্ৰীদীনেশ প্ৰসাদ গোৱালা (মন্ত্ৰী) : কেন্দ্ৰই পাইপ স্কীম বন্ধ কৰি দিয়াৰ নিৰ্দেশ নাই। ১৯৭১ চনৰ চেনচাচ্ মতে যি কেইখন গাওঁ আছিল তাত পানী যোগান আঁচনি সম্পূৰ্ণ কৰা হৈছে। ১৯৯০-৯১ চেনচাচ্ মতে কিছুমান গাওঁ চাৰ্জে কৰি আগবাঢ়িব পৰা যাব। সেই ভিত্তিত পাইপ লাইন বহুওৱা আৰু ইলেকট্ৰিচিটি আঁচনি ব্যৱস্থা কৰিব পৰা যাব, এই বিষয়ে ভালেমান আলোচনা হৈছে, ইয়াৰ ভিতৰত কিছুমান লোৱা হব।

---

* Speech not corrected.

*শ্ৰীমতী ৰেণুপমা ৰাজখোৱা : মাননীয় অধ্যক্ষ মহোদয়, অসমৰ পানী যোগান আঁচনিসমূহ এতিয়াও সম্পূৰ্ণ হোৱা নাই কিয়? মোৰ সমষ্টি টিয়কৰ ৰবি গাওঁৰ বৰখেলিয়া আঁচনি এই বিত্তীয় বছৰত সম্পূৰ্ণ কৰা হব নে? তাৰোপৰি ১৯৯২-৯৩ চনত নতুন কিমান আঁচনি লোৱা হৈছে? এই সম্পৰ্কত মই চৰ্ট ন'টিচ প্ৰশ্ন এটা দিছিলো। কিন্তু এতিয়াও আহি পোৱা নাই।

*শ্ৰীদীনেশ প্ৰসাদ গোৱালা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বহুতো আঁচনি এতিয়াও সম্পুৰ্ণ হোৱা নাই সঁচা। বিত্তীয় বছৰত সম্পুৰ্ণ কৰাৰ বাবে বিবেচনা কৰি আছো। মাননীয় সদস্য গৰাকীৰ প্ৰশ্নটো চেপাৰেট প্ৰশ্ন হলে ভাল হয়।

*শ্ৰীমিচন ৰঞ্জন দাস : আমার নির্বাচন চক্রে একটা পাইপ লাইন ওয়াটার সাপ্লাই স্কীম বিদ্যুতের অভাবে বন্ধ হয়ে আছে। এটা চালু করবেন কি? তাছাড়া বর্তমানে যে সমস্ত পাইপ লাইন ওয়াটার সাপ্লাই স্কীম রয়েছে সেগুলো এক্সটেন্‌শ্যেন করবেন কি?

*শ্ৰীদীনেশ প্ৰসাদ গোৱালা ( মন্ত্ৰী জনস্বাস্থ্য কাৰিকৰী ) : করিমগঞ্জে জলকলের প্রকল্পের বিদ্যুতের অভাবে পড়ে আছে— এই ব্যাপারে এই বিভাগথেকে বিদ্যুৎ বিভাগের সঙ্গে আলোচনা হয়েছে। তাছাড়া বিদ্যুৎ বিভাগে অর্থ জমা দেওয়া হয়েছে এবং খুব শীঘ্রেই এই ব্যাপারে একটা সুরাহা হবে বলে আশা করা যাচ্ছে।

★শ্ৰীমনচিং ৰংপি : মাননীয় অধ্যক্ষ মহোদয়, কিছুমান পি, ভি, চি পাইপ লাইন লিক কৰে। তাৰোপৰি সেই পাইপ লাইনবিলাকৰ ওপৰত গৰু মহ আদিৰ গছকনি পৰি পাইপ বিলাক ফাটি যায়। ফলত দূষিত পানীখিনিহে মানুহে পায়। গতিকে সেই পাইপৰ ঠাইত জী, আই পাইপ দিয়াৰ ব্যৱস্থা কৰিব নে?

*শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা : মাননীয় অধ্যক্ষ মহোদয়, মই এই সম্পৰ্কতেই এটা প্ৰশ্ন কৰিব বিচাৰিছো। বৰ্তমান চৰকাৰে এচবাচটৰ্চ চিমেণ্ট পাইপ ক্ৰয় কৰিছে নেকি? যদি কৰিছে কি কাৰণে কৰিছে মন্ত্ৰী মহোদয়ে জনাবনে?

মাননীয় অধ্যক্ষ : এই প্ৰশ্নটোৰ লগত সেইটো প্ৰশ্নৰ ক'ত সম্পৰ্ক আছে?

*শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা : আছে, অধ্যক্ষ মহোদয়, এচবাচটৰ্চ চিমেণ্ট পাইপ পি, ভি, চি পাইপতকৈ ভাল নেকি?

*শ্ৰীদীনেশ প্ৰসাদ গোৱালা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, পাইপবিলাক পি, ভি, চি, জি, আই, অথবা এচবাচটৰ্চ চিমেণ্ট পাইপ ৰিকুৱেৰমেণ্ট মতে কিনা হয়। বৰ্তমান বিতং তথ্য মোৰ হাতত নাই।

*Speech not corrected.

★শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, টকা পইচা নোহোৱা সময়ত যি ঠাইত ইলেকট্ৰিচিটি নাই সেই ঠাইতো পাইপ লাইনৰ বাবে যথেষ্ট টকা দিয়া হয়। গতিকে সেই টকা বিলাকৰ ওৱেচটেজ হয়। এই পৰিপ্ৰেক্ষিতত মই এটা পৰামৰ্শ দিব বিচাৰো, মন্ত্ৰী মহোদয়ে বিভাগৰ লগত আলোচনা কৰি ইলেকট্ৰিচিটি নথকা ঠাইত টকাটো মঞ্জুৰ নকৰিবলৈ ব্যৱস্থা লবনে ? যাতে টকাটো অযথা খৰছ নহয়।

শ্ৰীদীনেশ প্ৰসাদ গোৱালা (মন্ত্ৰী) : পৰামৰ্শটো বিভাগৰ লগত আলোচনা কৰি ব্যৱস্থা লোৱা হব।

Mr. Speaker : Now Question No. 139, Honourable Member Shri Jew Ram Boro.

## বিষয় : কেন্দ্ৰীয় চৰকাৰৰ আঁচনি

শ্ৰীজীউৰাম বড়ো'য়ে সুধিছে :

*১৩৯। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমত নতুনকৈ ডায়েৰী, হাঁহ-কুকুৰা, গাহৰি, ভেৰা আৰু ছাগলী পাম খোলাৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰক কোনো আঁচনি অনুমোদন দিছে নেকি ?

(খ) যদি দিছে, অসমৰ কোন কোন ঠাইত এই পামসমূহ প্ৰতিষ্ঠা কৰিবলৈ বিচৰা হৈছে আৰু ইয়াৰ অগ্ৰগতি কি ধৰণে লাভ কৰিছে ?

শ্ৰীজগন্নাথ সিন্‌হা (পশুপালন মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) ৰাজ্য চৰকাৰৰ পশুপালন তথা ডায়েৰী উন্নয়ন বিভাগত কেন্দ্ৰীয় চৰকাৰে কোনো ধৰণৰ পাম খোলাৰ আঁচনি অনুমোদন দিয়া নাই। অসম ৰাজ্যিক পশু আৰু হাঁহ কুকুৰা উন্নয়ন নিগমৰ ( ALPCO ) জৰিয়তে এনে কেতবোৰ আঁচনি লোৱা হৈছে আৰু কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা অনুমোদিত হৈছে।

(খ প্ৰশ্ন নুঠে।

★শ্ৰীজীউৰাম বড়ো : মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, এই যে হাঁহ-কুকুৰা, গাহৰি আদিৰ ফাৰ্ম খুলিব

*Speech not corrected.

তাৰ বাবে মাটি পোৱা হৈছেনে নাই ? যদি পোৱা নাই কি কাৰণে পোৱা নাই ?

শ্ৰীজগন্নাথ সিন্‌হা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে বিভাগীয় বিষয়া সকলে কৰি আছে। কেনেকৈ কৰিব পাৰি চাওঁ।

★শ্ৰীজীউৰাম বড়ো : যদি চৰকাৰে অনুমোদন দিছে তেন্তে টকা পাইছে নে নাই ? যদি পাইছে কি কাৰণে আঁচনি বিলাক নহব জনাব নে ?

★শ্ৰীদীলিপ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, আলোচনা পন্থী আলফা সকলক এই ফাৰ্ম বিলাকৰ দায়িত্ব দিয়া হৈছে নেকি ? বিশেষকৈ বুঢ়া গাওঁ, ডেৰ গাওঁ আদিত দিয়া হৈছে নেকি ?

★শ্ৰীজগন্নাথ সিন্‌হা (মন্ত্ৰী) : এইটোৰ কাৰণে বেলেগ প্ৰশ্ন দিব লাগিব।

(Starred Question Nos. 132 to 140 could not be taken up for disposal as the Question Hour was over. However the replies of the said Questions deemed to have been laid on the table of the House ).

## বিষয় : চৰ উন্নয়নৰ বাবে খৰচ।

শ্ৰীচন্দন কুমাৰ সৰকাৰে সুধিছে :

*৩২। মাননীয় চৰ অঞ্চল উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমত ১৯৯১-৯২ চনত চৰ উন্নয়নৰ বাবে কিমান টকা খৰচ হৈছে ?

(খ) উত্তৰ শালমাৰা মহকুমাৰ সৃজনগ্ৰাম বইটামাৰী টাপাটাৰী উন্নয়ন খণ্ড এলেকাৰ চৰবোৰত কি কি কাম কৰা হৈছে আৰু কিমান টকা খৰচ হৈছে ? (তালিকা সদনৰ মেজত ৰাখিব)

শ্ৰীহিতেশ্বৰ শইকীয়া (চৰ অঞ্চল উন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) মুঠ ১১০'০০ লাখ টকা।

(খ) ১৯৯১-৯২ চনত সৃজনগ্ৰাম উন্নয়ন খণ্ডত নলী-নাদ ৪০ টা, আহুধান ১২ কুইন্টল, সৰিয়হ ৩ কুইণ্টল, ঘেহু ২০ কুইন্টল, মৰাপাট ৪ কুইন্টল, আৰু বইটামাৰী উন্নয়ন খণ্ডত নলী-নাদ ১৫ টা, ঘেঁহু ১০ কুইন্টল, সৰিয়হ ২ কুইন্টল, আহুধান ৫ কুইন্টল আৰু মৰাপাট ২ কুইন্টল দিয়া হৈছে। উল্লেখিত বস্তু বিতৰণ কৰা বাবদ মুঠ ১,৮৮,৪০০,০০ টকা খৰচ হৈছে।

---

* Speech not corrected

## বিষয় : কপিলী নদীৰ ওপৰত দলং।

শ্ৰীগহীন চন্দ্ৰ দাসে সুধিছে :

*১৩৩ মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) নগাওঁ জিলাৰ গড়কাপ্তানী পশ্চিম খণ্ডত কপিলী নদীৰ ওপৰত চাপৰমুখৰ আশে-পাশে এখনি পকী দলং নিৰ্মাণৰ বাবে ৰাইজে কৰি অহা দাবীৰ বিষয়ে চৰকাৰ অৱগত নে ?

(খ) যদি অৱগত, ১৯৯৩-৯৪ বিত্তীয় বৰ্ষতে নিৰ্মাণ কৰাৰ ব্যৱস্থা চৰকাৰে লবনে ?

(গ) যদি লয়, উক্ত দলঙৰ বাবে কিমান টকাৰ প্ৰয়োজন হব ?

(ঘ) কেতিয়াৰ পৰা এই কাম আৰম্ভ হব ?

শ্ৰীশৰৎ বৰকটকী ( গড়কাপ্তানী বিভাগৰ ( ভৈয়াম ) ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়, অৱগত।

(খ) পুঁজি সাপেক্ষে এইখন দলং নিৰ্মাণৰ বিষয়ে বিবেচনা কৰা হব।

(গ) আনুমানিক ১২ কোটি টকা প্ৰয়োজন হব।

(ঘ) অনুমোদন নোহোৱাকৈ এই বিষয়ে কব পৰা নাযায়।

## বিষয় : গোৱালপাৰা জিলাৰ চৰ উন্নয়ন ও নলী নাদ মঞ্জুৰী।

শ্ৰীনজমুল হকে সুধিছে :

*১৩৪ মাননীয় চৰ উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গোৱালপাৰা জিলাৰ চৰ উন্নয়ন প্ৰকল্প কাৰ্য্যালয়ৰ ১৯৯১ চনৰ পৰা ১৯৯৩ চনৰ ফেব্ৰুৱাৰী মাহলৈকে চৰ এলেকাত মুঠ কিমানটা নলী-নাদ মঞ্জুৰী দিয়া হৈছে ?

(খ) উক্ত চৰ উন্নয়ন প্ৰকল্পৰ পৰা যিবোৰ গৰু দুখীয়া মানুহক দিয়া হৈছিল সেইবোৰ প্ৰতিটো গৰুৰ মূল্য কিমান টকা ধাৰ্য্য কৰা হৈছিল ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) মুঠ ১৭৬ টা

(খ) মুঠ ৪,২০০ টকা।

**Re : Inter-State Schemes.**

Shri Dewan Joynal Abedin asked :

*135. Will the Minister of Border Areas Development be pleased to State ;

(a) The amount of fund allocated to S. P. D. C South Salmara-Mankachar, during 1992-93 for construction of Inter-state schemes under Border Areas Development Department ?

(b) What are the schemes ?

(c) What amount of fund has been released so far ?

Shri Jagat Patgiri ( Minister of State Border Areas Department ) replid :

(a) No fund is allocated to S. P. D. C. South Salmara Mankachar during 1992- 3

(b) Does not arise in view of reply at (a) above.

(c) Does not arise in view of reply at (a) above.

**বিষয় : পানীযোগান আঁচনি**

শ্রীবদ্রী নাৰায়ন সিংহ জিজ্ঞাসা করছেন :

*১৩৭। মাননীয় জনস্বাস্থ্য কারিকরী বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ?

(ক) জনস্বাস্থ্য কারিকরী বিভাগ কর্তৃক সোনাই বিধান সভা সমষ্টিতে ১৯৯০ ইং. হইতে ১৯৯২ ইং পর্যান্ত P. H. E. Division—I এবং, শিলচর P. H E. Division—II তরফ হইতে কি কি আঁচনি নেওয়ার ব্যবস্থা হইয়াছে ?

(খ) গভীর নলকূপ গুলি সোনাই সমষ্টিতে কতটা আছে ? ( চালু অবস্থায় এবং অচালু অবস্থায় কতটা আছে তার হিচাব দেবেন )।

(গ) সোনাই সমষ্টির গোবিন্দপুর গ্রামে জল-সরবরাহ প্রকল্প অনুমোদিত হওয়ার পর এখন পর্য্যন্ত আরম্ভ না হওয়ার কারণ কি ?

শ্ৰীদীনেশ প্ৰসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী) যে উত্তৰ দিছে :

(ক) সোনাই সমষ্টিত শিলচৰ ১ আৰু ২ নং সংমণ্ডলৰ অধীনত ১৯৯০-৯১ আৰু ১৯৯১-৯২ চনত মুঠ ৬৪ টা মাৰ্ক—২, ৭১ টা তাৰা পাম্প আৰু ৫ টা পকী কুঁৱাৰ অনুমোদন হৈছিল।

(খ) মুঠ ২১০ টা। ইয়াৰ ২০৪ টা চলিত অৱস্থাত আছে আৰু ৬ টা অচল হৈ আছে।

(গ) মাটিৰ আইন্টন নোপোৱা বাবে।

**Re : Bhutan Border Areas.**

Shri Derhagra Musha asked :

★137. Will the Minister of Border Areas Development be p'eased to state ;

(a) Whether Bhutan Border Areas adjacent to Assam is treated as Border Areas ?

(b) If so, the schemes taken by the Government for the development of Bhutan Border areas of the state.

Shri Jagat Patgiri (Minister of Border Areas) replied :

(a) Yes, it is treated as Inrernational Border Area:

(b) Schemes taken for development of Bhutan Border are (i) Improvement of Barpeta Road to Basbari Road (ii) Improvement of Road from Simla to Jalah, in Barpeta District and (iii) Construction of Medical Sub-Centre at Seralpara (iv) Construction of Seralpara L. P. school and (v) Construction of Bishmuri Seralpara Sorbhog Road, in Kokrajhar District.

**বিষয় : পশুপালন বিভাগত মাষ্টাৰৰোল কৰ্মচাৰী।**

শ্ৰীমুনিন মহন্তই সুধিছে :

★১৩৮। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) পশুপালন বিভাগত বিভিন্ন জিলাত মাষ্টাৰৰোল শ্ৰমিকক কিছুদিনৰ পৰা মজুৰী নিদিয়া কথাটো সঁচানে ?

(খ) পশুপালন বিভাগৰ এই মাষ্টাৰবোলৰ শ্ৰমিক সকলক বাদ দিবলৈ নিৰ্দেশ দিছে নেকি ?

(গ) যদি নিৰ্দেশ দিছে, এই নিৰ্দেশ ত্যাগ কৰি মাষ্টাৰৰোল শ্ৰমিক সকলক 'উৎপাদনমুখী' ফাৰ্ম গঠন কৰি নিয়োজিত কৰাৰ ব্যৱস্থা লব নেকি ?

(ঘ) এই সন্দৰ্ভত মৰিগাওঁ জিলাত ইতিমধ্যে গঠিত নোহোৱা উৎপাদনমুখী ফাৰ্ম গঠন কৰাৰ ব্যৱস্থা লবনে ?

(ঙ) মৰিগাওঁ জিলাত নিয়োজিত মাষ্টাৰ ৰোল শ্ৰমিকৰ কিষ্টত কিমানজন জিলাখনৰ ভিতৰৰ আৰু জিলাখনৰ বাহিৰৰ পৰা নিযুক্তি দিয়া হৈছে ?

(চ) চৰকাৰী নিয়োগৰ নীতি মতে চতুৰ্থ শ্ৰেণীৰ চাকৰিৰ বাবে স্থানীয় লোকৰ নিযুক্তি নীতি পশুপালন বিভাগটো কাৰ্যকৰী কৰা হয়নে ?

শ্ৰীজগন্নাথ সিনহা (পশুপালন মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) সঁচা।

(খ) হয়।

(গ) বিবেচনাধীন।

(ঘ) বিবেচনাধীন।

(ঙ মৰিগাওঁ জিলাৰ ১২২ জন। জিলাখনৰ বাহিৰৰ ১১ জন।

(চ) হয়।

**Re : Char Area Development Scheme.**

Shri Giasuddin Ahmed asked :

★13?. Will the Chief Minister be pleased to state :

(a) What are the schem s undertaken for char areas development during 1991-92 and 1992-93 ?

(b) Which is the executing agencies of the said schemes ?

(c) Whether the programmes for char areas development come within the perview of the concerning Sub-Divisional Planning and Development Councils ?

(d) Whether it has come to the notice of the Government that the fund allotted for char areas development is never properly utilised due to various

anomalies and malpractices on the part of the executing agencies ?

(e) If so, what steps have been taken by Government in this regard ?

Shri Hiteswar Saikia. (Chief Minister) replied :

(a) The Schemes are as follows :

1) Agriculture

2) Veterinary & Dairy.

3) Drinking Water Facilities.

4) Cottage Industries.

5) Scholarship.

6) Socio-Economic Survey.

b) Char Development Authority, The Project officer and Block Development officers.

c) No.

d) No.

e) Does not arise.

## বিষয় : ৰাস্তা পুনঃ নিৰ্মান

শ্ৰীকোষেশ্বৰ বৰুৱাই সুধিছে :

★১৪০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনে ?

বিভাগীয় কৰ্ত্তৃপক্ষই প্ৰস্তুত কৰা Cost Apprisal ৰ মৰ্মে অসম অৰুণাচল প্ৰদেশৰ সীমাৰ গহপুৰ সমষ্টিৰ মাজেৰে চেচাৰ পৰা বুৰৈ নৈ পৰ্যন্ত থকা পুৰনা প্ৰসিদ্ধ ৰাজগড় আলিৰ ভাঙি যোৱা খণ্ড বিশেষ পুনৰ নিৰ্মান কৰাৰ ব্যৱস্থা চৰকাৰে লবনে ?

শ্ৰীশৰৎ বৰকটকী (গড়কাপ্তানী বিভাগৰ ৰাজ্যিক (ভৈয়াম) মন্ত্ৰী) য়ে উত্তৰ দিছে :

পুনৰ নিৰ্মান কাৰ্য অত্যাধিক ব্যয় সাপেক্ষ হোৱা বাবে এই কাম সদ্যহতে হাতত লোৱাৰ সম্ভাৱনা নাই।

## UNSTARRED QUESTIONS & ANSWERS

### Re. : Border Areas Devolopment Scheme

Shri Karendra Basumatary asked :

173. Wi'l the Minister of Border Areas Department be pleased to state :

(a) Whether Government is aware that the Panery Constituency in Darrang District is situated behind internaticnal and interstate border area like Bhutan and Arunachal Pradesh :

(b) What development schemes have been taken by he Government for the border Area within panery Constituency ?

Shri Jagat Patgiri ( Minister of State Border Areas Department ) replied :

(a) Parery Constituency is situated behind International Border i. e. Bhutan Border. It does not touch the Arunachal Pradesh Border.

(b) No Development schemes have been taken up under Border Areas Developme t in said Constuency in the current year.

### বিষয় : অসম ৰাজ্যিক লটাৰী।

শ্ৰীবদন বৰুৱাই সুধিছে :

২৭৪। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) চলিত বিত্তীয় বছৰত ১৯৯৩ চনৰ জানুৱাৰী মাহৰ শেষলৈ অসম ৰাজ্যিক লটাৰীৰ টিকট বিক্ৰীৰ পৰা কিমান বিক্ৰী ধন পোৱা গৈছে ?

(খ) (ক)ত উল্লেখিত কালছোৱাত টিকট বিক্ৰী কৰাৰ বিনিময়ত বিক্ৰী সহায়ক এজেন্টবিলাকে কিমান কমিচন লাভ কৰিলে ?

(গ) ১৯৯১-৯২ চনৰ বিত্তীয় বছৰটোত অসম ৰাজ্যিক লটাৰীৰ পৰা চৰকাৰৰ কিমান টকা লাভ হৈছিল ?

(ঘ) মধ্য প্ৰদেশ ৰাজ্যৰ আৰ্হিত অসম চৰকাৰেও লটাৰী খেল সম্পূৰ্ণভাৱে বন্ধ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীজীৱকান্ত গগৈ (বিত্তমন্ত্ৰী য়ে উত্তৰ দিছে :

(ক) সাংগঠনিক এজেন্টৰ দ্বাৰা লটাৰী খেল চলাবলৈ তেখেতসকলৰ লগত কৰা চুক্তিপত্ৰ অনুসাৰে টিকট বিক্ৰীৰ ধন চৰকাৰে নাপায়। ইয়াৰ পৰিবৰ্তে চৰকাৰে এটা ৰয়েল্টি (Royalty) হে পায়।

(খ) লটাৰীৰ টিকট বিক্ৰী সহায়ক এজেন্ট বিলাকে চৰকাৰৰ পৰা কোনো কমিচন নাপায়। টিকট বিক্ৰী কৰাৰ বিনিময়ত এজেন্টবিলাকে সাংগঠনিক এজেন্টৰ পৰাহে কমিছন আদি লাভ কৰে।

(গ) ১৯৯২ চনৰ ফেব্ৰুৱাৰী মাহৰ পৰা লটাৰী খেল আৰম্ভ হয় আৰু ১৯৯২ চনৰ মাৰ্চ মাহলৈকে উক্ত সময় ছোৱাত মুঠ ৬২১.৭৮৮ টকা চৰকাৰে লাভ কৰিবলৈ সমৰ্থ হয়।

(ঘ) এই সম্পৰ্কত চৰকাৰে এতিয়ালৈকে কোনো সিদ্ধান্ত লোৱা নাই।

## বিষয় : ফিঙুৱা ডেবৰাদি P. W. D. ৰাস্তাত দলং।

শ্ৰীনিজামুদ্দিন খানে সুধিছে :

২৭৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ফিঙুৱা ডেবৰাদি P.W.D ৰাস্তাত ভকতৰ ডোবা বজাৰলৈকে দলং কেইখন আছে ?

(খ) দলং বোৰ মেৰামতি কৰাৰ ব্যৱস্থা লোৱা হৈছেনে ?

(গ) যদি লোৱা হোৱা নাই, ব্যৱস্থা গ্ৰহণ কৰিব নে ?

(ঘ) উক্ত ৰাস্তাৰে মটৰ চলাচল কৰিবৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীশৰৎ বৰকটকী, (গড়কাপ্তানী বিভাগৰ (ভৈয়াম) ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) ফিঙুৱা ডেবৰাদি ৰাস্তাৰ ভকতৰ ডোবা বজাৰলৈ মুঠ ৩ (তিনি) খন দলং আছে। দলংবোৰ ক্ৰমে ৩/১, ৫/১, আৰু ৫/২।

(খ) ১৯৯২-৯৩ বাৰ্ষিক পৰিকল্পনাৰ শিতানত (সাধাৰণ এলেকাত) ৩।১ দফাৰ মেৰামতিৰ বাবে ৩·৬০ লাখ টকা ধাৰ্য্য কৰা হৈছে। ইতিমধ্যে দফা খনৰ কাম হাতত লবলৈ বিভাগীয় আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বাকী দফা ৫।১, আৰু ৫।২ মেৰামতিৰ বাবে মুঠ ৪·৬০ লাখ টকা প্ৰয়োজন। আৱশ্যকীয় পুঁজিৰ অভাৱত ইচ্ছাস্বত্বেও দফা দুখনৰ মেৰামতিৰ কাম হাতত লব পৰা হোৱা নাই।

(গ) আৱশ্যকীয় পুঁজি পালে মেৰামতিৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

(ঘ) উক্ত ৰাস্তা'টোৰে মটৰ চলাচল কৰাৰ ব্যৱস্থা সদ্যহতে কৰা সম্ভৱ নহয় যিহেতু যা'ৰা কেইবাটাও বছৰৰ বানপানীয়ে ৰাস্তাটো ক্ষতি কৰাৰ ফলত ঠায়ে ঠায়ে পথৰ ওপৰত আৰু কাষত দ' গাতৰ সৃষ্টি হোৱাৰ বাবে গোটেই পথটো সোনকালে মেৰামতিৰ কৰাৰ প্ৰয়োজন হৈ পৰিছে। আৱশ্যকীয় পুঁজি (কমেও ৫ লাখ) নোপোৱা বাবে পথটো এতিয়ালৈকে মেৰামতি কৰি যান-বাহন চলাচলৰ ব্যৱস্থা কৰা সম্ভৱ হোৱা নাই।

## Re. Major Roads in Hojai Civil Sub-Division.

Shri Dipendra Rongpi asked:

276. Will the Minister of Public works Department be pleased to state:

(a) Whether it is a fact that the Chief Engineer, P.W.D. (Hills) was entrusted with the construction of 2 (two) Major Roads from Hojai Civil Sub-Division?

(b) If so, which are the roads?

(c) What the amount will be expended against each. of the road.

(d) Whether the expenditure will be made from General Plan or Hills Sub-Plan?

Shri Gobinda Chandra Langthasa (Minister P.W.D, (Hills)) replied:

(a) Yes.

(b) i. Improvement of Lanka-Lumding Road from O-34th Km. (from Lumding end).
Total Length – 34th Km.

ii. Improvement of Howraghat Nilbagan Road. Length – 8.20 Km. (from Howraghat end).

(c) i. The estimated cost of Lanka-Lumding Road for 1st phase is Rs. 143·00 Lakh. Out of which Rs. 40.00 Lakh expenditure is earmarked for the year 1992-93.

ii. The estimated cost of Howraghat Nilbagan road for Ist phase is Rs. 125·00 Lakhs and out of which Rs. 10.00 Lakhs expenditures is earmarked for the year 1992-93.

(d) The expenditure will be made from Hill Plan fund.

## বিষয়: পানী যোগান আঁচনি।

শ্ৰীযতীন মালী য়ে সুধিছে:

২৭৭। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) মিৰ্জাৰ কোচপাৰা পানীযোগান আঁচনিটোৰ সৰ্বমুঠ কিমান জনসাধাৰণক সামৰি লৈছে?

(খ) কোচপাৰা ৰাজহ গাৱৰ আটাইবোৰ পৰিয়ালকে আঁচনিৰ জৰিয়তে পানী যোগান দিব পৰা হৈছেনে?

(গ) যদিহে আটাইবোৰ পৰিয়ালকে নিয়মিত ভাবে পানী যোগান ধৰিব পৰা নাই তাৰ কাৰণ বিচাৰ উলিয়াই অনতি পলমে সমাধানৰ ব্যৱস্থা কৰিবনে?

(ঘ) উল্লিখিত এলেকাটোৰ এটা বিজাৰ্ভাৰেৰে পানী যোগান দিয়াৰ অসুবিধা হোৱাটো সচানে আৰু যদি সচা হয় তেন্তে আৰু এটা বিজাৰ্ভাৰ ব্যৱস্থা কৰিবনে?

(ঙ) পানী যোগান আঁচনিটোৰ অন্তৰ্গত লাচিত নগৰ (শ্বহীদ চন্দ্ৰধৰ পথ) শ্বহীদ ৰাজেন কুমাৰ পথ এলেকাৰ পাইপ লাইন বেয়া হৈ থকা স্বত্বেও ভাল নকৰাটো সচানে ?

শ্ৰীদীনেশ প্ৰসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ৫০০০ (পাঁচ হাজাৰ) ৰতকৈয়ো অধিক জনসংখ্যা সামৰি লোৱা হৈছে।

(খ) কোচপাৰা ৰাজহ গাঁৱৰ সকলো অঞ্চল সামৰি লোৱা হৈছে। কিন্তু বতিয়াপাৰা চুবাটোৰ উচ্চতা আপেক্ষিক ভাৱে উচ্চস্থানত হোৱা বাবে তাত ৪টা পাইপ লাইনৰ টেপ আৰু ২টা মাৰ্ক II বহুৱা হৈছে।

(গ) প্ৰশ্ন নুঠে।

(ঘ) বৰ্তমানলৈকে উক্ত ৰিজাৰ্ভটোৱে পানী যোগান দিয়াত কোনো অসুবিধা হোৱা নাই।

(ঙ) সঁচা।

## বিষয় : ৰূপহী জালাহ গড়কাপ্তানী পথ।

শ্ৰীমিলন বড়োই সুধিছে :

২৭৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ৰূপহী হাঁহচৰাৰ পৰা সিলবাৰী হৈ জালাহলৈ যোৱা গড়কাপ্তানী বিভাগৰ ৰাস্তাটো যাতায়তৰ অনুপযোগী হৈ থকা কথাটো চৰকাৰৰ অবগতনে ?

(খ) যোৱা বাৰিষা উক্ত পথৰ এছোৱা পকা নাগী বতিয়ামাৰী উন্ঠখুগুাই খহাই নিয়াটো জানেনে ?

(গ) যদি জানে ৰাইজৰ যাতায়তৰ অসুবিধাবোৰ দূৰ কৰিবলৈ সোনকালে ব্যৱস্থা লবনে ?

শ্ৰীশৰৎ বৰকটকী (গড়কাপ্তানী বিভাগৰ (ভৈয়াম) ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়, অৱগত।

(খ) জানে।

(গ) ধনৰ আবণ্টন পালে লোৱা হ'ব।

বিষয় : ৰাস্তা পকীকৰণ।

শ্ৰীভৃগু কুমাৰ ফুকনে সুধিছে :

২৭৯ মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

জালুকবাৰী সমষ্টিৰ অন্তৰ্গত ৰংমহল চাংচাৰী পথটো পকীকৰণ কামৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীশৰৎ বৰকটকী ( গড়কাপ্তানী বিভাগৰ (ভৈয়াম) ৰাজিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

প্ৰয়োজনীয় বিত্তীয় অনুদান সাপেক্ষে পৰ্য্যায়ক্ৰমে পকীকৰণৰ বাবে যাৱতীয় ব্যৱস্থা লোৱা হ'ব।

**Re : Daily Lotteries.**

Shri Sashakamal Handique asked :

280. Will the Minister of Finance be please to state :

(a) Whether Government is aware of the fact that there are wide spread protest from the public particularly the women and students against the operation of Daily Lotteries i.e. ASSAM EXPRESS, SHUNRILLA Daily through out the State particularly in Upper Assam ?

(b) Total amount of money collected through these Lotteries since introduction till now?

Shri Jiba Kanta Gogoi (Ministar, Finance) replied :

(a) No.

(b) Rs. 62,26,479·00 against Shunrilla and Assam Express Daily Lotteries upto 28.2 93.

## বিষয় : চিকিৎসালয় নিৰ্মাণ।

শ্ৰীভৰন্ত চন্দ্ৰ নৰহে সুধিছে :

২৮১ মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ঢকুৱাখানা ত্ৰিশখন বিছনাযুক্ত চিকিৎসালয়ৰ নিৰ্মাণ কাৰ্য্য বৰ্তমান কি পৰ্য্যায়ত আছে?

(খ) উক্ত চিকিৎসালয়ৰ নিৰ্মাণ কাৰ্য্য কেতিয়া সম্পূৰ্ণ হ'ব?

শ্ৰীশৰৎ বৰকটকী (গড়কাপ্তানী বিভাগ (ভৈয়াম) ৰ ৰাজ্যিক মন্ত্ৰী) যে উত্তৰ দিছে :

(ক) মূল চিকিৎসালয় ভৱনৰ কাম ৯৫% সম্পূৰ্ণ হৈছে। আবাসগৃহ বিলাকৰ কাম ৭৬% সম্পূৰ্ণ হৈছে।

(খ) প্ৰয়োজনীয় পুঁজি পালে চিকিৎসালয়ৰ নিৰ্মাণ কাৰ্য্য অহা বিত্তীয় বছৰত শেষ হোৱাৰ সম্ভাৱনা আছে।

## বিষয় : পৰামৰ্শ সমিতি।

ডাঃ কমলা কলিতাই সুধিছে :

২৮২ মাননীয় সংসদী পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) নং সংসদী ৩৫ ৮৮/২৮৪ তাৰিখ ২৬ ৩-৯২ চিঠি মৰ্মে বিভিন্ন বিভাগৰ কাম-কাজত সহায় কৰাৰ বাবে "পৰামৰ্শ সমিতি" গঠন কৰাটো সঁচা নে?

(খ) যদি সঁচা হয়, তেন্তে শিক্ষা বিভাগ আৰু স্বাস্থ্য বিভাগৰ পৰামৰ্শদাতা সমিতিৰ বৈঠক কিমানখন অনুষ্ঠিত হ'ল?

শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী, সংসদী পৰিক্ৰমা) য়ে উত্তৰ দিছে :

(ক) চৰকাৰৰ বিভিন্ন বিভাগৰ কাম-কাজৰ সহায় কৰাৰ বাবে মাথো ১৬টা বিভাগত একোখনকৈ পৰামৰ্শ সমিতি গঠন কৰাটো সঁচা।

(খ) শিক্ষা আৰু স্বাস্থ্য বিভাগৰ পৰামৰ্শদাতা সমিতিৰ বৈঠক এতিয়ালৈকে এখনো অনুষ্ঠিত হোৱা নাই।

## বিষয় : চাউলকাৰা পানী যোগান আঁচনি।

শ্ৰীপানীৰাম ৰাভাই সুধিছে :

২৮৩ মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰমা সমষ্টিৰ চাউলকাৰা পানী যোগান আঁচনিটো সম্পূৰ্ণ হবলৈ কিমান বাকী আছে ?

(খ) সুবনখাটা (Subankhata) পানী যোগান আঁচনিটোৰ পৰা ৰাইজ উপকৃত হৈছেনে ?

(গ) বৰমা পানী যোগান আঁচনিটো সম্প্ৰসাৰণৰ বাবে কোনো আঁচনি আছে নেকি ?

শ্ৰীদীনেশ প্ৰসাদ গোৱালা (মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী) য়ে উত্তৰ দিছে :

(ক) ২০ শতাংশ।

(খ) সুবনখাটা আঁচনিৰ দ্বাৰা ৰাইজ উপকৃত হৈছিল, কিন্তু যোৱা আন্দোলনৰ সময়ত আঁচনিটোৰ বিস্তৰ ক্ষতি হোৱা হেতুকে বৰ্তমান আঁচনিখন বন্ধ হৈ আছে।

(গ) আৱশ্যকীয় পুঁজি পালে আঁচনিটোৰ সম্প্ৰসাৰণৰ কথা ভবা হৈছে।

## বিষয় : চৰকাৰে লোৱা ঋণ

শ্ৰীজয়নাথ শৰ্মাই সুধিছে :

২৮৪। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম চৰকাৰে তলত দিয়া বিত্তীয় বছৰ সমূহত ঋণ কিমান আছিল ?

১৯৮২-৮৩ ১৯৮৭-৮৮
১৯৮৩-৮৪ ১৯৮৮-৮৯
১৯৮৪-৮৫ ১৯৮৯-৯০
১৯৮৫-৮৬ ১৯৯০-৯১
১৯৮৬-৮৭ ১৯৯১-৯২
১৯৯২-৯৩

(খ) উক্ত বছৰ সমূহত চৰকাৰে ঋণৰ টকা ক'ৰ ক'ৰ পৰা কিমানকৈ লৈছিল আৰু কি ধৰণে, কি পৰিমাণে কাক কাক সেই ঋণ পৰিশোধ কৰিছে ? (তালিকা সদনৰ মেজত ৰাখিব।)

শ্ৰী ৰক্ৰকান্ত গগৈ (বিত্ত বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) আৰু (খ) প্ৰতি বছৰে ওলোৱা ঋণৰ পৰিমান, কোন কোন অনুস্থানৰ পৰা কিমান ঋণ লোৱা হৈছিল আৰু প্ৰতি বছৰে কিমান ঋণ পৰিশোধ কৰা হ'ল ইত্যাদি প্ৰবিৱৰণ আকাৰত সদনৰ মেজত ৰখা হ'ল। (See the Annexure III)

## বিষয় : পৰ্য্যটন ক্ষেত্ৰ

শ্ৰীযতীন মালীয়ে সুধিছে :

২৮৫। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমৰ প্ৰধানতঃ পৰ্য্যটন ক্ষেত্ৰ (Tourist Spot) কেইখন আৰু কি কি ?

(খ) পৰ্য্যটকক আকৰ্ষণ কৰাৰ বাবে উক্ত পৰ্য্যটন ক্ষেত্ৰবোৰৰ বাবে বৰ্তমান চৰকাৰে কি কি আঁচনি লৈছে ?

(গ) চান্দডুবিক পৰ্য্যটকৰ আকৰ্ষণ ক্ষেত্ৰ কৰাৰ বাবে কি কি আঁচনি লৈছে আৰু আঁচনিসমূহ কাৰ্য্যকৰী কৰাৰ বাবে কি ব্যৱস্থা লৈছে ?

(ঘ) পৰ্য্যটকৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি ১৯৯৩-৯৪ বিত্তীয় বছৰত চান্দডুবিলৈ যোৱা পলাশবাৰী লোহাৰ ঘাট পথছোৱা N. E. C. আঁচনিত পকীকৰণ কৰিবনে ?

শ্ৰীমুকুট শৰ্মা (পৰ্য্যটন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১৩ খন। অসমত বৰ্তমানলৈ নিম্নলিখিত স্থানসমূহ পৰ্য্যটন ক্ষেত্ৰ হিচাবে চিনাক্ত কৰা হৈছে।

১) কাজিৰঙা
২) মানাহ
৩) ওৰাং
৪) ভালুকপুং
৫) চান্দডুবি
৬) শিৱসাগৰ
৭) তেজপুৰ
৮) মদন কামদেৱ
৯) উমৰাংচু
১০) হাফলং
১১) আমৰেং
১২) ৰবদলনি
১৩) কামাখ্যা

(খ) উক্ত স্থানসমূহৰ ভিতৰত মানাহ, মদন কামদেৱ, ওমৰাংচু, আমৰেং আৰু ৰবদলনিৰ বাহিৰে বাকী স্থান সমূহত পৰ্য্যটকৰ বাবে থকা আৰু খোৱাৰ সা-সুবিধাৰ ব্যৱস্থা কৰা হৈছে।

(গ) চান্দডুবিত বনভোজকাৰী থকাৰ বৰে এটি গৃহ আৰু নৌকা বিহাৰৰ বাবে নৌকা দিয়া হৈছে। বৰ্ত্তমান চান্দডুবিত আৰু এটা বেষ্টৰা গৃহ নিৰ্মাণ কৰি থকা হৈছে। অধিক নৌকা দিয়াৰ বাবেও ব্যৱস্থা লৈ থকা হৈছে।

(ঘ) চান্দডুবিলৈ যোৱা পলাশবাৰী-লোহাৰঘাট ৰাজাপাৰা পথছোৱা উত্তৰ-পূব পৰিষদৰ আঁচনিত পকীকৰণৰ সন্দৰ্ভত ৰাজ্যিক গড়কাপ্তানী বিভাগৰ সৈতে ইতিমধ্যে যোগাযোগ কৰা হৈছে।

## বিষয় : সুৰাৰ ক্ষেত্ৰত থকা বাধা নিষেধ

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে :

২৮৬ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গুৱাহাটী মহানগৰীত সুৰাৰ ক্ষেত্ৰত থকা বাধা নিষেধ প্ৰত্যাহাৰ কৰাৰ সিদ্ধান্ত চৰকাৰে লৈছে নেকি ?

(খ) যদি লৈছে, তেনেহ'লে ইয়াৰ কাৰণ কি ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয় ।

(খ) গুৱাহাটী মহানগৰী এলেকা বিভিন্ন জনগোষ্ঠীৰে বসবাস কৰা প্ৰায় ৮ লাখ জনসংখ্যা থকা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ ভিতৰত প্ৰধান নগৰ । সুৰাপানৰ অভ্যাস থকা দেশৰ বিভিন্ন অঞ্চলৰ পৰা অহা লোকৰ আৰু পৰ্য্যটকৰ সমাগমৰ কাৰণে নগৰ খনত বিদেশী সুৰা পান কৰা লোকৰ সংখ্যা বাঢ়িছে । তাৰ বাহিৰেও গুৱাহাটী মহানগৰী আৰু ইয়াৰ আশে-পাশে সুৰাপানৰ অভ্যাস থকা জনজাতি লোকৰ বসতি আছে। গুৱাহাটী মহানগৰীত 'অসম আবকাৰী আইন' ১৯৫২ বলবৎ থকাত উক্ত গ্ৰাহক সকলে ইয়াত থকা দোকান দুখনৰ পৰা সুৰা ক্ৰয় কৰিব নোৱাৰে । কাৰণ, দৰাচলতে বৰ্ত্তমান গুৱাহাটী স্থিত ভাৰতত নিৰ্মিত বিদেশী সুৰাৰ দোকান দুখনৰ পৰা কেৱল স্বাস্থ্যজনিত কাৰণত অনুমতি (Health permit) থকা লোকেহে সুৰা ক্ৰয় কৰিব পাৰিছিল । ফলত গ্ৰাহক সকলে গুৱাহাটীৰ একেবাৰে ওচৰত থকা আন ৰাজ্যৰ বিদেশী মদৰ দোকানৰ পৰা প্ৰয়োজনীয় সুৰা ক্ৰয় কৰা দেখা যায়।

উক্ত কাৰণ সমূহৰ বাবে এহাতে অবৈধভাৱে চোৰাং সুৰাৰ ব্যৱসায় চলি আছে আৰু আনহাতে চৰকাৰে এক বৃহৎ পৰিমানৰ ৰাজহ প্ৰাপ্তিৰ পৰা বঞ্চিত হৈ আছে । সেয়েহে গুৱাহাটী মহানগৰীৰ পৰা 'অসম মদ নিবাৰণী আইন' ১৯৫২ (A.L.P. Act 1952) অপসাৰণ কৰি সুৰাসিক্ত (Wet Area) অঞ্চল হিচাবে ঘোষণা কৰা হৈছে ।

## বিষয় : অসমত মুকলি কাৰাগাৰৰ সংখ্যা

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামীয়ে সুধিছে :

২৮৭। মাননীয় কাৰাগাৰ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক কি কি উদ্দেশ্যে অসমত মুকলি কাৰাগাৰ সমূহ স্থাপন কৰা হৈছিল আৰু বৰ্ত্তমান কেইখন মুকলি কাৰাগাৰ অসমত আছে ? (নাম উল্লেখ কৰিব)

(খ) মুকলি কাৰাগাৰত বন্দী সকলক কি পদ্ধতিৰে সংশোধন (Reform) কৰা হয় ?

(গ) বন্দীসকলে এনে কাৰাগাৰত দৈনিক হাজিৰা পায় নেকি আৰু যদি পায় ইয়াৰ পৰিমান কিমান ?

(ঘ) বন্দী সকলৰ শ্ৰমৰ বিনিময়ত হোৱা উৎপাদিত সামগ্ৰী সমূহৰ বিক্ৰীৰ পৰা পোৱা লাভাংশৰ কোনো ভাগ তেওঁলোকক দিয়া হয় নে ?

(ঙ) যোৰহাটৰ মুকলি কাৰাগাৰত ১৯৯২ চনত উৎপাদিত কৃষিদ্ৰব্য যেনে—শাক-পাচলি, ধান আদিৰ পৰা মুঠ কিমান টকা পোৱা হ'ল ?

(চ) উক্ত কাৰাগাৰৰ জেইলাৰ জনে বজাৰতকৈ অধিক দামত এনে কৃষি দ্ৰব্য সমূহ বিক্ৰী কৰাত গুৰুত্ব দি এনে দ্ৰব্য সমূহ অপচয় কৰাৰ বিষয়ে চৰকাৰ জ্ঞাতনে, যদি জ্ঞাত এই ক্ষেত্ৰত কি বিহিত ব্যৱস্থা চৰকাৰে হাতত লৈছে ?

শ্ৰীছামচুল হুদা (কাৰাগাৰ বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) দীৰ্ঘম্যাদী তথা যাবজ্জীৱন কাৰাবন্দীক মুকলি পৰিবেশ আৰু সামাজিক বাতাবৰণত ৰাখি একোজন দায়িত্বশীল সামাজিক ব্যক্তিৰূপে নিজকে গঢ় তোলাৰ উদ্দেশ্যে অসমত মুকলি কাৰাগাৰ স্থাপন কৰা হৈছিল। অসমত বৰ্তমান কেৱল এখন মুকলি কাৰাগাৰ আছে ('মহেন্দ্ৰ নগৰ মুকলি কাৰাগাৰ, যোৰহাট')।

(খ) মুকলি কাৰাগাৰত বন্দীসকলৰ সংশোধনৰ বাবে গ্ৰহণ কৰা পদ্ধতি সমূহ এনেধৰণৰ :—১। কৰ্ম : তেওঁলোকক আধুনিক কৃষিকৰ্ম আৰু লগতে বাঁহ-বেত আৰু কাঠৰ কামৰ প্ৰশিক্ষন দিয়াৰ ব্যৱস্থা কৰা হৈছে।
(২) মনোৰঞ্জন : অৱসৰ বিনোদনৰ বাবে টেলিভিশ্যন আৰু ৰেডিওৰ উপৰিও খেলাৰ সামগ্ৰী, বাদ্য-যন্ত্ৰ আৰু নাটক, ভাওনা আদি কৰাৰ সুবিধা দিয়া হৈছে ;

(৩) আধ্যাত্মিক : নামঘৰ, ডবা-কাঁহ আদিৰ ব্যৱস্থা আছে।

(৪) আলহীৰঘৰ : পৰিয়ালৰ মানুহ আহি তিনিদিনলৈকে একোজন বন্দীৰ সৈতে থাকিব পৰাকৈ আলহী ঘৰৰ ব্যৱস্থা আছে ;

(৫) বছৰেকীয়া ছুটী : বছৰি ৩০ দিনৰ বাবে ঘৰলৈ যা লৈ ছুটীৰ ব্যৱস্থা আছে।

(গ) হয়, মুকলি কাৰাগাৰৰ বন্দী সকলে দৈনিক বানচ পায় ; আৰু ইয়াৰ পৰিমাণ এনে ধৰণৰ :— (১) পটু ( Skilled )— ৩ (তিনি) টকা, (২) অপটু (Unskil'ed)—২ (দুই) টকা।

(ঘ) হয়, মুকলি কাৰাগাৰৰ উৎপাদিত কৃষি সামগ্ৰী বিক্ৰী কৰি প্ৰতি বিত্তীয় বছৰে পোৱা ধনৰ ১০ (দহ) শতাংশ বন্দী সকলক বছৰেকীয়া বানচ ছিচাবে দিয়া হয়।

(ঙ) যোৰহাটৰ মুকলি কাৰাগাৰত ১৯৯২ চনত উৎপাদিত কৃষি সামগ্ৰী বিক্ৰী কৰি পোৱা ধনৰ পৰিমাণ ৮৭,৯৭৮ ( সাতাশী হাজাৰ নশ আঠ সত্তৰ ) টকা।

(চ) বজাৰতকৈ অধিক দামত বিক্ৰী কৰাত গুৰুত্ব দি উক্ত কাৰাগাৰৰ কোনো কৃষি দ্ৰব্য অপচয় কৰা হোৱা নাই।

## বিষয় : পশু চিকিৎসালয় ধ্বংস।

শ্ৰীকমল ব্ৰহ্মই সুধিছে :

২৮৮। মাননীয় পশু-পালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বড়ো আন্দোলনৰ সময়ত মঙ্গালিয়ান বজাৰত ( বিজনী ) অৱস্থিত পশু-চিকিৎসালয়খন ধ্বংস হোৱা সম্পৰ্কে চৰকাৰে অৱগতনে ?

(খ) যদি অৱগত চৰকাৰে তৎকালিন পুনৰ নিৰ্মাণৰ বাবে ব্যৱস্থা লবনে ?

শ্ৰীজগন্নাথ সিনহা (পশু-পালন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়, অবগত।

(খ) প্ৰয়োজনীয় বিত্তৰ অভাৱত পুনৰ নিৰ্মানৰ কাম কৰিব পৰা হোৱা নাই। পূজিৰ ব্যৱস্থা সাপেক্ষে প্ৰয়োজনীয় ব্যৱস্থা লব পৰা যাব।

### বিষয়ঃ পাথৰৰ শ্ৰেণীগত গুণাগুণ।

শ্ৰীগহীন চন্দ্ৰ দাসে সুধিছে।

২৮৯। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমৰ পৰ্বত পাহাৰত বা অন্যান্য ঠাইৰ পাথৰবোৰ শ্ৰেণীগত গুণাগুণৰ বিষয়ে চৰকাৰ জ্ঞাত নে ?

(খ) যদি জ্ঞাত কি কি ধৰণৰ পাথৰ আছে ?

(গ) অইন ৰাজ্যৰ তুলনাত অসমৰ পাথৰৰ ৰয়েলিটৰ মূল্য বেছি নেকি ?

(ঘ) বাংলাদেশে পাথৰ কিনিব বিছৰা কথাটো সঁচানে আৰু যদি সঁচা চৰকাৰে বৈদেশিক মুদ্ৰা আহৰণ কৰাৰ অৰ্থে পাথৰৰ ৰপ্তানিৰ বাবে চুক্তিৰ ব্যৱস্থা কৰিছে নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) জ্ঞাত।

(খ) বালি পাথৰ গ্ৰেণাইট, কোৱাৰজ আৰু চুণ পাথৰ আছে।

(গ) বেছি।

(ঘ) পোনপটীয়াকৈ জনা নগলেও, বিভিন্ন সূত্ৰৰ পৰা এইটো জানিব পাৰি যে বাংলাদেশে অসমৰ পৰা পাথৰ আহৰণ কৰিব বিচাৰিছে।

### বিষয়ঃ অসম চুক্তিৰ ৬ নং আৰু ৭ নং দফা।

শ্ৰীহিতেশ ডেকাই সুধিছে :

২৯০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসম চুক্তিৰ ৬ নং আৰু ৭ নং দফা অনুযায়ী অসমৰ সাংবিধানিক ৰক্ষনাবেক্ষণ আৰু অৰ্থনৈতিক উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত কোনো আঁচনি অথবা পৰামৰ্শ দাঙি ধৰিছে নেকি।

(খ) যদি ধৰিছে এনে আঁচনি কেন্দ্ৰীয় চৰকাৰৰ ওচৰত তেতিয়া দাখিল কৰা হৈছে।

(আঁচনি অথবা পৰামৰ্শৰ সত্য প্ৰতিলিপি সদনৰ মেজত দিব)

(গ) ৰাজ্য চৰকাৰৰ প্ৰস্তাৱ অনুযায়ী এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে কি কি কাৰ্য্যব্যৱস্থা লোৱাৰ বিষয়ে ৰাজ্য চৰকাৰক অৱগত কৰিছে ?

ডা' ভূমিধৰ বৰ্মন ( অসম চুক্তি বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) অসম চুক্তিৰ ৬ নং আৰু ৭ নং দফা অনুযায়ী অসমৰ সাংবিধানিক ৰক্ষণা-ৰেক্ষণ আৰু অৰ্থনৈতিক উন্নয়ণৰ বাবে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত এলানি পৰামৰ্শ দাঙি ধৰিছে।

(খ) চুক্তিৰ ৬ নং দফা অনুযায়ী সাংবিধানিক ৰক্ষনাবেক্ষণৰ বাবে ১৯৮৬ চনৰ ২০ অক্টোবৰত কেইটিমান পৰামৰ্শ ৰাজ্য চৰকাৰে কেন্দ্ৰলৈ আগবঢ়াইছিল। এই সংক্ৰান্তত মুখ্য সচিবৰ চিঠি ও পৰামৰ্শাৱলীৰ সত্য প্ৰতিলিপি সদনৰ মেজত ৰখা হ'ল।

চুক্তিৰ ৭ নং দফা অনুযায়ী অৰ্থনৈতিক উন্নয়ণৰ বাবে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত সময়ে সময়ে বহুতো পৰামৰ্শ আগবঢ়াইছে। ১৯৯১ চনৰ ২৫ জুলাই তাৰিখে অসমৰ মুখ্য মন্ত্ৰী মহোদয়ে প্ৰধান মন্ত্ৰীৰ ওচৰত বিভিন্ন পৰামৰ্শাৱলীৰ সৈতে দাখিল কৰা স্মাৰক পত্ৰৰ সত্য প্ৰতিলিপি সদনৰ মেজত ৰখা হ'ল।

( See the Annexure—iv )

(গ) এই সম্পৰ্কত অগ্ৰগতিৰ খাতিয়ান সদনৰ মেজত ৰখা হ'ল।

( See the Annexure—v )

## বিষয় : পাঠশালাত পশু চিকিৎসালয় কেন্দ্ৰ স্থাপন।

ডাঃ কৃষ্ণ কান্ত লহকৰে সুধিছে :

*২৯১। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) বজালী মহকুমাৰ স্নায়ুকেন্দ্ৰ পাঠশালাত পশু চিকিৎসালয়ৰ আৱশ্যকতাৰ প্ৰতি লক্ষ্য ৰাখি এখন পশু চিকিৎসালয় অতি সোনকালে পাঠশালাত স্থাপন কৰিবনে ?

খ) পাঠশালাত ৰিজ'নেল ভেটেৰীনেৰী ইনচেমিনেচন কেন্দ্ৰ এটা স্থাপন কৰিবনে ? আৰু যদি স্থাপন কৰে কেতিয়ালৈ ?

গ) পাঠশালাত এটা গাখীৰ সংগ্ৰহ কৰা আৰু লগতে বিতৰণ কৰা কেন্দ্ৰ অতি সোনকালে খুলিবনে ?

শ্ৰীজগন্নাথ সিংহা ( পশু পালন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) বিত্তীয় সংকটৰ কাৰণে পাঠশালাত পশু চিকিৎসালয় স্থাপন কৰাৰ বৰ্ত্তমান কোনো আঁচনি নাই।

খ) আঞ্চলিক কৃত্ৰিম গো-প্ৰজনন কেন্দ্ৰ স্থাপনৰো কোনো প্ৰস্তাৱ নাই।

গ) বৰ্ত্তমান হাউলীত এটা শীতলীকৰণ কেন্দ্ৰ স্থাপন কৰা হৈছে। এই কেন্দ্ৰত বিজুলী যোগান সংযোগৰ কাৰণে ব্যৱস্থা লোৱা শেষ হলে কেন্দ্ৰটো উদ্ধোধন কৰা হব আৰু সম্পুৰ্ণৰূপে চলিলে পাঠশালাত গাখীৰ সংগ্ৰহ আৰু বিতৰণ কৰিব পৰা হব।

বিষয়: বন বিভাগৰ অধীনত থকা ফৰেষ্ট ভিলেজ।

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে :

*২৯২। মাননীয় মুখ্যমন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনে ?

ক) বন বিভাগৰ অধীনত থকা বনগাওঁ বিলাক কোন শ্ৰেণীৰ মানুহ বিলাকৰ বাবে খোলা হয়।

খ) বন বিভাগৰ বনগাওঁৰ মাটি বেচা কিনা কৰিব পৰা হয় নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) বনগাওঁ বিলাক এনে ধৰণে খোলা হৈছে যাতে পুলি বাগান আৰু টঙীয়া বাগান কৰিবৰ বাবে স্থানীয় ভাবে শ্ৰমিক পোৱা যায়। যি সকলে সাধাৰণতে হাবিত থকাৰ অভ্যাস নাই, তেওঁলোকক ৰখা নহয়।

খ) নহয়।

বিষয়:- ৰাস্তাৰ উন্নতিকৰণ।

শ্ৰীসুৰেণ স্বৰগীয়াৰীয়ে সুধিছে :

*২৯৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) বৰপেটা গড়কাপ্তানী সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তাৰ ( পথ ) অধীনত তলত উল্লেখ কৰা ৰাস্তা কেইটিৰ অৱস্থা অতি শোচনীয় হৈ থকাটো চৰকাৰে জানেনে ?

১। অঞ্চলী ধাওধাৰা ৰাস্তা।

২। অঞ্চলী বাটাবাৰী ৰাস্তা।

৩। গধূলীগাওঁ গোলাগাওঁ ৰাস্তা।

৪। জালাহ কুমাৰীকাটা ৰাস্তাৰ জালাহৰ পৰা চৰাইমাৰী লৈ যোৱা অংশ।

খ) যদিহে অৱগত ১৯৯৩-৯৪ বিত্তীয় বছৰতে ৰাস্তা কেইটিৰ উন্নত কৰাৰ ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিবনে ?

শ্ৰীশৰৎ বৰকটকী ( গড়কাপ্তানী বিভাগৰ ৰাজ্যিক ( ভৈয়াম ) মন্ত্ৰী) য়ে উত্তৰ দিছে ?

ক) অঞ্চলী বাটাবাৰী ৰাস্তাৰ বাহিৰে আটাইকেইটা পথ যানবাহনৰ চলাচল কৰিব পৰা অৱস্থাত আছে। উল্লেখিত পথটোৰ এখন কাঠৰ দলং (৪/১) ১৯৯২ চনৰ বানত উটুৱাই নিয়াৰ ফলত যানবাহনৰ চলাচলৰ বাবে বন্ধ ৰখা হৈছে।

খ) ১৯৯৩-৯৪ বিত্তীয় বছৰত প্ৰয়োজনীয় অৰ্থমঞ্জুৰী সাপেক্ষে আটাইকেইটা পথৰ উন্নয়নৰ ব্যৱস্থা গ্ৰহণ কৰিব পৰা হব।

## বিষয়: পানী যোগান আঁচনি।

শ্ৰীচন্দন কুমাৰ চৰকাৰে সুধিছে:

২৯৪। মাননীয় জনস্বাস্থ্য কাৰিকৰি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

ক) উত্তৰ শালমাৰা মহকুমাৰ এলেকাধীন পিৰাধৰা, ৰাজা পানী, আমগুৰি ও অভয়াপুৰী চহৰত সৰ্বমুঠ কিমান টকা খৰচ কৰি পানী যোগান আঁচনি সমূহৰ কাম শেষ কৰিছে ? ( সদনত প্ৰতিখন আঁচনিৰ হিচাব সুকীয়া সুকীয়াকৈ দাখিল কৰিব। )

খ) অভয়াপুৰী, পিৰাধৰা, ৰাজাপানী, আমগুৰি পানী যোগান আঁচনিৰ কাম বিভাগৰ মতে শেষ হৈছে কিন্তু আঁচলতে কাম এতিয়ালৈ বাকী আধৰুৱা হৈ থকাটো সঁচানে ?

শ্ৰীদীনেশ প্ৰসাদ গোৱালা ( জনস্বাস্থ্য কাৰিকৰি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে:

ক আৰু খ) অভয়াপুৰী চহৰ পানী যোগান আঁচনিৰ আবাস গৃহৰ বাহিৰে আৰু বাকী

কাম সম্পূর্ণ হৈছে আৰু পানী যোগান ধৰি থকা হৈছে। ৰাঙ্গাপানী নামৰ কোনো আঁচনি লোৱা হোৱা নাই। আঁচনিবোৰৰ সৰ্বমুঠ খৰচ নিম্নোক্ত ধৰণৰ —

| আঁচনিৰ নাম | সৰ্বমুঠ খৰচ ৩১-১২-৯১ লৈ |
| --- | --- |
| ১। পিৰাধৰা | ৮·১৩৪ লাখ টকা |
| ২। আমগুৰি | ১০·৪৪৫ ” ” |
| ৩। অভয়াপুৰী | ২৫·৫২২ ” ” |

পিৰাধৰা আঁচনিৰ পানী সংশোধন কেন্দ্ৰৰ ১০% কামৰ বাহিৰে বাকী কাম সম্পূৰ্ণ হৈছে আৰু এই আঁচনিৰ যোগেদি খোৱা পানীৰ যোগান ধৰি থকা হৈছে।

সেইদৰে আমগুৰি পানী যোগান আঁচনিৰ পাম্পহাউচ, পানী সংশোধন কেন্দ্ৰ আৰু জলাধাৰ প্ৰত্যেকৰে ১০% কামৰ বাহিৰে বাকী কাম সম্পূৰ্ণ হৈছে আৰু এই আঁচনিৰ যোগেদি খোৱা পানী যোগান ধৰি থকা হৈছে।

## বিষয়ঃ কৰাই খোৱা তালতলা গড়কাপ্তানী পথ।

শ্ৰীনজমুল হকে সুধিছেঃ

৯৭। মাননীয় গড়কাপ্তানী মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ক) ১৯৯২-৯৩ চনৰ বিত্তীয় বছৰত গোৱালপাৰা সংমণ্ডলৰ অধীনৰ কৰাইখোৱা তালতলা গড়কাপ্তানী ৰাস্তাত শিলগুটি দিয়াৰ বাবে মুঠ কিমান টকা মঞ্জুৰি দিয়া হৈছিল আৰু উক্ত টকা আজিলৈকে ঠিকাদাৰ সকলক আদায় নিদিয়াৰ কথা চৰকাৰে জানেনে ?

খ) গোৱালপাৰা সংমণ্ডলৰ লক্ষীপুৰ চুনাৰী গড়কাপ্তানী ৰাস্তা ও এই ৰাস্তাৰ তিনিখন দলং যাত্ৰীবাহী বাছগাড়ী চলাচলৰ বাবে সম্পুৰ্ণ অসন্তৱ হোৱাৰ কথা চৰকাৰে জানেনে ?

গ) অনতিপলমে উক্ত ৰাস্তাটো আৰু দলং পূৰ্ণাঙ্গ মেৰামতিৰ ব্যৱস্থা কৰা হবনে ?

ঘ) গোৱালপাৰা সংমণ্ডলৰ অধীনত পকী ৰাস্তা কৰাৰ বাবে ১৯৯১-৯২ আৰু ১৯৯২-৯৩ চনত কোন বিধান সভা সমষ্টিত কিমান টকা দিয়া হৈছে আৰু ৰাস্তা পকী কৰাৰ বাবে জলেশ্বৰ সমষ্টিত দিয়া মুঠ টকাৰ পৰিমান কিমান ?

শ্ৰীশৰৎ বৰকটকী ( গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) গড়কাপ্তানী ৰাস্তাত শিলগুটি দিয়াৰ বাবে নিৰ্দিষ্টকৈ কোনো ৰাস্তাতে মঞ্জুৰী দিয়া নহয়। ১৯৯২-৯৩ চনত মেৰামতিৰ শিতানৰ পৰা কৰাইখোৱা তাল-তলা ৰাস্তাত শিলগুটি দিয়াৰ বাবে সৰ্বমুঠ ৩·১৩ লাখ টকাৰ কামৰ আবণ্টন দিয়া হৈছিল। পুঁজিৰ অভাৱত সেইকাম আংশিকভাৱে সম্পূৰ্ণ হয় যদিও দেয়কৰ ধন আদায় দিব পৰা হোৱা নাই।

খ) হয়, জানে।

গ) আৰ্থিক মঞ্জুৰী সাপেক্ষে ব্যৱস্থা লোৱা হব।

ঘ) ১৯৯১-৯২ আৰু ১৯৯২-৯৩ চনত সিপিঠিত উল্লেখ কৰা অনুযায়ী পকীকৰণৰ বাবে টকা মঞ্জুৰী দিয়া হৈছে।

( See the Annexure V )

## বিষয় : ৰাস্তা মেৰামতি।

শ্ৰীবদ্ৰি নাৰায়ন সিং জিজ্ঞাসা কৰিছেন :

২৯৬। মাননীয় গড়কাপ্তানী বিভাগের মন্ত্ৰী মহোদয়ে অনুগ্ৰহ করিয়া জানবেন কি :

ক) সোনাই সমষ্টিতে সোনাই কাবুগঞ্জ P.W.D. সড়ক, সোনাই মণিনগড় P.W.D. সড়ক এবং সোনাই বি মাকান্দি P.W.D. সড়ক এর মেরামত করার ব্যবস্থা করবেন কি ?

খ) সোনাই সমষ্টিতে সোনাই এবং হাতি খালে সোনাই নদীর উপরে নতুন সেতু নির্মান কার্য্য গত ৫।৬ মাস যাবত নির্মান কার্য্য বন্ধ কেন ?

শ্ৰীশৰৎ বৰকটকী ( গড়কাপ্তানী বিভাগৰ ( ভৈয়াম ) ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয়, পুঁজিৰ আবণ্টন সাপেক্ষে সংশ্লিষ্ট ৰাস্তা কেইটাৰ মেৰামতিৰ কাম চলাই থকা হৈছে।

খ) মাটি অধিগ্ৰহণৰ কাম সম্পূৰ্ণ নোহোৱাৰ বাবে প্ৰথমতে দলঙৰ কাম আৰম্ভ হোৱাত পলম হৈছিল। পিচলৈ এই দলঙৰ কাম ১৯৯২ চনৰ বানপানীৰ আৰম্ভ হোৱাৰ আগলৈকে সম্পূৰ্ণ গতিত চলি আছিল। কিন্তু বানপানী সময় উকলি যোৱাৰ পাছতো আৰ্থিক নাটনি আৰু ঠিকাদাৰৰ হেমাহিৰ বাবেহে কাম বন্ধ হৈ আছে। কামটো পুনৰ আৰম্ভ কৰাৰ কাৰণে ঠিকাদাৰৰ লগত যোগাযোগ কৰা হৈছে।

## বিষয়ঃ ফায়াৰ উডৰ সমস্যা।

শ্ৰীমুনিন মহন্তই সুধিছেঃ

*২৯৭ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ৰাজ্যখনত জলানি কাঠ খৰি (ফায়াৰ উড)ৰ সমস্যা সম্পৰ্কে চৰকাৰ অৱগত নে ?

খ) বছৰি ৰাজ্যখনত ফায়াৰ উডৰ বাবে কিমান ঘনমিটাৰৰ প্ৰয়োজন ?

গ) বৰ্ত্তমান ৰাজ্যখনত ফায়াৰ উডৰ উৎপাদন কিমান আৰু কিমান ঘাটি বা ৰাহি হয় ?

ঘ) যদি ঘাটি হয় সেই ঘাটি পুৰাবৰ বাবে চৰকাৰে কিবা ব্যৱস্থা লৈছে নে ?

ঙ) জলানি কাঠৰ বাবে জনজাতীয় গাওঁৰ ল'ৰা-ছোৱালীক বনাঞ্চলৰ পৰা জলানি কাঠ সংগ্ৰহৰ বাবে অনুজ্ঞা পত্ৰ দিয়াৰ বাবে বিবেচনা কৰিব নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

ক) অৱগত।

খ) সঠিক হিচাব নাই।

গ) উৎপাদন বছৰি প্ৰায় ৪০০০ ষ্টেক ঘন মিটাৰ আৰু ই প্ৰয়োজনতকৈ ঘাটি, কিন্তু ঘাটিৰ পৰিমাণ সঠিক কৰ পৰা নেযায়।

ঘ) 'কৰেল ফুৱেল উড' আঁচনিৰ দ্বাৰা খৰিৰ উৎপাদন বৃদ্ধি কৰাৰ ব্যৱস্থা লোৱা হৈছে।

ঙ) জমানি খৰিৰ নাটনি হোৱাৰ বাবে এনেকুৱা কোনো আঁচনি বিবেচনা কৰা হোৱা নাই।

বিষয়ঃ ব্ৰহ্মপুত্ৰৰ ওপৰত কাৰেং চাপৰি, বগীবিল দলং।

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে:

২৯৮. মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে, অনুগ্ৰহ কৰি জনাবনে:

ক) ধেমাজী কাৰেং চাপৰি আৰু বগীবিলৰ মাজত সংযোগকাৰী ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ হব লগা প্ৰস্তাবিত পথ আৰু ৰেলৱেৰ দলংখন নিৰ্মাণৰ ক্ষেত্ৰত কি কাৰ্য্য ব্যৱস্থা লোৱা হৈছে?

খ) বৰ্ত্তমানৰ চৰকাৰে ধেমাজি জিলাৰ বানপানীত ক্ষতিগ্ৰস্ত হোৱা পথ সমূহ স্থায়ীভাৱে মেৰামতি কৰি ভয়ংকৰ বানপানী ৰোধ কৰাৰ ক্ষেত্ৰত খৰালিতে সম্পূৰ্ণ হোৱাকৈ কিবা আঁচনি লৈছে নেকি? আৰু যদি লৈছে, তেন্তে ই কেতিয়া সম্পূৰ্ণ হব?

শ্ৰীশৰৎ বৰকটকী (গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে:

ক) জৰীপ কাৰ্য্য সম্পূৰ্ণ কৰি আনুমানিক ব্যয় স্থিৰ কৰা হৈছে, আৰু এই আঁচনি ৰূপায়ণৰ বাবে দৰকাৰ হোৱা পুঁজিৰ ব্যৱস্থা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ওপৰত টানি অনুৰোধ কৰা হৈছে।

খ) (১) ধেমাজী জিলাৰ অন্তৰ্গত ৫২ নং ৰাষ্ট্ৰীয় ঘাই পথৰ কিলোমিটাৰ ২৪৬ ৰ পৰা কিলোমিটাৰ ৩৮০ লৈ, বানপানীত ক্ষতিগ্ৰস্ত অংশ সমূহ চিনাক্ত কৰি মেৰামতিৰ ব্যৱস্থা হাতত লোৱা হৈছে।

২) ধেমাজী জিলাৰ অন্তৰ্গত ৰাজ্যিক পথ সমূহৰ বান বিধস্ত মেৰামতিৰ শিতানত বৰ্ত্তমানলৈ কোনো মঞ্জুৰী নোপোৱাত কোনো আঁচনি হাতত লব পৰা নাই।

বিষয়ঃ বিদেশী নাগৰিক চিনাক্তকৰণ ও বহিস্কাৰ।

শ্ৰীভৃগুকুমাৰ ফুকনে সুধিছে:

*২৯৯। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

১। বৰ্ত্তমান শাসনাধিষ্ঠ চৰকাৰখন ক্ষমতালৈ অহাৰ পিচৰেপৰা কিমান জন বিদেশী নাগৰিক চিনাক্তকৰণ কৰা হ'ল আৰু কিমান জনক বহিস্কাৰ কৰা হ'ল।

ডাঃ ভূমিধৰ বৰ্মন ( অসম চুক্তি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

বৰ্ত্তমান শাসনাধিষ্ঠ চৰকাৰখন ক্ষমতালৈ অহাৰ পৰা ২৮ ফেব্ৰুৱাৰী ১৯৯৩ লৈকে Foreigners Act. 1936 আইনখনৰ দ্বাৰা মুঠ ১৮০০ জনক চিনাক্ত কৰা হৈছে আৰু এজনো বহিস্কাৰ কৰা হোৱা নাই। Illegal Migrants (Determination by Tribunals 1996) আইনখনৰ দ্বাৰা মুঠ ৮৭১ জন চিনাক্ত কৰা হৈছে আৰু ৪৫২ জন বহিস্কাৰ কৰা হৈছে।

## বিষয়ঃ ভুৱা এল, ও, চি।

শ্ৰীশশকমল সন্দিকৈয়ে সুধিছে.

৩০০। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) 'আজিৰ বাতৰি' কাগজত ২০/২/৯৩ তাৰিখে প্ৰকাশ কৰা 'ভুৱা এল, অ, চি দাখিলৰ কেলেংকাৰী' বাতৰিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টি গোচৰ হৈছেনে ?

খ) যদি হৈছে ইয়াৰ সত্যতা আছেনে ?

শ্ৰীজীৱকান্ত গগৈ ( বিত্ত মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হৈছে।

খ) এতিয়ালৈ চৰকাৰৰ হাতত পৰা তথ্য অনুসৰি কোনো কোনো ক্ষেত্ৰত ভুৱা এল, অ, চি দাখিল কৰাৰ বাতৰিৰ অভিযোগ আমালৈ আহিছে।

## বিষয়ঃ গুৱাহাটী হাজো পথৰ চেঁচা তথা কলাজল নদীৰ দলং।

শ্ৰীবদন বৰুৱাই সুধিছে :

৩০১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) গুৱাহাটী-হাজো গড়কাপ্তানী পথৰ চেঁচা তথা কলাজল নদীৰ ওপৰত নিৰ্মানৰত পকী দলংখনৰ নিৰ্মান কেতিয়া সম্পূৰ্ণ হব ?

খ) এতিয়ালৈ নিৰ্মিত কামত কিমান ধন খৰছ হ'ল ?

শ্ৰীশৰৎ বৰকটকী ( ৰাজ্যিক গড়কাপ্তানী বিভাগৰ (ভৈয়াম) মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) ১৯৯৩-৯৪ বিত্তীয় বছৰত সম্পূৰ্ণ কৰাৰ আঁচনি লোৱা হৈছে।

খ) এতিয়ালৈ এই কামত ৩৫,২২,০০০.০০ টকা খৰচ হৈছে।

বিষয় : চাব-ট্ৰেজাৰী স্থাপন।

শ্ৰীক'ৰেন্দ্ৰ বসুমতাৰীয়ে সুধিছে :

৩০২। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

টংলাত 'সাব-ট্ৰেজাৰী' স্থাপনৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে ?

শ্ৰীজীৱকান্ত গগৈ ( বিত্ত বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

তলত উল্লিখিত ব্যৱস্থাৱলী লোৱা হৈছে :

ক) জিলাৰ উপায়ুক্তৰ পৰা প্ৰতিবেদন পোৱা হ'ল।

খ) মহাগাননিকৰ অনুমোদন পোৱা হ'ল।

গ) ভাৰতীয় ৰিজাৰ্ভ বেংকৰ পৰা ষ্টেট বেংকে চৰকাৰী লেনদেন পৰিচালনা কৰিবৰ বাবে বিহিত অনুমতি পাইছে।

বিষয় : ফাৰ্ম খোলাৰ আইন প্ৰনয়ণ।

শ্ৰীপানীৰাম ৰাভাই সুধিছে :

৩০৩। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :
গৰু ফাৰ্ম, গাহৰি ফাৰ্ম, ছাগলী ফাৰ্ম, মুৰ্গী ফাৰ্ম থকাৰ দৰে হৰিণা পহুৰ ফাৰ্ম খোলাৰ ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিব নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

এনে আঁচনিৰ প্ৰস্তাৱ চৰকাৰে বৰ্তমান হাতত লোৱা নাই।

বিষয় : সামাজিক বননিকৰণ ( Maintanance ) হেড।

শ্ৰীযতীন মালীয়ে সুধিছে :

৩০৪। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) চলিত বিত্তীয় বছৰটোত সামাজিক বননিকৰণৰ Maintanance হেডত্ত মুঠ কিমান টকা ধাৰ্য্য কৰা আছে ?

(খ) Maintanance বাবদ কি কি কাম কৰে ?

(গ) কামৰূপ জিলাৰ বাবে কিমান টকা Maintanance হেডত ধৰিছে ?

(ঘ) পলাশবাৰী সমষ্টিৰ ক'ত ক'ত এই বছৰত Maintanance এই বিভাগে কৰিলে বা কৰিব ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) চলিত বিত্তীয় বছৰত সামাজিক বননিকৰণ বিভাগৰ ৰক্ষণাবেক্ষণৰ শিতানত মুঠ ৭৩৯·৬৮ লাখ টকা ধাৰ্য্য কৰা হৈছে।

(খ) সামাজিক বননিকৰণ বিভাগে ৰক্ষণাবেক্ষনৰ নামত নিম্ন লিখিত কামবোৰ কৰে।

১। গছপুলি ৰোপন কৰাৰে পৰা ৫ বছৰ ধৰি প্ৰতি বছৰে তিনি-বাৰকৈ নিৰণী কৰা হয়।

২। মৰিযোৱা গছপুলিবোৰৰ ঠাইত নতুনকৈ গছপুলি ৰোপণ কৰা হয়।

৩। প্ৰয়োজনীয় পানী আৰু সাৰৰ যোগান ধৰা হয়।

৪। গছপুলিবোৰৰ ৰক্ষণাবেক্ষনৰ বাবে কাটাতাৰৰ বেৰৰ প্ৰয়োজনীয় মেৰামতি কৰি থকা হয়।

৫। নগৰৰ উদ্যানবোৰৰ ৰক্ষণাবেক্ষন আৰু উন্নতি কৰা হয়।

৬। গছপুলিৰ নতুন বাগান বনোৱা হয়।

(গ) চলিত বিত্তীয় বছৰত সামাজিক বননিকৰণ বিভাগে কামৰূপ জিলাৰ বাবে ৰক্ষণাবেক্ষণৰ শিতানত বিভিন্ন আঁচনিৰ জৰিয়তে মুঠ ৬৮·২৩ লাখ টকা ধৰা হৈছে।

ঘ) পলাশবাৰী সমষ্টিৰ কোনো ঠাইতে সামাজিক বনানিকৰণ বিভাগে এই বছৰত পুলি বাগানৰ maintananceৰ কাম কৰা নাই।

যিহেতু পলাশবাৰী সমষ্টিৰ পুৰণি পুলি বাগানবোৰ ৫ বছৰ অতিক্ৰম কৰিলে। ৫ বছৰ অতিক্ৰম কৰা বাগানবোৰৰ maintananceৰ কোনো আঁচনি সামাজিক বনানিকৰণ বিভাগৰ নাই।

**বিষয় : Untied Fund আঁচনি।**

শ্ৰীৰামেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে :

৩০৫। মাননীয় পৰিকল্পনা ও উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ১৯৯২-৯৩ চনত গুৱাহাটী মহকুমাৰ বাবে ধাৰ্য্য কৰা Untied Fund আঁচনি সমূহৰ কাম আৰম্ভ কৰা হৈছেনে ?

খ) যদি হোৱা নাই, তেনেহলে আঁচনি সমূহৰ কাম আৰম্ভ নকৰাৰ কাৰণ কি ?

গ) কেতিয়াৰ পৰা এই আঁচনি সমূহৰ কাম আৰম্ভ কৰিব ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) (খ) আৰু (গ) ১৯৯২-৯৩ চনৰ গুৱাহাটী মহকুমাৰ Untied Fund ৰ আঁচনি সমূহ প্ৰস্তুত কৰণৰ বাবে ধন আৱণ্টন অলপতে দিয়া হৈছে। এই আৱণ্টৰ ভিত্তিতেই আঁচনি প্ৰস্তুত কৰণ ইতিমধ্যে আৰম্ভ হব। আঁচনি সমূহ প্ৰস্তুতকৰণ আৰু অনুমোদনৰ পিছতেই আঁচনি সমূহৰ ৰূপায়নৰ কাম আৰম্ভ কৰিব।

( Unstarred Question No. 306 was daferred ).

**Re : Distribution of fund for Development works.**

Shri Giasuddin Ahmed asked :

307. Will the Chief Minister be pleased to state :

a) What is the basis on which funds are distributed for development works in the Sub-division ?

b) Whether Government is aware of the fact that there has been serious regional disparity in the matter of allotment of fund for development schemes in the District and Sub-divisional level ?

c) What steps Government proposes to take to remove regional disparity in the matter of development ?

Shri Hiteswar Saikia ( Chief Minister ) replied :

a) Sub-divisional plans consist of selected schemes of 39 Head/Sub-head of development. Annual plan allocation for these schemes decentralised are disagreegated Sub-divisionwise by the sectoral Departments concerned on the basis of their sectoral schematic norms.

Besides the Sectoral Funds, Untied Funds are distributed to the Sub-divisions.

The basis for allocation of Untied Funds to the Sub-divisions is as follows :

1. 75·/. on the basis of population of the Sub-division.
2. 15·/. on the basis of Geographical areas of the Sub-division.
3. 10·/. on the basis of Backwardness index of the Sub-division.

b) There should not be any regional disparity in matter of allotment of fund for development schemes in the District and Sub-divisional level as the allocations are made as per sectoral/concerned norms, taking into account regional disperities. While making allocations, sectoral departments are also to keep in view, the deliberations made in the SPDC, their views and suggestions with regard to selection and preparation of schemes.

c) One of the prime objectives of planning is to reduce inter and intra Sub divisional disperities in development. Sectoral funds are allocated as per concerned sectoral schematic norms and hence, potantialities of the Sub-divisions are taken case of as far as fund permits. Criteria

of backwardness, population and geographical area etc. are also taken into account while funds are allocated to the Sub-divisions.

Moreover, the schemes under Untied Funds are also prepared by the SPDCs considering the need and potentialities of the Sub-division with the object of removing backwardness.

বিষয়ঃ- বিদেশী মদৰ অনুজ্ঞাপত্ৰ।

শ্ৰীগহীন চন্দ্ৰ দাসে সুধিছে ঃ

৩০৮। মাননীয় মূখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) বিদেশী মদৰ অনুজ্ঞাপত্ৰ কি নিয়মৰ ভিত্তিত দিয়া হয় ?

খ) ১৯৯২-৯৩ বৰ্ষত কিমানখন বিদেশী মদৰ অনুজ্ঞাপত্ৰ দিয়া হৈছে জনাবনে ?

গ) ক'ত আৰু কোন ব্যক্তিক দিয়া হৈছে জনাবনে ?

ঘ) বি, এন, দে কোম্পানী আৰু খুবচান্দ এণ্ড চনচ নামৰ দোকান দুখনৰ অনুজ্ঞা পত্ৰ কিমান চনৰ কিমান তাৰিখে দিয়া হৈছিল।

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) অসম আবকাৰী নিয়ম ১৯৪৫ ( Assam Excise Rules, 1945 ) মতে ইচ্ছুক আবেদনকাৰীয়ে নিদ্ধাৰিত প্ৰপত্ৰৰ যোগেদি ভাৰতত তৈয়াৰী বিদেশী মদৰ অনুজ্ঞাপত্ৰৰ বাবে জিলা কালেক্টৰৰ ওচৰত আবেদন কৰিব লাগে। এই আবেদনৰ ওপৰত জিলা কালেক্টৰে তদন্ত কৰি দৰ্খাষ্ট সহঃ তদন্তৰ প্ৰতিবেদন আবকাৰী আয়ুক্তৰ যোগেদি চৰকাৰৰ ওচৰত দাখিল কৰিব লাগে। চৰকাৰে আবেদনকাৰীৰ নিম্ন উল্লেখিত যোগ্যতা সমূহ পৰীক্ষা কৰি অনুজ্ঞাপত্ৰ মঞ্জুৰ কৰাৰ পিছত জিলা কালেক্টৰে এই অনুজ্ঞাপত্ৰ জাৰি ( Issue ) কৰে -

১। আবেদনকাৰীৰ বয়স ২১ বছৰৰ কম হব নালাগে।

২। প্ৰস্তাৱিত দোকানৰ স্থান সম্পৰ্কে অৱস্থা বিশেষে গাওঁ পঞ্চায়ত পৌৰ পৰিষদ অথবা পৌৰ নিগমৰ পৰা আপত্তি বিহীন প্ৰমান পত্ৰ থাকিব লাগিব।

৩। ধৰ্মীয় অথবা শিক্ষা অনুষ্ঠানৰ পৰা যথোপযুক্ত দূৰত্বত দোকানৰ স্থান নিৰ্দ্ধাৰণ কৰিব লাগিব।

৪। আবেদনকাৰী ভাৰতীয় নাগৰীক হব লাগিব আৰু ব্যৱসায় চলাবৰ বাবে আৰ্থিক অৱস্থা টনকীয়াল হব লাগিব।

ইয়াৰ উপৰিও ওপৰত উল্লেখিত যোগ্যতা সম্পন্ন শিক্ষিত নিবনুৱা, অনুসূচীত পাৰ্বত্য জনজাতি, অনুসূচীত ভৈয়াম জন জাতি আৰু অন্যান্য পিচপৰা সম্প্ৰদায়ৰ আবেদনকাৰী সকলক অধিক সুবিধা দিয়াৰ বাবে বিবেচনা কৰা হয়।

খ) ৩৭ ( সাতত্ৰিশ ) খন।

গ) অনুবদ্ধ- ১ ত দিয়া হৈছে। ( See Annexure—VI )

ঘ) বি, এন, দে এণ্ড কোঃ আৰু খুবচান্দ এণ্ড চনচ নামৰ দোকান দুখনৰ অনুজ্ঞাপত্ৰ ১৯৪৫ চনত দিয়া হৈছিল। বিভাগীয় প্ৰাপ্ত নথি মতে নিৰ্দিষ্ট তাৰিখৰ তথ্য নাই।

## বিষয় :—অসম চুক্তিৰ ৯ (১) আৰু ৯ (২) নং দফা।

৩০৯। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক অসম চুক্তিৰ ৯(১) আৰু ৯(২) নং দফা অনুযায়ী আন্তঃৰাষ্ট্ৰীয় সীমান্ত অতিক্ৰম কৰা অথবা কৰিব খোজা অনুপ্ৰৱেশকাৰীক বাধা দিবলৈ কি কি ব্যৱস্থা হাতত লোৱা হৈছে ?

খ) আন্তঃৰাষ্ট্ৰীয় সীমান্তত 'আলিবাট নিৰ্মান' আৰু কাইটীয়া তাঁৰৰ বেৰ দিয়াৰ কাম কিমান দূৰ অগ্ৰসৰ হৈছে ?

গ) এই কামৰ বাবে কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে কিমান ধন মুকলি কৰি দিছে ?

ঘ) 'আলিবাট নিৰ্মান' আৰু কাইটীয়া তাঁৰৰ বেৰ দিয়াৰ কাম কেতিয়া সম্পূৰ্ণ কৰা হব।

ডাঃ ভূমিধৰ বৰ্মন ( অসম চুক্তি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) উল্লেখিত দফা অনুযায়ী সীমান্ত অতিক্ৰম কৰিব খোজা অনুপ্ৰৱেশকাৰীক

বাধা দিবলৈ অসম বাংলাদেশ সীমান্তত সীমান্তৰক্ষীৰ পহৰাৰ সুবিধাৰ কাৰণে এটা আলিবাট আৰু তাৰ কাষে কাষে কাইটীয়া তাঁৰৰ বেৰ নিৰ্মাণৰ কাম গড়কাপ্তানী বিভাগে হাতত লৈছে আৰু ইয়াৰ কাম পূৰ্ণ গতিত চলি আছে। তাৰোপৰি অনুপ্ৰৱেশ ৰোধ কৰিবৰ বাবে সৰ্বমুঠ ৩৫৯ টা সীমান্ত প্ৰহৰী চকী ( Border check posts ) প্ৰতিষ্ঠা কৰা হৈছে আৰু সীমান্ত নিৰাপত্তা বাহিনীৰ তহলদাৰী কাৰ্য্য শক্তিশালী কৰা হৈছে।

খ) বৰ্ত্তমানলৈ ৮৩.৯৮ কি: মি: আলিবাট আৰু ৫৪.৪৫ কি: মি: কাইটীয়া তাঁৰৰ বেৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছে আৰু বাকী থকা অংশত নিৰ্মাণ কাৰ্য্য পূৰ্ণ গতিত চলি আছে।

গ) এই কামৰ বাবে কেন্দ্ৰীয় চৰকাৰে এতিয়ালৈকে ৪৪.৬০ কোটি মুকলি কৰি দিছে।

ঘ) 'আলিবাট নিৰ্মাণ' আৰু কাইটীয়া তাঁৰৰ বেৰ দিয়াৰ কাম ১৯৯৫-৯৬ চনৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব বুলি আশা কৰা হৈছে।

## বিষয় : টিহুৰ পৰা ৰামপুৰলৈ যোৱা গড়কাপ্তানী পথ।

ডা: কৃষ্ণ কান্ত লহকৰে সুধিছে :

৩১০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) টিহুৰ পৰা ৰামপুৰলৈ যোৱা গড়কাপ্তানী বিভাগৰ পথটোৰ শোচনীয় অৱস্থাৰ বিষয়ে চৰকাৰে জানেনে ?

(খ) যদি জানে তেন্তে অতি সোনকালে উক্ত পথটোৰ উন্নতিৰ বাবে বিহীত ব্যৱস্থা কৰা হবনে ?

(গ) টিহু টাউনৰ পৰা ৰাষ্টীয় ঘাই পথলৈ অহা পথটোৰ দুৰৱস্থাৰ বিষয়ে চৰকাৰৰ জ্ঞাত নে ?

(ঘ) উক্ত পথটোৰ উন্নতিৰ বাবে চৰকাৰে বিহিত ব্যৱস্থা সোনকালে লবনে ?

শ্ৰীশৰৎ বৰকটকীয়ে ( গড়কাপ্তানী বিভাগৰ ৰাজ্যিক ( ভৈয়াম ) মন্ত্ৰী ) য়ে উত্তৰ দিছে ।

(ক) ধনৰ অভাৱত প্ৰয়োজন অনুসাৰে বিগত বছৰ কেইটাত শিলগুটি দিব নোৱাৰাৰ বাবে পথটোৰ অৱস্থা আশানুৰূপ নহয় ।

(খ) আৱশ্যকীয় পুজিঁৰ আৱন্টন পালে পথটো উন্নত কৰিব পৰা যাব ।

(গ) জ্ঞাত ।

(ঘ) আৱশ্যকীয় ধনৰ আৱন্টণ পালেই বিহিত ব্যৱস্থা লোৱা হব ।

বিষয়ঃ- মাৰ্ঘেৰিটা মহকুমাৰ মহকুমাধিপতিৰ কাৰ্য্যালয়।

শ্ৰীৰামেশ্বৰ ধনোৱাৰে সুধিছে ।

৩১১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মাৰ্ঘেৰিটা মহকুমাৰ মহকুমাধিপতিৰ কাৰ্য্যালয় ভৱন নিৰ্ম্মাণৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে ?

(খ) যদি কাৰ্য্যালয় নিৰ্ম্মাণৰ ব্যৱস্থা হাতত লোৱা হৈছে, তেন্তে কোন গৃহ সংস্থাৰ যোগেদি কাৰ্য্য ব্যৱস্থা লোৱা হৈছে ?

শ্ৰীশৰৎ বৰকটকী ( গড়কাপ্তানি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) প্ৰাক্কলন সাধাৰণ প্ৰশাসনীয় বিভাগলৈ পঠিওৱা হৈছে। প্ৰসাসনীয় অনুমোদন এতিয়ালৈকে দিয়া হোৱা নাই । প্ৰশাসনীয় অনুমোদন পালে নিৰ্ম্মাণ কাৰ্য্য হাতত লোৱা হব ।

(খ) নিৰ্ম্মাণ কাৰ্য্য এতিয়াও আৰম্ভ কৰিব পৰা নাই । আৰম্ভ হলে তিনিচুকীয়া গৃহ সংস্থাৰ জৰিয়তে কৰা হব ।

বিষয়ঃ –জনস্বাস্থ্য বিভাগলৈ আৱণ্টিত ধন।

শ্ৰীমুনিন মহন্তই সুধিছে :

৩১২। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰে শেহতীয়া ভাৱে মোকলাই দিয়া ধনৰ পৰা জনস্বাস্থ্য কাৰিকৰী বিভাগে কিমান টকা আৱন্টন পালে ?

(খ) উক্ত টকা ৰাজ্যখনৰ বিভিন্ন জিলাৰ সমষ্টিৰ মাজত কেনেকৈ আৰু কিমানকৈ আৱন্টিত হ'ল ?

( সংমণ্ডল ভিত্তিত, কোন সংমণ্ডলত, কিমান টকা পালে তাৰ তালিকা সদনৰ মেজত দাখিল কৰিব )

শ্ৰীদীনেশ প্ৰসাদ গোৱালা ( জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী ) যে উত্তৰ দিছে

(ক) অসম চৰকাৰে শেহতীয়া ভাৱে মোকলাই দিয়া মুঠ ধনৰ পৰা (ফেব্ৰুৱাৰী-'৯৩ জনস্বাস্থ্য কাৰিকৰী বিভাগে ৪৮০'৫০ লাখ টকা পালে।

(খ) সংমণ্ডল সমূহৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি ধন আৱন্টন দিয়া হৈছে। সংমণ্ডল ভিত্তিত কিমান ধন বিতৰণ কৰা হৈছে তাৰ তালিকা লগত গাঠি দিয়া হৈছে । (See the Annexure – VII)

## বিষয়—আপুৰুগীয়া জীৱজন্তুৰ পৰিমাণ।

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে :

৩১৩। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰ্তমান ৰাজ্যিক চিৰিয়াখানাত কিমান বিধ আপুৰুগীয়া জীৱ-জন্তু আছে ?

(খ) উক্ত চিৰিয়াখানাৰ বহুতো আপুৰুগীয়া জীৱজন্তু মৃত্যু মুখত পৰাটো সত্য নে ?

(গ) যদি সত্য কিমান জীৱ-জন্তুৰ মৃত্যু হ'ল তথা মৃত্যু মুখত পৰা প্ৰতিবিধ প্ৰাণীৰ সংখ্যা কিমান ?

(ঘ) অসমত আৰু এখন চিৰিয়াখানা খোলাৰ কথা চৰকাৰে বিবেচনা কৰিছে নেকি ?

(ঙ) যদি কৰিছে তেতিয়া হলে ক'ত উক্ত চিৰিয়াখানাখন খুলিব আৰু উক্ত চিৰিয়াখানা খনৰ বাবে কিমান টকা ধাৰ্য্য কৰিছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) যে উত্তৰ দিছে :

(ক) অসম ৰাজ্যিক চিৰিয়াখানাত বৰ্তমান ১৩৩ বিধ আপুৰুগীয়া জীৱ-জন্তু আছে।

(খ) হয়, সত্য ।

(গ) বিগত সাত বছৰৰ ভিতৰত (১৯৮৬ চনৰ পৰা অসম ৰাজ্যিক চিৰিয়াখানাত

মুঠ ৩৭১ টা জীৱ-জন্তু মৃত্যু মুখত পৰিছে। মৃত্যু হোৱা জীৱ-জন্তুৰ তালিকা সংযোজন কৰা হ'ল।

(See the Annexure—VIII)

(ঘ) অসমত আৰু এখন ৰাজ্যিক চিৰিয়াখানা খোলাৰ কথা বৰ্তমান চৰকাৰে বিবেচনা কৰা নাই।

(ঙ) প্ৰশ্ন নুঠে।

বিষয়:— সাংবিধানিক ৰক্ষা কবচ।

শ্ৰীভৃগু কুমাৰ ফুকনে সুধিছে।

৩১৪। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

অসম চুক্তিত উল্লেখিত সাংবিধানিক ৰক্ষা কবচৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

ডাঃ ভূমিধৰ বৰ্মন (অসম চুক্তি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

অসম চুক্তিৰ আধাৰত সাংবিধানিক ৰক্ষা কৱচৰ বাবে দফা ৬ মতে মুঠতে চৈধ্যটা প্ৰস্তাৱ সংবিধানৰ ব্যৱস্থা বিভিন্ন অনুমোদনৰ সংশোধনৰ কাৰণে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা হৈছিল প্ৰস্তাৱ সমূহৰ তালিকা সদনৰ মেজত ৰখা হ'ল। (See the Annexure—IX)

বিষয়:—জৰুৰীকালীন পুঁজি।

শ্ৰীশশকমল সন্দিকৈয়ে সুধিছে:

৩১৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) গড়কাপ্তানী বিভাগৰ জৰুৰীকালীন পুঁজি ৰাজ্যখনৰ সংমণ্ডল অনুযায়ী কেনেকৈ বিতৰণ কৰা হৈছে ?

(বিতৰণৰ তালিকা সদনৰ মেজত দাখিল কৰিব)

(খ) এই পুঁজি বিতৰণ কৰাৰ ভিত্তি কি ?

শ্ৰীশৰৎ বৰকটকী ( গড়কাপ্তানী বিভাগৰ ( ভৈয়াম ) ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে:

(ক) সকলো সংমণ্ডলতে বিতৰণ নকৰি মাত্ৰ ১৮ টা সংমণ্ডলত জৰুৰী হিচাবে বিবেচিত আঁচনিৰ বিপৰীতে বিতৰণ কৰা হৈছে।

( বিতৰণৰ তালিকা ইয়াৰ লগতে সদনৰ মেজত দাখিল কৰা হল।

( See the Annexure—X )

(খ) জৰুৰীকালীন চাহিদাৰ ভিত্তিত বিতৰণ কৰা হয়।

বিষয়:— দলং পূণঃ নিৰ্মাণ।

শ্ৰীকৰেন্দ্ৰ বসুমতাৰী য়ে সুধিছে:

৩১৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) পানেৰী বিধান সভা সমষ্টিৰ অন্তৰ্গত দৰং আৰু কামৰূপ জিলাৰ সীমাত বৰনদীৰ ওপৰত থকা ৰামগাওঁ নামৰ দলংখন আজি প্ৰায় দহবছৰ মানৰ পূৰ্ব্বৰ পৰাই ধ্বংস হৈ থকা দলংখন পুণৰ নিৰ্মাণৰ ব্যৱস্থা কৰিবনে?

(খ) যদি কৰে, কেতিয়া ইয়াৰ কাম আৰম্ভ কৰিব?

শ্ৰীশৰৎ বৰকটকী ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে:

(ক) উক্ত দলং খন ১৯৮৮ চনৰ ডিচেম্বৰ মাহত আৱছু ( ABSU ) আন্দোলনৰ সময়ত ধ্বংস প্ৰাপ্ত হয়। দলং খন ১০ বছৰমানৰ পূৰ্বৰ পৰাই ধ্বংস হৈ থকা নাই। দলংখনৰ পুনৰ নিৰ্মাণৰ কাম হাতত লোৱা হৈছে।

(খ) দলংখনৰ পুণৰ নিৰ্মাণৰ কাম অহা বিত্তীয় বছৰত আৰম্ভ কৰা হ'ব।

বিষয়:— আন্তঃ ৰাজ্যিক সীমা এলেকা।

শ্ৰীযতীন মালীয়ে সুধিছে:

৩১৭। মাননীয় সীমান্ত অঞ্চল বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) আন্তঃৰাজ্যিক সীমা এলেকাই পলাশবাৰী সমষ্টিটো চুইছে নেকি?

(খ) যদি চুইছে কিমান দৈৰ্ঘ্য এলেকা?

(গ) সীমান্ত এলেকা উন্নয়ন আচঁনিত চলিত বিত্তীয় বছৰত মুঠ কিমান টকা ধাৰ্য্য কৰা হৈছে ?

(ঘ) ধাৰ্য্য কৰা টকাবোৰ বিতৰণ কৰা হ'ল নেকি ?

(ঙ) যদি বিতৰণ কৰিলে কোন কোন আঁচনিৰ বিপৰীতে আৰু কিমানকৈ ?

( তালিকা মেজত দিব )

(চ) সীমান্ত এলেকাত থকা ৰাঙ্গাপাৰা-বাটৈ গাওঁ পথ আৰু বাটৈগাওঁ বাণীৰামাৰ পথৰ বাবে দহ লাখ টকা দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীজগত পাটগিৰি ( সীমান্ত অঞ্চল বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) চুইছে ।

(খ) ২৪'৯৫ কিলোমিটাৰ ।

(গ) ১৪৫'০০ লাখ টকা ।

(ঘ) এই পৰ্য্যন্ত ৩৫, ৪৮, ০০০/- টকা বিতৰণ কৰা হৈছে ।

(ঙ) তালিকা সদনৰ মেজত ৰখা হ'ল ।
( See the Annexure XI )

(ঘ) ভৱিষ্যতে পূঁজিৰ সচ্ছলতা সাপেক্ষে বিবেচনা কৰা হব ।

বিষয় : পাঠশালাৰ পৰা সৰ্থেবাৰীলৈ যোৱা ৰাস্তা ।

ডাঃ কৃষ্ণকান্ত লহকৰে সুধিছে :

৩১৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) বজালী মহকুমাৰ পাঠশালাৰ পৰা সৰ্থেবাৰীলৈ যোৱা ডাঃ জিনাৰাম ৰাস্তা-টোৰ শোচনীয় অৱস্থাৰ কথা চৰকাৰৰ জ্ঞাত নে ?

খ) উক্ত পথটোৰ খাৰসথা নদীৰ ওপৰত নিৰ্মাণ কৰি থকা দলংখন আজিলৈকে সম্পূৰ্ণ নোহোৱা কথাটো চৰকাৰৰ জ্ঞাত নে ?

গ) যদি জ্ঞাত তেন্তে ইয়াৰ কি ধৰণৰ বিহিত ব্যৱস্থা লোৱা হৈছে ?

শ্ৰীশৰৎ চন্দ্ৰ বৰকটকী ( গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয়, জানে ।

খ) হয়, জানে।

গ) প্ৰাপ্ত মঞ্জুৰী অনুপাতে ৰাস্তাটোৰ উন্নতি কৰণৰ কাম কৰি থকা হৈছে। দলং নিৰ্মাণৰ কাম ইতিমধ্যে আৰম্ভ কৰা হৈছে আৰু অহা বিত্তীয় বছৰৰ শেষ ভাগৰ ভিতৰত সম্পূৰ্ণ কৰাৰ আশা ৰখা হৈছে।

বিষয়ঃ মাকুম আলিৰ দুৰৱস্থা।

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছেঃ

৩১৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) তিনিচুকীয়া পথ সংমণ্ডলত থকা মাকুম আলিটোৰ দুৰৱস্থাৰ বিষয়ে চৰকাৰে জানেনে ?

খ) এই পথটো দুই ৰাষ্ট্ৰীয় পথৰ যোগসূত্ৰ হয় নেকি ?

গ) যদি হয়, যোগাযোগৰ একমাত্ৰ পথ হিচাবে চৰকাৰে পকীকৰণৰ কি ব্যৱস্থা লৈছে ?

শ্ৰীশৰৎ বৰকটকী ( গড়কাপ্তানী বিভাগৰ ( ভৈয়াম ) ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয়, পথটোৰ অংশ বিশেষে বেয়া হৈছে।

খ) হয়।

গ) বাৰ্ষিক পৰিকল্পনা আঁচনিৰ অন্তৰ্গত সন্নিষ্ট আলিটো পৰ্য্যায় ক্ৰমে পকীকৰণৰ কাম হাতত লৈ কৰি থকা হৈছে।

বিষয়ঃ কামপুৰৰ পৰা ৰহালৈ যোৱা P.W.D. পথ।

শ্ৰীগহীন চন্দ্ৰ দাসে সুধিছেঃ

৩২০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) নগাওঁ জিলাত (P.W.D. West) অৱস্থিত কামপুৰৰ পৰা ৰহালৈ যোৱা P.W.D: পথৰ লাউপানী বেলাইচনৰ কাষেদি আৰম্ভ কৰি ডু... গুৰি জাককৰা গাৱঁত অৱস্থিত P.W.D. পথত সংযোগ কৰি দেউৱা

কাঠৰ দলঙেদি ফুলগুৰি ৰাষ্ট্ৰীয় পথত সংযোগ কৰাকৈ এটি পথ ৰাইজে দাবি কৰি অহাটো চৰকাৰে জানেনে ?

খ) যদি জানে উক্ত পথ নিৰ্মাণৰ বাবে কিমান টকাৰ প্ৰয়োজন হ'ব ?

গ) কেতিয়াৰ পৰা পথটোৰ নিৰ্মাণৰ কাম আৰম্ভ কৰিব ?

শ্ৰীশৰৎ বৰকটকী ( গড়কাপ্তানী বিভাগৰ ( ভৈয়াম ) ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয়, ।

খ) উক্ত ৰাস্তা শিলগুটি দি নিৰ্মাণ কৰাৰ পৰ্য্যায়লৈকে ৬৩ ০০ লাখ টকা খৰচ হ'ব ।

গ) আৱশ্যকীয় পুঁজি আৰু আঁচনিখনত মঞ্জুৰী পোৱা হলেই নিৰ্মাণৰ কাম হাতত লব পৰা হ'ব ।

বিষয়ঃ ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথ ।

শ্ৰীমুনিন মহন্তই সুধিছে :

৩২১ মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) বানপানীত ৰাষ্ট্ৰীয় ঘাই পথ ( National Highway ) বন্ধ হলে ৰাষ্ট্ৰীয় ঘাই পথেদি যোৱা সকলোবোৰ যান-বাহন মৰিগাওঁ ৰহা হৈ যোৱা সম্পৰ্কে চৰকাৰে জানেনে ?

খ) যদি জানে, জাগীৰোড, মৰিগাওঁ, ৰহা এই অংশ পথক ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথৰ ( ৩৭ নং এ ) অংশ হিচাবে ঘোষণা কৰা ব্যৱস্থা কৰি পথছোৱা উন্নত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব নেকি ?

গ) যদি নকৰে, জাগীৰোডৰ পৰা ৰহালৈকে এই পথছোৱা বহল কৰি পকী কৰা ( Black topping ) আৰু কপিলিৰ ওপৰত বৰ্ত্তমান দলংখন One way কৰি আৰু এখন দলং নিৰ্মাণৰ বাবে ব্যৱস্থা কৰিব নেকি ?

ঘ) জাগীৰোডৰ ৰেলৱে লাইনৰ ওপৰত এখন Fly Over নিৰ্মাণৰ ব্যৱস্থা কৰিবনে ?

ঙ) যদি কৰে, প্ৰয়োজনীয় ব্যৱস্থা কেতিয়া গ্ৰহণ কৰিব ?

শ্ৰীশৰৎ বৰকটকী (গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) হয়, জানে।

খ) তেনে কোনো প্ৰস্তাৱ নাই।

গ) বৰ্ত্তমান চৰকাৰৰ হাতত তেনে কোনো অ'চনি নাই।

ঘ) Fly Over নিৰ্মাণৰ ব্যৱস্থা কৰাৰ এতিয়ালৈকে চৰকাৰৰ হাতত নাই।

ঙ) প্ৰশ্ন নুঠে।

## বিষয় :— ফৰেষ্টাৰ নিযুক্তি।

শ্ৰীযশকমল সন্দিকৈ য়ে সুধিছে:

৩২২। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

১৯৯১-৯২ আৰু ১৯৯২-৯৩ চনত কিমান জন ফৰেষ্টাৰ গ্ৰেড-১, গ্ৰেড-২, ফৰেষ্ট গাৰ্ড আৰু ফৰেষ্ট প্ৰটেকচন ফ'ৰ্চত" কিমান জন লোক নিয়োগ কৰা হৈছে ?

(জিলা ভিত্তিত তালিকা সদনৰ মেজত দাখিল কৰিব)

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে।

১৯৯১-৯২-চন -বন পালক - ১ (Forester) = ১ জন

বনৰক্ষী (Forest Guard) = ২ জন

১৯৯২-৯৩ চন- বনপালক - ১( Forester-1 ) = ১৩৭ জন

বনৰক্ষী (Forest GuarJ ) = ১১৮ জন

বন সুৰক্ষা বাহিনী (Forest Protection Force = ২০০ জন

(তালিকা লগত গাঠি দিয়া হ'ল)

(See the Annexure— XII)

## Discussion During Zero Hour

Mr Speaker : Now question hour is over.

I have received as many as 6 Zero Hour

Notices for 24.3. 93 in the name of Honourable Members :

1. Shri Gahin Chandra Das.
2. Shri Chandra Mohan Patowary.
3. Shri Hiteswar Deka.
4. Shri Hiteswar Deka.
5. Shri Promode Gogoi.
6. Shri Munin Mahanta.

Out of the 6 Zero Hour Notices I have selected 3 for raising in the House to-day. I now call upon Shri Cahin Chandra Das.

*শ্ৰীগহীন চন্দ্ৰ দাস :— মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৮/৩/৯৩ তাৰিখে সান্ধ্য বাতৰি কাকতত এটা বাতৰি প্ৰকাশ পাইছে। বাতৰিটো মই সদনৰ জ্ঞাতাৰ্থে পাঠ কৰি দিছো— 'অনুসূচিত জাতি ছাত্ৰ সন্থাৰ আন্দোলনৰ কাৰ্য্যসূচী। অনুসূচীত জাতিৰ প্ৰতি কৰা অন্যায়ৰ প্ৰতিবাদ তীব্ৰ কৰা হ'ব। অসমৰ অনুসূচীত জাতিৰ স্বাৰ্থৰ পৰিপন্থী কাম-কাজ বৰ্ত্তমান চৰকাৰথনে নিৰ্বিবাদে চলাই থকা ব্যৱস্থাক সদৌ অসম অনুসূচীত জাতি ছাত্ৰ সন্থাই সতৰ্কভাৱে লক্ষ্য কৰি আহিছে। এই ২০ লাখ মানুহৰ সমস্যাৰ প্ৰতি মূৰ দাঙি চাবলৈ চৰকাৰৰ সময় আৰু আন্তৰিকতাৰ অভাৱ। ভাৰতীয় সংবিধানে দিয়া সাংবিধানিক সুৰক্ষা আৰু অসম চৰকাৰে তাৰ ভিত্তিত তৈয়াৰ কৰা নীতি নিৰ্দেশনাসমুহে পেলনীয়া কাগজৰ লগত ডাষ্টবিনলৈ নিক্ষেপ কৰিছে। এই নীতি নিৰ্দেশনাসমূহ অমান্য কৰি অনুসূচীত জাতিৰ বাবে আবন্টিত ধন সমূহ আন শিতানত খৰচ কৰি থকা দেখা গৈছে যাৰ বাবে অনুসূচীত জাতিৰ উন্নয়নত সম্পূৰ্ণৰূপে বাধা পৰিছে। অনুসূচিত জাতিৰ উন্নয়নৰ আশাৰ বেঙণি স্বৰূপ ছাত্ৰ-ছাত্ৰীসকলে আজি দুবছৰে ছাত্ৰ বৃত্তিৰ ধন নোপোৱাত এক অভাৱনীয় সমস্যাৰ সন্মুখীন হব লগাত পৰিছে। এই নুন্যতম সুবিধাকণ দিবলৈ চৰকাৰ অসমৰ্থ, ই হ'ল জাতিটোৰ প্ৰতি কৰা চৰম প্ৰতাৰণা। ইয়াক যি কোনোৰ বিনিময়ত প্ৰতিহত কৰা হব।

মাননীয় অধ্যক্ষ :— আপোনাক ৰেইজ কৰিবলৈ কৈছো, আপুনি ৰেইজ কৰক।

---

*Speech not corrected.

*শ্ৰীগহীন চন্দ্ৰ দাস:— মাননীয় অধ্যক্ষ মহোদয়, এনেকুৱা ৰাতৰি মানুহে নপঢ়ে, সেই কাৰণে সদনত আলোচনাৰ কাৰণে পাঠ কৰি দিছো। এতিয়া কথা হ'ল এই অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি বিশেষকৈ ইয়াত অনুসূচিত জাতিৰ কথাই কোৱা হৈছে আৰু তেওঁলোকক বিক্ৰুটমেণ্ট কৰা কাৰণে আজি আমাৰ অসমত এটা গোষ্ঠীগত চিন্তাই গা কৰি উঠিছে আৰু ইয়াৰ ফলত আমাৰ অসমীয়া জাতিটো আজি সংকটত পৰিছে আৰু আমি ভাগ ভাগ হৈ যোৱাৰ উপক্ৰম হৈছে। এই সমস্যা বিলাকৰ কথা চৰকাৰে ভালদৰে লক্ষ্য নকৰাৰ কাৰণে এই সমস্যা বিলাক উদ্ভৱ হৈছে। আজি অনুসূচীত জাতিৰ ছাত্ৰ-ছাত্ৰী সকলে দুই বছৰে ছাত্ৰ বৃত্তি পোৱা নাই। এই পইছা বিলাক কেন্দ্ৰীয় চৰকাৰে দিছে। কিন্তু কেন্দ্ৰীয় চৰকাৰে দিয়া পইচাখিনি অসম চৰকাৰে তাৰ পৰা উলিয়াই নি এই দুখীয়া ছাত্ৰ-ছাত্ৰী সকলক বাৰুকৈয়ে শলঠেকত পেলা-ইছে। এনে ধৰণৰ চৰকাৰে এচ, চি, এচ, টি বা ও, বি, চিৰ ক্ষেত্ৰটো অনিয়ম কৰিছে। ইয়াৰ ফলত গোষ্ঠীগত চিন্তাই গা কৰি উঠিছে। এইখিনিতে মই উল্লেখ কৰিব খুজিছো যে আমাৰ এচ, চি ডেভলাপমেণ্ট কৰ্পোৰেচনৰ এক কৌটি টকা চৰকাৰে উঠাই আনি অন্য শিতানত খৰছ কৰিছে কিন্তু সেই টকা আজিলৈকে ঘূৰাই দিয়া নাই। এই টকাখিনিৰে যে অনুসূচিত জাতিৰ ছাত্ৰ ছাত্ৰী সকলে বিল্ডিং বান্ধিব সেইটো নহয়, মাত্ৰ এই বৃত্তিৰ টকাখিনিৰে এই দুখীয়া ছাত্ৰ ছাত্ৰীসকলে ভৱিষ্যত পঢ়া-শুনাৰ বাবে এটা সুবিধা লাভ কৰিব পাৰে। অন্যান্য ক্ষেত্ৰটো যেনে প্ৰমোচন, চাকৰি আদিৰ ক্ষেত্ৰটো আজি অনুসূচীত জাতিৰ লোকসকলে বঞ্চিত হব লগা হৈছে। এই ক্ষেত্ৰত যিবিলাক নীতি-নিয়ম পালন কৰিব লাগে সেইবোৰ চৰকাৰে পালন কৰা নাই। আমাৰ এচ, চি মানুহবিলাকৰ যিখিনি প্ৰাপ্য সেইখিনিও চৰকাৰে দিয়া নাই। চৰকাৰে অনুসূচিত জাতিৰ সমস্যা-বিলাক আন্তৰিকতাৰে লোৱা নাই। এই বিষয়ে আমাৰ সংবিধানত 'ৰাইট আছে, কিন্তু সেইবোৰ কাগজতে পৰি আছে, কাৰ্য্যক্ষেত্ৰত একো হোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰৰ পৰা যি টকা অনুসূচিত জাতিৰ উন্নয়নৰ কাৰণে আহে সেই টকা অসম চৰকাৰে অন্য শিতানত খৰছ কৰি এই কমিউনিটিটোৰ উন্নয়নত বাধাৰ সৃষ্টি কৰিছে। চৰকাৰে অনুসূচিত জাতিটোক উন্নত কৰাৰ বাবে যাতে বিশেষ ব্যৱস্থা গ্ৰহণ কৰে তাৰ বাবে মই চৰকাৰক অনুৰোধ কৰিছো। আজি এই বিধান সভাতে আলোচনা হৈছে যে বড়ো সক-

---

*Speech not corrected.

লৰ বাবে বড়োলেণ্ড, লালুং সকলৰ বাৰে লালুং লেণ্ড আদি স্বকীয়া ৰাজ্য দিয়াৰ বাবে। অধ্যক্ষ মহোদয়, আমি এতিয়া স্বকীয়া ৰাজ্য বিচৰা নাই। যদি অনুসূচিত জাতিৰ সমস্যাবিলাক সমাধান কৰিবলৈ চৰকাৰ আগবাঢ়ি নাহে তেতিয়া-হলে অসমৰ সমস্যা আৰু ভয়াবহ হ'ব। আমি ২০ লাখ অনুসূচিত জাতিৰ মানুহ আছো। সেয়ে চৰকাৰে সময় থাকোতেই এই সমস্যা সমাধান কৰিবলৈ আগবাঢ়ি আহিব বুলি মই আশা ৰাখিছো। তাৰোপৰি অন্যান্য যিবিলাক পিছপৰা শ্ৰেণীৰ মানুহ আছে, যিবিলাক শৈক্ষিক আৰু অৰ্থনৈতিক দিশত পিচপৰা তেওঁ-লোকৰ সমস্যাবিলাকো আন্তৰিকতাৰে লৈ চৰকাৰে এইসকলৰ উন্নতি সাধন কৰিবলৈ আগবাঢ়ি আহিব বুলি মই আশা ৰাখিলো।

*শ্ৰীবুবুল দাস :— মাননীয় অধ্যক্ষ মহোদয়, মোক অলপ কব দিব লাগে। যোৱা দহবছৰে যে আমাৰ অনুসূচতি জনজাতিৰ ছাত্ৰ-ছাত্ৰী সকলে ছাত্ৰ বৃত্তি পোৱা নাই সেইখিনি সোনকালে দিয়াৰ ব্যৱস্থা কৰিব নে? দ্বিতীয়তে এচ, চি ডেভলাপমেণ্ট কৰ্পোৰেচনৰ যি এক কোটি টকা চৰকাৰে উঠাই আনি অন্য শিতানত খৰছ কৰিছে সেইখিনি টকা সোনকালে ঘুৰাই দিয়াৰ ব্যৱস্থা কৰিব নে? তৃতীয়তে, প্ৰতি বছৰে এচ, চি, এচ, টিৰ প্লেনৰ টকা মেজৰ কাট কৰি আহিছে। যোৱা পাচ বছৰে এই টকা কিমান কাট কৰিছে আৰু কেন্দ্ৰীয় চৰ-কাৰৰ পৰা পোৱা টকা কোন কোন শিতানত খৰছ কৰা হৈছে তাৰ এটা তদন্তৰ ব্যৱস্থা কৰিব নেকি? তাৰোপৰি অন্যান্য পিছপৰা শ্ৰেণী বিলাকতো একে ধৰণেই চলি আহিছে। আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে প্ৰতিশ্ৰুতি দিছিল যে অসমৰ জলন্ত সমস্যা সমূহ সমাধান কৰা হব। গতিকে এই ক্ষেত্ৰত অনুসুচিত জাতি আৰু অনুসূচিত জনজাতিৰ সাংবিধানিক অধিকাৰ আৰু সুৰক্ষা পালন কৰাৰ ক্ষেত্ৰত চৰকাৰে স্পষ্ট নীতি-নিৰ্দেশনা দাঙি ধৰিব বুলি আশা ৰাখিলো।

*শ্ৰীগোমেশ্বৰ পেগু ( মন্ত্ৰী ) : - মাননীয় অধ্যক্ষ মহোদয়, এই বাতৰিটোৰ সম্পৰ্কে মোৰো দৃষ্টিগোচৰ হৈছে। বাতৰি কাকতত লিখা মতে আমি কেতিয়াও এ, চি মানুহ বিলাকৰ কাম বিলাক অৱহেলা কৰা নাই। এই বিলাক মই নিজেই কৰিব বিচাৰিছো। আমাৰ চাব-ডিভিজন বিলাকত একোখনকৈ ব'ৰ্ড আছে। এই ব'ৰ্ড বিলাকত এচ, চিৰ মানুহে মেম্বাৰ হৈ আছে,। আমাৰ অসম

*Speech not corrected

চৰকাৰে এচ. চিৰ বাবে যিবিলাক গ্ৰাণ্ট আদি দিও সেইবিলাক চাব-ডিভিজনলৈ পঠিয়াই দিয়া হয়। তাৰোপৰি বৃত্তিৰ ক্ষেত্ৰত যিটো কথা উত্থাপন কৰিছে সেইটো আমি বিবেচনা কৰি আছো। যিমান পাৰো সোনকালে এই বৃত্তিৰ টকা মুকলি কৰি দিম। এইটো মই আপোনালোকক আশ্বাস দিছো। লগতে মই এইটোও কৈছো যে আমাৰ কংগ্ৰেছ চৰকাৰে অসমৰ প্ৰত্যেক জনগোষ্ঠীৰ বাবে তেওঁলোকৰ যিটো ন্যায্য প্ৰাপ্য সেইটো দিবলৈ কেতিয়াও কুণ্ঠাবোধ নকৰে। তাৰোপৰি আজি দুবছৰ ধৰি আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ বৃত্তি নোপোৱাটো অতি দুখৰ কথা কিন্তু কিছুমান কথা আৰু কিছুমান কাৰণত লেপচ্ হৈ আছিল। এইটো বিবেচনা কৰি দুয়োজন মাননীয় সদস্যকে বিতং ভাবে দৃষ্টি গোচৰ কৰাম।

* শ্ৰীবুবুল দাস :— অধ্যক্ষ মহোদয়, এচ, চিৰ ছাত্ৰৰ বৃত্তিৰ ক্ষেত্ৰত এল, অ, চিৰ ব্যৱস্থা আছে এইটো উঠাই দিব নোৱাৰে নেকি? দ্বিতীয়তে যি ১ কোটি টকা ডেভলাপমেণ্ট কৰ্পোৰেচনৰ পৰা চৰকাৰে আনিছে সেইটো কেতিয়া ঘুৰাই দিব?

* শ্ৰীগোমেশ্বৰ পেগু (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এই বিষয়টো মই চালি জাৰি চাই আপোনালোকক জনাম।

Mr. Speaker. :— Now, I call upon the Hon'ble Member Shri Hiteswar Deka to raise Zero Hour Notice which is published in Assam Tribune dated 23-3-93 under the caption "Probing to death of Zoo animals demanded".

* শ্ৰীহিতেশ্বৰ ডেকা :— মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালিৰ 'অসম ট্ৰিবিউন' বাতৰি কাকতত 'ষ্টেট জুলুজিং ইটচ্ চানচ' নামৰ শিৰোনামাত প্ৰকাশিত হোৱা বাতৰিৰ সন্দৰ্ভত আজি জিৰো আৱাৰত আলোচনা কৰিবলৈ বিচাৰিছো। যোৱা কালিৰ অসম ট্ৰিবিউনেই নহয়, আজি কিছুদিন ধৰি অসমৰ প্ৰায় বাতৰি কাকততে অসম ৰাজ্যিক চিৰিয়াখানাৰ দুৰৱস্থাৰ বিষয়টো প্ৰকাশিত হৈছে। ৰাজ্যপালৰ ভাষণৰ সময়তো এই সম্পৰ্কে আলোচনা কৰা হৈছিল। অধ্যক্ষ

*Speech not corrected.

মহোদয়, ১৯৫৮ চনতে ১৩০ হেক্টৰ মাটি লৈ উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰত এখন উল্লেখনীয় চিৰিয়াখানা 'অসম ৰাজ্যিক চিৰিয়াখানা' কৰা হৈছিল। চৰকাৰৰ দুৰ্বলতাৰ কাৰণে আজি এই চিৰিয়াখানা মৃত্যুৰ মুখত পৰিবলগীয়া হৈছে। অধ্যক্ষ মহোদয় মই আপোনাৰ বিশেষ দৃষ্টি আকৰ্ষণ কৰি কব বিচাৰিছো যে, আপুনি যদি এবাৰ এই চিৰিয়াখানা পৰিদৰ্শন কৰে তেন্তে জীৱজন্তুবোৰৰ দুৰৱস্থা আৰু পশু-পক্ষীৰ নিষ্পাপ চকু দেখিবলৈ পাব। বহু দিনৰ পৰা বিভাগীয় কৰ্তৃপক্ষই অৱহেলা কৰাৰ বাবেই আজিৰ এই অৱস্থাটো হৈছে। সেয়েহে আজি চিৰিয়াখানাৰ কথাটো বাতৰি কাকতৰ পৰা আৰম্ভ কৰি সদনৰ মজিয়াতো আলোচনা কৰিবলৈ বাধ্য হৈছো। এতিয়া চিৰিয়াখানাত মাত্ৰ ১৩৩ বিধ জীৱ-জন্তু আছে। ১৯৮৬ চনৰ পৰা ১৯৯২ চনলৈকে ৩৭১ টা জীৱ-জন্তু আৰু পশু-পক্ষীৰ মৃত্যু হৈছে। আনকি দক্ষিণ আফ্ৰিকাৰ পৰা অনা হাতী কেইটাৰো মৃত্যু হৈছে। অধ্যক্ষ মহোদয়, এই পশু-পক্ষী আৰু জীৱ জন্তু বিলাকে কথা কব নোৱাৰে. ভাষা ব্যক্ত কৰিব নোৱাৰে। এই পশু-পক্ষী বিলাকক হৃদয়হীন ভাবে ব্যৱহাৰ কৰাৰ বাবেই আজি মৃত্যু হৈছে। সেই কাৰণেই আজি এই জিৰো আৱাৰত বন বিভাগৰ অৱহেলা আৰু চৰকাৰৰ দুৰ্নীতিৰ বিষয়ে কবলৈ বিচাৰিছো। গতিকে এই বিষয়টোৰ সম্পৰ্কত উচিত তদন্ত কৰিব লাগে বুলি অনুভৱ কৰিছো। কাৰ অৱহেলাৰ বাবে আজি ১৯৮৬ চনৰ পৰা ১৯৯২ চনৰ ৩১ ডিচেম্বৰলৈ ৩৭১ টা জীৱ-জন্তুৰ প্ৰাণ নাশ হ'ল। এই সম্পৰ্কত মই সিদিনাও উত্থাপন কৰিছিলো। আজি দ্বীপৰ বিল, যিখন পশু-পক্ষীৰ অভয়াৰণ্য আছিল সেই অভয়াৰণ্যৰ মাজেৰে ৰেলৰ লাইন আনিব বিচাৰিছে, মাছৰ বজাৰ খুলি দিছে যাৰ ফলত পশু-পক্ষী বিলাক আতৰি যাবলৈ বাধ্য হৈছে বা মৃত্যুৰ মুখত পৰিছে। তাৰোপৰি আজি দুই/আঢ়ৈ মাহৰ ভিতৰত ১৫ টা নিধন কৰা হৈছে। গতিকে মই ৰাজ্যিক চিৰিয়াখানাৰ বিষয়টো উত্থাপন কৰি বন মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। মই বেলেগ ঠাইলৈ নাযাও, গুৱাহাটীৰ মাজ মজিয়াতে বিভিন্ন লোকে ভালুক বান্দৰ আদি নচুৱাই নিজৰ জীৱিকা নিৰ্বাহ কৰি আছে। যিবিলাক বস্তু আমি চিৰিয়াখানাত সংৰক্ষণ কৰিব বিচাৰিছো সেই বিলাক বস্তু আজি গুৱাহাটী মহানগৰীত বা আন আন মহানগৰীত এক চাম মানুহে ব্যৱসায়ৰ কাৰণে ব্যৱহাৰ কৰিছে।

---

* Speech not corrected.

অধ্যক্ষ মহোদয়, কাৰ নিৰ্দেশনাৰ বাবে আজি এই বিলাক হৈছে। বন বিভাগৰ বিষয়া সকলৰ নিৰ্দেশনাৰ, অৱহেলাৰ বাবে তদন্তৰ ব্যৱস্থা কৰিব লাগে। আজি জীৱ-জন্তু আৰু পশু-পক্ষী বিলাকক যিবিলাক খাদ্য যোগান ধৰা হৈছে সেই বিলাকো অতি নিকৃষ্টমানৰ। যি পৰিমাণে খাদ্য যোগান ধৰিব লাগে, সেই পৰিমানে খাদ্য যোগান ধৰিব পৰা নাই। আমাৰ ৰাজ্যৰ জলবায়ুৰ অনুকুলে জীৱ-জন্তু বিলাকক ৰখা হোৱা নাই। বাঘৰ যিবিলাক গৰাল আছে তাতো সূৰ্য্যৰ পোহৰ বা ৰশ্মি কোনো দিনে নপৰে। জীৱ-জন্তু বিলাকৰ বসবাসৰ অনুপযোগী। জীৱ-জন্তু সংৰক্ষনৰ বাবে এই চৰকাৰে কি ব্যৱস্থা লৈছে?

মাননীয় অধ্যক্ষ মহোদয়, আমি বিৰোধী পক্ষৰ পৰা কোৱাই নহয়, আজি চিৰিয়াখানৰ এই জীৱ-জন্তু বিলাকক অৱহেলা কৰি মৃত্যু মুখত পেলোৱা হৈছে, এই নিস্পাপ জীৱ-জন্তু বিলাকক মহানগৰীত ব্যক্তিগত ব্যৱসায়ত প্ৰয়োগ কৰি অত্যাচাৰ উৎপীড়ন কৰা হৈছে, জীৱ-জন্তু বিলাকে মাত মাতিব নোৱাৰে বাবেই সিহতৰ ওপৰত এনে ব্যৱহাৰ কৰাতে উচিত হোৱা নাই। যোৱা কালি যিসাৰ কথাৰে মাননীয় সদস্য চন্দ্ৰ মোহন পাটোৱাৰী ডাঙৰীয়াই সদনৰ মজিয়া কপাই তুলিছিল যিটো নেকি আজি কাগজৰ হেড লাইনত ওলাইছে সেইবিলাকো এই অৱহেলাৰ কাৰণত পৰে। গতিকে আমাৰ দলৰ ফালৰ পৰা, বিৰোধীপক্ষৰ ফালৰ পৰা পশু-পক্ষী বিলাকৰ ওপৰত কৰা অত্যাচাৰ উৎপীৰণৰ প্ৰতিবাদ জনাইছো আৰু এই সম্পৰ্কত বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

* শ্ৰীচামচুল হুদা (ৰাজ্যিক মন্ত্ৰী, বন্য প্ৰাণী) :— মাননীয় অধ্যক্ষ মহোদয়, সন্মানিত বিধায়ক ডেকা ডাঙৰীয়াই অসম ট্ৰিবিউন কাকতত প্ৰকাশিত শীৰ্ষক বাতৰিটোৰ প্ৰতি যি বক্তব্য ৰাখি আঙুলিয়াই দিছে তাৰ প্ৰতি আমাৰ দৃষ্টি আকৰ্ষিত হৈছে আৰু এই সম্পৰ্কত ততালিকে যোৱা ১৩ তাৰিখে মই নিজে চিৰিয়াখানালৈ যাও আৰু চিৰিয়াখানালৈ গৈ তাত চিৰিয়াখানাৰ যি সকল বিষয়া আছে তেখেত সকলৰ লগত বহি চিৰিয়াখানাৰ পৰিচালনা আৰু জীৱ-জন্তু সম্পৰ্কত বিশদ ভাবে আলোচনা কৰো আৰু অসম ট্ৰিবিউন কাকতত প্ৰকাশিত বাতৰিৰ তথ্যৰ ওপৰত বিষয়া সকলৰ লগত গোটেই বিষয়টো তদন্ত কৰি চাইছিলো আৰু পি, চি, চি, এফক চিৰিয়াখানাৰ সম্পৰ্কত বিষয়া সকলৰ লগত কথা-বতৰা পাতি

* Speech not corrected.

অনতিপলমে ব্যৱস্থা লবলৈ অনুৰোধ জনাইছিলো আৰু সেই মতে ১৮ তাৰিখে পি, টি, চি, এফ য়ে চিৰিয়াখানাৰ বিষয়াসকলৰ লগত আলোচনা কৰে। ১৯৮৬ চনৰ পৰা ১৯৯২ চনলৈ চিৰিয়াখানাত জীৱ জন্তুৰ মৃত্যু যি ৰেটত হৈছে সেই মতে ১৯৯২ চনৰ মৃত্যুৰ ৰেট অন্যান্য বছৰতকৈ কিছু কম যদিয়ো, এই মৃত্যুত সন্তুষ্ট হোৱা কথা নহয়। কাৰণ মৃত্যু মানে মৃত্যু। মই এই বিষয়ত মাননীয় সদস্য গৰাকীক আৰু সদনক চিৰিয়াখানাত জীৱ-জন্তু মৃত্যুৰ সম্পৰ্কত কেনে ব্যৱস্থা লোৱা হৈছে আৰু কিমান জীৱ-জন্তু মৰিছে সেই সম্পৰ্কত অৱগত কৰিব বিচাৰিছো।

২৪-৩-৯৩ ইং তাৰিখে বন্যপ্ৰানী আৰু সামাজিক বনানিকৰণ (স্ব:) দপ্তৰৰ ৰাজ্যিক মন্ত্ৰীয়ে সদনত দিয়া বিবৃতি।

## সদ্য মৃত আফ্ৰিকাৰ হস্তীনী "ৰূপা"ৰ বিষয়ে :-

অসম ৰাজ্যিক চিৰিয়াখানাত যোৱা ৭-২-৯৩ তাৰিখে মৃত হোৱা আফ্ৰিকাৰ মাইকী হাতী 'ৰূপা" যোৱা ১৯৯২ চনৰ জুন মাহৰ পৰা অসুস্থ হৈ আছিল। অসম ৰাজ্যিক পশু চিকিৎসা মহবিদ্যালয়ৰ মুৰব্বী অধ্যাপক ডা: চি. চি. কলিতা প্ৰমুখ্যে বিশেষজ্ঞ সকলৰ প্ৰত্যক্ষ তত্ত্বাৱধানত চিকিৎসা কৰা হৈছিল যদিও ৰূপাক সুস্থ কৰিব পৰা নগল। ১৯৭৪ চনত আমেৰিকাৰ পৰা সংগ্ৰহ কৰা আফ্ৰিকাৰ হাতী ৰূপাক অতি কৃতকাৰ্যতাৰে ডাঙৰ দীঘল কৰাৰ অন্তত আৰু অসুস্থ হোৱাৰ দিনৰে পৰা বিশেষজ্ঞ সকলৰ দ্বাৰা চিকিৎসা কৰিও সুফল পোৱা নগল। অৱশ্যে ৰূপাৰ লগতে একেলগে অনা অফ্ৰিকাৰ মতা হাতীটো সম্পূৰ্ণ সুস্থ আৰু নিপোতল চেহেৰাত এতিয়াও চিৰিয়াখানাত আছে।

ৰূপা যক্ষ্মা ৰোগত আক্ৰান্ত হৈ মৃত্যু মুখত পৰা বুলি বিশেষজ্ঞ সকলে মত পোষণ কৰে মৃত ৰূপাৰ মৰোনত্তৰ পৰীক্ষা ৰাজ্যিক পশু চিকিৎসা মহাবিদ্যালয়ৰ অধ্যাপক ডা: মুকিটবে ধৰি বিশেষজ্ঞ সকলৰ তত্ত্বাৱধানত সম্পন্ন কৰা হয় আৰু সংগৃহিত নমুনা ( Sample ) পৰীক্ষাৰ বাবে বিভিন্ন অনুষ্ঠানলৈ পঠোৱা হয়। চুড়ান্ত প্ৰতিবেদনত কৰ্কট ৰোগত মৃত বুলি নিৰ্দ্ধাৰিত হৈছে।

তাপিৰৰ বিষয়েঃ।

অসম ৰাজ্যিক চিৰিয়াখানাত ৫টা "তাপিৰ" নামৰ জন্তু হঠাৎ মৃত্যু হয়। প্ৰথমটো তাপিৰৰ ৩০।১০।৯২ তাৰিখে অসুস্থ হৈ ৯।১১।৯২ তাৰিখে মৃত্যু মুখত পৰে। ৰাজ্যিক পশু চিকিৎসা মহাবিদ্যালয়ত কৰা মৰোণোত্তৰ পৰীক্ষাত এই জন্তুটো "টঁক্সি মিয়া" ৰোগত আক্ৰান্ত হৈ মৃত্যু হোৱা বুলি বিশেষজ্ঞ সকলে ঠাৱৰ কৰিছে।

দ্বিতীয়টো "তাপিৰ" ১৮।১।৯৩ তাৰিখে অসুস্থ হৈ পিছদিনা ১৯।১।৯৩ তাৰিখে মৃত্যু হয়। বিশেষজ্ঞ সকলে "জীৱানু সংক্ৰমন" "Viral infection" হৈ এইটো জন্তুৰ মৃত্যু হোৱা বুলি সন্দেহ কৰে আৰু লগে লগে অইনবোৰ তাপিৰৰ ক্ষেত্ৰত লবলগীয়া সাৱধানতা গ্ৰহণ কৰা হয়। কিন্তু এই Viral infection ৰ ক্ষেত্ৰত বিশেষ চিকিৎসা প্ৰথা নথকা হেতু বাকী কেইটা তাপিৰো জীৱানু সংক্ৰমণত আক্ৰান্ত হৈ ক্ৰমে ২৮-১-৯৩, ৩০-১-৯৩ আৰু ১-২-৯৩ তাৰিখে মৃত্যু হয়। ৰাজ্যিক পশু চিকিৎসা মহাবিদ্যালয়ৰ বিশেষজ্ঞৰ দ্বাৰা প্ৰত্যক্ষ চিকিৎসা ব্যৱস্থা লোৱাৰ পিছতো এই বিধ জন্তুৰ এটাকো বচাব পৰা নগ'ল। মৃত্যু জন্তুৰ মৰণোত্তৰ পৰীক্ষা পশুচিকিৎসা মহাবিদ্যালয়ত কৰা হয় আৰু সংগৃহীত নমুনা (Sample) কশৌলীৰ Indian Virological Research Centre আৰু গুৱাহাটীৰ Forensic Laboratory লৈ পৰীক্ষাৰ বাবে পশু চিকিৎসা মহাবিদ্যালয় কৰ্তৃপক্ষই প্ৰেৰণ কৰিছে।

এই সন্দৰ্ভত উল্লেখ কৰিব পাৰি যে নতুন দিল্লীৰ নেচনেল জুলজিকেল পাৰ্কত আগতে "গেচট্ৰী এন্ট্ৰাৰটিছ" ৰোগত আক্ৰান্ত হৈ দুটা গড় ২৪ ঘণ্টাৰ ভিতৰত মৃত্যু মুখত পৰে।

পশুধন পৰিচালনাত এনে দুৰ্যোগ অত্যন্তই স্বাভাৱিক। কৰ্তৃপক্ষৰ অৱহেলা বা ত্ৰুটিৰ প্ৰশ্ন নিতান্তই অৱান্তৰ।

মাননীয় অধ্যক্ষ মহোদয়ে, ১৯৮৬ চনৰ পৰা ১৯৯১ চনলৈ চিৰিয়াখানাত কিমানটা জীৱ-জন্তুৰ মৃত্যু হ'ল সেই সম্পৰ্কত সদনক জনাব বিচাৰিছো—

১৯৮৬ চনত ৪৮ টা জন্তুৰ মৃত্যু হৈছে।

১৯৮৭ ,, — — ৫৬ টা ,, ,, ,, ।

১৯৮৮ চনত ... ... ৫৮ টা জন্তুৰ মৃত্যু হৈছে ।
১৯৮৯ ,, ... ৭৮ টা ,, ,, ,, ।
১৯৯০ ,, ... ... ৫০ টা ,, ,, ,, ।
১৯৯১ ,, ... ৪৩ টা ,, ,, ,, ।
১৯৯২ ,, ৫০ টা ,, ,, ,, ।

এই যে চিৰিয়াখানাত যি ধৰণে জীৱ-জন্তু বিলাকৰ মৃত্যু হৈছে সেইটো অৱশ্যে কিছু কমি আহিছে যদিও আগলৈ যাতে মৃত্যুৰ পৰা জীৱ-জন্তু যাতে ৰক্ষা কৰিব পাৰি আৰু জীৱ-জন্তু বিলাকক ভাল ধৰণে ৰক্ষণা-বেক্ষন দিব পাৰি তাৰ প্ৰতি দৃষ্টি ৰাখি যিমান খিনি কাম কৰিব লাগে সিমান খিনি কাম হাতত লবলৈ প্ৰচেষ্টা কৰা হব আৰু আশা কৰো বৰ্ত্তমানে থকা সমস্যা বিলাকৰ সমস্যা কিছু পৰিমানে সমাধান হব ।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, দ্বীপৰ বিলৰ কথাটো শ্ৰীহিতেশ্বৰ ডেকাই উত্থাপন কৰিছিল—Sir, **Point** of Clarification. It is my clear knowiedge and so far my knowledge it is 100% rtue. দ্বীপৰ বিলৰ দেভেলপমেণ্টৰ স্কপ আছে। বিশ্ব বেংকৰ মানুহ আহিছিল। অসম চৰকাৰৰ হেমাহিৰ কাৰণে বিশ্ব বেংকে টকা নিদিয়ে । এই কথাটো জানে নেকি ? চিৰিয়াখানাৰ কথাটো কালি বাৰাগুাত মন্ত্ৰীক কৈছিলো। চিৰিয়াখানাৰ পশুহপক্ষী মৰি যাব। এতিয়া বসন্ত কাল পৰিছে যদিও কুলিৰ মাত শুনাই নাই। যিবিলাক মাত্ত শুনিছে সেইবিলাক কাউৰীৰ মাত। বসন্ত কাল বন্ধ হৈ গৈছে ।

* শ্ৰীজয় নাথ শৰ্মা : দ্বীপৰ বিলৰ কথাটো বৰ চিৰিয়াচ কথা। চৰকাৰী বিভাগ বিলাকে বেদখল কৰিছে । আগৰবাৰ কৈছিল যে এই বিলৰ প্ৰাকৃতিক সৌন্দৰ্য্য চৰকাৰৰ বিভাগৰ জৰিয়তে ধ্বংস কৰা হৈছে। নীতি-নিয়ম মতে ঘৰ বন্ধাৰ অনুমতি ল'ব লাগে। অনুমতি নোহোৱাকৈ আৰ্টফেডে ঘৰ বান্ধিছে । বৰ্তমান মাটি আৱন্তনৰ যো-জা চলিছে । নগৰ ও পৰিকল্পনা বিভাগৰ তথা গুৱাহাটী ডেভেলপমেণ্ট অথৰিটিৰ পাৰ্মিচন নোহোৱাকৈ চৰকাৰী বিভাগে বে-দখল

* Speech not corrected.

কৰি ঘৰ বান্ধিবলৈ অনুমতি কেনেকৈ পালে, এই গোটেই কথাবিলাক তদন্ত কৰিবনে ?

* শ্ৰীদিলীপ শইকীয়া : তাত থকা ইটা ভেটাবিলাক বন্ধ কৰি দিয়াৰ ব্যৱস্থা কৰিবনে ?

মাননীয় অধ্যক্ষ : সকলোবিলাক ব্যৱস্থা ল'ব ।

* শ্ৰীচামচুল হুদা ( ৰাজ্যিক মন্ত্ৰী ) : মাননীয় সদস্যসকলৰ মোৰ প্ৰতি মৰম আছে বুলি মই ভাবিছো । শ্ৰীহিতেশ্বৰ ডেকাই হাতীৰ মৃত্যু সম্পৰ্কত যিটো কথা কৈছিল সেই সম্পৰ্কত স্পষ্ট কৰি ক'ব খোজো যে হস্তীনীৰ হস্তীৰ লগত সহযোগ নথকাৰ ফলত হস্তীনী অসুস্থ হৈ পৰে বুলি বনৰক্ষীয়ে মত প্ৰকাশ কৰিছে ।

মাননীয় অধ্যক্ষ : জিৰ' আৱাৰৰ বিষয় । চমু কৰিলে ভাল হয় ।

* শ্ৰীচামচুল হুদা ( ৰাজ্যিক মন্ত্ৰী ) : দীপৰ বিলৰ কথাটো বেলেগ ধৰণে আহিলে উত্তৰ দিবলৈ সুবিধা হ'ব ।

**Mr. Speaker : I** now, call upon the Honour ble Members Shri **Promode** Gogoi and Shri Munin Mahanta to raise their Zero **Hour** Motion which is published in the North-East **Observer** dated 24-3-93 under the caption, 'Poll panel warns State Government".

শ্ৰীপ্ৰমোদ গগৈ : অধ্যক্ষ ডাঙৰীয়া, আপোনাৰ যোগেদি এটা অতি গুৰুত্ব-পূৰ্ণ বিষয় সম্পৰ্কত মাননীয় মুখ্যমন্ত্ৰী চৰকাৰ আৰু সদনৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো । যোৱা কালি নিৰ্বাচনী আয়োগে অসমৰ ভোটাৰ তালিকা প্ৰস্তুত কৰা সম্পৰ্কত এক নতুন নিৰ্দেশ নামা জাৰি কৰিছে । সেই নিৰ্দেশ নামাত নিৰ্বাচনী আয়োগে কৈছে যে যদি অসম চৰকাৰে নিৰ্বাচনী আয়োগৰ নিৰ্দেশ মতে ভোটাৰ তালিকা প্ৰস্তুত নকৰি তাৰ পৰা দেভিয়েট কৰে তেতিয়াহ'লে অসমত কোনো নিৰ্বাচন, উপ-নিৰ্বাচন পাতিবলৈ তেওঁলোকে নিদিয়ে যাব ফলত অসমত এটা সাংবিধানিক ৰাজনৈতিক সংকট হোৱাৰ সম্ভাৱনা আছে । যোৱা ২১ তাৰিখে মৈবাবাৰীত এখন ৰাজহুৱা সভাত মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছে যে ১৯৯০ চনৰ ভোটাৰ তালিকাক ভিত্তি কৰি নতুন ভোটাৰ তালিকা তৈয়াৰ কৰা

* Speech not corrected.

হব। ২০ তাৰিখৰ দিনা যেতিয়া সদনত এই বিষয়ে আলোচনা হয় তেতিয়া মুখ্যমন্ত্ৰী ডাঙৰীয়াই মোৰ এটা স্পষ্টিকৰণৰ উত্তৰত কৈছিল যে ভোটাৰ তালিকা প্ৰস্তুত কৰা সংক্ৰান্তত সকলো বিলাক আইন চৰকাৰে বিবেচনা কৰিব। আই, এম. ডি. টি এক্টখন হ'ল বিদেশী নাগৰিক চিনাক্তকৰণ আৰু বহিষ্কাৰ কৰাৰ কাৰণে। ইয়াৰ বাহিৰেও বিদেশী নাগৰিক সংক্ৰান্তত কেবাখনো আইন আছে। সেইকেইখন হ'ল ইমিগ্ৰেণ্ট এক্সপালচন এক্ট ১৯৫৬, ফৰেনাৰ্চ এক্ট ১৯৪৬, আৰু সকলোতকৈ প্ৰয়োজনীয় এক্ট হ'ল চিটিজেনচিপ এক্ট। এখন দেশত ভোটাৰ হ'ব পাৰে নে নোৱাৰে সেইটো নিৰ্ণয় কৰে চিটিজেনচিপ এক্ট অনুযায়ী। আপোনাৰ অনুমতি লৈ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে চিটিজেনচিপ এক্টৰ ৬(এ) সংশোধনী অন্তভুৰ্ক্ত কৰা হয় পাৰ্লিয়ামেণ্টত ৭।১২।৮৫ তাৰিখে। সেই সময়ত প্ৰধান মন্ত্ৰী আছিল ৰাজীৱ গান্ধী। অসমত ভোটাৰ কোন কোন হ'ব পাৰে পৰিস্কাৰ ভাৱে কোৱা হৈছে। ৬(এ) ২ত কোৱা হৈছে—

Sir, under clause 6(a) (2) subject to the provision of subsection 6 and 7 of persons of Indian origine who came before the first day of January, 1956 to Assam from the specified teritory (i. e. Bungladesh) including such of those whose names were included in the electoral rolls used for the purpose of General Election to the House of the people held in 1967 and who have ordinarily resided in Assam since the date of their entry to Assam shall be demand to the citizen of India as demand fit from 1st January, 1966. নিৰ্ব্বাচনী আয়োগৰ নিৰ্দ্দেশ নামা প্ৰায়বোৰ বাতৰি কাকতত প্ৰকাশ হৈছে। সেই নিৰ্দ্দেশ নামাত পৰিস্কাৰ ভাৱে কৈছে যে-বাতৰি কাকতত কমিচনাৰে কৈছে—

The Commission has noted from some Press reports that the State Government of Assam still feels that instead of de-novo house-to-house enumeration, the revision of electoral rolls shall be done in comparison with the electoral rolls of 1990- a procedure which has been repeatedly held to be against standing instructions and law. অধ্যক্ষ ডাঙৰীয়া, কমিচনে

আৰু স্পষ্টকৈ কৈছে—The Commission will not accept any deviation whatsoever from its instructions and the procedures, both general and special, laid down under law under any circumstances, and "under no circumstances will the State Government or any of its officers be permitted to prepare the new electoral rolls by any comparison with any past electoral rolls and if it comes to the notice of the Commission, that any such procedure has been adopted the Commission will scrap the present exercise also in toto".

গতিকে অধক্ষ্য ডাঙৰীয়া চৰকাৰে নিৰ্ব্বাচনী আয়োগৰ যি নিৰ্দ্দেশনামা তাত ইন টটো একচেপ্ত কৰা বুলি সিদিনা সদনত কৈছে। কিন্তু ইয়াৰ পৰা যিটো দেখা যায় পৰোক্ষ বা প্ৰত্যক্ষভাবে নিৰ্বাচনী আয়োগৰ নিৰ্দ্দেশাৱলী অমান্য কৰাৰ কাৰনে প্ৰচেষ্টা চলি আছে। ১৯৯০ চনৰ ভোটাৰ তালিকাক বেচিচ কৰি ভোটাৰ তালিকা প্ৰস্তুত কৰাটো নিৰ্ব্বাচনী আয়োগে আগতেও নাকচ কৰিছে এতিয়াও নাকচ কৰিছে। নতুন যিখন টাইম চিদিউল তাত পৰিস্কাৰকৈ কৈছে—

The Commission is aware that the above programme will have to be done through during the period of the monsoon, but wants to make it clear that the Assam Government and the Assam Government alone is responsible for this predicament having deliberately flouted the instructions of the Commission without any reason and with utter disregard for the laws of this country. No request for change in the schedule quoting reasons of the monsoons will even be tolerated much less considered by the Commission.

অধ্যক্ষ ডাঙৰীয়া নিৰ্বাচনী আয়োগৰ নিৰ্দ্দেশাৱলী যদি আখৰে আখৰে পালন নকৰে তেতিয়া অসমত এটা সাংবিধানিক সংকট হব আৰু অসমত তেতিয়া নিৰ্বাচন, উপ-নিৰ্বাচন, পঞ্চায়তৰ নিৰ্বাচন, পৌৰসভাৰ নিৰ্বাচন একো নিৰ্বাচনেই কৰিব

নোৱাৰিব। আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে নিৰ্বাচনী আয়োগৰ নিৰ্দ্দেশাৱলী গোপনীয় বুলি কৈছে কিন্তু এই ডিৰেকটিভ বিলাক সকলো কাগজতে প্ৰকাশ পাইছে। মই নিজেও নিৰ্দ্দেশাৱলী লৈ আনিছো। সেই কাৰণে মই মুখ্য মন্ত্ৰীক জনাব বিছাৰিছো যে'ৱা কালি যিটো নিৰ্দ্দেশাৱলী জাৰি কৰিছে বোধকৰো এইটোৱে তেওঁলোকৰ শেষ নিৰ্দ্দেশাৱলী। চৰকাৰে এই নিৰ্দ্দেশাৱলী মানি লব নে নাই? যদি অমান্য কৰে তেনেহলে ত্ৰিপুৰাৰ নিচিনা হব, অসমতো সাংবিধানিক সংকট হব। গতিকে এই নিৰ্দ্দেশাৱলী মানি লব নে নাই মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচা ৰিছো। এই নিৰ্দ্দেশাৱলীৰ জৰিয়তে যাতে অসমত বিদেশী লোকৰ নাম ভোটাৰ তালিকাত সোমাব নোৱাৰে তাৰ ব্যৱস্থা থাকিব। এইখিনিকে কৈ এই বিষয়টোৰ ওপৰত মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো।

*শ্ৰীমুনীন মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, আজি শূন্য আৱাৰত কেন্দ্ৰৰ শেষতীয়া নিৰ্দেশাৱলী সম্পৰ্কে মাননীয় সদস্য শ্ৰীপ্ৰমোদ গগৈ ডাঙৰীয়াই যি গুৰুত্বপূৰ্ণ বিষয়টো উত্থাপন কৰিছে সেই বিষয়ে দুটামান কথা কব বিছাৰিছো। ভোটাৰ তালিকা এই বিষয়টো লৈ ৰাজনীতি কৰিবলৈ চেষ্টা কৰি থকা হৈছে। সংখ্যালঘুসকল বৰ্ত্তমান চৰকাৰৰ ত্ৰান কৰ্ত্তা বুলি চিহ্নিত কৰি বিষয়টো লৈ ৰাজনীতি কৰা হৈছে। ইয়াৰ আগতেও নিৰ্বাচনী আয়োগৰ নিৰ্দেশাৱলী অমান্য কৰা হৈছে যাৰ কাৰণে আয়োগে পুনৰ নিৰ্দেশ জাৰি কৰিবলগীয়া হৈছে। এই বিষয়টো সদনত ইয়াৰ আগতেও আলোচনা কৰা হৈছে। যোৱা ২০ তাৰিখে মুখ্যমন্ত্ৰীয়ে নিৰ্বাচনী আয়োগৰ নিৰ্দেশাৱলী আখৰে আখৰে পালন কৰা হব বুলি কৈছিল আৰু সেইমতে ১৯৯০ চনৰ ভোটাৰ তালিকা সংশোধন কৰা হব বুলি কৈছিল। কিন্তু এতিয়া আকৌ কিয় নিৰ্দেশাৱলী আহিব লগীয়া হ'ল। এতিয়া নিৰ্দেশ দিছে যে ১৯৯০ চনৰ যিখন ভোটাৰ তালিকা সেই তালিকামতে যিবিলাক সমষ্টিত শতকৰা ৪ ভাগ মানুহ বাঢ়িছে সেইবিলাক ঠাইত বিদেশী নাগৰিক থকা বুলি আশংকা কৰি সেই সমষ্টিসমূহ চিহ্নিত কৰি এপ্ৰিলৰ পৰা জুন মাহৰ ভিতৰত ভোটাৰ তালিকা শুদ্ধকৈ কৰিবলৈ স্পষ্ট নিৰ্দেশ দিছে। কিন্তু এপ্ৰিলৰ পৰা জুন মাহলৈ মনচুন আৰম্ভ হব, বতৰ ভাল নাথাকিব বুলি কিম্বা আপত্তি কৰিব বুলি ভাবিয়ে এই সময় চোৱাৰ ভিতৰত কৰিবই লাগিব

★ Speech not corrected.

বুলি নির্দেশ দিছে। আশা কৰো ভোটাৰ তালিকাৰ এই খেলিমেলি পৰিসমাপ্তি কৰিবলৈ অসমত বসবাস কৰা সকলো ধৰ্মীয় সংখ্যালঘুৰ মাজত অশান্তি যাতে নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি ঘৰে ঘৰে গৈ এই তালিকা প্ৰস্তুত কৰিব লাগে। আৰু তেনে এখন ভোটাৰ তালিকা ফটো সহ প্ৰস্তুত অতি সোনকালে কৰি উলিয়াব লাগে। আনহাতে বিদেশীৰ নামত ভাৰতীয় নাগৰিকক হাৰাশাস্তি নকৰি শুদ্ধ নাগৰিক চিনাক্তকৰণ কৰি উলিয়াই ফটো সহ প্ৰস্তুত কৰিব লাগে। এই ক্ষেত্ৰত অসম চৰকাৰে এটা দৃঢ় পদক্ষেপ লব বুলি অনুৰোধ জনায় মোৰ বক্তৃতা সামৰনি মাৰিলো।

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— অধ্যক্ষ ডাঙৰীয়া, শ্ৰীপ্ৰমোদ গগৈ ডাঙৰীয়াই যিটো কথা উল্লেখ কৰিছে— সেইখিনি কথা মই এই সদনত বহুতবাৰ কৈছো। ইলেক্‌চন কমিচনাৰে আমাক যিখিনি গাইড্ লাইন দিছিল তাৰ প্ৰত্যুত্তৰত আমি যিবিলাক মেচেচ্ পঠাইছো আৰু যিবিলাক চিঠি দিছো— তাত এই সম্পৰ্কে সকলোবিলাক স্পষ্টকৈ দিয়া আছে। আমি তেওঁলোকৰ গাইড্ লাইন মানি চলিছো। কিন্তু অধ্যক্ষ মহোদয়, আমি বিদেশী কিমান আছে বিচাৰি যাওঁতে গোটেই হিচাব মেথামেটিকেলী লৈছিলোঁ। ইলেক্‌চন কমিচনাৰে আমাক কৈছিল— আপোনালোকে যেতিয়া স্পেচিয়েল ৰিভিজন কৰিব— তেতিয়া হাউচ টু হাউচ হিচাব কৰাৰ আগতে গোটেই অসমত কোনটো সমষ্টিত, কিমান ভোটাৰ কেন্দ্ৰত বিদেশী সোমাই পৰিছে— সেই অঞ্চলসমূহ আৰু ভোট কেন্দ্ৰসমূহ বাছি উলিয়াওক। আমি বাৰম্বাৰ কৈছিলোঁ— আমি তেনেকৈ নোৱাৰোঁ। আমি তেওঁলোকক চাজেশ্চন দিয়া হৈছিল যে—আমি এই ক্ষেত্ৰত ১৯৯০ চনৰ ভোটাৰ তালিকাৰ লগত ১৯৯২ চনৰ যিটো খচৰা ভোটাৰ তালিকা প্ৰস্তুত হৈ আছে সেইটো মিলাই চলিম আৰু যিবিলাক সমষ্টিত আৰু ভোট কেন্দ্ৰত শতকৰা ২ ভাগতকৈ বেছি বিদেশী থাকে— সেইবিলাকত স্পেচিয়েল ৰিভিজন কৰি ইলেক্‌চন কমিচনাৰৰ গাইড্ লাইন পালন কৰিম। আমি ১০ ডিচেম্বৰ তাৰিখে এই কথা ইলেক্‌চন কমিচনাৰক জনাইছিলো। আমি এতিয়ালৈকে ১৯৯০ চনৰ ইলেক্‌টৰেল ৰোলৰ লগত ১৯৯২ চনৰ খচৰা ভোটাৰ তালিকাখন মিলাই চাওঁতে দেখা যায় যে—অসমৰ প্ৰায়বিলাক সমষ্টিতেই শতকৰা ২ ভাগ বেছি আছে।

★ Speech not corrected.

"We have studied the figure that have emerged out of the house to house enumeration that has been undertaken in the state begining in July, 1992, comparing these figures to the number of electors in 1990 Rolls. We find that except in a few constituencies the increase in the numbers enumerated is much larger than 5% and in some cases more than 30%: Inview of this Government feel that it will be appropriate to apply and implement the Commission's directive of 21st August, 1992".

আমি এইখিনি কোৱাৰ পিচত তেখেতসকলে কৈছিল যে— আপোনালোকে নিৰ্ব চন কৰাৰ আগতে কিমান সমষ্টিত আৰু কোন কোন ভোট কেন্দ্ৰত কিমান বিদেশী লোক বসবাস কৰি আছে বাছি উলিয়াওক। আমি তাৰ প্ৰত্যুত্তৰত কৈছিলো যে ১৯৯০ চনৰ ভোটাৰ তালিকাৰ লগত ১৯৯২ চনৰ খচৰা ভোটাৰ তালিকা কম্‌পেয়াৰ কৰি চাওঁতে তেখেতসকলৰ যিটো 'নৰমচ' তাতোকৈ বেছি হৈছে— অনমত যিবিলাক সমষ্টি আছে প্ৰায়বিলাকতেই শতকৰা ৫ ভাগ বিদেশী বেছি। এই গোটাইবিলাক সংগ্ৰহ কৰি 'নৰমচ' অমিল হোৱাৰ কাৰণে আমি ২৪ ডি চেম্বৰ তাৰিখে কাম বন্ধ কৰি তেখেত সকলক জনালো যে—

ভো "The Government of Assam shall identity individual সংখ্য ...embly constituencies in the State where there is large scale বাজন ...ence of foreign nationals and further identify within কৰা ...1 Assembly constituencies those polling areas which এই ...ve a substantial presence of foreign nationals."

আমি কলো যে— ১৯৯০ চনৰ ভোটাৰ তালিকাৰ লগত ১৯৯২ চনৰ খচৰা ভোটাৰ তালিকা অমিল হৈছে আৰু শতকৰা ৮০ ভাগ সমষ্টিতেই বিদেশী সোমায় আছে। তেতিয়া তেখেতসকলে ডিচেম্বৰৰ ২৪ তাৰিখেই বিদেশী বাছি উলিয়াবলৈ হুকুম দিলে। তেতিয়া আমি পুনৰ উত্তৰ দিব লগীয়া হল আৰু পুনৰ উত্তৰ দিওঁতে আমি কৈছো যে—

"The process of such identification of Assembly constituencies and polling areas there in having a substantial presence of foreign nationals shall be completed by the

State Government as expeditiously as possible and in any even by 15th Jaunary, 1993."

"The State Government further recommends that the guidelines of the Election Commission."

আমি অসমৰ কোন সমষ্টিত কিমান বিদেশী সোমাই আছে উত্তৰত কলো। আগে আমি একেলগে কলো যে অসমৰ ২৫ টা সমষ্টিত শতকৰা ২০ ভাগ বেছি বিদেশী আছে। সেইটোৰ গাইড লাইন বিচাৰি আমি ২০ তাৰিখে উত্তৰত কলো যে—

"Your detailed proposal should reach the Commission's office not later than 1700 hrs of 27th January 1993, failing this the Commission will take appropriate action".

তেতিয়া আমাক যিখিনি সমষ্টিত বিদেশী চাবলৈ দিছিল— সেইখিনি আমি ইতিমধ্যে চাই শেষ কৰিলো।

"The State Government agrees to implement the guidelines of 21st August, 1992 issued by the Election Commission in all the 105 constituencies which have shown an increase of more than 10%.

আমাক তেতিয়া তেখেতসকলে কলে— কোন সমষ্টিত কিমান বিদেশী ভোটাৰ আছে সেইটো ২৭ জানুৱাৰীৰ ভিতৰত জনাব লাগে। আমি বাৰে বাৰে কৈছো যে গোটেই অসমত আমাৰ পিয়লৰ কাম শেষ হৈছে— তেখেতসকলে নামানিলে। দ্বিতীয়তে কলো যে প্ৰায়বিলাক সমষ্টিতেই শতকৰা ২০ ভাগৰ পৰা শতকৰা ২৫ ভাগলৈকে বিদেশী সোমাই আছে— সেইটোও তেখেতসকলে নামানিলে।

তাৰ পিচত আমাক কলে যে ২৭ জানুৱাৰীৰ ভিতৰত পুনৰ প্ৰস্তাৱ পঠাব লাগে এতিয়া আমি কি কৰিম। ২৭ জানুৱাৰী তাৰিখে উত্তৰত আমি একেটা কথাকে কলো—।

আমি প্ৰথমতে কলো— অসমৰ ১০৫ টা সমষ্টিতেই শতকৰা ১০ ভাগ বেছি বিদেশী ওলাইছে। সেইবিলাকত কি কৰিব লাগে আমাক গাইড্ লাইন দিয়ক আৰু এতিয়ালৈকে আমি যিখিনি কৰিছো আপোনালোকৰ গাইড্ লাইন মতেই কৰি আছো।

অধ্যক্ষ মহোদয়, ১৯৯০ চনৰ ভোটাৰ তালিকাৰ সৈতে ১৯৯২ চনৰ খচৰা ভোটাৰ তালিকা মিলালে দেখিব যে—১০৫ টা সমষ্টিতেই শতকৰা ১০ ভাগ ভোটাৰ বাঢ়িছে। আমি ইলেকচন কমিচনাৰক এই ১০৫ টা সমষ্টিত শতকৰা ১০ ভাগ ভোটাৰ বৃদ্ধি হোৱা বুলি তেখেতসকলক উত্তৰ দিলো— কিন্তু সেইটোও তেখেতসকলে নামানিলে।

২৭ জানুৱাৰী তাৰিখে পুনৰ মেচেচ্ দুটা অলটাৰ কৰি আমি দিলো। প্ৰথমতে কৈছো— ১০৫ টা সমষ্টিত শতকৰা ১০ ভাগ ভোটাৰ বাঢ়িছে আৰু ১৯৯০ চনৰ ভোটাৰ তালিকাৰ তুলনাত ১৯৯২ চনৰ ভোটাৰ তালিকাত যিবিলাক সমষ্টিত শতকৰা ১০ ভাগ ভোটাৰ বাঢ়িছে সিবিলাক কি কৰা যাব তাৰ গাইড্ লাইন পঠাব লাগে। আমি কৈছো যে গোটেই অসমত ১২৬ টা সমষ্টি আছে তাৰ ভিতৰত ১০৫ টাত ভোটাৰ বাঢ়িছে। সেইটো আমি ২৭ তাৰিখৰ উত্তৰত দিছো।

" If it is preferred that the guidelines of the 21st August, 1992 should be implemented even in constituencies where the increase are of less than 10% the State Government is prepared to implement the same in all the 126 Assembly constituencies."

অধ্যক্ষ মহোদয়, ২৭ জানুৱাৰীত কলো— আমি গোটেই অসমতে ১২৬ টা সমষ্টিত ইলেকট্ৰেৰেল ৰোল ৰিভিজন কৰিম। ফৰেইনাৰ্চ আছে। প্ৰত্যেক সমষ্টিতলৈ গৈ ১৯৯০ চনৰ ভোটাৰ তালিকা ১৯৯২ চনৰ খচৰা ভোটাৰ তালিকাৰ সৈতে মিলাই চাই আমি এই মতেই পাইছো—

The State Government of Assam has today, by it letter dated 27.1.93, unequivocally agreed to implement in to to the said guidelines of the Commission issued on 21.8.92 in respect of all the 126 Assembly Constituencies in the State. The Commission is, therefore, issuing direction authorising the State Government of Assam to take up the work of revision.

আমি ২৭ জানুৱাৰীত ১২৬ টাৰ ভিতৰত ১০ টাত বিদেশী পাইছো বুলি কোৱা নাই। আমাক এইবাৰ ইলেকচন কমিচনে ধম্‌কি দিছে ২০ জানুৱাৰীৰ চিঠি যে'গে সাংবিধানিক সংকট হব বুলি। ১৯৯০ চনৰ ভোটাৰ তালিকাৰ লগত অসমত ১০৫ টাত শতকৰা ১০ ভাগ ভোটাৰ বৃদ্ধি পাইছে। আমি কেতিয়াও কোৱা নাই এই কেইটা সমষ্টিত বিদেশী পাইছো বুলি। আমি কৈছো ১৯৯০ চনৰ লগত ১৯৯২ চনৰ খচৰা তালিকা মিলাই চাই এই কেইটাত শতকৰা ১০ ভাগ বৃদ্ধি পাইছো— ১০৫ টা সমষ্টিত। ইলেকচন কমিচনে কেতিয়াও বিদেশীক বাদ দিয়াৰ কাৰণে গাইড্‌ লাইন দিয়া নাই। আমি ভোটাৰ একচেচ হৈছে বুলি কৈছো।

অধ্যক্ষ মহোদয় এইখিনিত আৰু ক্লিয়েৰ হৈছে, ২৭ জানুৱাৰীত তেওঁলোক এগ্ৰি কৰিছে যিবোৰ সমষ্টিত শতকৰা ১০ ভাগ ভোটাৰ বৃদ্ধি হৈছে সেইবোৰত অসপ চাব লাগে। কিন্তু ১৮ মাৰ্চৰ চিঠিত তেওঁলোকে কৈছে—

On full consideration Commission is of the view that all polling areas which have shown increase of more than 2% repeat 2% rather than 5% should be identified for re-revision.

অধ্যক্ষ মহোদয়, তেওঁলোকে ক'ত কৈছে যে আমি ১০৫ টাত বিদেশী পাইছো বুলি? তেওঁলোকে কৈছে শতকৰা ২ পৰা ৫ লৈ বৃদ্ধি পোৱা সমষ্টি-বোৰ ৰিভিজন হ'ব লাগে। আমি কিন্তু আমাৰ মতত ষ্টেণ্ড লৈ আছো।

এইটো আমি আগতেও কৈছো, যোৱা ১০ ডিচেম্বৰৰ চিঠিত কৈছো। আমি ১০ ডিচেম্বৰত যিটো মেচেজ পঠাইছো তাত কৈছো যে ১৯৯০ চনৰ ভোটাৰ তালিকাৰ লগত ১৯৯২ চনৰ খচৰা ভোটাৰ তালিকা মিলাই চাই ভোটাৰৰ সংখ্যা বৃদ্ধি পাইছে বুলি কৈছো। ইয়াৰ পিছত তেওঁলোকে গালাগালি আৰম্ভ কৰি দিছে।

( ভইচ : তাৰমানে আপোনালোকক গালাগালি দিছে )

হয়, আমি গালি খাইছো। যোৱা ১৬ মাৰ্চৰ চিঠিত তেওঁলোকে কৈছে যে যিবোৰ সমষ্টিত ভোটাৰৰ সংখ্যা শতকৰা ২ ভাগ, শতকৰা ৪ ভাগ বৃদ্ধি পাইছে সেইবোৰ ৰি আইডেন্টিফাই কৰিব লাগে। তাত শতকৰা ৫ ভাগ ১০ ভাগ নাই। তেওঁলোকে নিজেই কৈছে—১৯৯০ চনৰ ভোটাৰ লিষ্টৰ ওপৰত ২

আৰু ৪ ভাগ বৃদ্ধি পোৱা সমষ্টিবোৰত কৰিব লাগে। যিবোৰ সমষ্টিত বিদেশী বসবাস কৰিছে সেইবোৰ ভোটকেন্দ্ৰ বাচি উলিয়াব লাগে আমি কৈছো নকৰো। ১৯৯০ চনৰ লগত মিলায়েই আমি কৰিম। শতকৰা ২ ভাগ বৃদ্ধি পোৱাটো বিভিজন কৰিব লাগে। তেওঁলোকে শতকৰা ২ ভাগ ক'ত পাইছে ? ১৯৯০ চনৰ ভোটাৰ তালিকাৰ পৰাই পাইছে, সেইখনকে মিলাই চাইছে তেওঁলোকে।

It is clarified that intensive revision of Electoral Rolls is to be done all over the State. It will be appropriate to apply and implement the Commission's directive of 21.8.92.

১৯৯০ চনৰ ইলেকটৰেল ৰোলৰ ওপৰত যিবোৰ সমষ্টিত শতকৰা ৪ ভাগ বৃদ্ধি পাইছে এইবোৰ কৰক।

Whereas the Commission after taking into account the annual rate of growth of population of 2%, has directed the State Government of Assam to re-identify the polling areas having more than 4% ( 2% + 2% ) increase of the electors over 1990 rolls.

( ভইচ : আমি এইখনৰ কপি পামনে ? )

পাব। ইয়াত আৰু কৈছে—The Commission after taking into account the annual growth of population of 2% had directed the State Government of to re-identify the polling areas having more than 4% of the electors of 1990.

অধ্যক্ষ মহোদয়, মই কেতিয়াও কোৱা নাই যে তেওঁলোকৰ গাইড্ লাইন নেমানো বুলি। এতিয়া ইলেকচন কমিচনে যিটো গাইড্ লাইন দিছে শতকৰা ৪ ভাগ বৃদ্ধি পোৱাৰ বিষয়ে এইটো আমি কৰিম। আমি কোনো প্লি লব নোৱাৰো। আমি ২৭ জানুৱাৰীতো পৰামৰ্শ দিছিলো হয় ১০৫ টাত কৰিবলৈ দিয়ক নহয় ১২৬ টাতে কৰিবলৈ দিয়ক। আমি কেতিয়াও তেওঁলোকৰ গাইড্ লাইন ভংগ নকৰো। আজি অসমৰ ৰাইজে বিচাৰে ভোটাৰ তালিকাত বিদেশীৰ নাম থাকিব নালাগে। মই সদনত আশ্বাস দিছো অসম চৰকাৰে যিখন ভোটাৰ তালিকা প্ৰস্তুত কৰিব তাত বিদেশীৰ নাম অন্তৰ্ভুক্ত নহব। আমাৰ এনুমেৰেটৰ সকল

গাঁৱে গাঁৱে, ঘৰে ঘৰে যাব আৰু প্ৰত্যেক মানুহৰ নাম লব। কিন্তু এইটো কৰোতে মই এইটো কৈছো যে ১৯৯০ চনৰ মানুহ যাতে বাদ নপৰে।

( ভইচ : এটা স্পষ্টীকৰণ লাগে )

মই মোৰ কথা ষ্ট্ৰেইটওৱাই ৰাখিছো। অসমত ইলেকটৰেলবোৰ কৰোতে ইলেকচন কমিচনৰ গাইড্ লাইন আমি মানিব লাগিব। আমি ইলেকচন কমিচনৰ গাইড্ লাইন মতেই কাম কৰি আছো। কিন্তু ১৯৯০ চনৰ ভোটাৰ তালিকাৰ ওপৰত যিটো অবাস্তৱ বাঢ়িছে সেইটো আমি কেনেকৈ কম যে ইয়াতে বিদেশী আছে, তাত নাই। আমাৰ সকলোৰে একে কথা একে ভাষা একে মাতকথা তেনে ক্ষেত্ৰত কেনেকৈ কম এইজন বিদেশী, এইজন নহয়। সেইটো আইনৰ দ্বাৰাহে নিৰ্দ্ধাৰিত হব লাগিব। তাৰ কাৰণে আই, এম, ডি, টি এক্ট আছে। সেইটো আই, এম, ডি, টি আইনে ঠিক কৰি দিছে। তাৰ উপৰিও চাৰি-পাঁচখন আইন আছে। এমিগ্ৰেন্টচ্ এক্ট আছে, ফৰেইনাৰ্চ এক্ট আছে। কিন্তু কথা হৈছে এজনো বিদেশীৰ নাম থাকিব নালাগিব। এই কথাত মই দ্বিমত নহওঁ এইটো মই স্পষ্ট কৰি দিছো। কিন্তু মই জনাত আমাৰ মাজৰে কিছুমানে কব যে ভাৰতীয় মানুহৰ নাম বাদ পৰি গৈছে।

( ভইচ : আমি নকওঁ )

মইও বিচাৰিছো এজনো বিদেশী ইলেকটৰেলবোৰত নাথাকিব। এই ক্ষেত্ৰত ৰাজনৈতিক কথা নাখাটিব।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : আমাৰ নামটো নাথাকিব নেকি ?

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : আমি ইলেকচন কমিচনৰ যি গাইড্ লাইন সেইমতে চলিছো। মই প্ৰথমৰে পৰাই কৈ আছো যে আমি কেনেকৈ কাম আৰম্ভ কৰিম। ইলেকচন কমিচনে কৈছে যে এজনো বিদেশীৰ নাম থাকিব নোৱাৰিব। আমিও সেই কাৰণেই ইলেকচন কমিচনৰ গাইড্ লাইন মতেই কাম কৰিছো আৰু সেই কথা আমি প্ৰত্যেকখন মিটিঙতে কৈ আহিছো। আমি কাম আৰম্ভ কৰাৰ আগতে কব নোৱাৰো যে এই কেইটা সমষ্টিত বিদেশী লোকৰ সংখ্যা বাঢ়িছে বা কোন কেইটা গোটত বিদেশী লোক আছে কিন্তু সেইটো বাচি উলিয়াবলৈ আমি কৈছো আৰু তাৰ কাৰণে এটা খচৰা ভোটাৰ তালিকা প্ৰস্তুত কৰিব লাগিব। আমি ইলেকচন কমিচনৰ গাইড লাইন মতে কাম কৰিব

* Speech not corrected.

লাগিব আৰু আমি বিচাৰিছো একনো বিদেশী এই তালিকাত নাথাকিব। অসমৰ বাইজেও অসমত বিদেশী লোকৰ নাম থকাটো নিশ্চয় নিবিচাৰে। অসমৰ ভোটাৰ তালিকাত এজনো ভোটাৰ বিদেশীৰ নাম নথকাটো সকলোৱে বিচাৰিছে।

* শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, আমি ভাল পাইছো যে নিৰ্বাচনী আয়োগৰ পৰা পোৱা নিৰ্দেশ চৰকাৰে আখৰে আখৰে পালন কৰিব বুলি সদনত জনাইছে। কিন্তু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই মুখ্য নিৰ্বাচনী আয়োগৰ চিঠিখনৰ এটা অংশহে পঢ়ি দিছে এটা অংশ পঢ়া নাই। কিয়নো নিৰ্বাচনী আয়োগে কৈছে যে ১৯৯০ চনৰ ভোটাৰ তালিকাৰ তুলনাত যিবিলাক সমষ্টিত অন্ততঃ চাৰি ভাগ বেছি হৈছে সেই বিলাক সমষ্টিৰ কাৰণে ফ্ৰেচ ৰেভিজন আৰু ইনটেনচিভ ৰিফিজন হব লাগে। নিৰ্বাচনী আয়োগে সেই ক্ষেত্ৰত কৈছে : মই আকৌ পঢ়ি দিব খুজিছো—

"Under no circumtances will the State Government or any of the Officers permitted to prepars the new electoral rolls by any comparision with any past electoral rolls and if it comes to the notice of the Commission that any such pro edure has been adopted the Commission will scrop the present exereise also in to" to

গতিকে ইয়াৰ দুটা পাৰ্ট আছে। চাৰিভাগ য'ত বঢ়িছে সেইটো আইডেনটিফাই কৰিব লাগে ১৯৯০ চনৰ তুলনাত। কিন্তু যিবিলাক আইডেনটিফাই কৰা পূলিং বুথ হব সেইবিলাকত ইনটেনচিভ আৰু ফ্ৰেচ ৰিভিজন হব লাগিব। মুখ্যমন্ত্ৰী ডাঙৰীয়াই চিঠিখনৰ এটা পাৰ্ট পঢ়া নাই। কিন্তু তেখেতে যিহেতু নিৰ্বাচনী কমিচনৰ সকলো কথা মানি লৈছে তেনেহলে নিৰ্বাচনী আয়োগৰ সকলো কথা আখৰে আখৰে মানি লব লাগিব। নিৰ্বাচনী আয়োগে যি নিৰ্দেশ কৰে সেই সকলো পালন কৰিবলৈ যাওঁতে আমাৰ সকলোৰে সহযোগ নিতান্তই পাব।

(কেবাজনো মাননীয় সদস্যই একেলগে কবলৈ থিয় হয়)

মাননীয় অধ্যক্ষ : হব। আপোনালোকে কৈয়ে থাকে। মোকো কবলৈ দিয়ক। আগতে শুনক।

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : আমি কৈছো অধ্যক্ষ মহোদয়, আমি

* Speech not corrected.

কাম আৰম্ভ কৰাৰ আগতে বিদেশী বাচি উলিয়াব নোৱাৰো। ইয়াত অসুবিধা আছে। কাৰণ বিদেশী বুলি কাক কব। ৰাজনৈতিক ভাবে কিবা এটা কলেই নহব। মই কব পাৰো নেকি যে মানকাচাৰত বিদেশী আছে। চেন্‌চান ৰিপোৰ্ট মতে সীমামূৰীয়া ঠাইত বঢ়া নাই। বাঢ়িছে কোকৰাঝাৰ আৰু কাৰ্বি আংলঙত সেই কাৰণেই বিদেশী থকা নথকাৰ কথা এনেকৈ নকওঁ। কব নোৱাৰো। কাৰো-বাৰ হুইমচ্‌ত ক'ৰবাত বিদেশী আছে বুলি নকওঁ। এইটো চিচ্‌টেম মতে চাব লাগিব। চিচ্‌টেম মতে ইলেকটৰেল ৰ'ল চাব লাগিব। বৰ্তমান থকা ইলেকটৰেল ৰ'ল মতে নিৰ্বাচন হৈছিল আমি সকলো নিৰ্বাচিত হৈছো। আমাৰ মাননীয় সদস্য গিয়াচুদ্দিন আংমেদ চাহাবে কৈছে যে যদি বিদেশী নাই বুলি কব পাৰে তেখেতে ৰিজাইন দিব। তেখেত এজন সন্মানিত ব্যাক্তি। এই সদনত বহু দিনৰে পৰা বিধায়ক হৈ আছে। ১৯৯০ চনৰ তালিকাতো যদি বিদেশী আছে সেইটো বাহিৰ কৰিব লাগিব। যদি ১৯৯০ চনৰ ভোটাৰ তালিকাত বিদেশী কোনোবাই দেখুৱাই দিব পাৰে তেনেহলে সেই বিলাকক বাদ দিব লাগিব। কিন্তু বিদেশী খেদাৰ নামত কাকো হাত দিব নোৱাৰি। যি কি নহওঁক ১৯৯০ চনৰ ভোটাৰ তালিকা কাৰেকটেড বুলি মানি লৈছে এইটো মোতামোত্তি বুজা গৈছে। সেইটো সময়ত মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়া আছিল। ১৯৯০ চনৰ ভোটাৰ তালিকা প্ৰস্তুত কৰোতে ভিত্তি বছৰ হিচাবে ১৯৭১ চনৰ ভোটাৰ তালিকা লৈছিল। যথেষ্ট স্ক্ৰিনিং কৰি ১৯৯০ চনৰ ভোটাৰ তালিকা প্ৰস্তুত কৰিছিল। সেই কাৰণে আমি কৈছো ইলেকচন কমিচনৰ যি গাইড্‌ লাইন সেইটো আমি মানি আহিছো আৰু সম্পূৰ্ণৰূপে সেইমতে কাম কৰিম। যিবিলাক সমষ্টিত শতকৰা চাৰি ভাগৰ বেছি হৈছে সেইবিলাকৰ বিশেষ ৰিভিজন হওক। সেই সম্পৰ্কত যিটো লিখিত নিৰ্দেশ সেইটোমতে ৰিভিজন কৰিম। ৰিভিজন এক্টখন নাই বুলি কব নোৱাৰো। ইন্‌-টেন্‌চিভ ৰিভিজন কৰাৰ পিচত ইলেকচন কমিচনৰ গাইড্‌লাইন মতে কোনোবা নাগৰিকৰ নাম যদি বাদ পৰি যায় সেইটো কব পাৰিব যে ১৯৯০ চনৰ ভোটাৰ তালিকাত থকা স্বত্বেও কিয় বাদ পৰিল। এইটো তেতিয়া আইনৰ কথা মতে হৈছে বুলি কব পৰা হব। ৰাইজে কি বিচাৰিছে সেইটো হৈছে আচল কথা। ৰাইজে বিচাৰিছে এজনো বিদেশীৰ নাম নথকা এখন ভোটাৰ তালিকা। আমি সেইটোৰ ওপৰতহে গুৰুত্ব দিব লাগিব।

*শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, যোৱা কালি নিৰ্বাচনী আয়োগৰ পৰা যিখন চিঠি আহিছে আৰু সেইখনত যি সিদ্ধান্ত দিছে সেই সিদ্ধান্তসমূহ মানি চলিম বুলি মুখ্যমন্ত্ৰী মহোদয়ে কৈছে। সেইটোত আমাৰ আপত্তি কৰিব লগা নাই। এতিয়া এই ক্ষেত্ৰত মই মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ পৰা দুটা ক্লাৰিফিকেচন বিচাৰিছো। তেখেতে কৈছে যে যিবোৰ ঠাইত চাৰি শতাংশতকৈ অধিক ভোটাৰ বৃদ্ধি হৈছে তাত ইনটেনচিভ ৰিভিজন কৰা হব। কিন্তু মুখ্যমন্ত্ৰী ডাঙৰীয়াই একেই কথা, একেই ভাষাৰে যিবোৰ কথা কৈ আছে আৰু যিবোৰ যুক্তি দাঙি ধৰিছে সেই যুক্তি মানি লবলৈ আমি টান পাইছো। এই ক্ষেত্ৰত 'পিপোলচ্ ৰিপ্ৰেজেন্টেটিভ এক্ট ১৯৫০', ফাৰেনাৰ্চ এক্ট, ১৯৪৬ আদি আইনসমূহ আছে। আজি মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ পিচফালে এজন জ্যেষ্ঠ মন্ত্ৰীও বহি আছে, তেখেত এসময়ত হাইকোৰ্টৰ চিনিয়ৰ এডভোকেট আছিল। গতিকে মই এই বিষয়টোৰ ওপৰত তেখেত সকলৰ পৰা স্পষ্টভাৱে জানিব বিচাৰিছো। নিৰ্বাচনী আয়োগৰ সিদ্ধান্ত মৰ্মে চাৰি শতাংশ ভোটাৰ য'ত বাঢ়িছে তাত কাৰোবাৰ নাম কটা যায় যাওক। এই বিষয়টো আমি ৰাজনীতিৰ উৰ্দ্ধত ৰাখি দেশৰ স্বাৰ্থৰ কাৰণে চ'ব লাগিব। এতিয়া নিৰ্বাচনী আয়োগে যিখন চিঠি দিছে সেইখনেই বোধকৰো শেষ চিঠি আৰু হয়তো এনে ধৰণৰো নিৰ্দেশ আহিছে যে এইখনৰ মতে কাম কৰিবই লাগিব। মুখ্যমন্ত্ৰী ডাঙৰীয়াই হয়তো কব পাৰে যে মোক তেনেকৈ কৰপৰা দিল্লীত কৰো সাহস নাই। যদি তেনে কিবা কথা আছে সেইটো বেলেগ কথা। নিৰ্বাচনী আয়োগৰ প্ৰথম চিঠিখনত গাইড্ লাইন কেনেকুৱা হ'ব, ইনটেনচিভ ৰিভিজন কৰিবলৈ যাওঁতে কোনটো এৰিয়াত কি কৰিব আদি বিষয়বোৰ মুখ্য সচিব হৰেন দাসে সৰ্বদলীয় সভাত পঢ়ি দিছিল। সেই সভাত মই নিজে উপস্থিত আছিলো। গতিকে এতিয়াৰ চিঠিখনতো নিশ্চয় আগৰ চিঠিখনৰ গাইড লাইনকে ইনচিষ্ট কৰা হৈছে। মই মুখ্য মন্ত্ৰী ডাঙৰীয়াক বাৰে বাৰে এটা কথাকে অনুৰোধ কৰিম যে নিৰ্বাচনী আয়োগে যি গাইড্ লাইন দিছে সেইমতে কাম কৰিলেহে ভোটাৰ লিষ্টৰ সমস্যা সমাধান হব আৰু এই ক্ষেত্ৰত মই মোৰ ফালৰ পৰা প্ৰতিশ্ৰুতি দিছো সেই গাইড্ লাইন মতে কাম কৰাৰ বাবে পূৰ্ণ সহযোগ আগ বঢ়াম। এই ক্ষেত্ৰত আমি অসমৰ স্বাৰ্থ আগত ৰাখি ভোটাৰ তালিকাখন প্ৰস্তুত কৰিব লাগিব। এই ক্ষেত্ৰত কোনো কম্প্ৰমাইজ কৰা নহব। সেই কাৰণে এই চিঠিখন চৰকাৰে আমাক দিয়াৰ কাৰণে পুনৰ অনুৰোধ কৰিলো।

* Speech not corrected.

* শ্ৰীজয়নাথ শৰ্মা :— অধ্যক্ষ মহোদয়, সংবিধানৰ আৰ্টিকোল ৩২৪ ৰ পৰা ৩২৯ (এ) লৈকে নিৰ্বাচনী আয়োগক কেতবোৰ পাৱাৰ দিয়া হৈছে। মুখ্যমন্ত্ৰী ডাঙৰীয়াই এতিয়া কৈছে যে তেওঁলোকে আমাক ধমকি দিছে। গতিকে নৈতিক ভাৱে এই চৰকাৰে শাসনত থকা অধিকাৰ দেখুৱাইছে। ৰুল ৩২ মতে মই চৰকাৰক এটা প্ৰশ্ন কৰিছিলো যে এতিয়ালৈকে নিৰ্বাচনী আয়োগে কেইখন চিঠি দিছে? সেইকেইখন সদনত দাখিল কৰিব লাগে। প্ৰশ্নটোৰ উত্তৰত এনেদৰে কোৱা হৈছে যে তেওঁলোকৰ পৰা ১৪ খন চিঠি আহিছে আৰু সেই কেইখন গোপনীয় কাৰণে সদনত দিব নোৱাৰি। অথচ সেই চিঠিৰ কেইখনমান আজি মুখ্যমন্ত্ৰীয়ে গাই দিছে। তাৰ দ্বাৰা সদনৰ ৰুল ৩২ ভঙ্গ কৰা হৈছে। এতিয়া মই কব খুজিছো যে এই ১৪ খন চিঠি সংক্ৰান্তত চৰকাৰে কি ধৰণে য়োগাযোগ কৰিছিল আৰু নিৰ্বাচনী আয়োগে চৰকাৰক কি কৈছিল সেইটো চৰকাৰে আমাক কব লাগে নহলে এইটো ব্ৰিচ অৱ প্ৰিভিলেজ হব। এইটো চৰকাৰে আমাক দিয়া নাই, গোতেইবোৰ গোপনীয় কৰিছে। মুখ্যমন্ত্ৰীয়ে আজি কৈছে যে আমাক গালি গালাজ কৰিছে। এতিয়া মোৰ কথা হ'ল, নিৰ্বাচনী আয়োগে বিভিন্ন সময়ত অসম চৰকাৰক দিয়া বিভিন্ন নিৰ্দেশনাৰ কপি ইয়াত দিব লাগ আৰু সেইবোৰৰ উত্তৰত চৰকাৰৰ হৈ মুখ্যমন্ত্ৰীয়ে কি লিখিছিল তাৰ কপি আৰু আজি দিয়া বিবৃতিৰ কপি আমাক দিব লাগিব।

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— অধ্যক্ষ ডাঙৰীয়া, মই কেতিয়াও সদনক বিচলিত নকৰো। ২১ আগষ্টৰ যি গাইড্ লাইন আৰু তাৰ পিচত ২৭ জানুৱাৰী তাৰিখে দিয়া মেচেজত ইলেকটৰেল ৰিভিজনৰ কাম কৰিবলৈ পাৰমিচন দিছিল। সেই মতে ২৭ তাৰিখে সকলোকে ইনষ্ট্ৰাকচন দিয়া হৈছে। তেওঁলোকৰ ইনষ্ট্ৰাকচন আমি ক্লিয়াৰলি মানিছো। Clear instructions to this effect are under issue. সেইমতে আমি কাম কৰি আছো। দ্বিতীয়তে শৰ্মা ডাঙৰীয়াই কৈছে যে এইবোৰ আমি লুকুৱাবলৈ চেষ্টা কৰিছো। কিন্তু আমি লুকুৱাবলৈ চেষ্টা কৰা নাই। ২১ তাৰিখৰ চাৰ্কোলাৰৰ কথা কৈছে। সেইবোৰ আমি দিছো। আনবোৰ দিব নোৱাৰো। এতিয়া যিবিলাকত ইলেকচন কমিচনে প্ৰেছ কৰিছে সেইবিলাক আমি দিম। কিন্তু বাকী বিলাক দিব নোৱাৰো।

* শ্ৰীজয়নাথ শৰ্মা :— আপুনি নিদিও বুলি জোৰকৈ কলেই নহব।

---

* Speech not corrected.

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) :— অধ্যক্ষ ডাঙৰীয়া, এইটো দিব নোৱাৰি কাৰণে নিদিও। মই কৈছো নিদিও। কিয় দিব নোৱাৰি সেইটো অধ্যক্ষ মহোদয়ে কব।

* শ্ৰীজয়নাথ শৰ্মা :— আপুনি এইটো নিদিও বুলি কিয় জোৰকৈ কৈ আছে। এইটো আপুনি গোপনীয় নকৰিব। আপোনালোকক গালি গালাজ কৰিছে কৰক।

Mr. Speaker :- Please listen to me you got the reply it may be positive or negative.

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) :— ৰাজহুৱা স্বাৰ্থৰ খাতিৰত সদনত বহুতো কথাই উত্থাপন নকৰিব পাৰে। তাত কোনেও জোৰ কৰিব নোৱাৰে।

* শ্ৰীভৃগু কুমাৰ ফুকন :— অধ্যক্ষ মহোদয়, ভোটাৰ তালিকা সংশোধনীৰ ক্ষেত্ৰত এজনো বিদেশী থাকিব নোৱাৰিব বুলি মুখ্যমন্ত্ৰী মহোদয়ে কৈছে। সেইটোত আমি ভাল পাইছো। কিন্তু ১৯৯০ চনৰ ভোটাৰ তালিকা খনেই ভিত্তি বছৰ হ'ব নেকি? আনহাতে মুখ্যমন্ত্ৰী মহোদয়ে ইলেকচন কমিচনৰ পৰা অহা চিঠিখন দাখিল কৰিব নোৱাৰাৰ কাৰণ কি? এইখিনি কথা মই তেখেতৰ পৰা জানিব বিচাৰিছো।

* শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) :– অধ্যক্ষ ডাঙৰীয়া, কেতিয়াবা কিছুমান কথা কনফ্লিক্ত কৰা কাৰণেই অফিচিয়েলি দিব নোৱাৰি। ইলেকচন কমিচনৰ গাইড্ লাইন মতে আমি কাম কৰিম আৰু চাম যাতে এজনো বিদেশী ভোটাৰ তালিকাত থাকিব নোৱাৰে।

## MATTER UNDER RULE 301.

Mr. Speaker .— I now move on to the Item No. 2. Shri Mission Ranjan Das will please raise the matter.

* শ্ৰীমিশন রঞ্জন দাস :— মাননীয় অধ্যক্ষ মহোদয়, বিগত ১২-৩-৯৩ ইং তারিখের 'সোনার কাছার' পত্রিকায় এক সংবাদ প্রকাশিত হয়েছে। তাহলো "১৯৯৫ ইংরাজীর আগে শিলচরে কেন্দ্রীয় বিশ্ববিদ্যালয় চালু হচ্ছে না।"

* Speech not corrected.

মহোদয়, এ কথা আমাদের সকলেই জানা যে বরাক উপত্যকার কেন্দ্রীয় বিশ্ববিদ্যালয় স্থাপনের দাবী দীর্ঘদিন ধরে চলছে। বরাক উপত্যকার জনসাধারণের এই দাবী বিবেচনা করেই কেন্দ্রীয় সরকার ১৯৮৯ ইংরাজীতে লোকসভা তথা রাজ্য সভায় এই বিশ্ববিদ্যালয় স্থাপন করার জন্য প্রয়োজনীয় বিল পাশ করেছেন। তাছাড়া বিভিন্ন সময়ে কংগ্রেসের বিভিন্ন নেতা দাবী করেছেন যে এই বিশ্ববিদ্যালয় উনাদের চেষ্টাতেই হচ্ছে। গত নির্বাচনের সময় 'স্লোগান' দেওয়া হয়েছিল- বরাকে কেন্দ্রীয় বিশ্ববিদ্যালয় আনলো কে? কংগ্রেস ছাড়া আর কে। 'কিন্তু দুঃখের বিষয় ১৯৮৯ ইংরাজীতে বিল পাশ হবার পরও এই বিশ্ববিদ্যালয় স্থাপন করা বা ক্লাস চালু করার ব্যবস্থা নেওয়া হচ্ছে না। মাননীয় মুখ্যমন্ত্রী মহোদয়, বিভিন্ন সময়ে বরাক উপত্যকা ভ্রমণের সময় বিভিন্ন কথা বলেছেন। প্রথমে তিনি বলেছিলেন যে ১৯৯২ ইংরাজীতে এই বিশ্ববিদ্যালয়ের কাজ শুরু করা হবে। পরবর্তী সময়ে ঘোষণা করা হলো যে ১৯৯৩ ইংরাজীর মধ্যে এর ক্লাশ চালু করা হবে। কিন্তু এখন খবর বেড়িয়েছে যে ১৯৯৫ ইংরাজীর আগে এর ক্লাস চালু করা হবে না। সেজন্য আমি মাননীয় মুখ্যমন্ত্রী মহোদয়ের কাছ থেকে সরাসরি জানতে চাই যে ১৯৯৩ ইংরাজীর মধ্যে এই বিশ্ববিদ্যালয়ের ক্লাস চালু করা হবে কি না? তেজপুরে একটা কেন্দ্রীয় বিশ্ববিদ্যালয় হউক সেটা আমরাও চাই। কিন্তু এ ব্যাপারে কোন বিল পাশ হয় নি। সুতরাং এই দুইটি বিশ্ববিদ্যালয় একসঙ্গে চালু হবে সেটা ভাবা যায় না। মুখ্যমন্ত্রী মহোদয়ের প্রতিশ্রুতি মত ১৯৯৩ ইংরাজীর মধ্যে বরাক উপত্যকায় কেন্দ্রীয় বিশ্ববিদ্যালয়ের ক্লাস চালু করতে না পারা কি সরকারের ব্যর্থতা নয়? সুতরাং মুখ্যমন্ত্রী মহোদয়ের পূর্ব ঘোষণা অনুযায়ী ১৯৯৩ ইংরাজীর মধ্যে বরাক উপত্যকায় কেন্দ্রীয় বিশ্ববিদ্যালয়ের চালু করা হবে কি না সেকথা আমি পরিস্কার ভাবে জানতে চাই?

* Shri Golak Rajbongshi (Minister):— Mr. Speaker, Sir my attention has been drawn to the notice under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly being moved by the Honourable Member Shri Mission Ranjan Das, regarding Central University in Silchar.

---

* Speech not corrected.

In this connection, I would like to state before the House as follows :

1) The state Government had proposed a revised site at a place called Durgakona, Silchar for establishment of Assam University at Silchar. The Government of India has been requested to accord their approval to the revised site for Central University, Silchar. Forma and final acceptance of revised site is awaited, from Government of India. In this regard progress so far made in implementation of this important project is placed before the House for information of the Honouroble members.

2) Already Deputy Comissioner, Cachar has handed over approximately 600 Acres of land to the officer-on-Special Duty, Central University in the place called Durgakona; The State Government has identified about 116 Acres of land and contour maps of the land so identified have already been sent to the Ministry of Human Resource Development. The State Government has also identified, available infrastructural facilities such as all weather roads, source of power, water supply etc. in the revised site namely at Durgakona and Government of India had accordingly been intimated about availability of, infrastructural facilities at the site. It has also been proposed to provide any other infrastructural fecility if required by the Government of India.

Meanwhile the State the Public works Department has earmarked a sum amounting to Rs. 10 lakhs

in the Sub-divisional Plan in the current year's Budget for development of roads for the first phase. The Deputy Commissioner, Cachar, Silchar has been direcied to frame deta led plans and estimates for the infrastructural development of the proposed campus of the Assam University at Durgakona along. with the allocation of fund in the Budget.

(3) A panel of names of officers has already been sent to Government of India for appointment as Officer-on-Special Duty in the University. Personnel Department, Government of Assam has been requested to send the up-to-date ACRs and Vigilence clearance of this Officers for onward transmission to Government of India.

Under the circumstances, Government of India has been requested to accept the revised site at Durgakona formally and to initiate necessary action for construction works of the campus of Assam University at Silchar. In this connection, the Honourable Chief Minister, Assam has personally taken up the matter with the Honourable Union Minister of Human Resource Development for expen-ditingall the preliminary works like construction of the buildings, appointment of Vice-Chancellor etc. so that the University becomes operational during 1993-94.

শ্রীমিশন রঞ্জন দাস :-- স্যার, ইউনিভার্সিটির ক্লাস জি, সি কলেজেও

নেওঁয়া যেতে পারে। আমি কেটাগরিকেলী জানতে চাই যে ১৯৯৩ ইংরাজীর মধ্যে এই বিশ্ববিদ্যালয়ের ক্লাস চালু করা হবে কি না?

Shri Golok Rajbonshi ( Minister ) :— Sir, it is already stated in my reports. It is clear in 1993-94.

## Introduction of the Government Bill

Mr. Speaker :— Finance Minister to move the motion for introduction of the Bill.

Shri Jiba Kanta Gogoi ( Minister, Finance ) :— Sir, I beg leave to introduce The Assam General Sales Tax Bill, 1993.

Mr. Speaker :— Is it the pleasure of the House to grant leave to introduce the Bill ? ( Voices 'Yes, Yes' )

Leave is Granted.

There is a message from the Governor, Dated March 22, 1993 "Under the provision of Article 207 (I) of the Constitution of India. I, Loknath Misra, Governor of Assam, recomend the introduction of the Assam General Sales Tax Bill, 1993 in the Assam Legislative Assembly.

(Sd/ Loknath Misra )
Governor of Assam"

Now Minister Finance to introduce the Bill.

Shri Jiba Kanta Gogoi ( Finance Minister ) :— Sir, I beg to introduce The Assam General Sales Tax Bill, 1993.

( The Bill introduced is "The Assam General Sales Tax Bill 1993" ).

Mr. Speaker :- Now Item No. 4. Minister, Finance to move the motion for introduction of the Bill.

Shri Jiba Kanta Gogoi ( Finance Minister ) :— Sir, I beg leave to introduce The Assam Agricultural Income Tax ( Amendment ) Bill, 1993.

Mr. Speaker :— Is it the pleasure of the House to grant leave to introduce the Bill ? ( Voice : Yes, Yes )

Leave is granted.

There is a message from the Government of Assam, Raj-Bhaban. Guwahati Dated March 22, 1993.

"Under the provision of Article 207 (1) of the Constitution of India, I, Loknath Misra, Governor of Assam, recommend the introduction of the Assam Agricultural Income Tax ( Amendment ) Bill, 1993 in the Assam Legislative Assembly.

( Sd/ Loknath Misra )
Governor of Assam"

Now Minister, Finance to introduce the Bill.

Shri Jiba Kanta Gogoi ( Finance Minister ) : Sir, I beg to introduce The Assam Agricultural Income Tax ( Amendment ) Bill, 1993.

( The Bill introduced is "The Assam Agricultural Income Tax ( Amendment ) Bill, 1993". )

Mr. Speaker :— Now item No. 5. Minister Finance to move the motion for introduction of the Biil.

Shri Jiba Kanta Gogoi ( Finance Minister ) :— Sir, I beg leave to introduce The Assam Professions, Trades, Callings and Employments Taxation ( Amendment ) Bill, 1993.

Mr. Speaker :— Is it the pleasure of the House to grant leave to introduce the Bill ? ( Voice : Yes, Yes )

Leave is granted.

There is a message from the Governor of Assam, Raj Bhaban, Guwahati Dated March 22, 1993. "Under the provission of Article 207 (I) of the Constitution of India, I, Loknath Misra, Governor of Assam, recommend the introduction of the Assam Profession, Trades, Collings and Employments Taxation ( Amendment ) Bill, 1993 in the Assam Legislative Asaembly.

( Sd/ Loknath Misra )
Governor of Assam"

Now Minister, Finance to introduce the Bill.

Shri Jiba Kanta Gogoi ( Finance Minister ) :— Sir, I beg to introduce The Assam Professions, Trades, Callings and Employments Taxation ( Amendment ) Bill, 1993.

( The Bill introduced is "The Assam Professions, Trades, Callings and Employments Taxation ( Amendment ) Bill, 1993". )

## General Discussion on the Budget

Shri Parameswar Brahma : Mr. Speaker, Sir, the finance Minister has presented the budget for 1993-94, this budget is a deficit one of Rs. 162.00 crores. Now Sir, as the finance Minister has presented this budget, I have not seen that this budget will be able to meet the need of the State, for development and strengthening the economy of the State In certain heads as presented in the budget, I want to cite that the allocation made for the development of Scheduled Castes and Scheduled Tribes is Rupees 102.05 crores from the State Plan supplemented by Rs. 11.28 crores of special Central assistance. As our finance has expressed his deep concern for the development of Scheduled Castes and Scheduled Tribes the allocation is very meagre, compare to Rs. 97'71 crores for 1991-92. Sir, you know the area where the tribal and backward people are living These people are extremely backward in all respects in the field of road and communication, schools and all other developmental and infrustructure because of these Scheduled Castes and Scheduled Tribes people are still lagging far behind in compare to other population of the state. Yes, Sir, I agree Assam is a backward state. Even then, These people is should have got the minimum requirement for their livelihood but Government have always been paying less attention for which development of this area remains lep-sided in the field of Agriculture, in the field of Education, road communication and other necessary infrastructure. These pepole are lagging behind and are deprived of getting developmental facilities in all respect. Government must see to welfare of these tribal people so that they can contribute something with their increase efficiency in all fields for the

building of the State of Assam as a whole. So, I express my feeling that concerning the necessity of their development and to help them to came up cope with present situation. There is no point of satisfaction considering the backwardness of the Scheduled Castes and Scheduled Tribes people living in the interior places. I hope, Government. will give more attention for their development. Next Sir, in the employment there has been a reference in the budget about the increasing trend of unemployment. Yes, unemployment is a national problem, and it has taken a serious turn is Assam and Government must have policies to overcome this increasing unemployment. But in this budget our finance Minister has shown and has drawn the attention of the people on this unemployment problem. But he has failed to spell out how to overcome this unemployment problem. He has failed to formulate any pragmatic approach to tideover the increasing unemployment among the educated youths and uneducated youths. So it is my opinion that the Government should have the pragmatic approach and see how to create opportunities for observing these educated and uneducated youths. So that their energies and potentialities can be utilised for building a developed State. In the Agriculture, Sir, Assam is an Agricultural State and more than 70 /., though it is mentioned 65·/., depends on agriculture and for the Agriculture sector the allocation has to be increased to developped Agricultural system on the line of Punjab and Haryana and Andhra Pradesh. I think this is not sufficient and there should be some more affective steps to being a break through in the Agriculture system for mechanising the cultivation and for meeting the required infrastructure, but no such mention has been made in the budget. So I therefore feel to develope Assam and

its economy and the main stay of Agriculture should be given more attention and there should be better understanding with the Irrigation Department. The Irrigation Department and Agriculture Department must have a conserted effort so that we can bring a charge in the system of cultivation in the State, becouse of the lack of co-ordination and co-operation of these two Departments though we have vast potentialities we feiled to achieved good results in Agriculture to bring self sufficiency. As I have said in the field of Agriculture the power shortage has also created problem for development of the State, the power is an imperative necessity in any aspect we cannot think of development without power. So we must have policies to overcome this power crises. So that we can help, prosperity, development and bring a break through in traditional condition with the help of this power.

In health Sir, as I have said the interior areas the people are suffering more because they are members of Scheduled Castes and Scheduled Tribes communities. I have come across with these people, they are still being deprived of health services We have discussed many things and apprise the House also. Even today the Tribal people of these interior areas are still living in the way of traditional life. They do not have knowledge of modern science particularly medical science and as they are still dependent on superstition. To bring a change in their leaving condition, it is necessary that health services and more specially medical infrastuctures should be provided in these areas. So that the common people can have their minimum necessity and get the minimum requirement for their betterment with the knowledge of medidal science. We do

not have hospitals, we do not have necessary apperatus for treatment even number of times we have placed this watter before this Government. Sir, Kokrajhar and Gossaigaon area the most backward places of Assam. In Kokrajhar, we have two hospitals of 200 bedded and Gossaigaon of 100 bedded, but without any apperatus, people are being treated in these hospitals. Even in Kokrajhar Hospital we do not have 'X'-Ray Machine and other necessary apparatus to undertake same examination to help the treatment of the suffering people which is essential. But even then Government has not been able to supply or provide all the facilities and many areas are still without any primary health centre etc. So we have seen there in higher mertality rates in these backward areas because of these lapses. It is very unfortunate that these people are still deprived of modern medical treatment in these days where people are having the developped and improved medical science. These Tribal people are still more mortalities rate and they succumb to death with even a simple diseases like malaria, diarrhoea etc. So Sir, I request the State Government to take effective steps so that their life standard can be improved and their children do not have retandasion because of these. Now, Sir, in Education the plan outlay for general Education our Finance Minister allocated Rs. 191·50 crores, but far TSP what should be the allocation has not been mentioned here. There is still same enemalies in the allocation of fund for improvement of Tribal Languages aspecially Missing Language & Rava Language. These people are still suffering more due to lack of clear-cut allocation that what this TSP should share is out of this allocation. It should have been mentioned that

certain amount should have been allocated far Development of their education in TSP areas. Because of this anomalities in the mixed medium schools the Assamese medium has been provincialised but the Bodo medium has not been provincialised. It is questioned why the Bodo medium has not been provincialised the reply is simple ( we do not have allocation far TSP while we have allocation for general ). So it depends on the allocation that may come for TSP. This should have been clearly mentioned. Then it would have been better to look into the problems of the Tribal Students what they have faced in this field. That is why for higher and better education I have been demanding to create a separate Directorate with separate budget provision for tribal education. So that this anomalies dces get room and so that there cannot be any misunderstanding in the management of Tribal education. and Sir, after all our Finance Minister has expressed his concern that under the present condition with this budget provision, he has expressed hope that the dificulties may be overcome and this deficits also may be overcome with certain policies and other sources that may come in and I hope that if these are sincerely implemented and sincerely carried out it will help in development of of our State and improvement of our economy of the State. In this few words and suggestions, I hope that through co-operation and understanding from all quarters we will be able to strengthen the economy of the State. Because our development depends on the economy of the State.

Sir, the things which are presented in this Budget may help in developing or strengthening the economy of the State. With these few words and suggestions and keeping in mind the progress of the State in the near future through co-operation and understanding from all quarters, I hope we will be able to strengthen the economy of the State. Because to develop and strengthen the economy of the State it requires co-operation from from all querters. We will be able to get more and more help from our Finance Minister in the near future for the development of Scheduled Caste, Scheduled Tribes, Tea garden population and other backward classes people. The resources and potentialities which the tribal people are having should be utilised properly so as to bring about an uniformity in the matter of development. It inspite of having various potentials, if a section of the community remain undeveloped then it will be a bad example for us. With these few suggestions, I hope to to see a better future. I conclude Sir. Thank you.

শ্ৰীহলিৰাম টেৰাং :— মাননীয় উপাধ্যক্ষ মহোদয়, বিত্ত মন্ত্ৰী মহোদয়ে যিখন বাজেট এই সদনত উত্থাপন কৰিলে তাত কিছু নতুন কথা নথকা নহয়। কিছুমান ক্ষেত্ৰত টেক্স ৰিলিফ দিছে আৰু কিছুমান ক্ষেত্ৰত টেক্স বঢ়াই দিছে (চিচটেমটো হে সলনি কৰিব খুজিছে) কিন্তু কথা হৈছে এই চৰকাৰে হয় নেজানে বা জানি শুনি কিছুমান কৰিব নিবিচাৰে। ইয়াত কৈছে যে বিত্তীয় অৱস্থা আগতকৈ বেয়া হৈছে। বিত্তীয় সংকট আছে বুলি কৈছে। বিত্ত মন্ত্ৰীয়ে কৈছে আমাৰ যি 'ৰিচ'ৰচ' আছে য'ৰ পৰা টকা-পইচা আছে তাৰ ভিতৰত বেছি অংশ চৰকাৰী চাকৰিয়ালক দৰমহা দিওঁতেই যায়। আৰু কৈছে যে আমাৰ যি মেইন উৎপাদন সামগ্ৰী 'চাহ-পাত' আছে তাৰ যিটো ৰাজহ সেইটো ইনটাৰ-ষ্টেট ষ্টক ট্ৰেন্সফাৰতে গুচি যায়। মই কব খুজিছো যে অৰ্থনৈতিক সমস্যা

সমাধান কৰাৰ বাবে যিখিনি উৎপাদন শক্তি (Forces of production) সেইখিনি যদি ডেভলপ কৰা নেযায় তেতিয়াহলে কোনো এখন সমাজ কেতিয়াও অৰ্থ-নৈতিক উন্নতি হব নোৱাৰে। ইয়াত দেখা গৈছে যে এইখন বাজেটৰ যোগেদি আমাৰ অসমৰ 'প্ৰডাকটিভ ফৰ্চ ডেভলপমেণ্ট' দেখা নাই। সেই কাৰণেই মই কৈছো যে চৰকাৰে নেজানে নেকি বা জানি শুনি কাম কৰিব নিবিচাৰে। এই দল নতুন দল নহয়। এই দলে অৰ্থাৎ কংগ্ৰেছ চৰকাৰে আগে পিচেও বাজেট প্লেচ কৰি আহিছে। দিল্লীৰ যিখন বাজেট এই বাজেটৰ সৈতে কোনো পাৰ্থক্য দেখা নাই। বহুতে হয়তো ভাৰত চৰকাৰৰ যিখন বাজেট সেইখনৰ সৈতে একেই নহয় বুলি কব খুজিছে। তেওঁলোকে এনে এটা পৰিবেশ সৃষ্টি কৰিবলৈ বিচাৰিছে। কাৰণ এটা ক্ৰপচ্ ডেভলপমেণ্ট কৰপোৰেচন কৰাৰ বাবে চেষ্টা কৰা হৈছে। কিন্তু 'প্ৰডাকটিভ ফ'চ্ ডেভলপমেণ্ট কৰিব খোজা নাই। মাটি কিনা, পানী কিনা এই বিলাক ক্ষেত্ৰত নতুন কথা সঁচাকৈ ডেভলপমেণ্টৰ কাৰণে 'স্কপ' থাকিব লাগিছিল। কৃষি ক্ষেত্ৰত কৈছে 'ফ'চ্ প্ৰডাকচন' বঢ়াম। কিন্তু তেখেতে নিজেই কৈছে যে কৃষিৰ লগত শতকৰা ৬৫ ভাগ জড়িত। আনফালে শতকৰা ১৩.১ অংশ টকা বিশেষ বিনিয়োগ কৰিব খুজিছে। গতিকে দেখা গৈছে যে কৃষিৰ উন্নতি কৰিব বিচৰা নাই। তেখেতে আৰু কৈছে যে 'মেজৰ থ্ৰাষ্ট অৱ আৱাৰ পলিচি' হৰ্টিকালচাৰ, ভেটেনেৰী, মাইনৰ ইৰিগেচন'ৰ ক্ষেত্ৰত এই বিলাক পৰে। আমাৰ অসমত আৰু এটা কৰপোৰেচন আছে। 'আসাম প্লেনটেচন ডেভলপমেণ্ট কৰপোৰেচন'। এই 'কৰপোৰেচন'ৰ যোগেদি বাগিছাত ৰবৰ, কফি, আনাৰস খেতি কৰিছিল। এই কৰপোৰেচনৰ যোগেদি খেতিৰ উৎপাদন বঢ়াব খুজিছিল। কিন্তু এই কৰপোৰেচনৰ অৱস্থা অতি বেয়া। কৰ্মচাৰীকে ৫/৬ মাহে দৰমহা দিব পৰা নাই। এই কৰপোৰেচনটোৱে মানুহৰ মাটি লৈ খেতি কৰিছিল আৰু তাৰ দ্বাৰা ডেভলপমেণ্ট কৰিব বুলি প্ৰতিশ্ৰুতি দিছিল। কিন্তু বৰ্ত্তমানলৈকে তাৰ দ্বাৰা একো কৰিব নোৱাৰি আজি ২০ বছৰ পৰ্য্যন্ত তেওঁ-লোকৰ মাটি খিনিও ঘুৰাই দিয়া নাই। আজি চৰকাৰে হৰ্টিকালচাৰ, ভেটেনাৰী, মাইনৰ ইৰিগেচনৰ যোগেদি উন্নতি কৰিম বুলি কৈছে, সেই কথা বাদ দিয়ক। মাইনৰেই হওঁক বা মেজৰেই হওঁক কতো আমাৰ ভৰসা নাই। বানপানী নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে ক'তো উন্নতি নহয়। যিমানেই ইৰিগেচন কৰক কৃষিৰ

উন্নতি নহয়। মই ব্ৰহ্মপুত্ৰৰ 'ফ্লাদ কণ্ট্ৰল'ৰ কথা কোৱাই নাই গোটেইখিনি কথা ওপৰত কোৱা হৈছে।

মাননীয় উপাধ্যক্ষ মহোদয়, সামাজিক সেৱা বিভাগত চৰকাৰে মুঠ আৱণ্টন দিছে ৩৩'৫৪ শতাংশ। আমি দিব নালাগে বুলি কোৱা নাই। কিন্তু চৰকাৰৰ ইণ্টেনেচন দেখা গৈছে যে মেল মিটিং পাতিব আৰু এক কোটি টকা মিটিঙত দিম বুলি কৈ আছে শেষত পাই গৈ ৪/৫ লাখ টকাহে। মেল মিটিং পাতি ফিটা কাটিবলৈহে এইখন বাজেট। এই বাজেটত কৃষি বা মাটিৰ উৎপাদন বঢ়োৱাৰ ক্ষেত্ৰত অকনো সহায়ক নহয়। এই বাজেটতে কোৱা হৈছে প্ৰায় ৬৫ শতাংশ লোক কৃষিৰ লগত জড়িত। এই বিত্তীয় বছৰত ৬৫ শতাংশ কৃষকৰ অৱস্থা উন্নত কৰাৰ কাৰণে নহয়। যদি ৬৫ শতাংশ লোকৰ উন্নতিৰ ব্যৱস্থা কৰা নহয় তেতিয়া হলে অসমৰ উন্নতি কি হব? ২/৩ টা সামগ্ৰিক টেক্স কমাই দিলেই নহয়। মূল কথা হৈছে যদি দেশৰ উৎপাদনৰ লগত জড়িত লোক সকলৰ উন্নতি কৰা নহয়, উৎপাদন বৃদ্ধিত যদি সহায়ক নহয় তেতিয়াহলে এই বাজেটে একো কামত নাহিব। কিন্তু মন্ত্ৰী ডাঙৰীয়াই বিত্তীয় নাটনিৰ কথা কৈছে। তেখেতে কৰ্মচাৰীৰ কথা বাৰে বাৰে কৈ আছে? কৰ্মচাৰীক দৰমহা দিয়াৰ কাৰণে এই অৱস্থা হৈছে। আটাইতকৈ বেছি টকা দিব লাগে কৰ্মচাৰী সকলক দৰমহাৰ বাবদ। এইটো কি কৰ্মচাৰী সকলৰ দোষ নেকি? কৰ্মচাৰীক দৰমহা দিবলৈ, চৰকাৰ চলিবলৈ যিবিলাক অসমৰ সম্পদ আছে সেই বিলাকৰ সঠিক ব্যৱহাৰ কৰিবলৈ চৰকাৰে চেষ্টা কৰা নাই। অসমৰ সম্পদ পেট্ৰোলৰ কথাই কৈছো। ইয়াৰ কি কৰা হৈছে। অকল কেন্দ্ৰীয় চৰকাৰৰ ৰয়েলিটিৰ ওপৰত আশা কৰি বৈ থাকিলে নহব। পেট্ৰোলজাত সামগ্ৰীৰ সঠিক উন্নতি কৰা হোৱা নাই। এইটোৰ ব্যৱস্থা কৰিব লাগিব। অসমৰ সম্পদ চাহৰ বাগিছাৰ উন্নতি কৰিব পৰা নাই। জল সম্পদ উন্নত কৰিব পৰা নাই। অসমৰ বৰ্ত্তমান জনসংখ্যা ২ কোটি ২২ লাখ কিন্তু এই বিশাল মানৱ সম্পদৰ উন্নয়ণৰ কামত লগাব পৰা নাই। চীন দেশত কিমান এটা ডাঙৰ নদী বন্ধ কৰি পেলাইছে। আৰু এটা ডাঙৰ দেৱাল দিবলৈ বিচাৰিছে। কিন্তু অসমত ইমান মানৱ সম্পদ আছে সেইখিনি কামত লগাবলৈ চৰকাৰে কোনো ব্যৱস্থা লোৱা নাই। জানিয়ে হওক বা নাজানিয়ে হওক সম্পদ উপদেষ্টা কমিটি গঠন কৰিছে

সেই কমিটিত সদনৰ কোনো মানুহ নাই। সম্পদৰ ওপৰত চেল টেক্স এই টেক্সেছনৰ ফ্ৰন্ট ট্ৰাকছাৰ আমি নাজানো। সাধাৰণ মনুহে নাজানে। ধৰি লোৱা হওক এজন মানুহে ফাচি বজাৰত কিবা এবিধ সামগ্ৰী কিনিবলৈ তাত ফাষ্ট পইণ্ট টেক্স দিব লাগিব আৰু যদি গণেশগুৰিত কিনিবলৈ যোৱা হয় তাত লাষ্ট পইণ্ট টেক্স দিব লাগিব। যদি গুৱাহাটীৰ পৰা ধুবুৰীৰ মাজত কিনা হয় তেতিয়া তাতো ফাষ্ট টু লাষ্ট পইণ্ট টেক্স দিব লাগিব। Why do not try to extract and develop our natural resource and human resource, সেই বিষয়ে চৰকাৰে কোনো ব্যৱস্থা লোৱা নাই। ধৰক টুথপেষ্ট এটা কিনিবলৈ হলে তাত লিখা থকা ইনক্লুছিভ অল টেক্সেজ বুলি দাম থাকিব ২০ টকা কিন্তু এতিয়া আমি কিনিবলৈ হলে তাত ফাষ্ট পইণ্ট টেক্স দিব লাগিব। গতিকে সাধাৰণ মানুহ যিসকল উপভোক্তা আছে সেই সকল ইয়াৰ বলি হ'ব লগা হ'ল। সেয়ে মই কৈছো Aagin this is conveniently left out. এইটো ব্যৱস্থা ইয়াত নাই। এই টেক্সেছনৰ কথাটো কোৱা হৈছে। তাৰ পিছত ইণ্ডাষ্ট্ৰি ডেভলপমেণ্টৰ ক্ষেত্ৰত কৈছে যে আইন শৃংখলা ভাল নহয় কাৰণে বাহিৰৰ পৰা টকা পইচা নাহে। বাহিৰৰ পৰা টকা পইচা বিনিয়োগ কৰিলে আমি ভাল পাও। কিন্তু এটা কথা হৈছে যে আমাৰ ইয়াত থকা এটা ডাঙৰ অনুষ্ঠান হৈছে প্ৰাগ বছিমি চিন্থেটিক লিমিটেড এই অনুষ্ঠানটোৰ পৰিচালন সঞ্চালকক অপহৰণ কৰি নিয়াৰ পিছত বন্ধ আছে। সেইটো আচলতে ঠিক নহয়। তাৰ আগতে সেই ফেক্টৰীটোৰ এম, ডিক অপহৰণ কৰাৰ আগতে বন্ধ হৈছিল। তেতিয়া আইন শৃংখলা পৰিস্থিতি বেয়া নাছিল। সেইটো অন্য কাৰণেহে বন্ধ হৈছে। সেই অনুষ্ঠানৰ কৰ্মচাৰী সকলৰ দৰমহা পেণ্ডিং হৈ আছে। চৰকাৰে সেইটো স্বীকাৰ কৰিছে। ৰাজহুৱা আৰু ব্যক্তিগত এই দুয়োটা খণ্ডকে ধৰি ৰাজ্যখনত মুঠ কৰ্মচাৰীৰ সংখ্যা ১০.৫১ লাখ আছিল। এতিয়া বাঢ়ি গৈ ১০.৮২ লাখ হৈছে। এই বৃদ্ধিৰ হাৰ মাত্ৰ ২.৯ শতাংশ। আমাৰ মুখমন্ত্ৰী ডাঙৰীয়াই আগতে উল্লেখ কৰিছিল প্ৰতি বছৰে ২ লাখ যুৱকক চাকৰী দিয়া হব। আৰু ইয়াৰ উপৰিও প্ৰতি বছৰে প্ৰায় এক লাখক ব্যক্তিগত খণ্ডত চাকৰি দিয়া হ'ব। প্ৰতি বছৰে মুঠ তিনি লাখ। কিন্তু এতিয়া দেখা গ'ল এই সংখ্যাৰ পাছ ভাগৰ এক ভাগো চাকৰি দিয়া হোৱা নাই। চৰকাৰে নিজৰ প্ৰতিশ্ৰুতি নিজে ৰক্ষা কৰিব পৰা নাই।

Proper utilisation of the installed capacity আৰু মূল্য বৃদ্ধিৰ কথা কোৱা হৈছে। মুখ্যমন্ত্ৰী ডাঙৰীয়াই কংগ্ৰেছ দলৰ যিখন ইষ্টাহাৰত কৈছিল যে ১৫ দিন নে ৪৫ দিনৰ ভিতৰত ৫০ হাজাৰ চাকৰি দিব। কিন্তু এতিয়া তেনেকুৱা কিমানটা ৪৫ দিন পাৰ হৈ গ'ল এতিয়ালৈ তেওঁলোকৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰিব নোৱাৰিলে। চৰকাৰে নিজৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰক। তেওঁলোকে বিৰোধী দলৰ দাবী নহয় নিজৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰাৰ ব্যৱস্থা কৰক। Why does not Government take the new project. যিখিনি ইতিমধ্যে আছে যে বঙ্গাইগাওঁ থাৰ্মেল পাৱাৰ আৰু উজনি অসমত থকা শক্তি বিলাকৰ ঠিক মতে ব্যৱহাৰ যোগ্য কৰক। এইখিনি বিলো কেপাচিটি হৈ আছে। এই বিলাকৰ যাতে ঠিক ধৰণে ইউটিলিটি হয়। Property utilised the installed generating set. বাহিৰৰ কথা নকওঁ। কাৰবি লংপি প্ৰজেক্টৰ কথা কবলৈ বিচাৰিছো। মাননীয় বিত্ত মন্ত্ৰীৰ লগত উদ্যোগ মন্ত্ৰী আৰু মুখ্য মন্ত্ৰীয়ে মনত ৰখা ভাল হব যে কাৰবি লংপি প্ৰজেক্টটো অসমৰ ভিতৰৰে প্ৰজেক্ট। এইটো কাৰবি আংলং জিলাৰ ভিতৰত। যদি কাৰবি আংলং জিলাক অসমৰ ভিতৰত নহয় বুলি ধৰে তেতিয়া হলে ভাল কথা। আজি এই কাৰবি লংপি প্ৰজেক্টৰ অৱস্থা বৰ বেয়া। কৰ্মচাৰী আজি অফিচলৈ নাযায়! মাত্ৰ দৰমহা লৈ থাকে। এতিয়া দৰমহাও নাপাও।

মাননীয় অধ্যক্ষ মহোদয়, এতিয়া এচিয়ান ডেভেলপমেণ্ট বেঙ্কৰ পৰা টকা আনিব বিচাৰিছে। প্ৰজেক্টটোৰ প্ৰাথমিক কাম বহুত বাকী আছে। কৰ্মচাৰী সকল কেতিয়াবা অফিচলৈ যায় কেতিয়াবা নাযায়। যদি এইখিনি সম্পূৰ্ণ কৰাৰ ব্যৱস্থা নকৰে তেনেহলে বিদ্যুৎ শক্তিৰ উৎপাদন বৃদ্ধি কৰিব নোৱাৰিব। দশম বিত্ত আয়োগৰ অনুদান দিয়া সম্পৰ্কত জিলা পৰিষদে নিজে আয়োগৰ ওচৰলৈ যাব নোৱাৰে। অসম চৰকাৰে তাৰ কাৰণে ব্যৱস্থা লোৱা নাই। ঠিকাদাৰ সকলৰ পৰা তুই পইণ্ট লোৱাৰ কথা কৈছে ঠিকাদাৰ সকলে সেই টকা পকেটৰ পৰা নিদিয়ে। সেই টকা তেওঁলোকে চৰকাৰৰ ফালৰ পৰাই আদায় কৰিব। চৰকাৰে এতিয়া যিখিনি টেক্স লগাব বিচাৰিছে, সেইখিনি ভাল পাইছো। কিন্তু কঠোৰ বিত্তীয় নীতি অৱলম্বন কৰিব লাগিব। এইটো নকৰিলে অমাৰ কৃষক সকলৰ অৱস্থা ভাল নহয়। শেষত মই এটা কথা কব খুজিছো যোৱা বাৰও

সদনত উল্লেখ কৰিছিলো, বাজেট খন পেচ কৰাৰ আগতে জিলা পৰিষদত পেচ কৰিব লাগে। মইও এই ক্ষেত্ৰত কওঁ ক্লিয়েৰলি কনচ্‌টিটিওয়্যনেন্স অৱলিকেষ্যন ভায়লেট কৰিছে। তেওঁলোকে কৈছে যে এ, এচ, ডি ভংগ কৰিছে, কিন্তু কৰা নাই। পৰিশোধৰ যিটো ১০.৪ কোটি থৈছে, সেই টকাটো দিয়া নাই according to rulling of the court District Council remains with its Chief Executive. Even the Ministry dissolved Speaker and Deputy Speaker remains. মই বিত্ত মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো। তাৰোপৰি আজি যি খন বাজেট ইয়াত উত্থাপন কৰিছে এই খন জনগণৰ কাৰণে নহয়। এইখন চৰকাৰে চলাব জানে নে নাজানে নে জানি শুনিয়েই কৰিছে কব নোৱাৰো। সাধাৰণ ৰাইজৰ কথা নাভাবি মুষ্টিমেয় লোকৰ সুবিধাৰ বাবেহে চিন্তা কৰি এই বাজেট খন ডাঙি ধৰা হৈছে, সেয়ে মই সম্পূর্ণ ভাবে বাজেট বিৰোধিতা কৰিছো।

Mr. Deputy Speaker :— Now Honourabl member Shri Kosheswar Barua.

*শ্ৰীকোষেশ্বৰ বৰুৱা: মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ২২ তাৰিখে অসম চৰকাৰৰ মাননীয় বিত্তমন্ত্ৰী মহোদয়ে ১৯৯৩-৯৪ বাৰ্ষিক বাজেটখন এই এই প্ৰবিত্ৰ সদনত উৎথাপন কৰিলে। তাৰ ওপৰত আমাৰ প্ৰত্যেকৰে বিতর্ক আৰম্ভ হৈছে। এই বাজেটখন কি পৰিস্থিতিত ডাঙি ধাৰছে আৰু ইয়াৰ পটভূমি কি? বাজেটখন ডাঙি ধৰা সময়ত ৰাজ্যখনৰ পৰিস্থিতি কি আৰু ভৱিষ্যতৰ উদ্দেশ্য কি হব তাৰ এটা উদাহৰণ দিব বিছাৰিছো। মাননীয় উপাধ্যক্ষ মহোদয়, এই বাজেটখনক বিৰোধী দলৰ দুই এগৰাকী সদস্যই সমালোচনা কৰিছে আৰু এগৰাকীয়ে কৈছে অস্থিৰ বাজেট। এই ৰাজেটৰ অস্থিৰতা ইতিপূৰ্বে ইংগিত আছে আৰু ৰ্যাজ্যিক পৰ্য্যায়ত অস্থিৰ অৰ্থনীতি গঢ়ি তোলা বাবে অৰ্থনীতি অস্থিৰ কৰা এইখন বাজেট ডাঙিধৰা হৈছে। সুস্থিৰ বিপৰীতে অস্থিৰ পদক্ষেপত এই বাজেটখন ডাঙি ধৰা হৈছে বুলি মই ভাবো। বাজেটৰ পটভূমি বিচাৰ কৰিলে দেখা যায়। সকলোৱে কব পাৰে ১৬২.৬২ কোটি টকা ঘাটি বাজেট বুলি কলে মনটো তলপ সেমেকা হব। কিন্তু এই ঘাটি বাজেটৰ পটভূমি বিচাৰ কৰি চালে দেখা যায় আমাৰ এই বাজেটখনে বিগত কেইবছৰমান ঋণৰ বোজা বহন কৰিব

* Speech not corrected.

লগা হৈছে। এখন ঋণৰ বোজা বহন কৰা বাজেট হিচাবে এইখন অৱশ্যে ঘাটি বাজেট হোৱাত বিশেষ আচৰিত কথা নহয়। আৰু এটা কথা বাজেট উত্থাপন কৰা সময়ত ব্যৱসায়ীসকলে, আন আন সামাজিক শ্ৰেণীসমূহে বৰ আগ্ৰহেৰে বাট চাই থাকে, কিজানিবা সেইলোক সকলে তেওঁলোকৰ কিছুমান সুবিধা হয়। উদাহৰণ স্বৰূপে এজন মানুহে আগতে কিনি জমা কৰি ৰাখিছে, তেওঁ পাঁচ পইচা বা ১০ পইচা পালেও লাভ হব, এই ভাবি প্ৰবল আশাৰে বাট চাই আছিল। এই ক্ষেত্ৰত আমি দেখিছো, বাতৰি কাকতত প্ৰথৰ বাতৰি প্ৰকাশ হোৱা নাই আৰু বিধান সভাতো তেনে সমালোচনা হোৱা নাই।

যোৱা ৯ মাহ মান সময় ধৰি চৰকাৰৰ পইচা নোহোৱা কাৰণে ভালেমান উন্নয়নমূলক কাৰ্য্যসূচী লব পৰা নাই। তুই এঠাইত কৰ্মচাৰীকো দৰমহা দিব পৰা নাই বুলি অভিযোগ আহিছে। বাজেটখনলৈ লক্ষ্য কৰিলে দেখা যায় যে ইমান দিনলৈ ৰাইজক দিবলৈ পা-পইচা নাছিল। কিন্তু এক এপ্ৰিলৰ পৰা টকা পইচা ৰাইজে পাম বুলি আশাৰে বাট চাই আছে। আমাৰ কাম কাজ ৰাজহুৱা ভিত্তিত আৰু ব্যাক্তিগত ভিত্তিত কিছু কিছু হব বুলি আশাৰে বাট চাই আছে। নিৰপেক্ষ দৃষ্টিত কবলৈ গলে ইয়াৰ দ্বাৰা সৰ্বসাধাৰণ ৰাইজ আৰু বিভিন্ন শ্ৰেণীৰ লোকে সকাহ পাব। এতিয়ালৈকে যিখিনি হব লাগিছিল, একো নহল কিন্তু এই বাজেটে সমস্যা হলেও সকাহ দিব। এই বাজেটখনত অৰ্থনৈতিক যিটো গাঠনি আছে সেইখিনি আমাৰ অৰ্থনৈতিক মানুহ খিনিয়ে ভালেখিনি কথা লক্ষ্য কৰিব লগা আছে। আমাৰ অসমত যোৱা কিছুদিনৰ পৰা অৰ্থনৈতিক গাঠনি অনুকূল নহয়। আমি জানো যে অৰ্থনৈতিক জগত এখন বেলেগ জগত। আমাৰ ওপৰত থকা জগতখনৰ বাহিৰেও আৰু এখন জগত আছে সেইখন হৈছে আণ্ডাৰ গ্ৰাউণ্ড জগত।

(ভইচ—অলপ বুজাই কব লাগে)

ইয়াত সকলোৱে বুজে। গতিকে বুজায় কোৱাৰ কোনো কথা নাই। এই আণ্ডাৰ গ্ৰাউণ্ড জগতত যিখিনি টকা থাকে, সেই জগতখনৰ হয়তো উদ্দেশ্য ভাল নহয়। তেওঁলোকে ৰাইজৰ উন্নয়নৰ কাৰণে নাভাবে। কিন্তু চৰকাৰৰ হাতত থকা ধনেৰে ৰাইজৰ উপকাৰ সাধন কৰা হয়। আণ্ডাৰ গ্ৰাউণ্ডৰ জগতখনে মানুহৰ স্বাৰ্থৰ বিপৰীতে কাম কৰিবলৈ কুণ্ঠাবোধ নকৰে। সেই জগতখন সদা সজাগ্ৰত হৈ থাকে। আৰু ৰাইজৰ স্বাৰ্থ বিনষ্ট কৰিবলৈ প্ৰয়াস কৰি থাকে। যোৱা কেইবছৰে পূৰ্বাঞ্চলৰ এখন সীমামূৰীয়া ৰাজ্য হিচাবে অৰ্থনৈতিকভাবে বিপদগ্ৰস্ত ৰাজ্য।

উত্তৰ প্ৰদেশ, বিহাৰ আদিৰ ৰাজ্যৰ তুলনাত আমাৰ অৰ্থনৈতিক গাঠনি সুস্থিৰ নহয়। সকলোৱে স্বীকাৰ কৰিব লাগিব। অসমত দেখা গৈছে বহুতো অদৃশ্য অপশক্তিয়ে অৰ্থনৈতিক গাঠনিত আঘাট হানিছে। সেই আঘাট বাজেটতো প্ৰতিফলিত হৈছে। এতিয়া আমি দেখিছো গ্ৰোথ অৰ ষ্টেটইকোনমিত বহুতো বিসংগতি ঘটিছে। আগতে মানুহবিলাকে বেংক বিলাকত বহুত টকা থৈছিল। কিন্তু এতিয়া মানুহ বিলাকে বেংকত পইচা নথয়। বেংকত পইচা থোৱা মানুহ নাইকীয়া হৈছে। তেওঁলোক ইয়াৰ পৰা গুচি গৈছে। ইয়াৰ বাবে আমাৰ অৰ্থ-নৈতিক গাঠনিত বিসংগতি হৈছে। যাৰ ফলত এই কথাবিলাক আমাৰ বিত্তমন্ত্ৰী মহোদয়ে নিসংকোচে ব্যক্ত কৰিছে। এই অৰ্থনৈতিক বিসংগতিৰ কাৰণে যোৱা বছৰ আৰু এই বছৰ বিশেষ আঁচনি গ্ৰহণ কৰিব পৰা নাই। লগতে আৰু এটা কথা কব বিছাৰিছো যে শিল্প উদ্যোগৰ প্ৰসংগত গহপুৰত কটন মিল খোলা কথা আছিল কিন্তু চাবি দুৱাৰত থকা মিলৰ পৰা যি মানুহ যোৱাৰ কথা আছিল তাৰে এজনক মাৰি পেলোৱা বাবে ভয়তে মানুহ নোযোৱা হেতু যথেষ্ট অসুবিধা হৈছে। যিটো কাৰণত অৰ্থনৈতিক গাঠনিত সুস্থিৰতাৰ প্ৰয়াস ভালকৈ কৰিব পৰা নাই আমাৰ চৰকাৰে পেটত কথা লুকুৱাই নাৰাখি বাজেটত অলপতে এইখিনিও লিখিছে। এই বিষয়ে সকলোৱে ধন্যবাদ দিব লাগে। ইয়াৰ ওপৰত ভিত্তি কৰিয়েই এই বাজেট খনৰ কথা আলোচনা কৰোতে আমি কেইটা-মান কথা লক্ষ্য কৰিছিলো আৰু সেইখিনিয়ে কবলৈ যত্ন কৰিছো। ১৯৯৩-৯৪ চনৰ যিখন বাৰ্ষিক বাজেট এইখনত সাম্প্ৰতিক, অৰ্থনৈতিক পৰিস্থিতি প্ৰতি-ফলিত হৈছে। এই বিষয়ে কাৰো সন্দেহ নাই। এই লৈ মানুহে আলোচনা কৰিলেও ইয়াৰ গত্যন্তৰ নাই। আনহাতেদি এই বাৰ্ষিক বাজেটত আগৰ বছৰ বিলাকৰ যিটো অৰ্থনৈতিক গাঠনি সেইটো পূৰ্ণ পৰ্য্যায়ত প্ৰতিফলিত হৈছে। গতিকে আয়ৰ শিতানত এইবাৰৰ বাজেটত বেচি উপাৰ্জন দেখুৱা হৈছে। ১৯৯২-৯৩ চনত বাজেটত কম আছিল। ৩২৭'৯২ কোটি টকা বেচি হৈছে। এতিয়া খৰছৰ শিতানত ধৰা হৈছে ৬৪৯'৯৩ কোটি টকা কিন্তু এই খৰছৰ ভিতৰতেই আগৰ ৰাজহুৱা ঋণ পৰিশোধ কৰাৰ কথাও আছে। লগতে ৰাইজৰ কাম-কাজৰ কাৰণেও ইয়াৰ ভিতৰতেই ধৰা হৈছে। স্বাভাৱিকতে ৰাইজৰ কামৰ কাৰণে ধৰা টকাৰ পৰিমান কমি

গ'ল। যিমানখিনি হব লাগিছিল সিমানখিনি নহল। যদিও খৰছৰ মাত্ৰা বেচি দেখুৱা হৈছে তথাপি সেইটো আগৰ ধাৰৰ হিচাপটো ইয়াৰ লগতে দেখুৱা হৈছে। গতিকে স্বাভাৱিকতে এই বাজেটত আগৰ চৰকাৰৰ পৰম্পৰাগত ঋণৰ ধাৰ মাৰোতে যদিও ভাড়াক্ৰান্ত হৈছে তথাপি সাধাৰণ মানুহৰ বাবেও বহু উচৰ্গা কৰিছে, এই বাজেটতখনৰ এইটোৱেই বিশেষ গুন। ভাৰত চৰকাৰৰ বাজেটৰ ওপৰত সংগতি ৰাখি আমাৰ ইয়াতো বাজেট প্ৰস্তুত কৰা হৈছে। কিন্তু ভাৰতবৰ্ষৰ বাজেটৰ যি গুনাগুন তাৰ লগত আমাৰ অসমৰ কথা নাখাটে। তথাপি আমাৰ বাজেটত সৰ্বসাধাৰণ ৰাইজক বিশেষ গুৰুত্ব দিয়া হৈছে। তেওঁ-লোকক বিশেষ কৰৰ পৰা ৰেহাই দিয়া হৈছে এই বাজেটখন নিশ্চয় সকলোৱে পঢ়িছে। গতিকে মই আৰু নতুনকৈ নপঢ়ো। এইখিনিতে আমি এটা কথা কব খোজো যে যুৱক অবিহনে আমি কোনো কাম কৰিব নোৱাৰো। আমি এটা কথা লক্ষ্য কৰিছো যে যুৱকসকলে যি কাম হাতত লৈছে সেই কামত ৰাইজ উপকৃত হৈছে। গতিকে যুবক বিয়োগ কৰি কোনো কাম কৰা নাযায়। কিন্তু কথা হৈছে শক্তি অনুসৰিহে ভক্তি। শক্তি চাইহে কাম কৰিব লাগিব। আয় চাইহে ব্যয় কৰিব পাৰি। টকা যিমান আছে সিমানখিনিহে কৰিব পাৰি। তাৰ বাহিৰত কৰিব নোৱাৰি। গতিকে এইখিনি কথাই আমাৰ বাজেটত প্ৰতিফলিত হৈছে। আন-হাতে ৰাইজৰ বিভিন্ন শ্ৰেণী আৰু ব্যৱসায় সন্থাৰ লগত আলোচনা কৰিহে এই বাজেটখনৰ আয় ব্যয় নিৰ্ধাৰন কৰা হৈছে। এতিয়া কথা হ'ল টেক্স লগালে মানুহে বেয়া পায় আৰু নলগালে ভাল পায়। ব্যৱসায়ী সকলে আগৰ মজুট বস্তু নতুন কৰ যোগ দি বিক্ৰি কৰিব পাৰিলে ভাল পাব। নহলে বেয়া পাব।

এতিয়া কথা হ'ল বাজেট খন একে ঠাইতে বৈ থকা কথা নহয়। বাজেট হ'ল গতিশীল। ষ্টেটিক নহয় ডাইনেমিক। আজি যিটো হৈছে কালিলৈ বেলেগ হব। পৰিস্থিতি সাপেক্ষে বা ঘটনাৰ ওপৰত ভিত্তি কৰি ইয়াৰ গতি সলনি হব পাৰে। সেই কাৰণেই মই এই বাজেট খনৰ গতিশীলতাত বেচি গুৰুত্ব দিছো। এই বাজেট খনত ১৬২'৬০ কোটি টকাৰ যি ঘাটি দেখুৱা হৈছে এই ঘাটি খিনি পূৰণ কৰিবৰ অৰ্থে কিছুমান প্ৰয়োজনীয় ব্যৱস্থাৰ ইংগিত ইয়াত দিয়া হৈছে। ঘাটি বাজেট পূৰণ কৰিবৰ বাবে প্ৰথমে যথে মথে খৰছ কৰাটো বন্ধ কৰিব লাগিব। বিত্তমন্ত্ৰী মহোদয়ে এই বিষয়টো গুৰুত্ব দিছে আৰু প্ৰয়োজন সাপেক্ষে বিষয়টোত অধিক গুৰুত্ব দিব পাৰিলে ভাল হব। এই বিষয়ে মই মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে বিত্তমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ

কৰিলো। ইয়াৰ উপৰিও তেলৰ ৰয়েল্টিৰ যিখিনি আমাৰ পাবলৈ বাকী আছে সেইখিনি অতি সোনকালে আদায় কৰিবলৈ, চৰকাৰে সম্পূৰ্ণ জোৰ দিব লাগে। দ্বিতীয়তে টেক্সৰ পৰা পোৱা টকা খিনি সঠিক ভাবে আহৰণ কৰিব পাৰিব লাগিব। আমি জানো যে টেক্স উঠোৱা বিষয়-ববীয়া সকলে ভালদৰে টেক্স নুঠায়। যিখিনি আহিব লাগে সেই খিনি নাহে। ইয়াৰ উপৰিও এই টকা যাতে আণ্ডাৰ গ্ৰাউণ্ডলৈ নাযায় তাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবলৈ মই মাননীয় বিত্তমন্ত্ৰী মহোদয়ক উপাধ্যক্ষ মহোদয়ৰ জৰীয়তে অনুৰোধ কৰিলো। গতিকে ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত খৰটকীয় ব্যৱস্থা লোৱাটো সমিচন হব বুলি মই ভাবো। মই জনাত বিত্ত মন্ত্ৰী মহোদয়ে কাৰ্য্যভাৰ গহণ কৰাৰ পাচত ভালে মান ৰাজহ সংগ্ৰহ কৰিছে। ইয়াৰ ফলত আজি কিছু দিনৰ পৰা যি অৰ্থনৈতিক বিসংগতি হৈছিল তাৰ কিছু হলেও উপশম হৈছে। আমি আশা ৰাখিছো সঠিক ভাবে যদি ৰাজহ সংগ্ৰহ কৰা হয় তেনেহলে কিছু পৰিমানে হলেও এই ঘাটি পূৰণ কৰিব পৰা যাব। বিৰোধী দল আৰু বাওঁৰি কাকত সমূহে খৰছৰ মিতব্যয়ীতাৰ কথা কৈ থাকে। যদি চৰকাৰৰ টকাই নাই তেতিয়াহলে মন্ত্ৰী সকলে ইমানকৈ ভ্ৰমনত যায় কিয়? আমি জানো যে বিভিন্ন কামৰ কাৰণে মন্ত্ৰী সকল যাবই লাগিব। কিন্তু কিছুমান কাম আছে যিবোৰ কাম প্ৰডাক-টিভ নহয় সেই বিলাক কমাই দিব লাগে। মিতব্যয়ী হলে কিছু পৰিমানে হলেও বাজেট ঘাটি পূৰণ কৰিব পৰা হব। গতিকে এই কথাটোৰ প্ৰতিও মই বিত্ত মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো। বিত্তমন্ত্ৰী মহোদয়ে মুকলিমূৰীয়াকৈ কৈছে যে কেন্দ্ৰীয় চৰকাৰৰ পৰা যিবিলাক টকা ধাৰ হিচাবে অনা হৈছিল সেইখিনি যদি একে লগে দিব লগীয়া হয় তেন্তে আমাৰ বাজেট গেথেলা মাৰিব। এই ব্যৱস্থা যাতে নহয় তাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত অনুৰোধ কৰিব লাগে যাতে কিস্তি হিচাবত এই টকাটো ঘুৰাই দিব পৰা যায়। নাইবা গোটেইখিনি টকা মাফ কৰি দিবলৈ টানি অনুৰোধ জনাব লাগে। এই বিষয়টো মই বিত্ত মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। লগতে মুখ্যমন্ত্ৰী মহোদয়কো অনুৰোধ জনালো আৰু ইয়াৰ এটা কথা বাজেট হৈছে শক্তি 'চাই ভক্তি'। ১০২৭ কোটি টকা আমাৰ প্লেন আউটলে। আমাৰ ৰাজ্য খনৰ যিখিনি আয় সেইখিনিও এই হিচা-বত ধৰা হৈছে। গতিকে শক্তি চাই ভক্তি। আমাৰ বাজেটত ভৱিষ্যতৰ বাবে

আৰোপ কৰিব লগীয়া বিভিন্ন বিভাগৰ বিষয়ে উল্লেখ কৰা হৈছে। কিন্তু পঞ্চায়ত বিভাগটোক একেবাৰে নাৰাখিলে। পঞ্চায়ত আৰু ৰুৰেল ডেভলপমেণ্টতহে আমাৰ সাধাৰণ মানুহখিনি জৰিত হৈ থাকে। কিন্তু এই বিভাগৰ শিতানত মুঠেও টকা ধৰাটো নেদেখুৱালে। গতিকে এই শিতানত অধিক টকা ধাৰ্য্য কৰিবলৈ মই বিত্ত মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো।

মাননীয় উপাধ্যক্ষ মহোদয়, তাৰ পাচত কৃষি বিভাগত ১৩৫ কোটি ৩'১ টকা কৃষি শিতানত দেখুৱাইছে, শতকৰা ১৩ ভাগ কৃষি বিভাগত বণ্টন কৰিছে যদিও এই অতি প্ৰয়োজনীয় বিভাগটোত কিছু বেছি টকা ধৰিব লাগিছিল, কিয়নো এই বিভাগটোত আৰু বহুত বেছি টকাৰ প্ৰয়োজন আছিল। আমাৰ ইয়াত যি খাদ্য দ্ৰব্য উৎপাদিত হয় তাৰে ৰাজ্যখনৰ চাহিদা পূৰণ নহয় বাবেই আন ৰাজ্যৰ পৰা আমি আনিব লাগে। এতিয়া যিখিনি দিছে সেইখিনি পিচলৈ কিবা প্ৰকাৰে বৃদ্ধি কৰিব পাৰিলে ভাল হয়। তাৰ পাচত আমাৰ শিল্প উদ্যোগত ৬৬'৫০ কোটি টকা ধৰা হৈছে কিন্তু আমাৰ ৰাজ্যখন শিল্প উদ্যোগত অতি পিচ পৰা। চাহ আগৰে পৰা আছে, এতিয়া তেল নতুনকৈ আহিছে, এইটো কেন্দ্ৰীয় চৰকাৰৰ বিষয়। তেল আৰু চাহৰ পৰা যি টেক্স বা ৰয়েলটি পাও কিন্তু তাৰে আমাৰ শিল্প উদ্যোগ গঢ়া নহ'ল আমি শিল্প উদ্যোগ গঢ়ি তাত আমাৰ নিবনুৱা সকলক কৰ্ম সংস্থান দিয়াৰ প্ৰতিশ্ৰুতি দিছিলো। গতিকে আমি যদি এই শিল্প উদ্যোগ গঢ়াৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিও আৰু তেনে ধৰণৰ এটা পৰিবেশ গঢ়ি তুলিব পাৰো তেতিয়াহলে আমাৰ প্ৰতিশ্ৰুতি পালন কৰা হব। কিয়নো যোৱা কিছু বছৰ ধৰি আমাৰ ৰাজ্যখনত শিল্পপতি সকলে শিল্প উদ্যোগ গঢ়াৰ ক্ষেত্ৰত ভয় খোৱা হৈছে আৰু যি সকল আগতে আছিল তেওঁলোকেও অসমৰ বাহিৰলৈ গুচি গৈছে, চৰকাৰে ৰাজ্যখনত এই ব্যৱসায়ী সকলক ঘুৰাই অনাৰ কাৰণে শিল্প উদ্যোগৰ যিটো পৰিবেশ সৃষ্টি কৰিবলৈ চেষ্টা কৰিছে সেইটোত বহু পৰিমানে সফল হৈছে। আন এটা দৰকাৰী কথা হ'ল শিল্প উদ্যোগ গঢ়িবলৈ বেংকৰ পৰা কেবল লোণটো দিলেই কাম সম্পূৰ্ণ নহয়, লোণটো দিয়াৰ পিচত উদ্যোগটো ঠিক মতে চলিছে নে নাই সেইটো পৰীক্ষা কৰিবলৈ মানুহ নাই। ২৫ হাজাৰ টকা দি, আই, আৰ, ডি, পি বা এ, এচ, আই, দি, চিৰ জৰিয়তে টকাটো দি বহি থাকিলেই হব জানো, আজিকালি বহুত মানুহে নিজৰ

কাম কৰিবলৈ নাযায়, আমাৰ মানুহবিলাকৰ সি ডেকাই হওক বুঢ়াই হওক বা গাভৰুৱেই হওক বা বুঢ়ি হওক কেৱল কামটোৰ মুনাফা কেনেকৈ আদায় কৰিব কিন্তু কেনেকৈ কামটো ভাল ধৰণে কৰিব তালৈ সিমান ইন্টাৰেষ্ট নাই, এনে ধৰণৰ টেনদেন্সী হৈছে, কাম কৰাৰ আগতেই মুনাফাটো বিচৰা চিন্তাটো বেছি হৈছে। সেইকাৰণেই মোৰ এটা শংকা যে যিবিলাক শিল্প বা উদ্যোগ আছে বা গঢ়া হব সেইবিলাক বেছি দিন টিকি থাকিব নে নাথাকে। গতিকেই বেংকৰ বিষয়া যি সকলে লোন দিয়ে আৰু লোণ চেংচন কৰা বিষয়া আৰু আন আন সংশ্লিষ্ট বিষয়া সকলে একগোট হৈ বহি আলোচনাৰ মাধ্যমেৰে অধিক গুৰুত্ব নিদিলে এই শিল্প আৰু উদ্যোগ গঢ়ি নুঠিব, এইখিনিলৈ মই দৃষ্টি আকৰ্ষণ কৰিলো। তাৰ পাচত স্বাস্থ্য বিভাগত ৩৯ কোটি ২০ লাখ টকা দিছে, বিত্ত মন্ত্ৰী মহোদয়ে বাজেটত উল্লেখ কৰিছে যে অহা ২০০০ বছৰৰ আগতে সমগ্ৰ ৰাজ্যত বানপানী যোগান আৰু সু-স্বাস্থ্যকৰ পৰিবেশ গঢ়িবলৈ টাৰগেট লৈছে। গতিকে এই ক্ষেত্ৰত বিশেষ গুৰুত্ব দিব লাগে। অৱশ্যে কেন্দ্ৰীয় চৰকাৰেই এই বিষয়টোত সহাৰী জনাব। আমি আশা ৰাখিছো খোৱা পানী যোগান আৰু সু-স্বাস্থ্য সেৱাত বেছি টকা ধাৰ্য্য কৰি কামত আগবাঢ়ি যাবলৈ অনুৰোধ জনালো। এই কেইটা বিষয়ত কেন্দ্ৰীয় চৰকাৰৰ সাহাৰ্য্যৰ ওপৰত নিৰ্ভৰশীল। শিক্ষাৰ শিতানত ১৯১ কোটি ৫০ লাখ টকা ধাৰ্য্য কৰিছে, এই টকাটো আমাৰ ৰাজ্যখনৰ চাহিদাৰ তুলনাত বেছি হোৱা নাই। আজিকালি বিশ্ববেংকৰ পৰা টকা লোৱাৰ এটা ভাল উপায় আছে। গতিকে আমি ধৰিলৈ আমাৰ যিবিলাক জহি-পহি যোৱা স্কুল ঘৰ বা নতুনকৈ বান্ধিব লগা স্কুলঘৰ বিলাক সাজি লব পাৰো। ধাৰ লোৱাত কি বাধা আছে, সকলোৱে ধাৰ লৈ চলিছে আনকি যি আমেৰিকাৰ নিচিনা ধনী দেশ আৰু জাপান যাৰ শত্ৰু আছিল তেওঁলোকৰ পৰাও আমেৰিকাই ধাৰ লৈছে। গতিকে বিশ্ববেংকৰ পৰা ধাৰ লৈ আমি স্কুলঘৰবিলাক বান্ধিব পৰে, মোৰ সমষ্টিতে ১৫৭ খন ভেনচাৰ এল, পি, স্কুল আছে, সেই বিলাক কেতিয়া সম্পূৰ্ণ হব কব নোৱাৰো, আমি হয়তো বিধায়কৰ পৰা যোৱাৰ পিচতো সম্পূৰ্ণ নহব। অৱশ্যে টকা দিলেই নহব, বিত্তমন্ত্ৰী মহোদয়ে এটা কথা কৈছে, তাত লিখা মতে শিক্ষাৰ ক্ষেত্ৰত গুণগত দিশটোৰ ওপৰত বিশেষ ভাবে নজৰ দিয়া হব, এই গুণগত দিশটোৰ উন্নতি কৰি সম্প্ৰসাৰণ কৰাৰ বেলিকা বেছিকৈ টকাৰ প্ৰয়োজন হয়। এটা কথা মন কৰিবলগীয়া ১৯৪৭ চনৰে পৰা শিক্ষাৰ

সম্প্ৰসাৰণৰ সম্পৰ্কত টকা-পইচা খৰচ হৈ আছে আৰু সেইদৰে শিক্ষাৰ সম্প্ৰসাৰণ কাৰ্য্য অব্যাহত আছে কিন্তু গুণগত দিশত যি পৰিমানে আগবাঢ়িব লাগিছিল বা আশাকৰা মতে আগবাঢ়িব পৰা নাই। আমি যেতিয়া এল, পি. স্কুলত পঢ়িছিলো তেতিয়া আমি দেখিছিলো স্কুলৰ ইন্সপেক্টৰে এটা টুপী পিন্ধী আহে আৰু স্কুলে স্কুলে আহি ইন্সপেক্‌শ্যন কৰেহি। কিন্তু আজিকালি দি, আই সকলক স্কুল ইন্সপশ্যন কৰিবলৈ অহা বুলি শুনা নাযায়, অৱশ্যে আগৰ দিনত স্কুলৰ সংখ্যা কম আছিল, এতিয়া স্কুলৰ সংখ্যা বহুত বাঢ়িল যদি প্ৰত্যেকখন স্কুল এতিয়া ইন্সপেকশ্যন কৰিব লগীয়া হয় তেতিয়াহলে দি, আই, সকাল ঘৰত থাকিবই নাপাব। গতিকে এতিয়া বাজেটখনত যি পৰিমানৰ টকা ধৰিছে সেই মতে এতিয়া গুণগত দিশটোত বিশেষ ভাবে গুৰুত্ব দিব লাগে। আশা ৰাখিছো এই যি টকাটো বাজেটত ধৰা হৈছে তাৰ দ্বাৰা ভাল কাম হব। তাৰোপৰি চাব-প্লেন বিলাকত অৰ্থনৈতিক ভাবে বিপদগ্ৰস্ত যি সকল জনজাতিয় লোক আছে, অৱশ্যে তেওঁলোকৰ সংখ্যা কিছু কম, সেই সকলৰ বাবে বিশেষ ভাবে চাব লগা আছে। ইয়াৰোপৰি আমাৰ যিসকল পিছপৰা জনজাতীয় বা অজনজাতীয় লোকক এতিয়াও সাংবিধানিক ভাবে অন্তৰ্ভুক্ত কৰা হোৱা নাই, সেই সকলৰ ভিতৰত চাহ বনুৱা, ৰাজবংশী, চুতীয়া আৰু আন আন লোক আছে সেই সকলৰ ক্ষেত্ৰত ব্যৱস্থা লব লগা আছে।

অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনত যিবিলাক লোকক জনজাতি হিচাবে চিহ্নিত কৰা হৈছে তেওঁলোকে আজি বিশেষ সুবিধা পোৱা নাই। ভাৰতীয় সংবিধানত তেওঁলোকে পাব লগা সকলো স-সুবিধাৰ কথা সু-পৰিকল্পিতভাৱে দিয়া আছে। মধ্য প্ৰদেশত কৰবাত জনজাতিৰ মাজত কাজিয়া দেখিছেনে? গণ্ডগোল হৈছেনে? তাত শতকৰা ২৪ শতাংশ লোক জনজাতিৰ আছে। আৰু তাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা বেচি টকা পায়। চাব প্লেনটো আমাৰ এটা প্লাচ পইন্ট। আমাৰ এটা কথা আছে আমাৰ জনজাতি বিলাকৰ যিটো নেচাৰ যিমানেই মুকলি হৈ আছে ফৰকাল হৈ আছে সিমানেই তেওঁলোক হাবিৰ ফালে গৈ থাকে। আমাৰ গুৱাহাটীতে কাৰবি, বড়ো, ৰাভা, কছাৰী আদি বহুত মানুহ আছিল কিন্তু তেওঁলোক যিমানেই সভ্যতাৰ পোহৰ দেখিছিল সিমানেই পিচলৈ গৈ আছে। অসমত বাস কৰা জনজাতি সকল ৰিমট প্লেচত বস-বাস কৰে। তেওঁলোকৰ বাবে অহা চাব প্লেনৰ আচঁনিৰ টকা আন বিলাকে

পায়। কিন্তু টকা আছে জনজাতিৰ নামত। হাইওৱেৰ পৰা ২০/২৫ মাইল দূৰত তেওঁলোক থাকে! কেন্দ্ৰীয় চৰকাৰৰ পৰা যিমান জনজাতি আছে সিমান টকা পায়। মধ্য প্ৰদেশত জনজাতি সকলে কেন্দ্ৰীয় চৰকাৰৰ পৰা ২৪ শতাংশ টকা পায় আৰু অসমত ১২ শতাংশহে পায়। আমাৰ জনজাতিৰ সংখ্যা কম কাৰণে টকা কম পায়। জনজাতিৰ নামত টকা আছে আৰু অজনজাতিৰ কাম হয়। এইটো কথা বাৰে বাৰে কৈ থকা হৈছে। এসময়ত আমি একেলগে বহি মাহ প্ৰসাদ খাইছিলো। আমাৰ সোনোৱাল, কছাৰী বিলাকো পিচপৰা নহয়। তেওঁলোকৰ বহুতো শিক্ষিত মানুহ আৰু অফিচাৰ আজিও আছে। জনজাতিৰ তালিকা ভুক্ত হলে কিছুমান সাংবিধানিক সুৰক্ষাৰ কবচ আছে। সেই কাৰণে ভাৰতৰ সংবিধানত লিখিছে যে, যিবিলাক মানুহ সংখ্যা গৰিষ্ঠ গণতান্ত্ৰিক ভাবে বা অন্যান্য কাৰণত পিচপৰা সেইবিলাক মানুহ আগবাঢ়িব পৰা নাই। তেওঁলোকৰ বাবে সাংবিধানিক সুৰক্ষাৰ অতি প্ৰয়োজন। সংবিধানত কিছুমান ধৰাবন্ধা নিয়ম আছে। মধ্য প্ৰদেশৰ মানুহে বেচি টকা পায় অসমতো জনজাতিৰ সংখ্যা বঢ়ালে ভাৰত চৰকাৰৰ পৰা বেচি টকা আহিব। আৰু সামগ্ৰিকভাবে অসমখন উপকৃত হব। ১৯৯২-৯৩ চনত জনজাতিৰ আচঁনিৰ বাবে ৯৫ কোটি ৭১ লাখ টকা ধৰা হৈছিল কিন্তু এইবাৰ ১০২.৫০ কোটি টকা বাজেটত ধৰিছে। এইবাৰ টকাৰ পৰিমান ভালেমান বাঢ়িছে। মোৰ নিজৰ সমষ্টি গহপুৰত বহুতো জনজাতিৰ মানুহ আছে। জনজাতিৰ ২০ খন মান গাওঁ পঞ্চায়ত আছে। তালৈ যিখিনি টকা যায় তাৰে আন মানুহৰে কাম হয়। মহকুমা ভিত্তিত চাব প্লেনৰো টকা আছে। আমাৰ এচ, চি, কম্পনেণ্ট প্ৰজেক্ট আছে তাত ১৯৯২-৯৩ চনত ৫৭.৮৫ কোটি টকা আৰু এতিয়া ৬৩.৮৩ কোটি টকা ধৰা হৈছে। ভালেমান টকা ধৰা হৈছে। এই টকাৰ ওপৰত ভিত্তি কৰি আমি আশা কৰিছো যে, আমাৰ যিবিলাক অনুসুচীত জাতি আছে তেওঁলোকৰ ভালেমান কাম হব। আৰু এইখিনি কামৰ ওপৰত আমি উন্নতিৰ মুখ দেখিম। এতিয়া শেষত মই কেইটামান পৰামৰ্শ দিবলৈ বিচাৰিছো। আমাৰ বিত্ত মন্ত্ৰী মহোদয়ে সুচিন্তিত ভাবে কেইটামান বিষয়ৰ ওপৰত কৰ ধাৰ্য কৰাৰ কথা চিন্তা কৰিছে। মই এইখিনি কথা আলোচনা নকৰো। মাত্ৰ কেইটামান পৰামৰ্শ দিব বিচাৰিছো।

মাননীয় অধ্যক্ষ :— আপুনি চমু কৰক।

* শ্ৰীকোষেশ্বৰ বৰুৱা :— আমাৰ বাজেটত কেইটা বস্তুৰ ওপৰত কৰ লগা-বলৈ থাকি গ'ল। যেনে বিদেশী মদৰ ওপৰত কৰ লগালে মানুহে কম কৰি খাব। আমাৰ যি প্লেনৰ টকা আছে সেই টকা নন প্লেনলৈ দাইভাৰ্ট কৰিলে আৰু চাব প্লেনৰ টকা আন ঠাইলৈ কাটি নিলে ভয়ঙ্কৰ বিপদ হব। যি কামত টকা দিয়া হয়, তাতে খটুগ্ৰাৱ লাগে। তাৰ বাবে অধ্যক্ষ মহোদয়ৰ জৰিয়তে মই চৰকাৰক অনুৰোধ কৰিছো। তাৰোপৰি আৰু এটা কথা ইনফ্লেচনৰ কথা আমাৰ ৰাজ্যখনত প্ৰতিফলিত হব লাগিছিল সেইটো হোৱা নাই। তাৰো-পৰি আমাৰ ৰাজ্যখনৰ ভিতৰত এনে কিছুমান সম্পদ আছে আমি তালৈ মন কৰা নাই। শেষত এই বাজেট খনৰ প্ৰতি মোৰ পূৰ্ণ সমৰ্থন আগবঢ়াই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Speaker : – Honourable Member Shri Nazmul Haque :

* শ্ৰীনজমুল হক :— মাননীয় অধ্যক্ষ মহোদয়, ১৯৯৩-৯৪ চনৰ বাজেট বিতৰ্কত ভাগ লোৱাৰ সুযোগ দিয়াৰ বাবে প্ৰথমেই আপোনাক আন্তৰিক ধন্যবাদ জনাইছো। বাজেটৰ খুটিনাতিৰ বিষয়ে আলোচনা কৰাৰ আগতে এই বাজেট অধিবেশনৰ বিষয়ে দুটামান কথা আপোনাৰ জৰিয়তে চৰকাৰক কব বিচাৰিছো। লোকসভা বা বিধান সভা সাধাৰণতে বহিয়ে থাকে, কিন্তু ইয়াৰ মাজত বাজেট যিটো অধিবেশন এইটো গুৰুত্বপূৰ্ণ অধিবেশন। এই বাজেট অধিবেশন আমি দেখিছো মাত্ৰ ১৯ দিনৰ হৈছে। মোৰ বোধেৰে ইয়াৰ দ্বাৰা মাননীয় সদস্য সকলৰ যি গণতান্ত্ৰিক অধিকাৰ তাক খৰ্ব কৰা হৈছে। আমি দেখিছো এই সদস্য সকলৰ গণতান্ত্ৰিক অধিকাৰ সদনৰ বাহিৰতো খৰ্ব কৰা হৈছেই সদনৰ ভিতৰতো সদস্য সকলৰ গণতান্ত্ৰিক অধিকাৰ খৰ্ব কৰা হৈছে। আমি আজি বাহিৰত মেল মিটিং কৰিব নোৱাৰো। অনুমতি বন্ধ কৰি দিছে। কিন্তু ৰাইজৰ দাবীৰ দ্বাৰা সদনৰ ভিতৰতে উত্থাপন কৰিব দিয়া হোৱা সময়ৰ অভাৱত। কৰ্তন প্ৰস্তাৱ আনিব লাগে কাৰণেই আনিব দিয়া হৈছে, নোটিশ দিব লাগে কাৰণেই দিয়া হৈছে। জিৰো আৱাৰ, চমু জাননী এই সকলো বিলাকতেই গিলোটিং হৈ গৈছে। বাজেট অধিবেশনৰ নিচিনা এটা অধিবেশন ইমান চমু হোৱা কাৰণে অসমৰ ৰাইজৰ দাবী উত্থাপন কৰিববলৈকো সময় নাই।

*Speech not corrected.

ভৱিষ্যতলৈ বাজেট অধিবেশন পাতিলে দেৰমহীয়া হব লাগে আৰু আমাক যদি নালাগে তেনেহলে ১৯ দিনীয়া বা তাতকৈ কম দিনীয়া পাতি আমাৰ বক্তৃতা বিলাক টেপ কৰি আনি ইয়াত বজাই দিলেই ভাল হব।

মাননীয় অধ্যক্ষ : মিঃ হক মোৰ বোধেৰে দেৰমহীয়া কৰিলে সদনত এজনো স্পীকাৰ নাথাকিব।

* শ্ৰীনজমুল হক :— আজি ভাৰতবৰ্ষত কেবা ঠাইতো ৰাষ্ট্ৰপতি শাসন চলাইছে, ৪ খন বি জে পি শাসিত ৰাজ্যত ৰাষ্ট্ৰপতি শাসন চলি আছে সেই বুলি সেই বিলাক ৰাজ্যৰ লগত আমাৰ ৰাজ্যৰ তুলনা হব নোৱাৰে। নিৰ্বাচিত বিধায়ক সকলৰ গণতান্ত্ৰিক যি অধিকাৰ তাক কেতিয়াও খৰ্ব কৰিব নোৱাৰে। এতিয়া মই বাজেটৰ মূল বিষয়লৈ আহিছো। এই বাজেটখনৰ প্ৰতি মোৰ ব্যক্তিগত প্ৰতিক্ৰিয়া হ'ল এইখন এখন বিকলাংগ বাজেট। এই বাজেটৰ ওপৰত বিত্তমন্ত্ৰী মহোদয়ে, প্ৰতি মাহৰ ৩০ তাৰিখে মৰফিয়া ইনজেকচন দিব লাগিব। এই বাজেটেৰে কৰ্মচাৰী সকলৰ দৰমহা, ঠিকাদাৰৰ পেমেণ্ট কৰিব নোৱাৰিব। গতিকে বাজেটখন প্লেচ কৰাৰ আগতে বিত্তীয় বিষয়ত অভিজ্ঞতা থকা বিষয়াৰ লগত আলোচনা কৰি বাজেট উত্থাপন কৰিব লাগিছিল। অকল বেলেঞ্চ থাকিলেই বাজেটৰ আশা আকাংখ্যা সুবুজায়। এই বাজেটখনত শিল্প প্ৰতিষ্ঠানৰ বিষয়ে কোনো কথা উল্লেখ নাই। মই দেখিছো এই চৰকাৰ আৰু বেচিদিন থাকিলে থকা শিল্প প্ৰতিষ্ঠান কেইটাও নাইকীয়া হব। এওঁলোকে হাত দিয়া শিল্প বিলাকেই ধ্বংস হৈছে। অশোক কাগজ কলৰ ক্ষেত্ৰত আমি নিজে দেখিছো। অসম ভৱনত যেতিয়া অশোক কাগজ কলৰ জি, এম আছিল তেতিয়া ভাল আছিল। অশোক কাগজ কলতে আটাইতকৈ বেচি উৎপাদন হৈছিল আৰু এই কাগজৰ কাৰণে বিভিন্ন ৰাজ্যৰ পৰা দাবী আহিছিল। বহুতে এডভান্স বুকিংও কৰিছিল। নামনি অসমৰ এইটোৱে আছিল একমাত্ৰ শিল্প প্ৰতিষ্ঠান। অথচ এই প্ৰতিষ্ঠান আজি বন্ধ হৈ গৈছে। এতিয়া চৰকাৰে কৈছে যে ইয়াক খুলিবলৈ কোনো আগবাঢ়ি নাহে। অসমৰ খিলঞ্জিয়া বিষয়া শ্ৰীআনন্দ অধিকাৰীক এই উদ্যোগৰ জি, এম হিচাবে পঠিওৱাৰ পিচতে ই বেচি দিন তিষ্ঠি থাকিব নোৱাৰিলে, উদ্যোগটোৰ সৰ্বনাশ হ'ল। আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়া

* Speech not corrected.

হতাশ হব নালাগে। এই প্ৰতিষ্ঠান সমূহৰ কাৰণে তেখেতৰ এটি বলিষ্ঠ পদক্ষেপ আমি আশা কৰিছো। এই প্ৰতিষ্ঠান বিলাক অবিহনে অসমৰ যিটো বাঢ়ি অহা বেকাৰ বাহিনী এই বেকাৰ বাহিনীয়ে এদিন ষড়যন্ত্ৰ কৰি চৰকাৰৰ মৃত্যুৰ ঘণ্টা বজাব। এতিয়া সময় আছে চৰকাৰ তৎপৰ হওঁক, বিভিন্ন ঠাইত শিল্প প্ৰতিষ্ঠান গঢ়ি তোলক। পুলিচ সম্পৰ্কে যিতো দেখিছো গোটেই বাজেটখন পুলিচে সামৰি লৈছে। ইয়াৰ উপৰিও সামৰিক বাহিনী আছেই। ইমান বিশাল পুলিচ বাহীনীৰ লগত কোটি কোটি টকা ধৰা হৈছে।

ইয়াৰ ওপৰিও দেখা গৈছে যে সামৰিক বাহিনীৰ বাবে বহুতো টকা ধৰা হৈছে। ইমান এটা ডাঙৰ সামৰিক বাহিনীত চৰকাৰে কোটি কোটি টকা খৰচ কৰিছে। কিন্তু টকা খৰচ কৰিও চৰকাৰে আজি এই পুলিচ বাহিনীক কাৰ্য্যক্ষম কৰি তুলিব পৰা নাই। আজি অসমত যিবিলাক ঘটনা হৈছে— চুৰ ধৰাই হওক বা সাম্প্ৰদায়িক সংঘৰ্ষই হওক সামৰিক বাহিনীক যদি সংক্ৰিয় কৰি তুলিব নোৱাৰে তেতিয়াহলে ৰাইজৰ কিবা শান্তি থাকিবনে? সেই কাৰণে মই চৰকাৰক কব বিচাৰিছো যে ইমান এটা বিৰাট টকা খৰচ কৰাৰ বিনিময়ত পুলিচ বাহিনীক সকলোতে কাৰ্য্যক্ষম কৰি তোলা উচিত।

আজি অসমত আইন-শৃংখলাৰ কথা আছে। অসমত পুলিচ বাহিনী থকা স্বত্বেও আজি চৰকাৰে কেন্দ্ৰীয় বাহিনী আনিব লগা হৈছে আৰু এই সামৰিক বাহিনীক আইন শৃংখলাৰ কামত লগোৱা হৈছে। তাৰ বাহিৰেও অসমত আৰু কিছুমান বিষয় আছে— যিবিলাকৰ বাবে আমাৰ পুলিচ বাহিনীক অধিক সচেতন কৰি ৰাখিব লগা হৈছে। গতিকে আজি পুলিচৰ বাবে আমাৰ চৰকাৰৰ যিটো প্ৰশিক্ষণ ব্যৱস্থা আছে তাৰ দ্বাৰা পুলিচ বাহিনীক প্ৰশিক্ষণ দি সকলো কামতে পাৰ্গত কৰি ৰখা উচিত।

অধ্যক্ষ মহোদয়, বিদ্যুত সৃষ্টিৰ কাৰণে আজি আমাৰ অসম ৰাজ্যত যিখিনি সম্ভাৱনা আছে ভাৰতৰ আন ৰাজ্যত সেই সম্ভাৱনা নাই। গতিকে চৰকাৰক মই কব বিচাৰিছো যে— বিদ্যুতৰ বাবে বাজেটত বেছি টকা ধৰি লাভ নাই বা বিদ্যুতৰ কথা কৈ কোনো লাভ নাই যদিহে অসমৰ ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰণ কৰি বিজুলী উৎপাদন কৰা নহয়। আজিলৈকে অসমত এ. জি. পি, চৰকাৰেই হওক বা জনতা চৰকাৰেই হওক বা কংগ্ৰেছ চৰকাৰেই হওক— কোনোটো চৰকাৰেই ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ কাৰণে সফল আঁচনি যুগুত কৰিব পৰা নাই। আজি

ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰণ নকৰাৰ কাৰণে লাখ লাখ কৃষকৰ মাটি, হাজাৰ হাজাৰ গাওঁ ব্ৰহ্মপুত্ৰৰ বানপানীত বুৰ গৈ আছে। গোটেই অসমত শতকৰা ৪০ ভাগ মানুহে বানপানীৰ পৰা ৰক্ষা পৰি আছে— কিন্তু শতকৰা ৬০ ভাগেই ব্ৰহ্মপুত্ৰ নদীৰ পানীৰ দ্বাৰা আক্ৰান্ত হয়। এই ব্ৰহ্মপুত্ৰ নদীৰ গৰ্ভত বহুতো উপাৰ্জনৰ থল আছে। যদিহে ইয়াৰ পানীখিনি প্ৰকৃত কামত লগোৱা যায়। যদিহে সফল আঁচনি তৈয়াৰ কৰি শক্তিশালী ব্ৰহ্মপুত্ৰক নিয়ন্ত্ৰণত আনিব পৰা নাযায় তেতিয়ালৈকে অসমৰ সম্পদ আহৰণত ব্যাঘাট হৈ থাকিব। আমাৰ দেশত এই শক্তিশালী ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত আঁচনি তৈয়াৰ কৰি আজিলৈকে বলিষ্ঠ পদক্ষেপ লব পৰা নাই। ইৰিগেচনৰ ব্যৱস্থা কৰিছে যদিও কোনোটোতে লাভবান হব পৰা নাই।

মাননীয় অধ্যক্ষ : আপোনাৰ কথাৰ ওপৰত বিত্ত মন্ত্ৰীয়ে উত্তৰ দিব নোৱাৰিব।

*শ্ৰীনজমুল হক : সেই কাৰণে মই বিত্তমন্ত্ৰী ডাঙৰীয়াক কব বিচাৰিছো যে— ব্ৰহ্মপুত্ৰ নদীৰ পৰা বিদ্যুত উৎপাদনৰ কাৰণে যাবতীয় ব্যৱস্থা লব লাগে। এই জলবিদ্যুত প্ৰকল্পৰ দ্বাৰা বিজুলী উৎপাদন কৰি অসমৰ সামূহিক উন্নতিৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰক। তাৰ পিচত মই গ্ৰামোন্নয়ণ সম্পৰ্কে কিছু কথা কব বিচাৰিছো। আমাৰ চৰকাৰী বাজেটৰ শিতানত ব্লক ডেভেলপমেণ্টৰ কাৰণে কোনো ধৰণৰ টকাৰ ব্যৱস্থা ৰখা নাই। আমি দেখিছো যে বিভিন্ন শিতানত চৰকাৰে যথেষ্ট টকা বাজেটত ধৰিছে। এই টকা সমূহ শেষত দেখা যায় যে নিৰ্দিষ্ট স্থানত গৈ নাপায়গৈ আৰু সৎ কামত খৰচ নহয় সেইবিলাক শিতানৰ টকা অযথা অপব্যয় হয়। সেই কাৰণে মই চৰকাৰক অনুৰোধ কৰিব বিচাৰিছো যে আমাৰ ৰাজ্যত যিটো অপচয় হৈছে, যিটো অপব্যয় হৈছে— এই অপব্যয় বন্ধ কৰিব নোৱাৰিলে আমাৰ গাওঁসমূহ বা ব্লক সমূহৰ উন্নতি আশা কৰিব নোৱাৰি।

অধ্যক্ষ মহোদয়, বাজেটত যোৱা বছৰৰ টেক্স সংগ্ৰহ কৰাৰ কথা উল্লেখ আছে। আমাৰ মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াই বিত্ত সম্পৰ্কে যিখিনি নিয়মাৱলী আছে সেই নিয়মাৱলীখিনি মানি চলা উচিত। বিত্তৰ নিয়মাৱলীসমূহ মানি নচলিলে আমাৰ গোটেই ৰাজ্যৰ শাসন যন্ত্ৰটোত ব্যাঘাট জন্মাৰ সম্ভাৱনা বেছি। সেই কাৰণে মই বিত্তমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিব বিচাৰিছো যে কঠোৰ হাতে অপচয় বন্ধ কৰিবলৈ হলে বিত্তৰ নিয়মাৱলীসমূহ মানি চলা উচিত। কঠোৰ হাতে

*Speech not corrected.

অপচয় বন্ধ কৰিব নোৱাৰিলে আমাৰ ৰাজ্যখনৰ আৰ্থিক জুৰুলা বা অনাটনৰ পৰা ৰক্ষা কৰিব নোৱাৰিব।

অধ্যক্ষ মহোদয় শিক্ষাৰ সম্পৰ্কত কব বিচাৰিছো যে শিক্ষা বিভাগৰ দ্বাৰা মানসিক শিক্ষা বিকাশ হয়। কিন্তু মানসিক শিক্ষা বিকাশ সাধনাৰ পৰিবৰ্তে শিক্ষা বিভাগত কাগজে-পত্ৰে শুনিছো যে বিৰাট দুৰ্নীতি চলিছে। যোৱা কালি শিক্ষা মন্ত্ৰীয়ে কৈছিল যে অসমত ৮ হেজাৰ ভেনচাৰ এল, পি, স্কুল আছে। সেইখিনি এতিয়াও চৰকাৰীকৰণ কৰিব পৰা নাই। এই ক্ষেত্ৰত চৰকাৰে এটা সুস্পষ্ট নীতি গ্ৰহন কৰিব লাগে। শিক্ষাৰ ক্ষেত্ৰত এইটো বৰ দুখৰ কথা যে মন্ত্ৰীসকলে বিভিন্ন ঠাইত ঘূৰি ফুৰোতে নিশ্চয় দেখিছে যে প্ৰায়বিলাক এল, পি, স্কুলৰ অৱস্থাই অতি শোচনীয় হৈ আছে। তাৰোপৰি হাজাৰ হজাৰ এল, পি, স্কুলৰ আহিলাপাতিসমূহ ধ্বংসপ্ৰাপ্ত হৈ আছে সেইবিলাক ভাল কৰাৰ কাৰণে বা স্কুল ঘৰসমূহ পুনৰ নিৰ্মাণ কৰাৰ কাৰণে চৰকাৰে বাজেটত কোনো প্ৰভিজন ৰখা নাই। তাৰোপৰি আনফালে আমাৰ ৰাজ্যত কলা টকাৰ বজাৰ চলিছে। ক'লা টকাৰ সংখ্যা বাঢ়ি গৈ আছে এটা পেৰেলেল ইকনমিক গঢ়ি উঠিছে। সেই কাৰণে মই বিত্তমন্ত্ৰী ডাঙৰীয়াক কব বিচাৰিছো যে টেক্স এভেচন দ্বাৰা যদি চৰকাৰৰ ঘৰলৈ টকা নাহে তেতিয়াহলে এই কৰ ফাকি দিয়া সকলক কঠোৰ হাতে দমন কৰিব লাগে লগতে এই দুৰ্নীতিৰ জৰিয়তে যিটো ক'লা টকাৰ বজাৰ চলিছে আৰু যিটো পেৰেলেল ইকনমিক গঢ়ি উঠিছে সেইটো ভাঙি দিব লাগিব আৰু বিত্ত নিয়মাৱলীৰ দ্বাৰা কঠোৰ হাতে দমন কৰিব লাগিব। এনেবোৰ দুৰ্নীতিৰ কথা নিৰ্মূল কৰিবৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ভেখেতৰ বক্তৃতাত উল্লেখ কৰিব বুলি আশা কৰিলো। লগতে মই দাবী ৰাখিছো যে এই দুৰ্নীতিৰ সম্পৰ্কত বিচাৰ কৰিব লগীয়া হলে প্ৰাক্তন চুপ্ৰিম কোৰ্টৰ বিচাৰকৰ দ্বাৰা বিচাৰ কৰিব লাগে।

শেষত মই এটা কথা কব বিচাৰিছো যে আমাৰ ৰাজ্যত যিটো বিত্ত সংকোচন হৈছে তাৰ প্ৰতি সজাগ হোৱা উচিত। এই ক্ষেত্ৰত চৰকাৰৰ যিটো এটা হেডৰ পৰা আন এটা হেডলৈ টকা ডাইভাৰচন কৰা নীতি সেইটো বন্ধ কৰিব লাগে। ইয়াৰ ফলত চৰকাৰৰ কোনোটো কামেই সম্পূৰ্ণ হৈ নুঠে। গতিকে অধ্যক্ষ মহোদয় মই আপোনাৰ জৰিয়তে আমাৰ মাননীয় বিত্তমন্ত্ৰী মহোদয় আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে আমাৰ ৰাজ্যত যিবোৰ কেলেংকাৰী চলি

আছে আৰু যিবিলাক দুৰ্নীতি চলি আছে সেইবিলাক বিচাৰ কৰিবৰ কাৰণে যাতে প্ৰাক্তন চুপ্ৰিম কোৰ্টৰ বিচাৰকৰ দ্বাৰা বিচাৰ হয় তাৰ প্ৰতি মনোনিবেশ কৰিব। এইখিনি কৈ মোৰ সংক্ষিপ্ত আলোচনাটি সামৰিলোঁ।

( মধ্যাহ্ন বিৰতিৰ বাবে সভা স্থগন )

Mr. Speaker : The House stands adjourn till 3 P. M. to-day.

( The House re-assembled at 3 P. M. to-day, the 24th March. 1993, with **Mr. Speaker** in the Chair, after the lunch break. )

*Shri Golok Rajbanshi (Minister Parliamentary Affairs ): Mr. Speaker Sir, I have seen that the honourable Members are not interested to remain in the House for the third shift. So, could we not complete the business within second shift itself ?

*Shri Jiba Kanta Gogoi (Minister Finance) : I think, it would be better.

Mr. Speaker : Normally in all such cases, we listen to Honourable Member Shri Promod Gogoi.

*Shri Promode Gogoi : How many speakers are there in this side of the House ?

Mr. Speaker : I cannot go according to the list. Yesterday also, I could not maintain the list because of the absence of the Honourable Members.

*Shri Promode Gogoi : In such case, you can complete the business in the second shift itself.

Mr. Speaker : Now, Honourable Member Shri Bhrigu Kumar Phukan.

---

★ Speech not corrected.

*শ্ৰীভৃগু কুমাৰ ফুকন : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই ১৯৯৩-৯৪ চনৰ কাৰণে যিখন বাজেট সদনত দাখিল কৰিছে এই বাজেট সম্পৰ্কত মই সাধাৰণ আলোচনাৰ যোগে কেইটামান কথা কব খুজিছো। মই এটা কথা স্পষ্ট কৰি কব খুজিছো যে আমি বিৰোধী দলৰ সদস্য বুলিয়েই বাজেটৰ বিৰোধিতা কৰি কবলৈ ওলোৱা নাই। গঠনমূলক দৃষ্টি ভঙ্গী আগত ৰাখিহে কবলৈ ওলাইছো। বাজেটখন হৈছে ৰাজ্য চৰকাৰৰ বছৰটোত কৰিব লগীয়া আয় আৰু ব্যয়ৰ এখন ৰাজহুৱা দলিল। এই বাজেটখনত চৰকাৰে প্ৰত্যেক বিভাগৰ কাৰণে কিমান টকা খৰচ কৰিব আৰু আয় সংগ্ৰহ কিমান টকা হব সেই সম্পৰ্কৰ কথাবোৰ সন্নিবিষ্ট থাকে। ১৯৯৩-৯৪ চনৰ বাবে যিখন বাজেট সদনত দাখিল কৰা হৈছে তাৰ দ্বাৰা অসমৰ বাইজে বিশেষ কিবা উপকৃত হব বুলি কব পৰা নাই। উৎপাদনশীল বাজেট বুলিও কব পৰা নেযায়। অধ্যক্ষ মহোদয়, যোৱা বছৰ এই সদনত এখন বাহী বাজেট উত্থাপন কৰা হৈছিল। বাহী বাজেট উত্থাপন কৰাৰ পিচত দেশৰ অৰ্থনীতিত কি ধৰণৰ অভাৱ অনাটন হৈছিল সেই বিষয়ে ইয়াত বিস্তৃতভাৱে আলোচনা কৰাৰ প্ৰয়োজন নাই। এই বছৰ চৰকাৰে ১৬২.৬০ কোটি টকাৰ ঘাটি বাজেট দাখিল কৰিছে এই বাজেটে দাখিল কৰা প্ৰক্ৰিয়াটো অধ্যক্ষ মহোদয়, প্ৰতি বছৰেই চলি আহিছে, প্ৰতি বছৰেই বিধান সভাত বাজেট দাখিল হৈ আহিছে— এইটো কোনো পৰিবৰ্তন হোৱা নাই কিন্তু ইয়াৰ পৰিবৰ্তনৰ প্ৰয়োজন হৈছে। অসমৰ বিধান সভা আৰম্ভ হোৱাৰ দিনৰ পৰাই ১৯৫২ চনৰ পৰা যিমান বাজেট বক্তৃতা দাখিল কৰা হৈছে, যিমানবোৰ তথ্যপাতি দাখিল কৰা হৈ আহিছে সেই ব্যৱস্থাৰ কিন্তু আজিলৈকে কোনো পৰিবৰ্ত্তন হোৱা নাই। একেদৰেই চলি আহিছে। ১৯৫২ চনতে কোনো এজন বিত্ত সচিবে বাজেটৰ এটা মডেল তৈয়াৰ কৰি গৈছে আৰু ই চলি আহিছে। কেৱল মাত্ৰ কিছুমান তথ্য পাতি, ফিগাৰ আৰু শব্দৰ সাল-সলনি কৰি দিয়া হয়। বাজেট সম্পৰ্কে যিবোৰ তথ্য-পাতি ডাঙি ধৰা হয় মোৰ বোধেৰে কোনেও সেইবোৰ বুজি নেপায়। যোৱা ৭ বছৰ ধৰি এই বিধান সভাত মই আছো কিন্তু বাজেট বুলি যি সোপা কাগজৰ বান্দিল দিয়া হয় সেইবোৰ মই একো বুজি নেপাও। এই ব্যৱস্থাৰ আজি পৰিবৰ্ত্তন হব লাগে। অধ্যক্ষ মহোদয়, মই এই কথাখিনি এই কাৰণেই কৈছো যে বাজেট সম্পৰ্কে সকলোবোৰ কথা

* Speech not corrected.

মাননীয় সদস্যসকলে উপলব্ধি কৰিব পৰা, বুজি পাব পৰা ধৰণৰ হব লগা টো নিতান্ত প্ৰয়োজনীয়। কিন্তু আজি আমি যিখন বাজেট পাইছো এইখন আমি বুজি পোৱা নাই। বাজেট তৈয়াৰ কৰোতে ৰাজ্যখনৰ উন্নয়নৰ দিশত এক সঠিক দৃষ্টিভঙ্গী থাকিব লাগে। যোৱা বছৰো ইয়াত বাজেট দাখিল কৰিছিল কিন্তু যোৱা বছৰৰ বাজেটত যিবোৰ কথা উল্লেখ কৰা হৈছিল সেইবোৰ কাৰ্যকৰী কৰা হ'লনে নাই, আঁচনি ৰূপায়িত হ'লনে নাই সেইবোৰ কথাৰ একো উল্লেখ বাজেটত নাই। সেই কাৰণেই মই কৈছো বাজেট দাখিলৰ এই একাদিক্ৰমে চলি অহা ব্যৱস্থাটো পৰিবৰ্ত্তন হব লাগে। বাজেটত যিবোৰ তথ্য পাতি দিয়া হয়, সদনৰ মজিয়াত ৰখা হয় এইবোৰ জনাৰ কাৰণেই ৰখা হয়। মই এইখিনিতে এটা উদ্ধৃতি দিব খুজিছো—

"Practice and Procedure of Parliament".
by M. N. Kaul and S. L. Shakdher.

"In connection with the discussion on the Budget, copies of annual reports of Ministries are made available to members. These reports give the necessary information as to the performance of the Ministry during the current year and background of its working as also the programme for the next financial year. The reports are very informative and useful and are in fact a substitute for the speech which each particular Minister would have been required to make while moving his demand by way of justifying it."

অধ্যক্ষ মহোদয়, এইদৰে আমাৰ বিধান সভাত যি বাজেট দাখিল কৰা হৈ আছে তাৰ লগে লগে প্ৰত্যেক বিভাগৰ কাম কাজৰ খতিয়ান ইয়াত পৰিষ্কাৰ ভাবে দাঙি ধৰা হলে আমি বাজেট সম্পৰ্কে গুৰুত্ব সহকাৰে আলোচনা কৰিব পাৰিলোহেতেন। কাৰণ বাজেট সম্পৰ্কে গুৰুত্ব সহকাৰে বিধান সভাত আমাৰ আলোচনা-বিলোচনা কৰা আমাৰ মাননীয় সদস্য সকলৰ কাৰণে এটা সাংবিধানিক দায়িত্ব আছে। এই দায়িত্ব পালন কৰাৰ ক্ষেত্ৰত বিভিন্ন বিভাগত কিমান টকা মঞ্জুৰী দিয়া হৈছে আৰু এই মঞ্জুৰীকৃত টকা কেনে ধৰণেৰে ব্যয় কৰা হৈছে সেই সম্পাৰ্কে সদনৰ মাননীয় সদস্য সকল অজ্ঞাত হৈ আছে। ফলত ৰাজ্যৰ ৰাজহুৱা ধন আত্মসাত কৰা সহজ হৈ পৰিছে। ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত

ইতিমধ্যে জিৰোবেচড্ বাজেট তৈয়াৰ কৰা হৈছে কিন্তু আমাৰ ইয়াত বাজেট এই ধৰণে প্ৰস্তুত কৰা হোৱা নাই। তাৰ ফলত বিভিন্ন বিভাগৰ খা-খবৰ পোৱা গ'লহেতেন। সেই কাৰণে মই বিত্ত মন্ত্ৰী মহোদয়ক এটা পৰামৰ্শ দিব খুজিছো যেন অহা বছৰ বাজেট উত্থাপন কৰোতে এক পাৰফৰমেন্স বাজেট প্ৰস্তুত কৰাৰ ব্যৱস্থা কৰে তাৰ কাৰণে অনুৰোধ জনালোঁ। অধ্যক্ষ মহোদয়, বাজেট বক্তৃতাত উল্লেখ কৰা এনে কথা কেইটামান মই অনুকিয়াব খুজিছো।

ৰাজ্যখনৰ আইন-শৃংখলা ৰক্ষাৰ নামত যিবিলাক ব্যৱস্থা লোৱা হৈছে সেই বিলাকৰ দ্বাৰা জনসাধাৰনৰ মাজত শান্তি শৃংখলা ৰক্ষা হোৱা নাই। তেনে কৰিবলৈ যাওতে ৰাজ্যখনৰ কাৰণে যি বিত্তীয় ঘাটি দেখুৱা হৈছে সেইটো সুস্থিৰ বুলি পৰিলক্ষিত হোৱা নাই। যি কেইটা সমস্যা আইন শৃংখলাৰ কাৰণে সন্মুখত আহিছে সেইকেইটা ঠিকমতে নজৰ দি সেই মতে ব্যৱস্থা লোৱা হোৱা নাই যেন পৰিলক্ষিত হৈছে। সেই কাৰণে এই ক্ষেত্ৰত আমাৰ সন্দেহৰ অৱকাশ আছে। আজি সন্ত্ৰাসবাদৰ ক্ষেত্ৰত যি সমস্যাৰ সৃষ্টি হৈছে সেইটো অতি ক্ষীপ্ৰ-ভাৱে সমাধান কৰিব লাগে। সন্ত্ৰাসবাদৰ কাৰণে যি ভাবে ৰাজ্যখনত হত্যা, লুণ্ঠন আদি চলি আছে সেই ক্ষেত্ৰত শাসক গোষ্ঠীৰ ফালৰ পৰা আগৰ চৰ-কাৰৰ দিনতো তেনে ঘটনা ঘটি আছিল বুলি কবলৈ প্ৰয়াস কৰা দেখা গৈছে কিন্তু আগৰ চৰকাৰৰ দিনত ইমান বিলাক হত্যা কৰা হোৱা নাছিল! এনেদৰে মানুহ মাৰি অনিশ্চয়তাৰ সৃষ্টি কৰা হোৱা নাছিল। সন্ত্ৰাসবাদৰ দ্বাৰা অসমৰ সমস্যা সমাধান কৰিব নোৱাৰি বুলি আমি দৃঢ়ভাৱে কব বিচাৰিছো। কিন্তু আজি দেখা গৈছে ইয়াৰ নামত দুটা দলৰ মাজত ভাতৃঘাটি সংঘৰ্ষৰ সৃষ্টি কৰা হৈছে। প্ৰকৃততে সিবিলাকৰ ক্ষোভ আৰু হিংসাশ্ৰয়ী মনোভাৱৰ গুৰি ক'ত তাকে ঠাৱৰ কৰিব লাগিব। অসমৰ এই সমস্যাৰ বাবে পৰিস্কাৰভাৱে সমস্যা সমাধানৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

( ভইচ : বাজেটৰ ওপৰত কব লাগে )

মই বাজেটৰ ওপৰতে কৈছো। এই সকলো বিলাক কথাৰে প্ৰতিফলন বাজেটত ঘাটি আহিছে। এই সমস্যা সমাধানৰ কাৰণে চৰকাৰে দৃঢ়তাৰে আহক আৰু সমস্যাৰ প্ৰকৃত বিশ্লেষণ কৰি তাৰ সমাধানৰ কাৰণে ব্যৱস্থা লব বুলি আশা প্ৰকাশ কৰিলো। অধ্যক্ষ মহোদয়, আৰু এটা গুৰুত্বপূৰ্ণ কথা কব খুজিছো। বাৰ্ষিক পৰিকল্পনাৰ এই ৰাজ্যখনৰ কাৰণে অতি গুৰুত্বপূৰ্ণ। ৰাজ্যখনৰ উন্নতি

জনসাধাৰণৰ উন্নয়ণ আদি বহু পৰিমাণে পৰিকল্পনাব ওপৰত নিৰ্ভৰশীল। এই পৰিকল্পনাৰ ক্ষেত্ৰত বহুত টকা ধাৰ্য্য কৰা হৈছে। কিন্তু আমি পৰিকল্পনাত কি পাইছো আৰু পৰিকল্পনা কি হৈছে এইটো যদি প্ৰশ্ন কৰা হয় তেনেহলে উত্তৰ পোৱা টান হব। বিত্তমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যেন ৰাজ্যখনৰ পৰিকল্পনাৰ বিভাগটোত অগ্ৰাধিকাৰ ভিত্তিত ব্যৱস্থা লোৱাৰ দিহা কৰে। তাৰ কাৰণে পৰিকল্পনাৰ বিভাগটো দেশৰ বিভিন্ন অৰ্থনীতিবিদ আৰু বিজ্ঞলোকৰ দ্বাৰা পৰিচালিত কৰিবলৈ দিয়া উচিত। তেতিয়াহলে আমি ভাবো পৰিকল্পনা বিভাগ যথেষ্ট কৰ্মক্ষম হব আৰু ৰাজ্যখনৰ উন্নতিৰ ক্ষেত্ৰত বহু পৰিমাণে লাভৱান হব পৰা যাব।

অধ্যক্ষ মহোদয়, ইয়াৰ পিচত স্বাস্থ্য বিভাগ সম্পৰ্কত কেইটামান কথা কব বিচাৰিছো। বিভিন্ন সময়ত যিমান টকা মঞ্জুৰী দিয়া হয় সেই মতে মঞ্জুৰী দিয়া ধন অনুপাতে জনসাধাৰণে সুফল পাব নোৱাৰে। যিমানখিনি ধন বণ্টন কৰা হয় সেই অনুপাতে জনসাধাৰণ উপকৃত হব পৰা নাই। ইতিমধ্যে ভালে কেইজন মাননীয় সদস্যই ইয়াতে বিধান সভাৰ মজিয়াত উল্লেখ কৰিছে যে ডাক্তৰ নাই; নাৰ্চ নাই আৰু মানুহ উপকৃত হব পৰা নাই। মই সেই বিলাক অঞ্চলৰ কথা নকওঁ। আমাৰ গুৱাহাটীৰ মাজ মজিয়াতে অৱস্থিত গুৱাহাটী মেডিকেল কলেজৰ অৱস্থা অতি পুতৌ লগা হৈছে। অপাৰেচন কৰি আহি হাত ধুবলৈ চাবোন এটুকুৰাৰো অভাৱ হৈছে। অথচ ইমান বিলাক টকা পইচা মঞ্জুৰী দিয়া সত্বেও জনসাধাৰণে তাৰ সুফল ভোগ কৰিব পৰা নাই। এই বিলাক বিষয়ত বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰৰ ওচৰত অনুৰোধ জনালো। আন এটা কথা মই উল্লেখ কৰিব বিচাৰিছো। আমাৰ বিজুলি শক্তিৰ ক্ষেত্ৰত ভীষণ সমস্যাই দেখা দিছে। এই বিষয়টোও মাননীয় সদস্য ভালেকেইজনে উল্লেখ কৰিছে। আমাৰ ৰাজ্যখনত বিজুলীৰ নাটনিৰ কাৰণে যথেষ্ট অসুবিধা হৈছে আৰু এই অসুবিধাৰ বিপৰীতে কোনো বাস্তৱ ব্যৱস্থা লব পৰা নাই। চৰকাৰৰ ফালৰ পৰা তেনে কোনো ব্যৱস্থা হাতত লোৱা আমি দেখিবলৈ পোৱা নাই। অথচ আমাৰ ওচৰতে থকা ৰাজ্য সমূহৰ ফালে দেখা যায় তেওঁলোকে বাস্তৱ ব্যৱস্থা হাতত লৈছে, বিজুলী শক্তিৰ ক্ষেত্ৰত স্বাৱলম্বী হোৱাৰ কাৰণে তেওঁলোকে কি ধৰণৰ ব্যৱস্থা হাতত লৈছে মই পঢ়ি দিছো—

"MOU signed for Arunachal power projects"

Arunachal pradesh today signed a Memorandum Of Understanding ( MOU ) with a private company, Intercorp,. to set up two power projects in the State which would ultimately have an installed capacity of 640 MW…Collaborating with Intercorp would be Australia's Snowy Mountains Engineering Corp. Ltd., which is already working on development projects in Orissa, Uttar pradesh and Rajasthan. The two projects, one at Changlang and the other at Kameng, are expected to start within the next two years are estimated to cost around Rs. 1120 crores.

গতিকে আমাৰ নিচেই কাষতে থকা ওচৰ চুবুৰীয়া ৰাজ্যই বিজুলী শক্তিৰ উন্নতিৰ কাৰণে এনেকুৱা ধৰণৰ ব্যৱস্থা লৈছে আৰু আমাৰ চৰকাৰেও এই ধৰণৰ ব্যৱস্থা লব নোৱাৰে বুলি মই নাভাবো। গতিকে এই ক্ষেত্ৰত বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি মই অনুৰোধ জনাইছো।

অধ্যক্ষ মহোদয়, বিত্ত মন্ত্ৰীৰ বাজেট বক্তৃতাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ এটা দিশ হৈছে কো-অপাৰেটিভ চেক্টৰৰ কোনো কথা উল্লেখ নকৰিলে। নিবনুৱা সমস্যাৰ কথা কোৱা হৈছে কিন্তু এটা কথা বিশেষভাৱে কব বিচাৰিছো যে কোনো চৰকাৰেই একমাত্ৰ চাকৰি দি নিবনুৱা সমস্যা সমাধান কৰিব নোৱাৰে কো-অপাৰেটিভ চেক্টৰৰ ওপৰত গুৰুত্ব দিব লাগিব। তেনে এটা ব্যৱস্থা কৰিব পাৰিলেহে নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত কিছু আগ বাঢ়িব পাৰিব। ঠিক সেইদৰে উদ্যোগৰ ক্ষেত্ৰত তেনেকুৱা কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰিব লাগিব নহলে আমাৰ নিবনুৱা সমস্যা জটিলৰ পৰা জটিলতৰ হৈ পৰিব। গতিকে এই দিশত এটা বাস্তৱ ব্যৱস্থা গ্ৰহণ কৰিবৰ কাৰণে বিত্ত মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো। এই ক্ষেত্ৰত চৰকাৰে আমাৰ পৰা যেনে ধৰণে সহযোগ বিচাৰে আমি সহযোগ কৰিম। মই দীঘলীয়া কৰিব বিচৰা নাই। এইখিনিতে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিছো।

* শ্ৰীমিশন ৰঞ্জন দাস :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিত্ত মন্ত্ৰী

* Speech not corrected.

মহোদয় যে বাজেট এই সদনে পেশ করছেন- তাকে আমরা কোনও মতেই জন-মুখী বাজেট বলে অভিহত করতে পারি না। অর্থাৎ এটা একটা জনবিরোধী বাজেট। মহোদয়, বিগত বছরের বাজেট ছিল উদ্বৃত্ত বাজেট। কিন্তু আমরা কার্য্যক্ষেত্রে দেখলাম যে উদ্বৃত্ত বাজেট থাকা স্বত্বেও রাজ্যের উন্নয়ন মূলক কোনও কাজে টকা পয়সা দেওয়া হয় নি। এই ব্যাপারে আজ মুখ্যমন্ত্রী মহোদয় বলে-ছিলেন যে কেন্দ্রীয় সরকার গ্রান্টস না দেওয়ার জন্য এই উন্নয়ন মূলক কাজ স্থগিত রয়েছে এবং দেখানো হয়েছে যে এবারে বাজেটের অপেনিং বেলেন্সে ১২০ কোটি টাকা সেভিংস্ হয়েছে। সেটা ভুল তথ্য। এটা থাকতে পারে না। বলা হয়েছে যে টেজারী ষ্ট্রাইক ভেঙ্গেছে। পরে আমরা দেখতে পাব যে উন্নয়নমূলক কাজের জন্য মহকুমা এবং জেলায় যে টাকার এল ও সি বিতরণ করা হবে সেই টাকা নেই। তাছাড়া বাজেটে যে ডেফিসিত দেখানো হয়েছে ২৬২.৯৮ কোটি টাকা, আমার বিশ্বাস সেটা বেড়ে ২/৩ গুণ হবে এবং ডেফিসিত কভার করা জন্য রিসোর্স মবিলাইজেশ্যন করা আর সম্ভব হচ্ছে না। কারণ আসামে রিসোর্স মবিলাইজেশ্যন করার ব্যবস্থা ত্রুটিপূর্ণ। আর তখন একমাত্র অস্ত্র থাকবে নতুন করে 'কর' বসানো। নতুবা এই বাজেট সম্পূর্ণ ব্যর্থ হবে।

মহোদয়, এই বাজেটে অনেক নতুন কর বসানো হয়েছে। অথচ শিক্ষা, স্বাস্থ্য ইত্যাদি বিভাগে কোনও উন্নয়ন মূলক নতুন পরিকল্পনা নেওয়া হয়নি। আমরা আশা করেছিলাম যে বরাক ভেলিতে আরেকটা কৃষি বিশ্ববিদ্যালয় স্থাপন করার প্রস্তাব সরকার নিবেন। কিন্তু তা নেই। আমরা ভেবেছিলাম যে করিম-গঞ্জও এ রাইস্ রিসার্চ এণ্ড এক্সপেরিমেন্টেল সেন্টার সেতা রয়েছে সেখানে একটা ইউনিভারসিটি স্থাপন করা হবে। এই ধরণের কোনও জনকল্যানমূলক কোনও পরিকল্পনা নাই। অথচ টেক্স বসালে সেটা মেনে নেওয়া হয়।

স্বাস্থ্য বিভাগের উন্নয়নের জন্য বিগত বৎসরে যে গুলো কাজ হাতে নেওয়া হয়েছে সেগুলো কমপ্লিত হয় নি এবং নতুন করেও ১০০ বা ২০০ বেডের হস-পিটেলের কোনও পরিকল্পনা এই বাজেটে দেখা যায় নি। উপরন্তু বিশেষকরে স্বাস্থ্য বিভাগের উপর সরকার নতুন করে 'কর' বসিয়েছেন। যেমন-আয়ুরবেদিক, হোমিওপ্যাথিক ইউনানি ঔষধের উপর কর বসিয়েছেন। অথচ এই ধরণের

চিকিৎসা যারা গরীব লোক, তারাই কর। সুতরাং এই কর সাধারণ গরীব জনসাধারণের উপর এক মস্ত আঘাৎ। তাছাড়া রয়েছে এক্সরেপ্লেট, সাউণ্ড স্কেনিং এর উপর কর। আজকালটো হাস্পাতালে স্কেনিং দুরের কথা একটা এক্সেরে প্লেট ও পাওয়া যায় না। সুতরাং এই কর'র ফলে জনসাধারনেকে আরও বিপদের মধ্যে সরকার ফেলে দেবেন।

মহোদয়, সরকারের দৃষ্টি এর পর পড়েছে রান্নার বাসন পত্রের উপর। শতকরা ৮ ভাগ থেকে ১২ ভাগ কর বাড়িয়ে দেওয়া হয়েছে। এর ফলে এসব জিনিসের দাম আরও অনেক বেশী বেড়ে যাবে। আজকাল সবাই স্টেনলেস্ স্টীলের বাসন পত্র ব্যবহার করে। এবার এগুলোর দাম যথেষ্ট বেড়ে যাবে। অথচ কেন্দ্রীয় সরকার ঠিক উল্টো ভাবে কন্‌জুমার্দে প্রডাক্তস্‌নগুলির উপর থেকে কর রেহাই দিয়েছেন।

লটারীতে কর ছিল না। এবারে শতকরা ১০ ভাগ কর বসানো হয়েছে। যেসব যুবক চাকরী পায় নি, হেণ্ডিকেপ্ত এরাই লটারীর টিকট বিক্রা করে জীবন ধারণ করছে। এতে লটারীর টিকট বিক্রী বন্ধ হবে আর সবাই তাঁর এর দিকে ধাবিত হবে। এটা বছর খারাপ কাজ হয়েছে।

মহোদয়, বিত্ত মন্ত্রীব কাছে আমার অনুরোধ যাতে আয়ুর্বেদিক, হোমিও-প্যাথি ও ইউনানি মেডিসিনের উপর থেকে এবং এক্সরেপ্লেট, আল্ট্রাসাউণ্ডে'র উপর থেকে কর উঠিয়ে নেওয়া হয়। অবশ্য কয়েকটা জিনিসের উপর থেকে কর উঠিয়ে নেওয়া হয়েছে। এটা খুব ভাল কথা। যেমন টায়ার, মোটর পার্টস। এদের উপর ১২ পার্সেণ্ট থেকে কমিয়ে ৮ পার্সেণ্ট করা হয়েছে। অথচ লুব্রিকেটসের উপর টেক্স বড়ানো হয়েছে। এতে আবার সব ব্যালেন্স হয়ে গেছে।

(Mr. Speaker Vacated the chair and Mr. Deputy Speaker occupied it.)

মহোদয়, পান মসলা সাধারণ লোক ব্যবহার করে। এতে নতুন করে কর বসানো হয়েছে। এটা বিবেচনা করা দরকার। আমি আর বাক্তব্য দীর্ঘ করবো না। একদিকে কেন্দ্রীয় সরকার কন্‌জুমার্স গুড্‌স্'র উপর থেকে কর রেহাই দিয়েছেন—এমন কি কালার টিভি, ভিডিও কেসেট থেকেও কর কমানো হয়েছে। অন্যদিকে রাজ্যচরকার কর বাড়িয়েছেন। কেন্দ্রীয় সরকারের যে উদ্দেশ্য ছিল যে প্রডাক্‌শন বাড়ানো, কর্ম সংস্থান বাড়ানো রাজ্যিক বাজেটর ফলে সেই

উদ্দেশ্য বৰ্থ হবে। এই বলে বাজেটর বিরোধিতা করে আমার ব্যক্তব্য শেষ করছি।

Mr. Deputy Speaker :— Honourable member Shri Chandan Kr. Sarkar.

*শ্ৰীচন্দন কুমাৰ সৰকাৰ : মাননীয় উপাধ্যক্ষ মহোদয়, মই আজি আমাৰ মাননীয় বিত্তমন্ত্ৰী মহোদয়ে যিখন বাজেট সদনত উত্থাপন কৰিছে তাৰ প্ৰতি সমৰ্থন জনাই তুষাৰ কৰলৈ বিচাৰিছো। এই বাজেট সম্পৰ্কে বহুতো মাননীয় সদস্যই অভিযোগ আনিছে, মই এটা কথা কব খুজিছো যে এই বাজেটখন উৎকৃষ্ট হৈছে এই কাৰণে যিখিনি সম্পৰ্কে কৰ লগোৱা হৈছে তাৰ ভিতৰত পান মচলাও আছে। পান মছলা দুখীয়া মানুহে নেখায়, ধনী মানুহে খায়। গতিকে পান মছলাত কৰ লগোৱাতো ভাল হৈছে। মাৰ্বল পাথৰতো কৰ লগোৱা হৈছে, গাওঁলীয়া মানুহে এইটো ব্যৱহাৰ নকৰে। আৰু আমি দেখা পাইছো ৰঙীন টি, ভি, ভি, ডি, ও কেছেট এই বিলাকত কৰ লগোৱা হৈছে। এই ক্ষেত্ৰত দুখীয়া জনসাধাৰণৰ কোনো ক্ষতি নহব। বাজেটখন যিবিলাক কৰ লগোৱা হৈছে তাৰ কাৰণে মই বিত্তমন্ত্ৰী মহোদয়ক ধন্যবাদ দিছো। অন্ধ স্কুলৰ যিবিলাক সা-সৰঞ্জাম সেই বিলাকত সম্পূৰ্ণ ভাবে কৰ ৰেহাই দিছে। ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰীসকল উপকৃত হব। দুচকীয়া আৰু তিনিচকীয়া যান-বাহনৰ ক্ষেত্ৰত কৰ কিছু ৰেহাই দিয়াৰ কাৰণে দুখীয়া শ্ৰেণীৰ লোক সকল বিশেষকৈ অটো চালক সকল উপকৃত হব। বিত্তমন্ত্ৰী মহোদয়ে কোনোবা কালত বেকাৰ আছিল নেকি সেই কাৰণে এই ক্ষেত্ৰত যুৱক সকলক উৎসাহ জনাইছে। এইটো ৰেহাই দিয়াৰ কাৰণে উত্তম হৈছে। স্কুল বিলাকৰ ফৰ্ণিচাৰৰ বাবে অৰ্থ সাহায্য দিয়া হয়, সেই বিলাকত বহুত টকা কৰ দিব লগা হয়। বিত্ত মন্ত্ৰী মহোদয়ে এই কৰ ৰেহাই দিছে তাৰ বাবে ধন্যবাদ দিছো। মই এই বাজেট খনৰ ওপৰত পৰামৰ্শ দিব খুজিছো, যদিও কৃষিৰ ক্ষেত্ৰত গুৰুত্ব দিয়া হৈছে মই ভাবো বিত্তমন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত আৰু গুৰুত্ব দিব লাগে। অসমৰ বেচিভাগ মানুহে কৃষক, কৃষি কাম কৰে। কৃষকৰ আহিলা পাতি এই বিজ্ঞানৰ যুগত বহুত পোৱা যায়। কৃষিৰ যন্ত্ৰ পাতি বিলাকৰ ক্ষেত্ৰত আৰু কৃষি সামগ্ৰীবিলাকত শতকৰা ৫০ ভাগ ৰেহাই দিব পাৰে। তাৰে ব্যৱস্থা

*Speech not corrected.

লব্ব বুলি মই আশা ৰাখিছো। অশোক কাগজ কল মোৰ নিজৰ সমষ্টিত পৰিছে। বাজেটৰ নাটনি হৈছে বুলি মই জানো, তথাপি অশোক কাগজ কল খুলিবৰ বাবে যিখিনি অৰ্থৰ প্ৰয়োজন দিল্লীৰ লগত যোগাযোগ কৰি ধন আনিব বুলি মই পৰামৰ্শ আগবঢ়াইছো।

মাননীয় উপাধ্যক্ষ মহোদয়, কৃষকক যিবিলাক বস্তু দিয়া হয় সেই বিলাকৰ ক্ষেত্ৰত আৰু এটা পৰামৰ্শ আছে। বানপানীত ক্ষতিগ্ৰস্ত লোক সকলক ২/৩ শ বা ৫ শ টকা দিয়া হয়, এইখিনি টকাৰে কোনো কামত নাহে, এইটো বৃদ্ধি কৰিব লাগে। অসমত প্ৰতি বছৰে বানপানী হয়, হয়তো এই বছৰ ভগৱানৰ আশীৰ্বাদত কংগ্ৰেছ চৰকাৰ অহাৰ কাৰণে হোৱা নাই। প্ৰায় বছৰে বানপানী হয় আৰু ৰাইজ ক্ষতিগ্ৰস্ত হয়, বানপানীত ক্ষতিগ্ৰস্ত সকলক যাতে অধিক অৰ্থৰ অনুদান দিয়া হয় তাৰ বাবে পৰামৰ্শ ৰাখিছো। এই ক্ষেত্ৰত সম্পূৰ্ণ অনুদান দিয়াৰ কাৰণে মই কোৱা নাই, অতি কমেও শতকৰা ৩০ ভাগ অনুদান হিচাবে দিলে উপকৃত হব। মই ভাবো এইখন এখন উত্তম বাজেট হৈছে। ইয়াকে কৈ মই বাজেট খনক পুনৰ সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Deputy Speaker: Honourable Member Dr. Abdul Matin Mazumdar,

Dr. Abdul Matin Mazumdar: Honourable Deputy Speaker, while speaking on the budget proposal presented before the house by the Honourable Finance Minister, I would like to state that there cannot be an ambitious budget under the present financial constaint.

Now talking about Agriculture and Allied Services with an Annual Outlay of Rs. 135·31 crores which represents 13·1% of Annual Plan Outlay and also stated by the Honourable Finance Minister that the Redeeming feature of the Agricultural scenerio is that the production of foodgrains particularly paddy, wheat, maize, pulses and Oilseeds are growing steadily over the years, if the present trend continues, it will be possible to maintain the

production profile in the coming year also and it is expected that the target of producing 36·36 lacs tons of foodgrains would be attained in the next year, and the major thrust of the policy would be the extension of the area under crops including horticulture and vegetables; development of Irrigation, buffer stocking of fertilizers and seeds, effective input delivery system, increase of cropping intensity through double and multiple Groppins marketing support and adoption of improved agriculture practices. An outlay of Rs. 69·40 crores is proposed for Agriculture in 1993-94 Annual Plan. Honourable Deputy Speaker, I am under obligation to state that this part of Honourable Finance Minister's statement is more academic than practical. As a member from Barak Valley I would like to state that the development of Minor Irrigation in Cachar is zero. the buffer stock of seeds and fertilizers is most erratic and the development of improved Agricultural practice is almost nil. Whatever is the development, it was done in 1970s and nothing more has been added to it. All the Agricultural Officers starting from the District officers down to the Agricultural Demonstrators and Gram Sevaks are more Reports and Retun minded than Production minded. I would request the Honourable Minister, Agriculture to constitute a Committee with Honourable Members of this August house and gear up the Agricelture Department so that these officers are compelled to work seriously and sincerely in the production side otherwise, whatever has been stated, all will remain in papers and nothing more would be achieved.

Now coming to Panchayat and Rural Development, I am under obligation to state that the three-tire Panchayat

Raj bodies are fast becoming old wine in new bottle unless the Modus Opereni is changed. The IRDP and the Jawahar Rojgar Yojona which are poverty alleviating programmes intended to improve the living condition of the rural poor are becoming Middle-man alleviation programmes than poverty alleviation ones. The executions under IRDP and JRY are done by the Block Development Officers through their nearest man in Junior Engineer or the extension officer who would pick up a Middle-man or an agent from the village and get executed with 1/4th of the allocated fund some nominal work which will vanish within two months of execution or which the first shower of the Monsoons. This is how the scheme is executed and the rest of the money that is 3/4th of allocated fund goes to the pockets of so many, in other words, the fund is misappropriated. This is the field reality of execution under IRDP and JRY. The D.R.D.A. also suffers from the same fate; The modus operendy is the same as JRY and IRDP, more chocking is the fact that a big persentage of D.R.D.A fund is diverted to the Urban area for development work from which the Rural people and the Rural poor derive no benefit. This has been discussed in this house a few days back; I would request the Honourable Minister, Panchayat and Rural Development to gear up the machinery and by administrative order by some other appropriate measures change the Modus Operendy of IRDP and JRY so that at least 80% of the allocated fund is utilised and the benefit goes to the Rural poor. I would also request the Honourable Minister to ensure that D.R.D.A fund is not diverted to the Urban areas for either developmental or Non-developmental works.

Now coming to the Hea th sector, it is state that the programmes under health sector has been desigred to achieve the goal of health for all by the year 2000 AD but I am under obligation to stat that in Barak Valley, most of the state dispensaries, Primary Health Centres and the Hospitals are in very bad shape. The buildings of the hospitals P. H. Cs and state dispensaries as well as the staff quarters have not been repaired for the last few years. The first Aid materials like Bandage, gauge, cotton wool are not available in the hospitals, the medicines for daily use are not supplied to the hospitals and if supplied, these are exhausted in a few days Life-saving drugs are very scarce. The same is the case with Silchar Medical College, here also, the bandage, gauge, cotton wool and Life saving drugs and even stitching materials are not supplied. The attendance of doctors in both state dispensaries P. H. Cs as well as the Medical College is erratic and irregular. Common people say, that Silchar Medical College which has been established as an institution for medical education and treatment is more an institution for the private practice of fortunate few professionals. I would request the Honourable Minister, Health and Family Welfare to tone up the Medical administration so that doctors do attend the hospitals according to time schedule, the medicines including the Life saving once as well as the bandage and stitching materials are supplied to the state dispensaries P. H. Cs and Medical College Haspitals. I would also request the Hanourable Minister to look into the disparity in income of teacher of Clinical and Non-clinical subjects of Medical College and bring about appropriate legislation

so that teaching posts of Medical Colleges are made Non-practicing ones, for unless that is done, the standard of Medical education and hospital services to patients cannot be improved. I would like to request the Honourable Finance Minister to prevail upon the Government of India to write off the Loan Assistance given to the state so far or otherwise there should be Rescheduling of the loan and moratorium on Loan-Repayment for not less than 15 years. ( Mr. Deputy speaker rang the bell ) Sir, give me more time. The Honourable Finance Minister has mentioned about bringing a bill for rationalisation of rate of taxes thereby prevention of diversion af trade and erosion of revenuel I welcome such a Bill. I cite an example in this case. Most of the Auto mobile drivers on Silchar-Guwahati route purchase maximum of their P. O. L. requirement from Meghalaya where the cost of litre of petrol is cheeper by nearly 80 paisa than that of Assam. I would also request the Honourable Finance Minister to convene a conference of the Finance Minister of North Eastern States to evolve an agreed formula for uniform tax stucture for the North-Eastern States. The increase in taxes on Pan-Mosala is welcome, I would have welcomed if the Honourable Finance Minister had increased taxes on tobacco, Bidi, Cigaratles Alcohol. I have no sympathy for Alcoholics. I would request the Honourab'e Finance Minister to abolish taxes on Electric Bulbs used by Low Income Group and Power tiller used by small Farmers as suggested by Honourable Member Profulla Mohanta. I hope this would be done. Thank you very much Sir.

Mr. Deputy Speaker: Honourable Shri Jew Ram Boro.

*শ্ৰীজীউৰাম বড়ো : মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, মই বাজেটৰ ওপৰত ২টা মান কথা দাঙি ধৰিব বিচাৰিছো। বাজেটখন দেখিবলৈ পাই কিছু ভাল বুলি মন্তব্যও দিছে আৰু কিছু বিকলাঙ্গ কৰিব বিচাৰিছে। অৰ্থ নাই বুলি কোৱা হৈছে কিন্তু ইয়াত কেইটামান কথা কবলগীয়া আছে-- আমাৰ দেশখন এখন আণ্ডাৰ ডেভলপ কাণ্ট্ৰি। এইখন দেশৰ অৰ্থ বহুত আছে। ভাৰতবৰ্ষ এখন গণতান্ত্ৰিক দেশ। অসম এখন সমস্যাবহুল ৰাজ্য। এই ৰাজ্যৰ উন্নতি কৰিবলৈ যাওঁতে যি ধৰণে কাম কৰিব লাগে সেই ধৰণে কাম নোহোৱাৰ ফলতেই এই বাজেটখন অসমৰ কাৰণে দাঙি ধৰা হৈছে। সেইটো স্পষ্ট ছবি অহা যেন অনুমান হয়। এখন গণতান্ত্ৰিক চৰকাৰৰ কাৰণে উন্নয়ন মুখী চৰকাৰৰ কাৰণে এই বাজেট প্ৰস্তুত কৰা হয়। এই বাজেটখন যিধৰণে প্ৰস্তুত কৰা হয় সেই-ধৰণে কাম নকৰিলে জন-কল্যাণমুখী বাজেট বুলি কব নোৱাৰি। যদিহে সেই টকাখিনি সঠিকভাৱে ৰূপায়ণ কৰিব পৰা নাযায়। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই দাঙি ধৰিছে যে ১ কোটি টকাৰ এল, অ, চিৰ ঠাইত যদি ৫০ কোটি টকা আমাৰ ৰাজভৰালৰ পৰা উদং হয় তেতিয়া জন-কল্যাণমুখী বাজেটত নপৰিব। সেই কাৰণে অতি সাৱধানেৰে ইয়াৰ ব্যৱস্থা লব লাগিব। এল, অ, চি দিওতে আমাৰ অধিক ৰাজহ সংগ্ৰহ হয় তাৰ বাবে সাৱধান হব লাগিব আৰু সঠিকভাৱে ৰূপায়ণ কৰিব লাগিব। মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াই ১৯৯৩-৯৪ চনৰ কাৰণে ৫৬ কোটি ০১ লাখ ৫৪ হেজাৰ টকা আমাৰ ওপৰত দাঙি ধৰিছে আৰু ১ কোটি ৬২ লাখ ৬০ হেজাৰ টকা ঘাটি বাজেট উপস্থাপন কৰিছে। এইখন বাজেট জন-কল্যাণৰ কাৰণে সাৱধানেৰে প্ৰস্তুত নকৰিলে কাম নহব। আমি দেখিবলৈ পাইছো বাজেটখন অতি ধুনীয়া। "ওৰণী টনা ন বোৱাৰী।" বাহিৰৰ পৰা দেখাত ধুনীয়া কিন্তু ওৰণী গুছালে আচল মুখখন দেখা পোৱা যায়। আমাৰ বাজেটখন দেখাত ভাল যদিও পিচত বান্দৰী অৱস্থা নহয় যেন। মাননীয় মন্ত্ৰী মহোদয়ে ৯ পৃষ্ঠাতো নিশ্চয় জানে। বিভিন্ন কাৰণত আৰম্ভণিৰে পৰা বিত্তিয় সংকটৰ সম্মুখীন হব লগীয়া হৈছে। বিত্ত আকাশৰ পৰা এতিয়াও কলা ডাৱৰ আঁতৰি যোৱা নাই। আমাৰ ৰাজ্যৰ ৰাজ ভৰাল সবল কৰিব লাগিব। সেই-

* Speech not corrected.

কাৰণে আমি কিছুমান বস্তুত টেক্স উঠাই দিছো। কৰৰ দ্বাৰাই আমি ৰাজভৰাল টনকিয়াল কৰিব লাগিব। আমাৰ দেশত উৎপন্ন হোৱা বস্তু কম মূল্যত বিক্রী কৰিব নোৱাৰে। সেই কাৰণে আমি যেতিয়া দিল্লীলৈ যাওঁ তেতিয়া শিলিগুৰীৰ পৰা নানা বস্তু কিনি লৈ আহো। সেই বস্তু আমি কম দামত পাওঁ, ব্লেক মেইল বুলি কমাই দিয়ে। তাৰোপৰি ৰাজ্যৰ ওচৰৰ পৰা যেনে মেঘালয়ৰ কিছুমান বস্তুৰ লাইচেন্স উঠাই দিছে। সেই কাৰণে মেঘালয়ৰ পৰা মদ আৰু পেট্ৰল আদি অনা হয়। অসমত উৎপন্ন হোৱা বস্তু অসমতে কম মূল্যত বিক্রী কৰাৰ ব্যৱস্থা কৰিব লাগিব। আমাৰ মন্ত্ৰী, বিধায়কসকলে গাড়ী চলায়। সেই গাড়ীৰ কাৰণে তেল কিনা হয়। মেঘালয়ত তেলৰ দাম অসমতকৈ কেইপইচামান কমত পোৱা যাব কাৰণে মেঘালয়ৰ পৰাই কিনিবলগীয়া হয়।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ শ্ৰীফুকন ডাঙৰীয়া আৰু মহন্ত ডাঙৰীয়াই কৈছে অসমত বহুতো 'ৰিচ'চ' আছে সেইবিলাক ঠিকমতে ব্যৱহাৰ কৰিব পৰা নাই। বিদ্যুৎ বহুতো উৎপাদন হয় বুলি কৈছে, যোৱা অধিবেশনতো কৈছে। আমাক বিদ্যুৎ ৪০০ মেগাৱাট লাগে। বিদ্যুৎৰ ক্ষেত্ৰটো আমি যথেষ্ট উৎপাদন কৰিব পাৰো। কিন্তু এনে এটা অৱস্থাটো থকা স্বত্বেও কিয় আমি ভাল এটা অৱস্থা লৈ আনিব নোৱাৰো। ঋণৰ যোগেদি কোনো কাম ডেভলপ নহয়। ইয়াৰ পৰা কেতিয়াও উন্নতি নহয়। এই বাজেটখনৰ দ্বাৰা কোনো স্পষ্ট ছবি ইয়াত আ। নাই। আমি প্ৰত্যেকজন মানুহ কিমান ধৰুৱা হৈ আছো ইয়াত স্পষ্ট হৈ উঠা নাই। তেনেহলে আমাৰ অৱস্থা কেনেকৈ ভাল কৰিম? জনসংখ্যাৰ কথা যদি নেজানো আৰু আমি কিমান আয় কৰিব লাগিব কিমান খৰচ কৰিব লাগিব এই গোটেই কথাখিনি এই বাজেটত স্পষ্টকৈ উঠা নাই।

উপাধ্যক্ষ মহোদয়, মই বেচি কবলৈ নেযাও বিধান সভাৰ বহুতো কথা মই জানিব পৰা নাই। বিধান সভাৰ বহুতো কথা মই শিকিবৰ কাৰণে চেষ্টা কৰি আছো। মই আশা ৰাখিছো বিত্ত মন্ত্ৰী মহোদয় এজন অভিজ্ঞ লোক হিচাপে, আৰু বহুতো অভিজ্ঞ মন্ত্ৰী আছে তেখেতসকলে অসমৰ উন্নয়নৰ কাৰণে কাম-কাজ কৰিব। কৃষিত যিটো আঁচনি ধৰা হৈছে তাৰ দ্বাৰা কোনো উন্নয়ন মূলক কাম নহব। আজি অশোক কাগজ মিল বন্ধ হৈ আছে। কৃষিয়েই হৈছে আমাৰ একমাত্ৰ জীৱিকাৰ পথ। অসমৰ মানুহে মৰাপাট দৰং, বৰপেটা, নগাওঁ

জিলাত যথেষ্ট কৰে। সেই মৰাপাট বিক্ৰী কৰা ঠাই নাই, ব্যৱহাৰ কৰা মানুহ নাই। এনেকুৱাও হোৱা দেখা গৈছে যে সেই মৰাপাট বজাৰত বিক্ৰি কৰিব নোৱাৰি গাত কৰি জুই লগাই দিছে। মৰাপাট উদ্যোগ নোহোৱাৰ কাৰণে আজি অসমত এনেকুৱা এটা অৱস্থাৰ সম্মুখীন হৈছে। মৰাপাট উদ্যোগ লোৱাৰ এটা প্ৰস্তাৱ আছিল। সেইবিলাক কাৰ্য্যত আজিও ৰূপায়িত কৰা নাই। উদ্যোগৰ নামত এটা খাল খান্দি থৈছে। এইবিলাক উৎপাদিত বস্তু যদি মানুহে বিক্ৰি কৰিব নোৱাৰে তেনেহলে কেনেকৈ হব?

উপাধ্যক্ষ মহোদয়, বিত্ত মন্ত্ৰী ডাঙৰীয়াই কিয় খেতিয়ক ৰাইজৰ ওপৰত অৰ্থাৎ 'পাৱাৰ টিলাৰ' ওপৰত টেক্স লগাইছে। খেতি কৰাৰ কাৰণে গাওঁৰ মানুহৰ একমাত্ৰ আহিলা হ'ল মহ আৰু গৰু। এটা মহৰ দাম ৯ হেজাৰ হৈছে। গতিকে অসমৰ মহ আৰু গৰুৱে খেতি কৰি সমস্যা সমাধান কৰিব নোৱাৰে যিহেতু বতৰ খুব বেয়া। মেকানিকিজিমৰ অবিহনে খেতিৰ উন্নতি হব নোৱাৰে। গতিকে কৃষিৰ ওপৰত যিখিনি টেক্স লগাইছে সেইখিনি উঠাই দিব লাগে। বিত্ত মন্ত্ৰী তথা মুখ্য মন্ত্ৰী মহোদয়ক ইয়াৰ কাৰণে মই অনুৰোধ জনাইছো।

মাননীয় উপাধ্যক্ষ মহোদয়, লগতে আৰু এটা কথা কব বিচাৰিছো যে এলোমিনিয়'ম, কাৰপেট আদিৰ ক্ষেত্ৰতো টেক্স লগাইছে। আমি গাৱঁৰ মানুহ কাৰপেট ব্যৱহাৰ কৰিব নেজানো। এইবিলাক সাধাৰণতে গাৱঁৰ মানুহে নিকিনে। কিনে ধনী শ্ৰেণীৰ মানুহে। আজি বাজেটখন চৰকাৰী চাকৰিয়ালৰ দৰমহা, বানচ দিয়াৰ কাৰণে ব্যৱহাৰ নকৰি অসমৰ উন্নয়নমূলক কামত ব্যৱহাৰ কৰিব লাগে। আমাৰ সমষ্টিত বহুতো ৰাস্তা-পদুলী নাই। ডাক্তৰখানা নাই, বহুতো ৰাস্তাত দলং নাই, গতিকে সেইবিলাক উন্নয়নৰ কাম হব লাগে। আৰু ষ্টেট ডিচপেনচেৰী, ভিটেনেৰী ঘৰ বন্ধাৰ কাৰণে টকা নাই, কিবা এল, অ' চি নাই এই ধৰণে চলি আছে। মুখ্যমন্ত্ৰী আতৰি গঙ্গ তেখেতৰ কথা হলে ধৰিলোহেঁতেন। উন্নয়নমূলক কামত আমাৰ ৰাজ্যৰ ধনখিনি খৰচ কৰিলে ভাল হয়। কেৱল মাত্ৰ দৰমহা দিয়া বানচ দিয়া আদিত খৰচ নকৰি লগতে আমাৰ মন্ত্ৰী, বিধায়ক সকল ভ্ৰমণৰ বাবেই ব্যস্ত নেথাকি উন্নয়মূলক কাম কৰিব পাৰে তাৰ কাৰণে অনুৰোধ জনাইছো। শেষত এই আসোঁৱাহ খিনি দুৰীকৰণ কৰি আমাৰ বাজেটখন সাফল্য আৰু সম্পূৰ্ণ কৰিব বুলি আশা ৰাখি এই বাজেটখন সমৰ্থন কৰি সামৰণি মাৰিলো।

Mr. Deputy Speaker: Mr. Mohibul Hoque, to Speak now.

*শ্ৰীমহিবুৰ হক: মাননীয় উপাধ্যক্ষ মহোদয়, আজি আমাৰ বিৰোধী পক্ষৰ কিছুমান সন্মানীয় সদস্যই এই বাজেটখনক বিকলাংগ বাজেট বুলি কৈছে। এই ক্ষেত্ৰত মই কব খুজিছো এইখন বাজেট এটা পূৰ্ণাঙ্গ বাজেট। কিছুমানে কৈছে এইখন বাজেটে জন সাধাৰণৰ আশা আকাংশা পূৰণ কৰিব নোৱাৰে। মই কৈছো যে এইখন এখন জনমুখী বাজেট আৰু এই বাজেটখন অতি উত্তম বাজেট। আৰু এই বাজেটখন হৈছে জন দৰদী বিশেষকৈ দৰিদ্ৰৰ কাৰণে হিতকাৰী বাজেট। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰখনে দায়িত্বভাৰ গ্ৰহণ কৰাৰ সময়ত ৬০০ কোটি টকাৰ এক বৃহৎ পৰিমাণৰ ঋণৰ দায়িত্ব লৈ আমাৰ চৰকাৰ খনে দায়িত্বভাৰ গ্ৰহণ কৰিছিল। যোৱা ২০ টা মাহে আমাৰ চৰকাৰ খনে এই ৬০০ কোটি টকাৰ ঠাইত ২৯০ কোটি টকা ইতিমধ্যে পৰিশোধ কৰাটো এটা অতি লক্ষ্যণীয় কথা। অৰ্থাৎ প্ৰায় ৫০ শতাংশ টকা ইতিমধ্যে পৰিশোধ কৰিছে আৰু বহু সংখ্যক এতিয়াও পৰিশোধ কৰিবলৈ বাকী আছে। এই বেলি যোৱা ২২ মাৰ্চ তাৰিখে আমাৰ বিত্ত মন্ত্ৰী শ্ৰীগগৈ ডাঙৰীয়াই ২৮২.৯৮ কোটি টকাৰ ঘাটি অনুমান কৰা হৈছে যদিও এই ঘাটি ১৬২.৬০ কোটি টকাত সামৰণি পৰিব বুলি আশা কৰা হৈছে। উপাধ্যক্ষ মহোদয়, ইতিমধ্যে বিভিন্ন বক্তাই বহু কথা দাঙি ধৰিছে। বিভিন্ন শিতানৰ ওপৰত বিভিন্ন আঁচনি বা আন আন ভালেমান কথা ইয়াত উল্লেখ কৰা হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, কৰ প্ৰস্তাৱ আৰু কৰ ৰাহিৰ ওপৰত মই দুই চাৰিটা কথা কৈ মোৰ বক্তব্য সামৰণি কৰিব বিচাৰিছো। বেলেগ বেলেগ ৰাজ্যই ধাৰ্য্য কৰা কৰ নিৰিখ পাৰ্থক্য আৰু কিছুমান চুবুৰীয়া ৰাজ্য কৰ মুক্ত হোৱাৰ ফলত কৰ ফাকি দিয়াত সুবিধা দিছে আৰু তাৰ পৰিনাম স্বৰূপে ৰাজ্যখনে বহু টকা কৰ ৰাজহ হেকৱাব লগা হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে গোটেই দেশ খনৰ এটা ইউনিফৰ্ম টেক্স ৰক্ষাৰ প্ৰচেষ্টা চলোৱাটো এটা লক্ষণীয় কথা। এই ক্ষেত্ৰত প্ৰথম পদক্ষেপ হিচাপে পাবলিক ফাইনেন্স এণ্ড প'লিচিৰ আধাৰত কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন আৰ্হিত প্ৰস্তুত কৰিছে। মাননীয় উপাধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই বাজেটৰ এটা কথা অৱগত কৰিব খুজিছো। এইটো হ'ল এই বাজেটখন দৰিদ্ৰৰ

* Speech not corrected.

সহায়ক বাজেট। ইয়াত যি কৰৰ প্ৰস্তাৱ তুলি ধৰা হৈছে পান মছালাৰ কথা কোৱা হৈছে। উপাধ্যক্ষ মহোদয়, আপুনি জানে যে আমাৰ গাওঁ অঞ্চলৰ দুখীয়া দৰিদ্ৰ মানুহে সাধাৰণতে পান মছালা ব্যৱহাৰ নকৰে। আৰু আমাৰ অসমীয়া জাতিৰ পৰম্পৰা আছে যে আমি আমাৰ অতিথি সকলক সাদৰ সম্ভাষণ জনাওঁ আমাৰ নিজৰ ঘৰতে থকা তামোল পানেৰে। গতিকে এই ক্ষেত্ৰত আমাৰ অসমীয়া মানুহৰ অসমীয়া জাতিৰ যি পৰম্পৰা সেই পৰম্পৰাত কোনো ধৰণে অনিষ্ট সাধন কৰা নাই এই পান মছালা ধনী মানুহ সকলে ব্যৱহাৰ কৰে। গতিকে ইয়াত পান মছালাৰ ওপৰত কৰ প্ৰস্তাৱ দিয়াটো উপযুক্ত হৈছে বুলি আমি ভাবো। উপাধ্যক্ষ মহোদয়, আজি কালাৰ টিভিৰ ওপৰত ২ শতাংশ কৰ বৃদ্ধি কৰাৰ প্ৰস্তাৱ কৰা হৈছে কিন্তু ব্লেক এণ্ড হোৱাইত টিভিত বৃদ্ধিৰ প্ৰস্তাৱ দিয়া হোৱা নাই। এই ক্ষেত্ৰত আমি কব খুজিছো আমাৰ দুখীয়া কৃষক শ্ৰমিক সকলে ৰঙিন টি ভি ব্যৱহাৰ নকৰে আৰু অসমৰ ৫ শতাংশ মানুহে বা তাৰ ওপৰত বৰ বেছি ১০ শতাংশ ধনী মানুহেহে টি ভি তথা দুৰদৰ্শন চোৱাৰ সুবিধা পায়। গতিকে ১০ শতাংশ মানুহেহে যিহেতু টি ভি চাব পাৰে গতিকে অকল কালাৰ টি ভিতে নহয়। মই ভাবো ব্লেক এণ্ড হোৱাইত টি ভিটো কৰ প্ৰস্তাৱ থাকিলে ভাল হ'লহেতেন কাৰণ আমাৰ দুখীয়া দৰিদ্ৰ জন-সাধাৰণক এতিয়াও টি ভিৰে সামৰি লব পৰা নাই। মাননীয় উপাধ্যক্ষ মহোদয়, এই বাজেটত ওৱাটাৰ পাম্প ছেটৰ কথা কোৱা হৈছে।

কৃষক সকলৰ সুবিধাৰ অৰ্থে যি উদ্দেশ্যে পাম্পচেট দিছে সেই উদ্দেশ্যে নহয়। যিবিলাক ডাঙৰ ডাঙৰ চাৰি পাঁচ তলাৰ বিল্ডিং আছে, বৈদ্যুতিক পাম্পচেটেৰে সেই বিল্ডিঙলৈ উঠে সেই পাম্প চেটৰ ওপৰত কৰ বৃদ্ধিৰ বাবে প্ৰস্তাৱ কৰা হৈছে। উপাধ্যক্ষ ডাঙৰীয়া, অসমে লটাৰী টিকটৰ ওপৰত নতুনকৈ ১০ শতাংশ কৰ লগোৱাৰ প্ৰস্তাৱ কৰা হৈছে, এইটো এটা ডাঙৰ ভাল প্ৰস্তাৱ, ইয়াৰ জৰিয়তে আমাৰ বহু খিনি কৰ আদায় হব আৰু ৫ শতাংশ আমাৰ ৰাজ্যিক লটাৰী টিকট বিক্ৰী পাঁচ শতাংশ আৰু ৯৫ শতাংশ অসমৰ বাহিৰত বিক্ৰী কৰা হয়। এই ক্ষেত্ৰত ১০ শতাংশ প্ৰস্তাৱ দিয়াত নিশ্চয় ন্যায়সংগত হৈছে বুলি ভাবো। উপাধ্যক্ষ ডাঙৰীয়া, কৰ ৰেহাইৰ ক্ষেত্ৰত দুই বা তিনি চকীয়া গাড়ী, তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী সকলৰ প্ৰতি লক্ষ্য ৰাখি যি বাৰ

★ Speech not corrected.

পাৰচেণ্ট কৰ হ্ৰাস কৰি পাঁচ শতাংশ হ্ৰাস কৰিবলৈ প্ৰস্তাৱ লোৱা হ'ল, ঠিক তেনেকৈ আমাৰ সমাজৰ দুখীয়া শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ ও লৰা-ছোৱালীয়ে চাইকেল চলোৱাৰ কৰৰ প্ৰতি লক্ষ্য ৰাখি ৮ শতাংশ হ্ৰাস কৰি ৪ শতাংশ লোৱাৰ প্ৰস্তাৱ আগবঢ়োৱা হৈছে। উপাধ্যক্ষ ডাঙৰীয়া ছাত্ৰ-ছাত্ৰীৰ স্কুলৰ ইউনিফৰ্মৰ ওপৰত থকা বিক্ৰী কৰ সম্পূৰ্ণভাবে উঠাই দিয়া হৈছে। অন্ধ, কলা-বোবা লৰা-ছোৱালীয়ে ব্যৱহাৰ কৰা সা-সামগ্ৰীৰ ওপৰত থকা বৃদ্ধি কৰ উঠাই লোৱাৰ ব্যৱস্থা কৰা হৈছে। অধ্যক্ষ ডাঙৰীয়া, শাৰীৰিক ভাবে বাধাগ্ৰস্ত লোকসকলে ব্যৱহাৰ কৰা হুইল চেয়াৰ আৰু অন্যান্য সামগ্ৰীৰ ওপৰত কৰ উঠাই লোৱা প্ৰস্তাৱ কৰা হৈছে। আজি শিশু খাদ্যৰ ওপৰত ৮ শতাংশৰ ঠাইত ৫° শতাংশ উঠাই লোৱাৰ প্ৰস্তাৱ কৰা হৈছে। উপাধ্যক্ষ ডাঙৰীয়া, মুঠতে আমাৰ এই বাজেট খন সম্পূৰ্ণভাবে দৰিদ্ৰ জনসাধাৰণৰ বাবে প্ৰস্তুত কৰা হৈছে। মই মাননীয় বিত্ত মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো, আমাৰ প্ৰয়োজনীয় খাদ্য সামগ্ৰী দালি আৰু অন্যান্য সামগ্ৰীৰ ওপৰত কৰ উঠাই দিয়াৰ কাৰণে দৃষ্টি আকৰ্ষণ কৰিছো। লগতে সৰিয়হ তেলৰ ওপৰত সম্পূৰ্ণ ভাবে কৰ ৰেহাই দিবলৈ এই প্ৰস্তাৱ আগবঢ়াইছো। উপাধ্যক্ষ ডাঙৰীয়া, চাইকেলৰ টিউব, টায়াৰৰ লগতে চাইকেলত ব্যৱহাৰ কৰা সা-সৰঞ্জামৰ ওপৰত যি খিনি কৰ আছে সেইখিনি যাতে ৰেহাই দিয়ে তাৰ কাৰণে দৃষ্টি আকৰ্ষণ কৰিছো। সৰ্বশেষত বিত্তমন্ত্ৰী গগৈদেৱে যি বাজেট আগবঢ়াইছে তাৰ প্ৰতি মই পুৰ্ণ সমৰ্থন আগবঢ়োৱাৰ লগতে আমাৰ চৰকাৰখনে যি দৰিদ্ৰ দৰদি মানুহৰ উন্নয়নৰ কাৰণে প্ৰচেষ্টা আৰু আঁচনি লৈছে, এই বাজেটৰ জৰিয়তে সম্পূৰ্ণ কথা ফুটি উঠিছে, লগতে আমাৰ মাননীয় মুখ্য মন্ত্ৰী শ্ৰীযুত হিতেশ্বৰ শইকীয়া দেৱে আজি তেখেতে দুখীয়া কৃষক শ্ৰমিক মানুহৰ বিকাশৰ কাৰণে যি যি প্ৰচেষ্টা লৈছে সেই খিনি কথা সম্পুৰ্ণ ৰূপে ফুটি উঠিছে আৰু শইকীয়াদেৱ হৈছে দুখীয়াৰ বন্ধু। সেয়ে এইখন বাজেট মই পুৰ্ণাংগ জনহিতৈষী বাজেট বুলি সমৰ্থন জনাই মোৰ বক্তব্য সামৰনি মাৰিছো। ধন্যবাদ জয়হিন্দ।

* শ্ৰীজয়নাথ শৰ্মা :— আমাৰ কথা হ'ল যে আমাৰ দলৰ পৰা কবলৈ কেই-বাজনো বাকী আছে, আমি হলে সময় কম পাওঁ বাকী সকলে বেছি সময় পাইছে। ৰুলিং পাৰ্টিৰ সদস্য সকলে অলপ চেক্ৰীফাইছ কৰিব লাগে।

* Speech not corrected,

মাননীয় উপাধ্যক্ষ :— এইটোৰ কাৰণে সময় দিয়া আছে।

* শ্ৰীহিতেন্দ্ৰনাথ গোস্বামী :— বিৰোধী দলৰ সংখ্যা আমাৰ এ, জি, পি দলৰ সংখ্যাতকৈ বেছি. কিন্তু আমাৰ কাকো মতা নাই। লিষ্টখন তৈয়াৰ কৰোতে অলপ খেলি-মেলি হৈছে যেন পাইছো।

( Mr. Speaker occupied the Chair )

শ্ৰীদিলীপ কুমাৰ শইকীয়া :— কোনে এই লিষ্টখন বনাইছিল, এইটো তদন্ত হব লাগে

মাননীয় অধ্যক্ষ :— আপোনালোকে চাৰে ছয়টাৰ পৰা আঠবজালৈ সময় পাব নহয়। আপোনালোকে দেৰিকৈ আহিছে। মই আপোনালোকৰ ফালে বাৰে বাৰে চাইছো, বেঞ্চ খালি হৈ আছে। আপোনালোকেই কৈছে লিবাৰেল হবৰ কাৰণে। মই যি দেখিছো আপোনালোকে ৬ মিনিটৰ বেছি কৈছে, মই কাকো বাধা দিয়া নাই। মাত্ৰ মাননীয় কোষেশ্বৰ বৰুৱা দেৱক বহিবলৈ কলা। মাত্ৰ তেখেতে অলপ চেক্ৰীফাইছ কৰিলে।

* শ্ৰীমুনিন মহন্ত :— মাননীয় অধ্যক্ষ মহোদয়, ১৯৯২-৯৩ চনৰ বাজেটত ১৬১·৬০ কোটি টকাৰ ঘাটি দেখুৱাই বাজেট উত্থাপিত কৰিছে। এই ঘাটি কমকৈ দেখুৱাৰ মানসিকতা দেখিবলৈ পাইছো।

যদিও ১৬১·৬০ কোটি টকা ঘাটি দেখুৱাইছে, বাজেট উত্থাপন হোৱাৰ সময়ত চলিত বছৰত মাষ্টাৰ ৰোল, ওৱৰ্ক চাৰ্জৰ দৰমহা আৰু ঠিকাদাৰৰ সকলো বিল আদায় দিয়া নাই। এই সকলোবোৰ সতৰ্কতাৰে আতৰত ৰাখি কম ঘাটি বাজেট দেখুৱাবলৈ চেষ্টা কৰিছে। আমি ভাবো এই ঘাটি অহা সময়ছোৱাত আৰু বৃদ্ধি হবলৈ বাধ্য। চলিত বছৰত এই সদনত ৰাহিৰ বাজেট উত্থাপন কৰা হৈছিল আৰু এই ৰাহি বাজেটৰ বা অসমৰ বতাহৰ পৰা আতৰি যোৱাৰ আগতেই আৰু এখন ঘাটি বাজেট উত্থাপন কৰা হ'ল। যোৱা জুন জুলাই মাহত বিত্তীয় সংকটে কি ৰূপ ধাৰণ কৰিছিল সেইটো ব্যাখ্যা কৰাৰ প্ৰয়োজন নাই। এইটো সকলোৱে জানে এইবাৰ জুন জুলাই মাহত আৰু সাংঘাটিক অৱস্থাৰ সৃষ্টি হবগৈ। মাননীয় বিত্ত মন্ত্ৰী মহোদয়ে বাজেট উত্থাপন কৰা সময়ত এটা কথা কৈছিল যে যোৱাবাৰৰ অৰ্থনৈতিক সংকট চলি নথকা হলে এখন মুক্ত ৰাহি বাজেট

* Speech not corrected.

উত্থাপন কৰিব পাৰিলেহেতেন। এই কথাটো স্বীকাৰ কৰিছে যে ৰাজ্য খন এটা অৰ্থনৈতিক সংকটৰ মাজত চলি আছে। বিধান সভাৰ বিভিন্ন প্ৰশ্ন উত্তৰত আমি দেখিবলৈ পাইছো যে নতুন প্ৰকল্প, শিক্ষকৰ দৰমহা আদিৰ কথা কলেই কয় যে টকা হলেই কৰিব পৰা যাব। গতিকে জনসাধাৰণৰ মাজত এই বাজেটে উৎসাহ উদ্দিপনা আনিব পৰা নাই। এটা হতাশাৰ চিত্ৰহে অঙ্কন কৰা হৈছে যেন লাগিছে। বাজেটৰ আন আন শিতানলৈ যোৱাৰ আগতে মই এটা কথালৈ বিত্ত মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে যোৱা সময় চোৱাত বিত্তীয় শৃংখলা ভঙ্গ হৈছে সেই বিত্তীয় শৃংখলা ৰক্ষা কৰাৰ প্ৰতিশ্ৰুতি দিবনে? ডি, আৰ, ডি, এৰ ধন সদায় গ্ৰাম্য অঞ্চলৰ বিকাশৰ কাৰণে পোনপটিয়াকৈ ব্যৱহাৰ হয়। সেই ডি, আৰ, ডি, এৰ টকা উভ্ৰই কৰি অন্য হেডত যোৱাটো স্বীকাৰ কৰা হৈছে। আজি পৰিকল্পনা শিতানৰ ধন পৰিকল্পনা বহিভূ'ত শিতানলৈ হস্তান্তৰ কৰা কথা এই বিধান সভাৰ লিখিত প্ৰশ্নৰ উত্তৰাত কোৱা হৈছে। চাব ডিভিজনেল প্লেনিংত যিবিলাক আঁচনি গ্ৰহণ কৰা হৈছে সেই বিলাকো অৰ্থৰ অভাৱত কৰিব পৰা নাই। এই বাজেটখনত বিত্তীয় বিশৃংখলতা আছে। এতিয়া আমাৰ শাসকীয় দলৰ সদস্য সকলে বাজেটখন উন্নয়নমুখী বাজেট বুলি কৈছে। সৰু-সুৰা মানুহে ব্যৱহাৰ কৰা সামগ্ৰীৰ ওপৰত কৰ ৰেহাই দিয়া হৈছে। কিন্তু এই বাজেট খনত মুখ্যমন্ত্ৰীয়ে যি প্ৰতিশ্ৰুতি দিছিল যেনে, নিৰনুৱা সমস্যা সমাধান কৰা, এই বছৰতে ২ লাখ নিৰনুৱাক চাকৰি দিয়া, উদ্যোগ প্ৰতিস্থান স্থাপন কৰা আদিৰ বিষয়ে উল্লেখ নাই। মাত্ৰ উল্লেখ আছে কেন্দ্ৰীয় চৰকাৰৰ ঋণ আৰু মূল পৰিশোধ কৰিব লাগিব। আজি ৰাজ্যখনৰ বিত্তীয় সংকটৰ বাবে আগৰ চৰকাৰক দোষ দিয়াৰ পৰিবৰ্ত্তে ৰাজ্যখনৰ পৰা কেনেকৈ বিত্তীয় সংকট আতৰ কৰিব পাৰি তাৰ প্ৰতিহে দৃষ্টি দিব লাগে। সপ্তম পৰিকল্পনাৰ সময়ত শতকৰা ৭০ ভাগ ঋণ আৰু ৩০ ভাগ সাহাৰ্য্য আছিল আৰু প্ৰধান মন্ত্ৰী ভি, পি, সিংৰ দিনত হ'লগৈ ৯০ শতাংশ সাহাৰ্য্য আৰু ১০ শতাংশ ঋণ। বৰ্ত্তমান কেন্দ্ৰীয় চৰকাৰক কিমান খিনি ঋণ আদায় দিবলৈ বাকী আছে সেই খিনিও ইয়াত উত্থাপন কৰিব লাগে।

মাননীয় অধ্যক্ষ: আপুনি শেষ কৰক।

* Speech not corrected.

* শ্ৰীমুনিন মহন্ত : মই এতিয়াই শেষ কৰিম। এই বাবেই প্ৰথম বাজেট বক্তৃতা দিবলৈ সুবিধা পাইছিলো। কিন্তু সময়ৰ অভাৱ। আজি বাজেটত যিবিলাক কথা আশা কৰিছিলো যেনে আমাৰ ৰাজ্যখনত থকা ৰাজহুৱা প্ৰতিস্থান যেনে ষ্টেট ট্ৰেন্সপোৰ্ট প্ৰতিষ্ঠান, ইলেকট্ৰিচিটি বোৰ্ড, এই বিলাক পুণৰ গঠন কৰি ভালদৰে পৰিচালনা কৰাৰ কোনো দিশৰ নিৰ্দেশনা এই বাজেটত নাই। আমি ভাবো যে নতুন কৰ বৃদ্ধি কৰাৰ পৰিবৰ্ত্তে কৰ দাতা বৃদ্ধি কৰাৰ প্ৰয়োজন। তাৰোপৰি কৰ সংগ্ৰহ কৰা বিষয়া সকলৰ ওপৰত বিশেষ নজৰ ৰখাৰ প্ৰয়োজন। তাৰোপৰি ৰাজ্যখনত যিখিনি মিতব্যয়িতাৰ প্ৰয়োজন সেইখিনি আমি দেখা পোৱা নাই। এখন ফুটবল খেলাৰ বাবেও চাৰিজন মন্ত্ৰী যোৱাৰ নজিৰ আছে। এখন যিকোনো অনুস্থান উদ্বোধনী কৰিবলৈও চাৰিজন মন্ত্ৰী একেলগে যোৱা দেখা যায়। এই বিলাকত মিতব্যয়ী হোৱা প্ৰয়োজন। তাৰোপৰি ৰাজ্য খনত কৰ ফাকি দিয়াৰ যি প্ৰৱনতা আছে সেইখিনি ৰোধ কৰিবলৈ যত্ন কৰিব লাগিব। শেষত উদ্যোগিক বিকাশ, কৃষি ক্ষেত্ৰত যাতে অধিক মনোনিবেশ কৰিব পাৰে তাৰ বাবে সুস্পষ্ট নীতি নিৰ্দেশনা দিবলৈ আশা কৰিলো। কিন্তু এই বিলাক বাজেটত নথকাত এটা হতাশাৰ বাজেট উত্থাপন কৰা হৈছে।

*শ্ৰীমজিবুৰ ৰহমান : মাননীয় অধ্যক্ষ মহোদয়, অহা কালি আমাৰ ঈদ আছে। আমাৰ কালৰ পৰা কোনেও নকয়। সেয়ে সোনকালে শেষ কৰাৰ বাবে কিবা ৰুলিং আছে নেকি ?

মাননীয় অধ্যক্ষ : আপুনি কিবা কব নেকি ?

* শ্ৰীজীৱকান্ত গগৈ (মন্ত্ৰী) : আমি শেষৰ সময় খিনি নকৰো। দ্বিতীয় পৰ্য্যায়তে শেষ কৰিম।

মাননীয় অধ্যক্ষ : ছাউচ এগ্ৰী নেকি ?

* শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : যোৱাকালি ইলেকচনতে গ'ল। গতিকে আজি সময় দিব লাগিব। এতিয়া আমি কম।

* শ্ৰীমুজিবৰ ৰহমান : ৬·৩০ পৰা উত্তৰ দিব পাৰিব। কাৰণ আমাৰ কালৰ পৰা কোনেও নকয়। আপোনালোকে কওঁক।

---

* Speech not corrected.

মাননীয় অধ্যক্ষ : হব।

* শ্ৰীবিনোদ গোৱালা : মননীয় অধ্যক্ষ মহোদয়, ১৯৯৩-৯৪ চনৰ যি বাজেট বিত্ত মন্ত্ৰী ডাঙৰীয়াই দাখিল কৰিছে তাৰ ওপৰত তুআষাৰ কবলৈ ওলাইছো এই বাজেট খনত কোনো নতুনত্ব নাই। মাত্ৰ পৰম্পৰা ভাবে এইখন দাখিল কৰা হৈছে। যোৱা বছৰ যি ৰাহি বাজেট চৰকাৰে দাখিল কৰিছিল এইবাৰ বাজেট উত্থাপন কৰাৰ লগে লগে প্ৰমান হৈছে যে যোৱা বাৰৰ বাজেট আভুৱা ভৰা আছিল। বৰ্ত্তমান বাজেটত যি কৰ ধাৰ্য্য কৰা হৈছে ইয়াৰ দ্বাৰা প্ৰত্যক্ষ বা পৰোক্ষ ভাবে হলেও তুখীয়া সৰ্বসাধাৰণ ৰাইজৰ ওপৰত নিশ্চয় বোজা পৰিব। উদাহৰণ স্বৰূপে আয়ুৰ্বেদিক, হোমিওপেথিক প্ৰস্তুত কৰা সামগ্ৰীৰ ওপৰত যি কৰ লগাইছে ইয়াৰ দ্বাৰা পৰোক্ষ ভাবে হলেও তুখীয়া ৰাইজৰ ওপৰত বোজা পৰিব। তাৰোপৰি এক্সৰে প্লেটৰ পৰা আৰম্ভ কৰি চিকিৎসা সামগ্ৰীৰ ওপৰত যি কৰ লগাইছে সেই কৰৰ বোজাও সাধাৰণ ৰাইজৰ ওপৰতেই পৰিব। ঠিক তেনে দৰে চিনেমাৰ কেমেৰা আদিৰ ওপৰতো টেক্স লগোৱা হৈছে। আমি জনাত ভাৰতবৰ্ষৰ ভিতৰতেই অসমত শিল্প গোষ্ঠীটো অতি তুখীয়া। গতিকে এই গোষ্ঠীটো আৰু এখোজ পিছুৱাই যাব। তাৰোপৰি চিনেমাৰ আনুসংগিক যিবিলাক কৰ লগোৱা হৈছে সেই কৰৰ বোজা চলচিত্ৰ প্ৰযোজকৰ ওপৰত পৰিব। মাননীয় অধ্যক্ষ মহোদয়, বাজেটখন তথ্য ভিত্তিক নহয়। শিক্ষা বিদ্যুৎ আদি বিভাগীয় হিচাবত কোনো তথ্য দিয়া নাই। আমি দেখিছো যে বিশেষকৈ চাহ উদ্যোগৰ ক্ষেত্ৰত ৰেহাই দিয়া পৰিলক্ষিত হৈছে। ১৯৯২-৯৩ চনত চৰকাৰে আয় পাইছিল ১০৩ কোটি ৮৪ লাখ, এতিয়া ধাৰ্য্য কৰা হৈছে ৮৩ কোটি ৮০ লাখ। ইয়াৰ পৰা বুজা গ'ল যে আমাৰ ৪০ কোটি ১৬ লাখ ৮৯ হাজাৰ চাহ উদ্যোগে ৰেহাই পাব কৃষিয়ে ১০৩ কোটি ৯৫ লাখ পাইছে। বিত্ত মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে মীন বিভাগক ৰেহাই দিয়া আৱশ্যক। লটাৰী, বায়ু শীত তাপ নিয়ন্ত্ৰণ যন্ত্ৰৰ ওপৰত লগোৱা কৰ ঠিক আছে। অধ্যক্ষ মহোদয়, অসম গভীৰ বিত্তীয় সংকটৰ সন্মুখীন হৈছে। কৰ লগালেই যে বিত্তীয় সংকট নাইকীয়া হব তেনে নহয়। ঠিক মতে কৰ সমূহ সংগ্ৰহ কৰিছেনে নাই সেইটো চোৱাৰ প্ৰয়োজন অসম চৰকাৰৰ বুৰো অৱ ইনভেষ্টিগেচন এণ্ড ইকনোমিক অফেন্স বুলি এটা বিভাগ আছে। এই সকল বিষয়াৰ দ্বাৰাও অনুসন্ধান কৰি আয় বিলাক ঠিক মতে আহিছেনে নাই

* Speech not corrected.

চোৱা প্ৰয়োজন। এই সকল কৰ্মচাৰীৰ ওপৰতে বিত্ত মন্ত্ৰীয়ে চকু ৰখাৰ প্ৰয়োজন বুলি মই ভাবো। মই আশা ৰাখিছো যে দুখীয়া সাধাৰণ ৰাইজৰ ওপৰত যি কৰৰ হেচা পৰে তেনে কৰ ৰেহাই দিয়াৰ ব্যৱস্থা কৰিব। বৰ্ত্তমান বাজেটত যি ভাষন ৰাখিছে তাৰ সংশোধনী কৰি দুখীয়া ৰাইজক কৰ মুক্ত কৰিব বুলি আশা ৰাখি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা : মাননীয় অধ্যক্ষ মহোদয়, ১৯৯২-৯৩ চনৰ বাজেটত তেতিয়াৰ বিত্ত মন্ত্ৰী আমাৰ শইকীয়া দৰে যি ৰাহি বজেট উথ্থাপন কৰিছিল তাত দেখা গৈছে যে ১৯৯২-৯৩ চনত ৩৬ কোটি ২৬ লাখ ১১ হাজাৰ টকা ৰাহি আৰু ৬ শ কোটি ৬৬ লাখ ঘাটি পৰিছে। তাত জমা আছিল ৫ হাজাৰ ৬শ ৪৭২ কোটি টকা। আৰু খৰচ আছিল ৫ হাজাৰ ৫ শ ৯.১৩ কোটি টকা। তাৰ অপেনিং বেলেন্স আছিল ৫ হাজাৰ ৯৬ আৰু ক্লোজিং বেলেন্স আছিল— ৬ শ ১৩.৬৬ কোটি টকা। এতিয়া কথা হ'ল এই টকাৰ ভিতৰত আদায় দিবলগীয়া টকাও আনিলে টকাৰ পৰিমাণ হ'ল ৬ হাজাৰ ৪শ ৯৯.৩০ কোটি টকা। এতিয়া দেখা গ'ল যে অপেনিং বেলেন্সৰ পৰা ক্লোজিং বেলেন্স মাইনাছ কৰিলে ৰাহি বাজেট নহৈ ঘাটি বাজেটহে হয়। দেখা যায় যে যি টকা আদায় দিবলগীয়া আছে সেই টকাটো বিগত বছৰত প্লাছ কৰা হোৱা নাই। এই বছৰৰ চলিত ১৯৯৩-৯৪ চনৰ বাজেটত এই টকাটো অন্তৰ্ভূক্ত কৰা হৈছে ইয়াৰ ফলত ১৬২.৬০ কোটি টকা ঘাটি হৈছে। যোৱা বছৰত ৰাহি বাজেটৰ কথা কোৱা হৈছিল। কিন্তু ৰাহি হোৱা নাছিল, ঘাটিহে হৈছিল।

মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় বিত্ত মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে দেয় ৬৪৯.৯৩ কোটি টকা চলিত ১৯৯২-৯৩ চনৰ বাজেটত সংশোধিত প্ৰাককলনত ( ৰিভাইজদ এষ্টিমেটচ ) অন্তৰ্ভূক্ত কৰা নহ'ল কিয় ? বিত্ত মন্ত্ৰী মহোদয়ে বাজেট বক্তৃতাত ৰাজ্যৰ আইন শৃংখলাৰ বাবদ ব্যয় অভাৱনীয় ভাবে বৃদ্ধি পোৱাৰ কথা উল্লেখ কৰিছে। গতিকে এই শেষ হৈ অহা বছৰটোত আইন শৃংখলাৰ নামত মুঠ কিমান ব্যয় হৈছিল আৰু তাৰ ভিতৰত সামৰিক অৰ্দ্ধ সামৰিক বাহিনীৰ লোক সকলক পোহপাল দিয়'ত মুঠ কিমান খৰচ হৈছিল এই বিষয়ে আমি বিত্ত মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। তাৰোপৰি বিত্ত মন্ত্ৰী মহোদয়ে বাজেটত উল্লেখ কৰিছে যে শেষ হৈ অহা বছৰটোত আদায় দিবলগীয়া ৬৭৯.৯৩ কোটি

★ Speech not corrected.

টকা অহা বছৰৰ বাজেটলৈ গৈ অহা হৈছে আৰু প্ৰধানকৈ তাৰ বাবেই অহা বছৰৰ বাজেটত ঘাটি ১৬২·৬০ কোটি টকা ঘাটি হৈছে। গতিকে আমি জানিব বিচাৰিছো অহা বছৰৰ বাজেটত চাকৰিয়ালৰ দৰমহাকে ধৰি ঠিকাদাৰ সকলক দিব লগীয়া আৰু সামৰিক, অৰ্দ্ধ সামৰিক বাহিনীৰ লোক সকলক পোহপাল দিয়াৰ ব্যয় অন্তৰ্ভূক্ত কৰা হৈছে নে নাই? নে অহা বছৰ বাজেট দাখিল কৰোতে ৬০০ কোটি টকাৰ অনাদায় ব্যয় ১৯৯৪-৯৫ বাজেটলৈ কেৰি অভাৰ কৰিব? সেয়ে মই স্পষ্ট ভাবে জানিব বিচাৰিছো অহা বছৰৰ বাজেটত সামৰিক অৰ্দ্ধ সামৰিক বাহিনীৰ বাবে কিমান টকা ব্যয় ধাৰ্য্য কৰা হৈছে আৰু সেই ব্যয় যথেষ্ট হব নেকি? বিত্ত মন্ত্ৰী মহোদয়ে সাধাৰণ ৰাইজৰ ওপৰত প্ৰস্তাৱিত কৰৰ বোজা নপৰিব বুলি যদিও শান্তনা লভিছে কিন্তু এই বোজা প্ৰত্যক্ষ বা পৰোক্ষ ভাবে ৰাইজৰ ওপৰত পৰিবই। অৱশ্যে কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰক কৰ লগোৱাৰ থল নাইকীয়া কৰিলেই, তাৰোপৰি কেন্দ্ৰীয় বাজেটত আবকাৰী শুল্ক ৰেহাইৰ ফলত ৰাজ্যৰ প্ৰাপ্য অংশও হ্ৰাস পাব। গতিকে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো প্ৰস্তাৱিত কৰৰ পৰা অহা বছৰত মুঠ কিমান আয় হব আৰু ১৬২·৬০ কোটি টকাৰ ঘাটি পূৰণ কৰিবলৈ কি কি উৎসৰ পৰা লোৱা হ'ব? বিত্ত মন্ত্ৰী মহোদয়ে ৰাজ্যখনৰ বিত্তিয় পৰিস্থিতিৰ ক্ষেত্ৰত বাজেট বক্তৃতাত এক চৰম হতাশাৰ ছবি ডাঙি ধৰিছে তেখেতে উল্লেখ কৰিছে—বিভিন্ন কাৰণত চলিত বছৰৰ আৰম্ভণিৰ পৰাই ৰাজ্যৰ বিত্তীয় পৰিস্থিতি এক সংকটাৱস্থাৰ সম্মুখীন হৈ আহিছে। বৰ্দ্ধিত দৰমহা বিল বহুত পৰিমাণৰ ঋণৰ বোজা আৰু আইন-শৃংখলা ৰক্ষাৰ বাবে কৰিবলগীয়া হোৱা বৃহত খৰচৰ বাবে ৰাজ্যৰ ব্যয়ৰ পৰিমাণ আয় বৃদ্ধিৰ তুলনাত বেচিকৈ বাঢ়ে ইয়াৰ ফলত বাজেটৰ ভাৰসাম্য ৰক্ষা কৰাত বাধাৰ সৃষ্টি হয়। ঋণৰ ওপৰত নিৰ্ভৰ কৰি পৰিকল্পনাৰ বহিভূত ব্যয়ৰ পৰিমাণ বৰ্দ্ধিত হৈ পৰাত ঋণ পৰিশোধৰ দায়িত্বয়ো ক্ৰমাৎ বৃদ্ধি পাইছে। তাৰ ফলত আকৌ ঋণ লব লগা হৈছে। এনে পৰিস্থিতিত অতিৰিক্ত বিত্তীয় সম্পদ আহৰণ, সীমিত সম্পদৰ সৎব্যৱহাৰ আৰু অপব্যয় বন্ধ কৰি বিত্তীয় সংকট আতৰ কৰাৰ বাবে আমি যত্নপৰ হব লাগিব। তেখেতে উল্লেখ কৰিছে মবিলাইজেশ্যন অব এডিশ্যনেল ৰিচোৰ্চ, জুডিচিয়াচ এপলিকেশ্যন অব ৰিচোৰ্চেচ আৰু এভইডিং ওৱেষ্টফুল এক্সপেন্দিচাৰ কিন্তু এই ক্ষেত্ৰত চৰকাৰৰ কিবা নিৰ্দিষ্ট আঁচনি আছে নেকি? বিত্তমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো উক্ত ব্যৱস্থাই বিত্তীয় পৰিস্থিতি উন্নত কৰাত স্থায়ী সমাধান আনিব বুলি ভাবে নেকি? তাৰ পাচত

বাজেটিং পদ্ধতিৰ সংশোধন ঘটোৱাই পদ্ধতিগত ভাবে ব্যয় নিয়ন্ত্ৰন কৰাৰ প্ৰয়োজনীয়তা বোধ নকৰে নেকি? যদি কৰে ১৯৭৪ চনৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশ—অসম চৰকাৰে কাৰ্য্যকৰী কিয় কৰা নাই? তাৰোপৰি আমাৰ মাননীয় ভৃগু কুমাৰ ফুকন ডাঙৰীয়াই জেৰোপেঞ্চ আৰু পাৰফমেন্স এই দুটা পদ্ধতিৰ কিয় অনুসৰণ কৰা নাই? এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। মই প্ৰস্তাৱিত বাজেটৰ ভিতৰলৈ মন্ত্ৰী মহোদয়ৰ মন আকৰ্ষণ কৰিব বিচাৰিছো। দাবী মঞ্জুৰী আৰু বাৰ্ষিক বিত্তীয় প্ৰবিবৰণৰ মুঠ ব্যয়ৰ মাজত বুজন পৰিমানৰ ধনৰ পাৰ্থক্য আছে। সেই পাৰ্থক্য আন্তঃ বিভাগীয়, আন্তঃ চৰকাৰৰ লেনদেন আৰু চাচপেন্স একাউণ্ট সম্পৰ্কীয়। আমি বুজি পোৱাকৈ এখন সুকীয়া চিডুলত বিতংভাবে হিচাবটো সদনৰ মজিয়াত দাখিল কৰিবলৈ অনুৰোধ জনালো। বাজেট ভলুম দুই পাৰ্ট ৯ পেজত "২৫ চাচপেন্স শিতানত ব্যয় ধাৰ্য কৰা হৈছে। বিত্ত বিভাগৰ "ৰিফৰ্ম ইন বাজেট এণ্ড একাউণ্টচ ট্ৰাকচাৰ '১৯৭৪ আৰু ভাৰত চৰকাৰৰ বিত্তমন্ত্ৰালয়ৰ দ্বাৰা প্ৰকাশিত আৰু ১-৪-৮৭ তাৰিখৰ পৰা কেন্দ্ৰ আৰু সকলো ৰাজ্যকে প্ৰযোজ্য হোৱা 'লিষ্ট অব মেজৰ এণ্ড মাইনৰ হেডচ অব একাউণ্টচ অব ইউনিয়ন এণ্ড ষ্টেটচ, কিতাপ খনত তেনে 'হেড অব একাউণ্টচ' আমাৰ চকুত নপৰিল। তাৰোপৰি কোনো কোনো বিভাগত বিশেষকৈ অভিযান্ত্ৰিক বিভাগ সমূহৰ বাজেটত "৭৯৯ চাচপেন্স হেডত লাখ লাখ টকাৰ ব্যয় ধাৰ্য্য কৰা হৈছে। এই ব্যয় ধাৰ্য্য কৰা সম্পৰ্কে অষ্টম বিধান সভাৰ প্ৰাককলন সমিতিয়ে বিষদ ভাবে পৰীক্ষা কৰিছিল বিত্ত আয়ুক্তৰ লগতো আলোচনা কৰিছিল। সেই সমিতিয়ে দাখিল কৰা প্ৰতিবেদনত সমিতিৰ অভিমত ব্যক্ত কৰাৰ লগতে পৰামৰ্শও আগ বঢ়াইছিল। সংশ্লিষ্ট বিভাগ সমূহে সেই পৰামৰ্শ মানিও লৈছিল। গতিকে বিত্ত বিভাগে সেই ক্ষেত্ৰত কি ব্যৱস্থা লৈছে সেই বিষয়ে বিত্ত মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। শেষত অসমৰ অৰ্থনৈতিক অনগ্ৰসৰতা দূৰিকৰণৰ কাৰণে এল, চি; জৈন অসম চুক্তিৰ ৭নং দফা অনুযায়ী পৰামৰ্শ আগবঢ়াইছিল, সেই পৰামৰ্শ মানি লৈছে নেকি আৰু যদি লৈছে কেনে ধৰণে লৈছে আমি জানিব বিচাৰিছো। সদো শেষত প্ৰস্তাৱিত বাজেট খনত সম্পূৰ্ণ ৰূপে বিৰোধিতা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Speaker : The House stands adjourned till 6·30 P.M. today.

(After racess the Assembly met at 6·30 p.M. on today the 24-3-93 with Mr. Speaker in the Chair).

মাননীয় অধ্যক্ষ : মাননীয় সদস্য সকলক মই কব বিচাৰিছো যে ৬·৩০ৰ পৰা বিত্ত মন্ত্ৰীয়ে বাজেটৰ ওপৰত উত্তৰ দিব। আপোনালোকৰ কিবা কবলগীয়া আছে নেকি ?

• শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, ৭·৩০ কৰিলে ভাল হয়। আমাৰ কিছু কথা কবলগীয়া আছে। আমাৰ সময়খিনি কমাব নেলাগে।

মাননীয় অধ্যক্ষ : তেনেহলে ৭·১৫ বজাত মন্ত্ৰীয়ে উত্তৰ দিব। এতিয়া শ্ৰীথানেশ্বৰ বড়োদেৱে কওঁক।

* শ্ৰীথানেশ্বৰ বড়ো : মাননীয় অধ্যক্ষ মহোদয়, বাজেট বক্তৃতাৰ ওপৰত মই দুআষাৰমান বক্তব্য ৰাখিব বিচাৰিছো। এই বাজেট খন খুব ভাল বাজেট বুলি কব নোৱাৰে। অৱশ্যে অসম এখন দুখীয়া ৰাজ্য তাত চাৰপ্লাচ বাজেট হব নোৱাৰে। সাধাৰণতে ডেফিচিট বাজেটেই হয়। কাৰণ আমাৰ আঁচনিৰ কথা আছে। আমি উন্নয়নমূলক আঁচনি লব লাগে। ইণ্টাৰেষ্টিং এইটো যে ১৯৯২-৯৩ চনৰ বাজেটত যিখিনি টকা ধৰা হৈছিল তাতো চাৰপ্লাচ বাজেট ৰাখিছিল। আচলতে চাৰপ্লাচ বাজেট হব নালাগে। ডেফিচিট বাজেটহে হব লাগে। কিন্তু কৌশলগত ভাৱে আঁচনি বিলাক ইমপ্লিমেণ্ট কৰিব নোৱাৰাৰ কাৰণে, টকা খৰচ কৰিব নোৱাৰাৰ কাৰণে, এনুৱেল প্লেন ৰিভাইজ হৈছে আৰু চাৰপ্লাচ বাজেট দেখুৱাইছে। ১৯৯২-৯৩ চনৰ বাজেটত মুঠ এলোকেচন আছিল ১৮ শ ৮০ কোটি ৭৬ লাখ টকা। এইটো ৰিভাইজ কৰি এনুৱেল প্লেনত ৪ শ ৮০ কোটি ৮৬ লাখ ইমপ্লিমেণ্ট নকৰাকৈয়ে দেখুৱাইছে। সেই হিচাপেও চাৰপ্লাচ বাজেট দেখুৱাইছে। ফলত উন্নয়নৰ কাম স্থবিৰ হৈ গৈছে। এতিয়া এইবাৰো ১২ শ ৬৪ কোটি ১৮ লাখ টকা দেখুৱাইছে. হিল প্লেন, এচ, চি, এচ, পি, এচ, ই, পি, আদি দেখুৱাইছে। কথা হৈছে ইমানখিনি টকা পাম বুলি ভাবি বাজেট কৰা হৈছে কিন্তু কেন্দ্ৰৰ পৰা বিশেষ টকা পাম বুলি আশা কৰিব নোৱাৰি। কাৰণ চেণ্টাৰৰ পজিচন বৰ খাৰাপ অৱস্থাত আছে। চেণ্ট্ৰেল বাজেটটো দেখা যায় যে highest amount of expenditure. ২৫ শতাংশ ইণ্টাৰেষ্ট পেমেণ্ট কৰিব। সেই কাৰণৰ পৰা স্বাভাৱিকতে আমাৰ ৰাজ্যই চেণ্টাৰৰ পৰা অধিক ফাণ্ড পাব বুলি আশা কৰিব নোৱাৰি। তাৰোপৰি 12% for

* Speech not corrected.

State and Union Territory. এনে স্থলটো অধিক পুঁজি পাম বুলি আশা কৰিছে কিয়। গেলগিলৰ ফৰমূলা ৰিভাইজ হৈছে। য'ত ৫৫ শতাংশ জনসংখ্যাৰ ওপৰত আছে। তাত ৬৫ শতাংশতকৈও জনসংখ্যা বেছি আছে। গতিকে চেণ্টাৰৰ পৰা অধিক টকা পাম বুলি আশা কৰিব নোৱাৰি। আনকি ৰেলৱেৰ বাজেটতো বিশেষকৈ অসমক তথা উত্তৰ পূৰ্বাঞ্চলত বিশেষ সহায় নকৰি ৩ শতাংশহে ডেভলপমেণ্ট ফাণ্ড ৰাখিছে। আমাৰ অসমলৈ, নৰ্থ ইষ্টৰ্ণ ৰিজনৰ কাৰণে '০০০১ হে হব পাৰে। যি কি নহওক কথা হৈছে যে মই কেইটামান বিষয়ৰ ওপৰত কব বিচাৰিছো। গ্ৰাণ্টৰ বিষয়ত বেচিকৈ ষ্টেচ দিব লাগে। আৰু তাৰ কাৰণে প্ৰিবাজেট আলোচনাৰ অতি প্ৰয়োজন। আমাৰ বাজেট চেচন হোৱাৰ আগতে আৰু এটা চৰ্ট চেচন হোৱাৰ প্ৰয়োজন আছিল কাৰণ কোনো চেক্টৰত জোৰ দিয়া ভাল হব, কাৰণ হিল এৰিয়া আছে, বেকওৱাৰ্ড এৰিয়া আছে, কৃষিত জোৰ দিবনে ফিচাৰিত জোৰ দিব এই বিষয়ে আলোচনা কৰাৰ বাবে প্ৰিবাজেট আলোচনাৰ প্ৰয়োজন, অসমৰ নিচিনা পিচপৰা ৰাজ্যৰ কাৰণে। এইবাৰ প্লেনত ১৩ শ ১৩ কোটি টকা ধৰা হৈছে। আৰু নন প্লেনত ৩ হাজাৰ ৯ শ কোটি টকা ধৰা হৈছে। গতিকে ইয়াত নন প্লেনৰ কাৰণে বেচি টকা পাম বুলি চেণ্টাৰৰ পৰা আশা কৰিব নোৱাৰি। সেই কাৰণে মই ভাবিছো যে কেইটামান বিষয়ৰ ওপৰত আমি বেচিকৈ জোৰ দিব লাগে। চেণ্ট্ৰেল প্লেন স্কীম আছে। চেণ্ট্ৰেলী স্পনচৰ স্কীমও আছে। চেণ্ট্ৰেল প্লেনত এফ, চি ১০০ শতাংশ লোণ চিচটেম উইথ ইণ্টাৰেষ্ট ধৰিছে। আমাৰ বান নিয়ন্ত্ৰন মন্ত্ৰীও আছে। বিত্ত মন্ত্ৰী মহোদয়ো আছে আৰু অসমত ৯০ পাৰচেণ্ট গ্ৰাণ্টৰ চিচ-টেমও আছে। গতিকে এইটো চাব লাগে। বান নিয়ন্ত্ৰনৰ কাৰণে ২০ কোটি টকা যদিও ৩০ কোটি টকাৰ কথা কৈছে এইটো বাজেটত প্লেচ কৰা হোৱা নাই। চেণ্ট্ৰেলী স্পনচৰ কিছুমান আঁচনি ইমপ্লিমেণ্ট হোৱা নাই। এই আঁচনিৰ ক্ষেত্ৰত ৫০ শতাংশ ষ্টেটয়ে দিব লাগে আৰু ৫০ শতাংশ চেণ্ট্ৰেলে দিব লাগে। আমি এন, ই, চিৰ পৰা যিটো ফাণ্ড পাওঁ সেইটো ৭০ শতাংশ গ্ৰাণ্ট আৰু ৩০ শতাংশ ঋণ আছিল। কিন্তু এইটো এ, জি, পি, চৰকাৰৰ দিনত ৰিভাইজ কৰি ৯০ শতাংশ গ্ৰাণ্টৰ ব্যৱস্থা কৰা হৈছিল। গতিকে এতিয়া আমি এন, ই, চিৰ পৰা অধিক লোন লোৱাৰ ব্যৱস্থা কৰিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, এ, জি, পি, চৰকাৰৰ আগত কেন্দ্ৰীয় চৰকাৰৰ পৰা

শতকৰা ৭০ ভাগ গ্ৰাণ্ট আৰু শতকৰা ৩০ ভাগ লোন হিচাবে টকা পাইছিল। এ, জি. পি চৰকাৰৰ দিনত শতকৰা ৯০ ভাগ গ্ৰাণ্ট আৰু ১০ ভাগ লোন কৰা হ'ল। এল, অ. চি.ৰ যোগেদি আৰু অধিক টকা লোৱাৰ ব্যৱস্থা কৰিব পাৰে নেকি চাবৰ বাবে মই পৰামৰ্শ আগবঢ়াইছিলো। স্পেচিয়েল স্কীমৰ কাৰণে এন, ই, চিৰ পৰা যি পৰিমাণে পাব লাগে সেই পৰিমাণে পোৱা নাই। ফাইনেন্স মিনিষ্টাৰে কিছুমান বস্তুত শতকৰা ১৩ টকাৰ পৰা শতকৰা ১৪ টকালৈ টেক্স লগাইছে। লটাৰীৰ ক্ষেত্ৰত কৰ বিচাৰিছো—শতকৰা ১০ শতাংশ বঢ়াই দিছে। আয়ুৰ্বেদিক মেডিচিনত, মেডিচিন এজ ওৱেল এজ মেডিকেল ইকুইপমেণ্ট বিলাক আছে, সেই বিলাকৰ টেক্স বঢ়াই দিবলৈ মই পৰামৰ্শ আগবঢ়াইছো। এইখিনিকে কৈ মোৰ বক্তব্য সমৰণি মাৰিলো।

মাননীয় অধ্যক্ষ : শ্ৰীদিলীপ কুমাৰ শইকীয়া।

* শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিত্ত মন্ত্ৰী ভাঙৰীয়াই ১৯৯২-৯৩ চনৰ যিখন বাজেট দাঙি ধৰিছে সেইখন বাজেট অসমৰ জনসাধাৰণৰ কাৰণে কল্যাণকামী বাজেট বুলি কব নোৱাৰি। এই বাজেটত ১৬২'৬০ কোটি টকা ঘাটি বাজেট ধাৰ্য্য কৰা হৈছে। এই টকা বিলাক কৰ পৰা কেনেকৈ আনিব বাজেটত জনোৱা হোৱা নাই। বিভিন্ন বিভাগ বিলাকে বিভিন্ন ক্ষেত্ৰত কৰ আদায় কৰিছে। আয়ুৰ্বেদিক ঔষধ, এক্স'ৰ প্লটৰ কাৰণে দুখীয়া জনসাধাৰণে চৰকাৰী হস্পিতাললৈ যায়। কিন্তু চৰকাৰী হাস্পতালত আজি কি হৈছে ? চৰকাৰে প্ৰয়োজনীয় ঔষধ এক্সৰে প্লেট যোগান ধৰিব পৰা নাই। সেই কাৰণে নাৰ্চিং হোমলৈ গৈ বহুত টকা ভৰিব লগীয়া হয়। মাননীয় অধ্যক্ষ মহোদয়ৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ক আহ্বান জনাইছো যাতে এই কৰ উঠাই দি যি কৰৰ যোগেদি অসমৰ যিটো বৰ্ত্তমান বিত্তীয় সংকট সেইটো আতৰ হব। ১৯৮৬ চনত এখন গুৰুত্বপূৰ্ণ আইন প্ৰণয়ন কৰা হৈছিল। সেই আইনখন আসাম ৰুৰেল এমপ্লইমেণ্ট এণ্ড প্লেনটেচন লেবাৰ ওৱেলফেয়াৰ এক্ট য'ত আসাম ৰুৰেল ডেভলপমেণ্ট চেচ এক্ট, য'ত গ্ৰাম্য নিয়োগ আৰু চাহ শ্ৰমিক কল্যাণৰ কাৰণে অতিৰিক্ত সম্পত্তি আহৰণ কৰে প্ৰত্যেক চাহ বাগিছাৰ পৰা সৰ্বাধিক টকা আহৰণ কৰা হৈছে। কয়লাখনিৰ ওপৰত ২০ শতাংশ কৰ আৰোপ কৰা হৈছে। চাহ আৰু কয়লাৰ কাম কাজলৈ চাই ১৯৮৬ চনত

* Speech not corrected.

এখন আইন প্ৰস্তুত কৰে। চাহ বাগিছাবিলাকৰ পৰা প্ৰতি বছৰে ২০ কোটি টকা কৰ আদায় কৰিব পাৰিলেহেতেন। ১৯৮৮ চনত অসম গ্ৰামোন্নয়ন আৰু অসমৰ তৈল ক্ষেত্ৰত প্ৰথমৰ পৰাই কৰ দি আছেহি। প্ৰতি বছৰে এইখন আইন যদি পাছ হ'ল হেতেন তেতিয়াহলে ১৯৬ কোটি টকা আদায় কৰিব পাৰিলেহেতেন। কিন্তু আজি কৰৰ সক্ৰান্তত এটা ষড়চক্ৰান্তত পৰাত ৰাষ্ট্ৰপতিয়ে এতিয়াও সেই আইনত চহী নকৰিলে। সেইকাৰণে মাননীয় অধ্যক্ষ মহোদয়ৰ যোগেদি মাননীয় বিত্ত মন্ত্ৰী মহোদয়ক টানি অনুৰোধ জনাইছো। ১৯৮৬ চনত অসমে এখন গনতান্ত্ৰিক চৰকাৰী বৈঠক পাতিছিল। তাতে ৰাষ্ট্ৰপতিৰ পৰা স্বাক্ষৰ কৰি অনা হৈছে। যিবিলাক কৰ ভগাই দিয়া হৈছে তেনেধৰণৰ বহুত টকা আমি আদায় কৰিব পাৰিম। গুৱাহাটী পৌৰ নিগমত বিত্ত মন্ত্ৰী মহোদয় আছে। গুৱাহাটী পৌৰনিগমৰ অন্যতম বিভাগ হৈছে মাৰ্কেটিং ডিভিজন। ইয়াৰ পৰা বুজন সংখ্যক ৰাজহ আহে। কিন্তু ব্যৱসায়িক গোষ্ঠীৰ হেচাত আৰু প্ৰশাসনৰ উচ্চ স্তৰৰ গাফিলতিয়ে মাৰ্কেটিং ডিভিজনৰ অন্তঃসাৰশূণ্যতা প্ৰমান কৰিছে। ১৯৯১-৯২ আৰু চলিত বছৰৰ আৰম্ভণিৰ ঘটনা প্ৰবাহ নিৰীক্ষণ কৰিলে বিভাগটোৰ কাম কাজৰ এটা খটিয়ান পোৱা যাব। উক্ত বছৰটোত নিগমৰ নিজা স্থায়ী বজাৰ মাছখোৱাৰ পৰা ৫,১০.৭৮০ টকা পাবলগীয়া আছে ঠিক সেইদৰে পল্টন বজাৰৰ পৰা ২২.৬২৬ টকা ফটাশিলৰ পৰা ২৮.৪৪৬ টকা উজান বজাৰৰ পৰা ৬২,১৪৫.৬২ টকা দিছপুৰ ছুপাৰ মাৰ্কেটৰ পৰা ৪৬,৪০০, নিউ মাৰ্কেটৰ পৰা ১৮,৪৪৪.০০ টকা চান্দমাৰী বজাৰৰ পৰা ১৯,৭৫২.০০ পাইকাৰী মাছ বজাৰৰ পৰা ৭২,০০০ টকা টি, এন, গাৰ্ডেনৰ পৰা ৭২,৯৯৬ টকা পাব লাগিছিল। আনহাতে ব্যক্তিগত খণ্ডৰ বজাৰৰ পৰা কমেও ১ কোটি টকা এতিয়াও অসম চৰকাৰে পাবলগীয়া আছে। তেওঁলোকে অসম চৰকাৰক দিয়া নাই। মাছখোৱা (অস্থায়ী) বজাৰ খনৰ পৰা কৰ আদায়ৰ ব্যৱস্থাই সাধাৰণ লোক'কা চিন্তিত কৰিছে। এই বজাৰখনৰ পৰা ১৯৮৯ চনৰ জুন মাহৰ পৰা কোনো ধৰণৰ কৰ আদায় হোৱা নাই। সেই বছৰৰ মে' মাহত গুৱাহাটী উচ্চ ন্যায়ালয়ে প্ৰতি বৰ্গফুটত ৩ টকাকৈ কৰ দিবলৈ নিৰ্দেশ দিয়ে যদিও ব্যৱসায়ী সকলে এই হাৰত টকা দিবলৈ অমান্তি হয়। ফলত ২০,৪০,১২০ টকা বৰ্ত্তমান পৰ্য্যন্ত আদায় কৰিব পৰা নাই। সেই কাৰণে মই অসম চৰকাৰৰ মাননীয় বিত্তমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যিবিলাক কৰ অনাদায় হৈ আছে সেইবিলাক অতি সোনকালে আদায় কৰে যেন। টকাৰ কাৰণেই অসমৰ উন্নয়ন মূলক কাম-

★ Speech not corrected.

বিলাক স্থগিত হৈ পৰিছে। মাননীয় অধ্যক্ষ মহোদয়ৰ যোগেদি মাননীয় মুখ্য মন্ত্ৰী মহোদয়ক অনুৰোধ জনাও যাতে এইবিলাকৰ কিবা এটা ব্যৱস্থা কৰে যেন। পি, ডাব্লিউ, ডিৰ এলটমেন্টৰ কথাটো মাননীয় অধ্যক্ষ মহোদৰ যোগে দ মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যি দৰে এলটমেন্ট দিয়া হৈছে সেই মতে কাম হোৱা নাই। আমাৰ মুখ্যমন্ত্ৰী ৰটেচন আকাৰত হব লাগে। কাৰণ ১২৬ জন সদস্যই এবাৰ এবাৰ মুখ্যমন্ত্ৰী হব লাগে। ১৯৯২-৯৩ চনত শিৱসাগৰত ৰোড ডিভিজনৰ কাৰণে ১ কোটি ৪ লাখ টকা দিয়া হৈছে। মঙ্গলদৈত ৪ লাখ, তেজপুৰত ২৮ লাখ, নিউ গুৱাহাটীত ৮৩ লাখ ৭২ হেজাৰ টকা নগাওঁত মাত্ৰ ২½ লাখ টকা. মোৰ সমষ্টি ঘিলামৰা এখন বানপিড়িত অঞ্চল তাত বহুত এলেকাত বানপানী হয়। অতি দুখ লগা কথা হৈছে, মাননীয় অধ্যক্ষ মহোদয়, তাত মাত্ৰ ৩½ লাখ টকা দিছে। মৰিগাওঁত ৪ লাখ ৮৫ হজাৰ, বিশ্বনাথ চাৰিআলিত ৬ লাখ, ডিব্ৰুগড়ত ৯ লাখ, গুৱাহাটীত ৫ লাখ, বৰপেটাত ৮ লাখ, নলবাৰীত ১৩ লাখ, দক্ষিণ শালমৰাত ১২ লাখ ৪৫ হজাৰ টকা দিছে। কৰিমগঞ্জত দিছে ২ লাখ টকা। গতিকে মাননীয় অধ্যক্ষ মহোদয়, মই আজি বিধান সভাৰ সদস্য হিচাবে মোৰ মনত যি প্ৰতিজ্ঞা হৈছে—সেইখিনি মই নিশ্চয় কৰিম।

গতিকে অধ্যক্ষ মহোদয়, এটা প্ৰস্তাৱ দিব বিচাৰিছো এই সদনৰ প্ৰতিজন সদস্যই একোবাৰ ৰোটেচন বেচিচত মুখ্যমন্ত্ৰী হোৱাৰ ব্যৱস্থা কৰিব লাগে যাতে নিজৰ নিজৰ সমষ্টিটো ঠিক কৰি লব পাৰে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী অকল সিৱসাগৰৰ কাৰণে মুখ্যমন্ত্ৰী হোৱা নাই।

* শ্ৰীনকুল দাস :— শিৱসাগৰত এইবাৰ সাহিত্য সভা হোৱা কাৰণে তাত বেচিকৈ টকা দিবলগীয়া হৈছে।

* শ্ৰীদিলীপ কুমাৰ শইকীয়া :— সাহিত্য সভা শিৱসাগৰত হৈছিল নাজিৰাত হোৱা নাছিল। এই বিলাক কাৰণতে আজি সকলোৰে মাজত ক্ষোভৰ সৃষ্টি হৈছে। আজি আমি কি দেখিছো বোৰ্ডৰ এলেকাৰ কাৰণে টকা পইচ ধাৰ্য্য কৰা হোৱা নাই। অসম নগালেণ্ড, অসম অৰুণাচল, অসম মিজোৰাম, অসম মনিপুৰ এই বিলাক ঠাইৰ সীমাৰ ওচৰত কোনো উন্নয়নৰ কাৰণে টকা ধৰা হোৱা নাই। আজি নগালেণ্ডে আমাৰ মাটিত তিনিটা মহকুমা গঠন কৰিছে গতিকে বোৰ্ডৰ

*Speech not corrected.

উন্নয়নৰ কাৰণে অসম চৰকাৰে কোনো চেষ্টা কৰা নাই। গতিকে স্পেচিয়েল ব্যৱস্থা ক'ৰ হলেও সীমা মূৰীয়া অঞ্চলৰ ৰাইজৰ উপকাৰৰ কাৰণে কিছু প্ৰভিজন কৰিবলৈ মই আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ জনালো। (সময়ৰ সংকেত) মাননীয় সদস্য সকলে বহুত বিলাক দৰ্কাৰী কথা কৈছে সেইবিলাকৰ প্ৰতি চৰকাৰে চকু দিব লাগে। মই ভাবিছো অন্যান্য বস্তুৰ ক্ষেত্ৰত টেক্স লগোৱাৰ দৰে যি সকল লোকৰ লৰ-ছোৱালী বেচি তেওঁলোকৰ ওপৰত [illegible] টেক্স লগোৱাৰ ব্যৱস্থা কৰিব লাগে আৰু যিবিলাক লোকে একনীতকৈ বেচি বিয়া কৰায় তেওঁলোকৰ ওপৰতো টেক্স লগোৱাৰ ব্যৱস্থা কৰিব লাগে। তেতিয়া ভাৰত চৰকাৰে যি পৰিয়াল পৰিকল্পনাৰ নিৰ্দেশ দিছে সেইখিনি মানি লোৱা হব।

* ডাঃ অৰ্দ্ধেন্দু দে (মন্ত্ৰী): তেতিয়াহলে যি সকল লোকৰ লৰা-ছোৱালী নাই তেওঁলোকে দাবুল টেক্স দিব লাগিব।

* শ্ৰীদিলীপ কুমাৰ শইকীয়া: বিত্ত মন্ত্ৰী মহোদয়ে আয়ুৰ্বেদীয় দ্ৰব্যৰ ওপৰত যি টেক্স লগোৱাৰ কথা কৈছে সেইটো ৰি-থিংকিং কৰিব লাগে। বাজেটখনত দুখীয়া ৰাইজৰ কাৰণে লাগতিয়াল বহুত কথাৰে উল্লেখ নাই। তথাপি কিছু ভালো হৈছে। যিখিনি ভাল কথা সেইখিনিক বাদ দি বাজেটখনক বিৰোধিতা কৰি বক্তৃতাৰ সামৰণি মাৰিলো।

Mr. Speaker: Honourable Mamber Shri K rendra Basumatary will speak.

* শ্ৰীকৰেন্দ্ৰ নাথ বসুমতাৰী: মাননীয় অধ্যক্ষ মহোদয়, বাজেটৰ ওপৰত কিছু মোৰ বক্তৃতা ৰাখিব বিচাৰিছো। এইখন বাজেটে দৰিদ্ৰ শ্ৰেণীৰ সীমা ৰেখাৰ তলত বসবাস কৰা লোক সকলৰ অৰ্থনৈতিক উন্নয়নৰ কোনো স্পষ্ট আঁচনি বাজেট খনত প্ৰতিফলিত হোৱা নাই। ইয়াৰ লগত মই কিছুমান সংশোধনী প্ৰস্তাৱ আনিব বিচাৰিছো। এই বাজেটত সীমান্ত এলেকাৰ কাৰণে সুকীয়া অৰ্থ আৱন্তন ৰখা হোৱা নাই। আইন শৃংখলাৰ নামত বহুত টকা যোৱা বুলি আৰু তাৰ কাৰণে বিত্তীয় সংকট হোৱা বুলি উল্লেখ কৰিছে। লগতে আৰু এটা কথা উল্লেখ কৰিছে অসমৰ প্ৰাকৃতিক দুৰ্যোগ। এইটো এটা গতানুগতিক

---

* Speech not corrected.

পৰিস্থিতি। ইয়াৰ লগত বান পৰিস্থিতিয়ে বছৰে বছৰে অসমক জুৰুলা কৰিছে। এইবিলাক প্ৰতিৰোধ কৰা কাৰণে বাজেট বক্তৃতাত কোনো স্পষ্ট নীতি নিৰ্দ্ধাৰণ কৰা নাই। জনজাতি যিখন আঁচনি আছে সেই জনজাতি শিতানত ধন আৱণ্টন বৰ কম হৈছে। অনুসূচীত জাতীৰ কাৰণে আৱণ্টিত ধনো কম হৈছে। শিক্ষাৰ শিতানত সাধাৰণ শিক্ষাৰ শিতান ৰখা হৈছে কিন্তু জনজাতি শিক্ষাৰ কাৰণে বাজেটত কোনো সুকীয় ধন আৱণ্টন কৰা নাই। জনজাতিৰ কাৰণে সুকীয়াকৈ ধন ৰখাৰ আৱশ্যক আছিল। কাৰণ অসমৰ জনজাতি সকলৰ নিজা নিজা ভাষাৰ মাধ্যমত স্কুল হৈছে। আজি বড়ো ভাষা, ৰাভা ভাষা, মিছিং ভাষা, তাই আদি ভাষাৰ কাৰণে প্ৰাথমিক পৰ্য্যায়ত প্ৰাথমিক বিদ্যালয়ত ভাষা ইণ্ট্ৰেডিউচ কৰিছে। সেইবিলাক স্কুলৰ উন্নতিৰ কাৰণে বাজেটত সুকীয়া ধনৰ আৱণ্টন কৰিব লাগিছিল। সেয়ে মোৰ এই প্ৰস্তাৱ গুৰুত্ব সহকাৰে বিবেচনা কৰিবলৈ আপোনাৰ জৰিয়তে বিত্ত মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। বেংক সেৱাৰ ক্ষেত্ৰত ১৪ হাজাৰ জনসংখ্যাৰ মাজত এখন বেংক সেৱা স্থাপন কৰা বুলি উল্লেখ কৰিছে কিন্তু পিচপৰা অসমৰ জনজাতি অঞ্চলৰ মাজত বেংক সমূহে নিঃনুৱা যুৱক সকলক ঋণ দিয়াত অৱহেলা কৰে। জনজাতি অঞ্চলত বেংকৰ সেৱা এতিয়াও ঠিক হোৱা নাই। জনজাতি অঞ্চলত ১০ হাজাৰ জনসংখ্যাৰ মাজত একোটা বেংক প্ৰতিষ্ঠা কৰিব লাগে। প্ৰাগজ্যোতিষ গাওঁলীয়া বেংক, ষ্টেট বেংক, কমাৰচিয়েল বেংক অতি সোনকালে জনজাতি এলেকা সমূহত স্থাপন কৰাৰ ব্যৱস্থা কৰিব লাগে। টেক্সৰ ক্ষেত্ৰত গৰু গাড়ী, ঠেলা গাড়ী যিবিলাক দৰিদ্ৰ লোক সকলৰ অপৰিহাৰ্য্য বস্তু সেইবিলাকৰ ক্ষেত্ৰত টেক্স বঢ়াব নালাগে। উদ্যোগৰ ক্ষেত্ৰত আমি সকলোৱে কৃষি উদ্যোগতে জোৰ দিব লাগিব। কৃষিৰ উন্নতি কৰিব নোৱাৰিলে খেতিয়কৰ উন্নতি নহয়। আৰু তেতিয়া অৰ্থনৈতিক উন্নয়নো নহব। আজি আমাৰ খেতিয়কে মৰাপাটৰ খেতি কৰিব বাদ দিছে কাৰণ মৰাপাটৰ বজাৰ নাই, উদ্যোগ নাথাকিলে মৰাপাটৰ বজাৰ ক'ত থাকিব? খেতিয়ক ৰাইজক সৰিয়হৰ খেতিত জোৰ দিব লাগে। তাৰ কাৰণে আমি উপযুক্ত পৰিমাণৰ সাৰ বেহাই মূল্যত দিয়াৰ ব্যৱস্থা কৰিব লাগে। আমি যাতে ৰাইজে গোবৰ সাৰ ব্যৱহাৰ কৰো তাত বেছি গুৰুত্ব দিব লাগে। তাৰ কাৰণে দৰকাৰ হলে গোবৰ সাৰৰ কাৰখানা খুলিব লাগে। আজি কালি আমাৰ খেতিয়কে অলপ আহু খেতিত জোৰ দিব লাগে কাৰণ শালি খেতিৰে ৬ মাহো খাব নোজোৰে।

* Speech not corrected.

কিন্তু আহু ধানৰ ক্ষেত্ৰত আমি কি কৰিছো। অৱশ্যে এই সময়ত আহু ধান চপোৱাৰ সময় নহয়। কিন্তু আহু খেতি [illegible] পানী [illegible]োহোৱা খৰাং হয় আৰু কিচুমান ঠাইত আহু ধান চপোৱাৰ সময়ত বানপানীয়ে পায়গৈ। সেই কাৰণে আহু খেতিৰ ওপৰত আমাৰ দুখীয়া জনসাধাৰণে বিশেষ ভাৱে নিৰ্ভৰ কৰিব লগীয়া হয়। গাঁৱৰ দৰিদ্ৰ জনসাধাৰণে নিজৰ সংস্থাপনৰ কাৰণে কোনো উদ্যোগ নাপায়। চৰকাৰে টাউন এলেকাত নিৱনুৱা সকলৰ কাৰণে চাকিৰ আদিৰ ব্যৱস্থা কৰি দিছে- কিন্তু আমাৰ গাওঁ অঞ্চল সমূহত সেইটোও নাই। আজিকালি গাওঁ সমূহতো বহুতে বি,এ পাছ কৰি আছে আৰু মেট্ৰিক পাছকে আদি গাওঁ সমূহত প্ৰায় শতকৰা ৭০ জন নিবনুৱা লোক আছে। সেই কাৰণে গাওঁ বিলাকতো ইণ্ডাষ্ট্ৰী পাতি দিয়াৰ ব্যৱস্থা কৰিব লাগে। অধ্যক্ষ মহোদয়, তামোল, চুপাৰিৰ ব্যৱসায়ত বহুতো উপাৰ্জন হয় সেই কাৰণে আমাৰ গাওঁ বিলাকত তামোল আৰু চুপাৰিৰ ইণ্ডাষ্ট্ৰী কৰিবলৈ শিক্ষিত গাওঁৰ নিবনুৱা সকলক উদগণি দিব লাগে। তাৰ কাৰণে বেংক সমূহৰ পৰা ২৫ হেজাৰৰ পৰা ৫০ হেজাৰলৈকে চাবচিদিত ঋণ দিয়াৰ ব্যৱস্থা কৰি দিব লাগে। তাৰ লগতে কাগজৰ কলৰ বাবে বাহৰ প্ৰয়োজন। কাগজ উৎপাদন কৰিবলৈ যিটো বাঁহ লাগে সেই বাঁহৰ খেতি কৰিবৰ কাৰণে গাওঁৰ ডেকা সকলক উৎসাহ উদ্দীপনা দিব লাগে। আজিকালি ভলুকা বাঁহৰ দাম ১৫ টকাৰ পৰা ২৫ টকা, জাতি বাঁহৰ ১২ টকাৰ পৰা ১৮ টকা আৰু বিজুলী বাঁহৰ ৬ টকাৰ পৰা ৮ টকা পাইছে। সেই কাৰণে চৰকাৰে মাটি আবণ্টন দি হলেও ডেকা সকলক বাঁহ খেতি কৰিবলৈ উদগণি দিব লাগে। চাহৰ ক্ষেত্ৰত অধ্যক্ষ মহোদয়, চাহ নিবনুৱা যুৱক সকলক ব্যক্তিগত ভাৱে চাহ খেতি কৰাৰ কাৰণে ব্যৱস্থা কৰি দিছে বুলি শুনিবলৈ পাইছো। ঠিক তেনে ধৰণে গাওঁৰ যুৱক সকলক উদগণি দিয়াৰ উদ্দেশ্য চৰকাৰে বৰ্ধিত নীতি নিয়ম গ্ৰহণ কৰি অৰ্থনৈতিক ভাৱে আগবাঢ়ি যাবলৈ উদগণি দি নিবনুৱা সমস্যা সমাধান কৰাৰ ব্যৱস্থা কৰি দিয়া উচিত। তেনে ধৰণে কৃষিৰ ক্ষেত্ৰত আৰু শিক্ষাৰ ক্ষেত্ৰত বলিষ্ঠ পদক্ষেপ লৈ নিবনুৱা সমস্যা সমাধান আশা কৰিব পাৰি। বাজেট বক্তৃতাত ১৩ লাখৰো অধিক নিবনুৱা আছে বুলি উল্লেখ কৰিছে। আজি

শিক্ষা বিভাগত বিশেষকৈ নিবনুৱা সমস্যা সমাধানৰ বাবে চেলফ এমপ্লইমেণ্ট দিবলৈ নন-টেকনিকেল বিভাগ সমূহত চাকৰি দিয়াৰ ব্যৱস্থা কৰিব পাৰে। শিক্ষাৰ শিতানতেই অধিক লোকক চাকৰি দিয়াৰ ব্যৱস্থা লোৱা বুলি জানিব পাৰিছো। আনহাতে নিবনুৱা যুৱক সকলৰ ক্ষেত্ৰত আমাৰ ট্ৰাইবেল দেভেলপমেণ্ট কৰ্পোৰেচনৰ পৰা ১২ হেজাৰৰ অধিক ঋণ দিয়াৰ ব্যৱস্থা নাই। কিন্তু ট্ৰাইবেল যুৱক সকলৰ মাজত মেট্ৰিক পাছকে আদি কৰি বহুতো গ্ৰেজুৱেট আছে। তেওঁলোকক অসম চৰকাৰে ১ লাখ টকাৰ পৰা ৫ লাখ টকালৈকে ঋণ দিয়াৰ ব্যৱস্থা বাজেটত ৰাখিব লাগে আৰু বাজেটত এইখিনি ব্যৱস্থা বিত্ত-মন্ত্ৰীৰ বক্তৃতাত ৰাখিব বুলি আশা কৰিলো। এই ক্ষেত্ৰত কিছুমান বিষয় সংশোধন কৰি হলেও ব্যৱস্থা কৰি দিবলৈ আবেদন জনালো--বিশেষকৈ সীমান্ত এলেকাত ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা ৰাখিলো। অধ্যক্ষ মহোদয়, ইণ্টাৰ নেচনেল বৰ্ডাৰ এলেকাত ৰাষ্ট-ঘাট অতি বেয়া, স্কুল বেয়া সেইবিলাক মেৰামতি কৰি দিয়াৰ ব্যৱস্থা লব আৰু সীমান্ত এলেকাত স্বাস্থ্য ৰক্ষাৰ বাবে চিকিৎসালয়ৰ কোনো ব্যৱস্থা নাই। সেই কাৰণে বিশেষকৈ সীমান্ত এলেকাত সুকীয়াকৈ বাজেটত ব্যৱস্থা ৰাখিব বুলি আশা কৰি মোৰ বক্তব্য সামৰিলো।

মাননীয় অধ্যক্ষঃ- আপোনালোকে সকলোৱে কবলৈ বিচাৰিলে বিত্তমন্ত্ৰী ডাঙৰীয়াৰ উত্তৰ দিবলৈ সময় নহব। গতিকে আপোনালোকে বিত্তমন্ত্ৰীক কেৱল ভাল ভাল উপদেশ কেইটামানহে দিব!

* শ্ৰীজয়নাথ শৰ্মা— অধ্যক্ষ মহোদয়, মোৰ কথা হ'ল বিত্তমন্ত্ৰী মহোদয়ে সদনত এখন বাজেট উত্থাপন কৰিছে আৰু এই বাজেটখন বিশেষকৈ শাসক দলৰ তৰফৰ পৰা জনমুখ হিচাবে ৰাইজৰ আগত এটা ধাৰণা দিবৰ কাৰণে চেষ্টা চলাইছে। আমাৰ বিত্তমন্ত্ৰী শ্ৰীগগৈ ডাঙৰীয়া আগতে বিধান সভাৰ অধ্যক্ষ আছিল। তেখেতে এই সকলো কথা জানে আৰু দুখীয়া জনসাধাৰণৰ প্ৰতি লক্ষ্য ৰাখি এই বাজেটৰ ব্যৱস্থা কৰিছে বুলি কৈছে। কিন্তু এটা দেখা গৈছে যে ইয়াত যিবিলাক তথ্য ডাঙি ধৰিছে সেই তথ্য সমূহলৈ আমাৰ দুখীয়া জনসাধাৰণৰ ইন্‌টাৰেষ্টত বাজেটখন তৈয়াৰ কৰা হৈছে নে নাই সেইটো বিত্তমন্ত্ৰী ডাঙৰীয়াই উত্তৰত কলে ভাল হয়। অধ্যক্ষ মহোদয়, আপুনি দেখিছে— ১৬২ কোটি

* Speech not corrected.

টকা ডেফিচিট হৈছে। পেইজ ২৪ত আছে- In the budget at page 24 the Finance Minister has said that the anticipated tran—sactions during 1993—94 would lead to a deficit of Rs. 282'98 crores. তাৰ মানে আজিলৈকে ডেফিচিত হৈছে—১৬২ কোটি ৬০ লাখ টকা। কিন্তু হিচাব কৰি দেখা গৈছে যে চাৰপ্লাছ ক্লজিঙত ২৮৩ কোটি টকা হব। এইটো দেখা গৈছে যে দুখীয়া ৰাইজৰ উন্নয়নৰ কাম কমাই দিয়া হৈছে। কৃষি বিভাগত দেখা গৈছে—পোনপতীয়াকৈ ৪৭ কোটি টকা কৰ্তন কৰিছে। ৰাজহ বিভাগত ১৬ কোটি টকা কৰ্তন কৰিছে। দৰমহা দিবলৈ প্লেনৰ টকা ডাইভাৰ্ট কৰি ৮৫ লাখ টকা কাটিছে। জলসিঞ্চন বিভাগ আদিত পোনপতীয়াকৈ ৩৫ কোটি টকা কাটিছে। বিদ্যুত বিভাগত এনাৰ্জি ৰিচৰ্চৰ শিতানত ১৩৮ কোটি টকা কাটিছে। সৰুসুৰা ইণ্ডাষ্ট্ৰিৰ ক্ষেত্ৰত ৯ কোটি টকা কাটিছে আৰু পৰিবহনত ৩ কোটি টকা কাটিছে। এতিয়া সৰ্বমুঠ ২৪০ কোটি টকা কৰ্তন কৰিছে। তাৰ মানে এই ২৪০ কোটি টকা যোৱা বছৰৰ বাৰ্ষিক প্লেনতেই আমি পাছ কৰি দিছিলো—উন্নয়ণৰ কামৰ বাবে। কিন্তু আপোনালোকে কাম কৰিব নোৱাৰি এতিয়া ক্লজিং চাৰপ্লাচত কিয় এইটো দেখুৱাইছে। উন্নয়ণৰ কাম বন্ধ কৰি এইটো কৰাৰ কি কাৰণ থাকিব পাৰে। আজিৰ দৈনিক বাতৰি কাকতত ওলাইছে যে ৪ কিলোমিটাৰৰ কাৰণে ৭৫ লাখ টকা খৰচ কৰিছে—তাৰ প্ৰতিবাদ আপোনালোকে কোনেও কৰা নাই। ইমান দিনৰ মূৰত আজি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই মুকলি ভাবে এটা ভাল বক্তৃতা দিলে। তেখেতে কলে যে ৰাজনীতি কৰিলে গালি গালাজ খাবই লাগিব। এইটো সৌভাগ্যৰ কথা যে তেখেতে স্বীকাৰ কৰি কলে যে- ৰাজনীতিত নামিবলৈ হলে গালি ধমকি খাই ৰাজনীতি কৰিব লাগিব।

এতিয়া দেখিছো অধ্যক্ষ মহোদয়, পঞ্চায়ত কৰ্মী সকলৰ দৰমহা নাই। ৰাষ্ট্ৰীয়কৰণ কৰা স্কুল বিলাকৰ দৰমহা নাই। নাৰ্চৰ দৰমহা নাই তেওঁবিলাকে আন্দোলন কৰিবলগীয়া হৈছে। ক্ৰীড়া বিদ সকলক দিব খুজিছিল তেওঁবিলাকক দিব পৰা নাই। তেওঁবিলাকক পেঞ্চন দিব পৰা নাই। অথচ ৰাজহুৱা ভাবে পেঞ্চন দিম বুলি ঘোষণা কৰিছিল কিন্তু দিব পৰা নাই। চাকৰিয়ালক টকা দিব পৰা নাই। টেলিফোনৰ টকা দিব পৰা নাই, কাগজ নাই পেঞ্চিল নাই চিয়াঁহি নাই। এম-এল-এ মন্ত্ৰীৰ

টি-এ বিল নাই। অথচ বাজেট চাৰপ্লাচ বাজেট অনা হৈছে। বিত্তমন্ত্ৰী আৰু বিত্ত বিভাগৰ বিষয়া সকলে বাজেট চাৰ প্লাচ দেখুৱাইছে। চৰকাৰে কৌশলগত ভাবে ৰাইজক ভোল নিয়াবলৈ এই বাজেটখন আনিছে। বেবি ফুডৰ দাম কমা বুলি কৈছে শতকৰা পঞ্চাশ ভাগ, কিন্তু কালি ষ্টেটফেডলৈ গৈ বেবি ফুড কি কি আছে চাই দাম বিলাক টিনৰ সৈতে লিখি আনিছো। যদি সঁচাই চৰকাৰৰ ইচ্ছা বেবি ফুডৰ দাম কমাই দিয়া হয় তেনেহ'লে এইটো নকৰিলেহেতেন। মই ষ্টেটফেডৰ পৰা আনিছো। কমপ্লান, লেক্টোজেন, এভ্ৰি-ডে, আমুলস্প্ৰে, মালটোভা ভিভা, ফেৰেক্স চেৰেলেক, হৰলিক্স ইত্যাদিৰ টেমা আছে। সেই বিলাকৰ দাম লিখি আনিছো। কিন্তু কথা হ'ল টেমা বিলাকত দাম লিখাৰ লগতে তাত লিখা আছে ইনক্লুচিভ অব অল টেক্স অৰ্থাৎ তাত চেল টেক্স আদিও সোমাই আছে। টেমাৰ ওপৰতে ষ্টেম্প মাৰি দিয়া আছে। সৰ্বভাৰতীয় নমৰ্চ মতে এক কেজিৰ লেক্টো-জেন এটাৰ দাম ৫৫ টকা দিব লাগে। কিন্তু আমাৰ কাৰণে দাম নকমে। এইটো কমিব প্ৰডিউচাৰৰ কাৰণে। অৰ্থাৎ দুখীয়া মানুহৰ কাৰণে কোনো লাভ নহ'ল। অথচ টি-ভিৰ দাম কমাই দিছে আৰু কৈছে যে দুখীয়া মানুহে কিনিব পাৰিব। অধ্যক্ষ মহোদয়, দুখীয়া মানুহক সহায় কৰা হোৱা নাই। এতিয়ালৈকে টি-ভি কিনিবলৈ কোনো থকা নাই। সকলোৱেই টি-ভি কিনিছে। কিন্তু কিনিব পৰা নাই দুখীয়া মানুহ কেইজনেহে। এতিয়া তেওঁলোকে কিনিব লাগিলে দাম দি কিনিব লাগিব। অৰ্থাৎ দুখীয়া মানুহৰ ওপৰত টেক্স লগোৱা হৈছে। এইটো টেকনিকেল কথা। টি-ভিৰ ওপৰত নলগাই যদি ধপাতৰ ওপৰত টেক্স লগালেহেতেন বা মদৰ ওপৰত লগালেহেতেন তেনেহলে বুজিলোহেতেন যে সঁচাই দুখীয়া মানুহৰ উপকাৰ কৰিছে। কিন্তু ধপাত মদ আৰু বেবিফুড একে কৰিলে কেনেকৈ হব।

(সময়ৰ সংকেত)

মাননীয় অধ্যক্ষ :— ৭-৩০ বজাত শেষ হব লাগিব।

* শ্ৰীজয়নাথ শৰ্মা :— অধ্যক্ষ মহোদয়, এতিয়া কথা হ'ল লোন পজিচন। এই চৰকাৰে ভাৰত চৰকাৰৰ পৰা ২৩৯ কোটি টকা, আৰ-বি আইৰ পৰা ৬০০ কোটি টকা সৰ্বমুঠ এক বছৰত এক হাজাৰ পয়সত্তৰ লাখ টকা লোন লৈছে। এতিয়া কৈছে এ-জি-পিৰ গাত দোষ। এতিয়া কোনে বেছিকৈ লোন লৈছে দেখুৱাইছে। ১৯৮৫ চনত আমাৰ চৰকাৰ আছিল তেতিয়া আমি অহাৰ আগতে সৰ্বমুঠ লোন

* Speech not corrected.

আছিল ২৭০ কোটি টকা। আৰু আমি যেতিয়া চৰকাৰ এৰি দিও তেতিয়া আহিল ছুহাজাৰ সত্তৰ কোটি টকা। ১৯৯১ চনত তিনি হাজাৰ সাত শ চাৰি কোটি আছিল। আমাৰ দিনত এক হাজাৰ ছয় শ চোত্ৰিশ কোটি টকা হৈছিল। সেইটো আছিল পাচ বছৰৰ। পাচ বছৰৰ শতকৰা হিচাবে আছিল ৪৭ আৰু আপোনালোকৰ ক্ষেত্ৰত কিমান। এক বছৰত হিচাব কৰি চালে ১৯৮৩-৮৪ চনত আছিল এক হাজাৰ এশ সাতষষ্টি কোটি টকা আৰু ১৯৮৫ চনত আছিল ছুহাজাৰ সাতশ পয়সত্তৰ কোটি টকা। এই হিচাবত বছৰত শতকৰা ৮৫ ভাগ হৈছে আপোনালোকৰ লোন। হয় এথন চৰকাৰ চলাবলৈ লোন লব লাগিব। কিন্তু কিয় লোন লোৱা হৈছে আৰু কিমান লোন লোৱা হৈছে সেই হিচাবটো শুদ্ধ ভাবে ৰাইজক জনাব লাগিব। আপোনালোকৰ দোষ ঢাকিবলৈ এ-জি-পিক কিয় দোষ দিব বিচাৰিছে। আজি আপোনালোকে এটা বছৰত এক হাজাৰ পয়সত্তৰ কোটি টকা চৌষষ্টি লাখ টকা ধাৰ লৈছে। এশ বিশ কোটি টকা মাৰ্কেট বুমিঙৰ ভিতৰত পিয়াৰলেচো সোমাই আছে।

( ভইচ : চেম্বাচ´ অব কমাচ´ আছে )

সেইটো সংখ্যা পোৱা নাই। যদি ৰাইজৰ হৈ কিবা কাম কৰে আপোনা-লোকক দোষ দিবলৈ নাযাও। এতিয়া অধ্যক্ষ মহোদয়, এটা কথা কবলৈ বিচাৰিছো যে ছুখীয়া মানুহৰ ওপৰত এই টেক্স নাই দিয়া বুলি কৈ আচলতে পৰোক্ষভাবে ছুখীয়া মানুহৰ ওপৰতে এই চৰকাৰে টেক্স লগাবলৈ বিচাৰিছে। এই গোটেই কথাখিনি নতুনকৈ চিন্তা চৰ্চা কৰক। চতুৰ্থ শ্ৰেণীৰ চাকৰিয়ালক প্ৰফেচনেল টেক্স ৰেহাই দিয়াৰ কথা কৈছে কিন্তু তাৰ দ্বাৰা আঢ়ৈ হাজাৰ পৰ্য্যন্ত দৰমহা পোৱা চতুৰ্থ শ্ৰেণীৰ চাকৰিয়াল চৰ্কীদাৰ আদিৰ কাৰণে তেনে প্ৰফেচনেল টেক্স ৰেহাই দিয়াৰ নামত আমি মন্ত্ৰী বিধায়ক সকলে নিজৰ টেক্স ৰেহাই লোৱাৰ ব্যৱস্থা কৰিছো মাত্ৰ। চকীদাৰৰ নামত ৰেহাই লৈ আমি নিজকে ৰেহাই দিয়াৰ কথা আৰু ব্যৱস্থা কৰিছো কিন্তু তাৰ দ্বাৰা ছুখীয়া মানুহক কোনো উপকাৰ কৰিব পৰা নাই। সেই কাৰণে এই বাজেটত এইবিলাক কথা প্ৰতিফলিত হোৱা নাই আৰু টেকনিকেল লোন হৈ আছে। এইবিলাক কথা বিনিয়োজন বিল অনাৰ সময়ত শুদ্ধ কৰি আনিব পাৰে নেকি চাব তেতিয়া আমি চাপোৰ্ট দিব পাৰো নেকি চাম।

Mr. Speaker : Mr. Chandra Mohan Patowary you will have to make your speech short because, you see, Finance Minister's reply will begin at 7·30 p.m.

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী :— অধ্যক্ষ মহোদয়, মোৰ দীঘলীয়া নহয় একেবাৰে চৰ্ট। অধ্যক্ষ মহোদয়, যিখন বাজেট বিত্ত মন্ত্ৰী ডাঙৰবীয়াই উত্থাপন কৰিছে সেই সম্পৰ্কত মই বেছি বাক-বিতণ্ডা কৰিবলৈ নাযাওঁ। বহুতেই কব লগীয়া আছে কিন্তু সময়ৰ কাৰণে আপুনি মোক ওৱাৰ্নি দিছেই যেতিয়া থূল-মূলকৈ দুটামান কথা কব খুজিছো। বাজেট এখন যেতিয়া ৰাজ্য বিধান সভাত উত্থাপন হব বুলি জনসাধাৰণে জানে তেতিয়া সকলোৱে বাজেটৰ ফালে নজৰ দি থাকে ঠিক তেনেকৈ পাৰ্লিয়ামেণ্টত বাজেট দাখিল হব বুলিও দেশখনৰ জন-সাধাৰণে আশাৰে বাট চাই থাকে বাজেটখন দাখিল কৰা দিনটোলৈ। কিয়নো বাজেট এখনত ৰাজ্য বা দেশখনৰ জনসাধাৰণৰ অৰ্থনৈতিক দিশটো প্ৰতিফলিত হব বুলি ভাবি থাকে। তেওঁলোকে আশাৰে বৈ থাকে কিবা পায় নেকি চাই থাকে। এই বিলাক কিছুমান বেচিক কথা। আমাৰ ইয়াত দাখিল কৰা বাজেট খন কিন্তু বৰ ধুনীয়া হৈছে। ধুনীয়া হৈছে ইয়াৰ ভাষা আৰু ছপা আৰু বন্ধাৰ কাম। ফিগাৰ ইত্যাদিও ঠিক মতে দিছে। সকলো খিনিৰে ভাষা সুন্দৰ। আমাৰ এটা প্ৰবচন আছে। ডাকৰ বচনত কোৱা 'বাহিৰে ৰং চং ভিতৰে কোৱা ভাতুৰি' এই বাজেটখনো ঠিক তেনেই হৈছে। অৰ্থাৎ বাহিৰে ৰং চং ভিতৰে কোৱা ভাতুৰী। ছপা সুন্দৰ ভাষা সুন্দৰ কিন্তু ভিতৰত একো নাই টোটেলি এণ্টিপিপ'ল "It means that this budget is totally anti-people budget, this budget is totally, I repeat, totally anti-people in the sense that the common people of the State will not get any sort of benefit out of it". প্ৰশ্ন হৈছে কব লাগে কাৰণে কোৱা নাই। চাব এটা কথা কব খুজিছো এইখন এখন এণ্টিপিপ'ল বাজেট। এই কাৰণে কৈছো যে এইখন বাজেটে সৰ্বসাধাৰণৰ ৰাইজৰ কোনো সকাহত আহিব পৰা নাই। আমি ক'তো সৰ্বসাধাৰণ ৰাইজ উপকৃত হব পৰা কথা বিচাৰি পোৱা নাই।

অধ্যক্ষ মহোদয়, মই এই কথা খিনি কেবল কব লাগে কাৰণেই কোৱা নাই। সেই কাৰণে মই এই বাজেট খনক "বাহিৰে ৰং চং ভিতৰে কোৱা ভাতুৰী" বুলি কব বিচাৰিছো। আপোনালোকে যোৱা বাৰ ইয়াত এখন চাৰপ্লাচ বাজেট উত্থাপন কৰিছিল। অমুক গেটৰ পৰা ইমান ৰাজহ আহিব, তেলৰ পৰা ইমান আহিব, তমুকৰ পৰা ইমান

★ Speech not corrected.

আহিব আদি কৰি বহুতো হিচাব দেখুৱাইছিল। কিন্তু তাৰ পিচত বিত্তীয় সংকট কিয় হ'ল? কৰ্মচাৰীক দৰমহা কিয় দিব নোৱাৰা হ'ল? এইবাৰ বিত্ত মন্ত্ৰীয়ে এখন চাৰপ্লাচ বাজেট দিব পৰা নাই। গতিকে এইখনৰ অৱস্থা আৰু কি হব সেইটোহে চাব লগীয়া হব। সেই কাৰণে অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় বিত্তমন্ত্ৰী মহোদয়ক কেইটামান কথাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিব খুজিছো, তেখেতে যাতে এই কেইটা নোট কৰি লয়।

প্ৰথম কথা হ'ল—আমি কেন্দ্ৰীয় চৰকাৰক টকা দিব লগা আছে। এতিয়া ধৰি লওক মোৰ হাতত দুহেজাৰ টকা আছে। কিন্তু গেলামালৰ দোকানত মই এক হাজাৰ টকা দিবলৈ আছে। যদি এই এক হাজাৰ টকা দোকানত ধাৰ মাৰি দিয়া হয় তেনেহলে মোৰ হাতত থাকিব কিমান? গতিকে মোৰ হাতত দুহেজাৰ টকা আছে বুলি কৈ ফুৰিলে কিবা লাভ হব জানো? এতিয়া আমাৰ চৰকাৰৰো অৱস্থা তেনে হৈছে। কেন্দ্ৰীয় চৰকাৰক যিখিনি টকা দিবলৈ বাকী আছে সেইখিনি টকা ইয়াত কিয় লিখা হোৱা নাই। সেই হিচাববোৰ দেখুৱাবলৈ বছৰৰ শেষত আমাৰ কিমানখিনি টকা থাকিব সেই হিচাবটো ইয়াত দেখুওৱা হোৱা নাই। গতিকে পুনৰ সেই একে বিত্তীয় সংকটে দেখা দিব।

২ নং কথা হ'ল—কৰ্মচাৰী সকলক বোনাচ দিয়াৰ কথা কোৱা হৈছে। এই কথাটোময়ো মানি লৈছো। কিন্তু কৰ্মচাৰী সকলক যিমান কোটি টকা বোনাচ দিব লাগিব সেই টকা দিয়াৰ পিচত বাকী প্লেনৰ পইচা, মেইনটেনেন্চৰ পইচা খিনি ক'ৰ পৰা আহিব। ইয়াত বোনাচৰ পইচা ধৰা হোৱা নাই।

৩ নং কথা হ'ল—ষ্টেট ৰেভিনিউ যিখিনি আহিব লাগে সেইখিনি ইয়াত ধৰা হোৱা নাই। মই যেতিয়া কৃষি মন্ত্ৰী আছিলো তেতিয়া অসমত তিনি বাৰকৈ বানপানী হৈছিল। এইদৰে তিনি বাৰ বানপানী হবলৈ হলে অসমৰ গড়ে ৪৮৫ কোটি টকা নষ্ট হয়। তাৰ মানে কৃষি শিতানত ৰেভিনিউ নাহে। ইফালে কাঠৰ পৰাও ৰেভিনিউ নাহে। কাৰণ, ইতিমধ্যে আমাৰ গছ কটা বন্ধ কৰি দিয়া হৈছে। গতিকে সেইখিনি পইচা ক'ৰ পৰা আহিব। ইফালে কেন্দ্ৰীয় চৰকাৰক যিখিনি দিব লগা হৈ আছে সেইখিনিও দিব লাগিব, কৰ্মচাৰীকো বোনাচ দিব লাগিব আৰু ৰেভিনিউও নাহিব। গতিকে তেনে এটা অৱস্থা হলে কেনেকৈ চলাব সেইটো অধ্যক্ষ মহোদয়, আপুনিয়ে কওক। এইবাৰ আকৌ

বিধায়ক আৰু মন্ত্ৰী সকলৰো টি, এ, বিল কটা হ'ল। এইবোৰ ইয়াত দেখুওৱা হোৱা নাই।

৪ নং ত হ'ল—কৰ্মচাৰী সকলক বোনাচ দিয়াৰ কথা কৈছে, সেইটো দিয়ক। কিন্তু কৰ্মচাৰী সকলে বাধ্যতা মূলক ভাবে যিখিনি টকা জি, পি, এফ.ত ৰাখিব লাগে সেইটো বাধ্যতা মূলক হৈ থকা নাই। মই জনাত অসমৰ দুইলাখ কৰ্মচাৰীয়ে জি, পি, এফ কৰা নাই। এই কৰ্মচাৰী সকলৰ ভিতৰত নতুনকৈ যিবিলাক শিক্ষক লোৱা হৈছে তেওঁলোকেই হেনো এইটো কৰা নাই। ইয়াৰ কাৰণ এজন শিক্ষকক সোধাত তেখেতে কলে যে ইতিমধ্যে ২০ হাজাৰ টকা খৰচ কৰি কোনোমতে চাকৰিটো লৈছো। সেই ধাৰ খিনিকে প্ৰথমতে মাৰি লওঁ। ধাৰখিনি নমৰাকৈ জি, পি, এফ কৰো কেনেকৈ ?

( ভইচ : শিক্ষা মন্ত্ৰী শৰৎ বৰকটকীয়ে এইবোৰ টকা খালে নেকি ? )

মই শ্ৰীশৰৎ বৰকটকীয়ে খাইছে বুলি নকওঁ। মই জনাত তেখেত এজন ভাল মানুহ। তেখেতে পইচা নাখায়। তেখেতৰ হৈ এইখিনি কথা মই কৈছো যদিও তেখেতে মোক এটা কামো কৰি দিয়া নাই। ... (সদনত হাহি) ... । শ্ৰীশিউ শম্ভু ওজাই মোক জামাই বুলি মাতিয়েই থাকিল কাম একো নকৰিলে। ... (সদনত হাঁহি)। গতিকে কথা হ'ল এই কৰ্মচাৰী সকলে কিয় জি, পি, এফ কৰা নাই সেইটো চাব লাগে। এইটো কৰিলে আমাৰ বহুখিনি টকা আহিব।

৫ম কথা হ'ল—বাইবেলত 'ফিছ থ্ হৰ্চ ডেথ' বুলি কথা এষাৰ আছে। কেন্দ্ৰীয় চৰকাৰৰ পৰা আমাৰ চৰকাৰে যিখিনি ট্ৰেন্সপোৰ্ট চাবচিডি পায় সেই-খিনি কিয় আনিব পৰা নাই ? আমাৰ শইকীয়া ডাঙৰীয়াৰ দিল্লীত যথেষ্ট হুল্ড আছে বুলি শুনা যায়। যদি তেখেতৰ তাত হুল্ড আছেই তেনেহলে এই টকাখিনি কিয় আনিব পৰা নাই ? সেই কাৰণে আমাৰ বাজেট ডেফিচিট কিয় নহব। অধ্যক্ষ মহোদয়, এইক্ষেত্ৰত মই এটা কথা আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে আপুনি যেতিয়া উপাধ্যক্ষ আছিল তেতিয়া বিহাৰত লালু প্ৰসাদে এনে এটা অৱস্থাৰ সৃষ্টি কৰিছিল যে তেওঁ লাঠী জাঠী লৈ কেন্দ্ৰীয় চৰকাৰক ধমকি দি আকৰ্ষণ কৰি কয়লাৰ ৰেট ৭০ টকালৈকে বঢ়াই লৈছিল। তাৰ ফলত বিহাৰে কেৱল কয়লাতে ৪৫৭ কোটি টকা পায়। কিন্তু অসমৰ কয়লাৰ পৰা ৰাজ্য চৰকাৰে মাত্ৰ চাৰে ছয় বা সাত টকাকে সাত লাখ মান টকা পায়। আমাৰ মন্ত্ৰীয়ে দিল্লীত কথা কোৱাৰ সাহস নাই। এইখিনিতে

মই এটা কথা কওঁ আমাৰ বৰ্ত্তমান বিত্ত মন্ত্ৰীও সাক্ষী আছে আৰু শ্ৰীপ্ৰফুল্ল মহন্ত, জয়নাথ শৰ্মা আৰু মই এটা সময়ত কেন্দ্ৰীয় বিত্ত মন্ত্ৰীক কেইটামান কথাৰ কাৰণে সাক্ষাৎ কৰোতে তেওঁ এনেদৰে কৈছিল— It is very unfortunate that the people of Assam cannot assert themselves at Delhi to get money. Unless you assert yowrself you cannot get money. Other States are squizeeing money as they are assertive. বিত্ত মন্ত্ৰী অৱশ্যে তেতিয়া বিত্ত মন্ত্ৰী নাছিল। কিন্তু আজি তেখেতক মই সাক্ষী হিচাবেহে কথাষাৰ উল্লেখ কৰিছো। মই আৰু এটা কথা উল্লেখ কৰিব খুজিছো যে মই স্বাস্থ্য মন্ত্ৰী হৈ থাকোতে স্বাস্থ্য বিভাগৰ এটা কামত ৯ কোটি ২৫ লাখ টকা পাইছিলো। সেই টকাৰ ৪ কোটি ২৫ লাখ টকা আনিলো। তেতিয়া কেন্দ্ৰীয় চৰকাৰে এটা কথা কৈছিল যে এই ৪ কোটি ২৫ লাখ টকা খৰচ কৰি তাৰ ইউটিলাইজেচন চাৰ্টিফিকেট দিলে বাকী খিনি টকা দিয়া হব। কিন্তু ৪ কোটি টকা খৰচ কৰি বাকী ২৫ লাখ টকা খৰচ কৰিব নোৱাৰা ইউটিলাইজেচন চাৰটি'ফিকেট দিব নোৱাৰাৰ কাৰণে বাকী ৫ কোটি এতিয়াও পৰি আছে। তাৰোপৰি ইউ, এন, এফ, পি, এ, ৰ ১৩৯ কোটি টকা এৰিয়া স্কীম প্ৰজেক্টত দিছিল। সেইখিনিও আৰ, এ, পিৰ ভেজাল থকা কাৰণে সেই স্কীমটোও কৰিব পৰা নহল। এই টকাবোৰ আমাৰ চৰকাৰে পাৰচু নকৰাৰ কাৰণে গাওঁৰ হস্পিটেল বনোৱাৰ কাৰণে থকা টকাখিনি আজিও পৰি আছে।

অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে পাৰচু নকৰাৰ কাৰণে আজি ১৩৯ কোটি টকা নাহিল। টি, এ বিল হোৱা নাই, মই পৰামৰ্শ নিদিওঁ। আমগুৰি প্ৰজেক্ট, নামৰূপ সাৰ প্ৰকল্প, কাৰ্বি লংপি প্ৰজেক্ট এই প্ৰকল্প কেইটা উন্নয়নৰ কাৰণে এইখন বাজেটত কি ব্যৱস্থা কৰা হৈছে। যত পাৱাৰ নাই তাত কি প্ৰগতি হব। ওৱেষ্ট জাৰ্মানিৰ নিচিনা দেশত মাত্ৰ ১৭ চেকেন্দ পাৱাৰ ফেইল হয়, কিন্তু আমাৰ অসমত ১৭ ঘণ্টা পাৱাৰ ফেইল হয়। ইয়াৰ কাৰণ কি? কোনোবা এটা টেন্স ফৰ্মাৰৰ কাবেদি পাৰ হৈ যাওঁতে মেকুৰিটো মৰিল, তাৰ কাৰণে আমাৰ পাৱাৰ ফেইল হ'ল। আজি চৰকাৰে সেই বিলাকক ব্যক্তিগতকৰণ কৰিবলৈ সিদ্ধান্ত লৈছে। ফৰচুন ফাইভ হান্দ্ৰেদ আৰু এখন ফৰচুন ফাইভ হান্দ্ৰেদ চাৰ্ভিচ আছে, পাচশ জেনেৰেল মটৰ হয়, ফোৰ্থ মটৰ যিখন যিমান ইনকাম, যিমান ইমভেষ্টমেণ্ট এইটো ভাৰতবৰ্ষতকৈ তুশ কোটি টকা বেছি। চৰকাৰে চুগাৰ মিল, টজু মিল, পেপাৰ মিল আদি ব্যক্তিগতকৰণ কৰিবলৈ

কৈছে, হোৱাট ইজ দি পলি'চি ? ইয়াৰ নীতি থাকিব লাগিব। উদাহৰণ স্বৰূপে মই কওঁ যে এটা চুগাৰ মিলৰ সামগ্ৰীৰ দাম যদি চাৰি কোটি টকা হয়, সেই চাৰি কোটি টকাৰ মিলটো কোনো ব্যক্তিগত মালিকক চাৰি লাখ টকাতে দিবলৈ ওলাইছে। এই বিলাক কিনিবলৈ বম্বেৰ পৰা অহা মানুহক দিব, আমাৰ মানুহক নিদিয়ে। মই বাজেটখন ভালকৈ পঢ়িছো, বুজিব পাৰিছো যে এইখন এখন ভেগ বাজেট। মই চুটি কৰিছো, মন্ত্ৰী সকলে কাম কৰি নিদিয়ে, নিদিলেও নাই, আপুনি আমাৰ মালিক, সেয়ে এই কথা বিলাক উনুকিয়াইছো। দৰমহা হলেও টি, এ, বন্ধ হৈ আছে, যদি আমি দৰমহা নাপাও তেতিয়া হলে আপোনাৰ দৰমহাৰ পৰাই পইচা লম। মই টি এ, বিল কিন্তু দি থাকিম। ১৯৯১-৯২ চনলৈকে বাৰ্ষিক পৰিকল্পনাৰ কিমান টকা খৰচ হ'ল ইয়াত কোনো উল্লেখ নাই। ইনকাম কিমান আহিছে, খৰচ কিমান হ'ল তাৰ কোনো হিচাব নাই।

অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মা ডাঙৰীয়াই কৈছে—ৰিথে্‌ডিং কৰিছে। প্ৰিনটিং এণ্ড ষ্টেশ্বন্যাৰী চৰকাৰৰ হাতত আছে, চৰকাৰৰে টেক্স যাব। পাঠ্যপুথি প্ৰকাশনৰ সুবিধা ব্যক্তিগত মানুহৰ হাতত কেইখন আছে ? ইয়াতো চৰকাৰৰে যাব। বাজেটখন শেষৰ ফালে ভয়ানক হৈছে। মানুহখিনিয়ে ভাত খাই থকাৰ স্কোপ নাই। মুখ্যমন্ত্ৰীয়ে কৈছিল যে অসম লটাৰী অল ইণ্ডিয়া এভাৰেজৰ দৰে ফিক্স কৰি বিভাগৰ লগত নিগোচিয়েট কৰিম, কিন্তু নকৰিলে। তেতিয়া মই নিজে সদস্য আছিলো, তিনি চাৰি কোটি টকা বিতৰণ কৰি দিব পাৰে, কিন্তু আজিকালি লটাৰীয়ে লাখ টকাও দিব পৰা নাই। বোডি বনোৱা ছিট আদিত টেক্স লগাইছে, এই বিলাকত চৰকাৰৰেই যাব। উত্তৰ গুৱাহাটীলৈ যাওঁতে দুটকা ভাড়া হয় যদি এতিয়া চাৰি টকালৈ বঢ়াব লাগিব। এই ক্ষেত্ৰত জনসাধাৰণৰ ওপৰত হেচা পৰিব, বিত্তমন্ত্ৰী মহোদয়ে বিবেচনা কৰি চাওঁক। দেখাত এই বাজেটখন ধুনীয়া হৈছে, শব্দ বিলাক ভাল হৈছে আৰু প্ৰিন্টিঙো ভাল হৈছে, কিন্তু এইখন বাজেট সম্পূৰ্ণ ৰূপে এন্টি পিপুল বাজেট। "বাহিৰে ৰং চং ভিতৰি কুৱাঁভাতুৰি"। এইখিনি কৈয়ে মাননীয় অধ্যক্ষ মহোদয়ে মোক সময় দিয়া বাবে ধন্যবাদ জনাই মই মোৰ বক্তব্য সামৰণি মাৰিলো।

Mr Speaker : I would like to inform the House that I have received a petition on 23.3.93 from the Gegeral Secretary, Assam Congress, I Legislature party requesting me to take

appropriate action against two Members Shri Afzalur Rahman and Shri Hiranya Borah, M.L.A. belonging to said party under the provision of the 10th schedule for violating the party Whip to take part in the present session of the House: The petition is now under my active consideration.

* শ্ৰীজীৱকান্ত গগৈ ( মন্ত্ৰী ): মাননীয় অধ্যক্ষ ডাঙৰীয়া, বাজেটৰ ওপৰত যোৱা ছুদিন ধৰি ২৪ জন বক্তাই ভাষণ দিছে— সপক্ষে আৰু বিপক্ষে। যদি এই ২৪ জন বক্তাৰ উত্তৰ দিবলৈ ছুই মিনিটকৈ সময় ধৰি দিয়ে তেতিয়া হলে ৪৮ মিনিট লাগিব। সেয়ে উত্তৰ দিওঁতে সময় লাগিব। এই বাজেটখন ভাল নে বেয়া এই কথা নকওঁ, যি সকলে সমালোচনা কৰিছে তাৰ ভিতৰত কেইজন মাননীয় সদস্যই সমালোচনা কৰিব লাগে বুলিয়েই কৰা হৈছে, যুক্তিৰ প্ৰসঙ্গত কৰা নাই। মই দেখিবলৈ পাইছো প্ৰায় সংবাদ পত্ৰই প্ৰসংসা কৰিছে এই বাজেটখন। সকলোৱে ভাল ভাল বুলি কৈছে, কেৱল মাত্ৰ বিধান সভাৰ কেই-জনমান মাননীয় সদস্যই বেয়া বুলি কৈছে, যিটো কোনো মূল্য নাই—অমূলক।

* শ্ৰীহলিৰাম টেৰাং: মাননীয় অধ্যক্ষ মহোদয়, বিত্তমন্ত্ৰী মহোদয়ে আমাৰ কথা বিলাক মূল্য নোহোৱা বুলি কৈছে, এই কথাটো ঠিক হোৱা নাই নেকি?

* শ্ৰীজীৱকান্ত গগৈ ( মন্ত্ৰী ): অধ্যক্ষ ডাঙৰীয়া, কেইজন মানৰ কথাহে কৈছো, আপোনালোকে চাওঁক, "আসাম ট্ৰিবিউনে" 'প্ৰগ্ৰেছিভ' বাজেট বুলি লিখিছে—Budget is to help the prorer sections. তাৰ পিচত এখনত লিখিছে— It is the opinion of the press- আজিৰ বাতৰিত লিখিছে 'উদ্দেশ্যমুখী' বাজেট, নতুন দৈনিকত লিখিছে— 'বাস্তৱবাদী' বাজেট, চেন্টিনেলত লিখিছে- 'মডাৰেট বাজেট, নিউজ ফ্ৰন্টত লিখিছে- The Budget is appreciated নতুন দৈনিকত লিখিছে—'দৰিদ্ৰৰ বাবে কৰমুক্ত' বাজেট- Budget will not hurt poor: আজিৰ অসমে লিখিছে— 'দৰিদ্ৰ জনসাধাৰণক ক্ষতিগ্ৰস্ত নকৰে.' আসাম ট্ৰিবুনে লিখিছে—It is for all classes of people, traders, business-men, lawyers etc: এই দেখিয়া বাজেট বহুত দিন ধৰি হোৱা নাই। কালি টি, ভি, ত ওলাইছে, ইন্টাৰভিউ লৈছে; আপোনালোকৰ গৃহিণী সকলে নিশ্চই দেখিছে। যি সকলে দেখিছে তেওঁলোকে ভাল বাজেট বুলিয়েই কৈছে, মইটো

---

* Speech not corrected.

তেওঁলোকক ভাল বাজেট বুলি কবলৈ কোৱা নাই। It is a spontanious because it is one of best budget.

* শ্ৰীনজমুল হক : মাননীয় অধ্যক্ষ মহোদয়, ইমানদিনে মন্ত্ৰী সকলে কৈছিল যে বাতৰি কাকতক বিশ্বাস কৰিব নেলাগে, এতিয়া বিত্তমন্ত্ৰী মহোদয়ে বাজেটৰ ক্ষেত্ৰত কিয় বাতৰি কাকতৰ কথা কৈছে ? আমি কোনটো ধৰিম।

(হাঁহিৰ ৰোল উঠে)।

* শ্ৰীজীৱকান্ত গগৈ (মন্ত্ৰী) : অধ্যক্ষ ডাঙৰীয়া, মই বাতৰি কাকতক বিশ্বাস কৰিব নেলাগে বুলি নকওঁ আৰু কোৱাও নাই। মই বাতৰি কাকতৰ পৰাই আহিছো—I am a Journalist. I do not go against the Journalists. জাৰ্নেলিষ্টৰ বিৰুদ্ধে নাযাওঁ। যি কি নহওঁক, মই ভাবো এই বাজেটখন সচাঁকৈয়ে এখন ভাল বাজেট— ৱান অফ দি বেষ্ট বাজেট। আপোনা-লোকে কৈছে যে বাজেটখন 'গনবিৰোধী', ই কেতিয়াও নহয়। এই বাজেটৰ এটা নতুন দিশ কোনেও আলোচনা কৰা নাই। ইয়াত নতুন কথা কোৱা হৈছে—সিজ ফাইনেন্সৰ কথা। আজিকালি টি, ভি, ভাড়া দিয়ে, মটৰ গাড়ী ভাড়া দিয়ে। এই বিলাকৰ পৰা তেওঁলোকে এক লাখ ডেৰ লাখ টকা পায়, সেইখিনি আহৰণ কৰাৰ কাৰণে চেষ্টা কৰিছো।

অধ্যক্ষ ডাঙৰীয়া, মই গাড়ীৰ টেক্সৰ কথা কবলৈ ওলাইছো। গাড়ী যি মডেলে নহওঁক লাগে প্ৰতি বছৰে টেক্স দি থাকে। এম্বেচাদৰ, জীপ আদিয়ে বছৰত ২৭০ টকাৰ পৰা ৩৫০ টকালৈ টেক্স দিব লাগে। কিন্তু এতিয়া একেলগে লৈ লয়। এবাৰ দিলে পিচত আৰু টেক্স দিব নালাগে। যদি কোনো গাড়ী পুৰণা হৈছে ৫ বছৰৰ টেক্স দিব লাগে, আৰু দিব নেলাগে। এইটো নতুন চিষ্টেম। আমি ইয়াক পৰীক্ষা কৰি চাইছো। দিল্লী, মহাৰাষ্ট্ৰত এইটো হৈছে। এই ক্ষেত্ৰত ৰাইজক ৰেহাই দিয়া হল, ৰাইজে ৰিলিফ পাব।

আমি ট্ৰেড দাইভাৰ্চনত গুৰুত্ব দিছো। আমাৰ ইয়াত টেক্স বেছি হোৱাৰ কাৰণে বিজনেচ অন্য ঠাইলৈ গুচি যায়। নৰ্থ ইষ্টাৰ্ণ ষ্টেট বিলাকৰ ইকনমিক কন্ট্ৰল আমি কৰিব লাগে। কিন্তু নিয়মৰ কাৰণে আমি সেই বিলাক হেৰাই আছো। উদাহৰণ স্বৰূপে মটৰ গাড়ীৰ টেক্স ৮ শতাংশৰ ঠাইত ৪ শতাংশ

---

* Speech not corrected.

কৰিছে। যোৱা বছৰ তিনি কোটি টকা বাহি হৈছে। টু হুইলাৰৰ ক্ষেত্ৰত ১২ পাৰ্চেণ্টৰ পৰা ৭ পাৰ্চেণ্ট কৰিছো। মেঘালয়ত ৭ পাৰ্চেণ্ট, মণিপুৰত ৭ পাৰ্চেণ্ট আৰু অৰুণাচলত নিল। স্বাভাৱিকতে যত পাৰ্চেণ্ট কম তাত কিনিব। যদি টেক্সটো কম হয় তেন্তে লক্ষীমপুৰত গাড়ীখন নিকিনি ২০-৩০ হাজাৰ কম টকাত অৰুণাচলত কিনিব। গতিকে আমাৰ যাতে ট্ৰেড দাইভাৰচন নহয় তাৰ কাৰণে সেইটো কৰা হৈছে। তাৰ পিচত আমাৰ চাৰিখন এক্ট একেলগ কৰিব খুজিছো। মানুহৰ বহুত হাৰাশাস্তি হয়। সেই কাৰণে ভাৰত চৰকাৰৰ মতে ইউনিফাই কৰিব বিচাৰিছো। সকলো ভাল হব। আমি এই ধৰণে এটা নতুন বস্তু কৰিব বিচাৰিছো। আমাৰ যি সকল বন্ধুয়ে আলোচনা কৰিছে তাত কোনে কি কৈছে সকলো বিলাক কৈ যাম। এই বাজেটখন অনেক বিষয়ত ভাল। অধিক সংখ্যকে ২ পাৰ্চেণ্ট বঢ়াইছে। আমি ২ পাৰ্চেণ্ট, ১ পাৰ্চেণ্ট কৰিছো। আমাৰ ২৪ গৰাকী মাননীয় সদস্যই বক্তৃতা দিছে, কিন্তু আচল কথাটো বুজি পোৱা নাই। আমি চিনেমা গ্ৰাফত টেক্স লগাইছো। চিনেমা গ্ৰাফ এটাৰ দাম ৩৫-৪০ লাখ টকা। গতিকে ইয়াত টেক্স লগালে দুখীয়া শ্ৰেণীৰ লোকচান নহয়। চিনেমা কেমেৰা ১০টা আছে নে নাই সন্দেহ। জ্যোতি চিত্ৰবনত এটা দুটা আছে। গতিকে দুখীয়া মানুহ কেনেকৈ ক্ষতিগ্ৰস্ত হৈছে? আমাৰ মেডিকেলৰ কথাটো কৈছে। স্কেনিং মেচিনত মেডিকেল হাস্পাতালত ফ্ৰিলি কৰে। নাৰ্চিং হোম বিলাকে ১ পইচা নিদিয়ে। We donot get anything কিন্তু ইনষ্ট্ৰুমেণ্ট আনে। পইচা দিব প্ৰাইভেট নাৰ্চিং হোম বিলাকে, গৰীব জনসাধাৰণে দিব নালাগে। গতিকে সাধাৰণ মানুহ ক্ষতিগ্ৰস্ত নহয়। আয়ুৰ্বেদিক, হোমিওপেথিকত আমাৰ ইয়াৰ এটাত মাত্ৰ আয়ুৰ্বেদিক ঔষধ উৎপাদন হয়। এই ঔষধ বিলাক বাহিৰৰ পৰা আহে। হিমালয়ান ড্ৰাগচ আৰু সাধনা ঔষধালয়ে কোটি কোটি টকা উপাৰ্জন কৰিছে। তেওঁলোকে মাত্ৰ ১৫ টকা দিব। এটা বটলত ২০ পইচা বেচি দিছে। আমাৰ ইয়াত এনে ইণ্ডাষ্ট্ৰি গঢ়ি উঠা নাই।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী: হিমালয়ান ড্ৰাগচৰ কথা কৈছে। আলট্ৰা স্কেনিংত বৰ্তমান দুশ টকা লাগে। টেক্স লগোৱাৰ পিছত ৪ শ টকা হব— Ultimately the taxation imposed on the medical equipment

*Speech not corrected.

will be borne by the common people. চৰকাৰী হাস্পাতালত স্কেনিং নাই।

* শ্ৰীজীৱকান্ত গগৈ (বিত্তমন্ত্ৰী): যাৰ টকা আছে তেওঁলোকৰ কথা বেলেগ। তেওঁলোকে দিল্লী মাদ্ৰাজত কৰিব। মই সাধাৰণ মানুহৰ কথা কৈছো। মাননীয় সদস্য সকলে পান মচলাৰ কথা কৈছে। ইয়াৰ পৰা কোটি কোটি টকা আহে। তামোল খায় অসমীয়াই, কিন্তু বস্তুটো ইয়াত নহয়। যদি কোনোবাই নতুন উদ্যোগ কৰে তেন্তে ৭ বছৰলৈ টেক্স দিব নালাগে। বস্তুটো বাহিৰৰ পৰা আহিছে। দিল্লী, মহাৰাষ্ট্ৰ, গুজৰাটত এই তামোল হয়। কিন্তু আমাৰ ইয়াত আটাইতকৈ বেছি বিক্ৰি হয়। আমাৰ হিচাব মতে প্ৰতি দিনে তিনি কোটি পেকেট বিক্ৰি হয়। বাহিৰলৈ লাখ লাখ টকা লৈ গৈছে। কিন্তু টেক্স নিল হৈ আছে। ইয়াৰ বাবদ প্ৰায় ৯০ কোটি টকা হব। গতিকে আমাৰ লোকচান কি? মই ভাবো সচাকৈ এইখন ভাল বাজেট হৈছে। দুখীয়া মানুহৰ ওপৰত টেক্স লগোৱা নাই। দিজেল আৰু পেট্ৰোলৰ ওপৰত টেক্স লগালে ই সাধাৰণ মানুহৰ ওপৰত নপৰে। টেক্স বাঢ়িছে কত? হাৰ্ডওৱেৰত টেক্স বাঢ়িছে। ইয়াৰ দ্বাৰা সাধাৰণ মানুহ ক্ষতিগ্ৰস্ত নহয়। গ্ৰেনাইট টাইলচত টেক্স লগাইছে। সাধাৰণ মানুহে মাৰ্বল পাথৰ লগায় জানো। ৰেকৰ্ড প্লেয়াৰ, ভিচিপি সাধাৰণ মানুহে ব্যৱহাৰ নকৰে। যি কেইজনে ব্যৱহাৰ কৰে তেওঁলোকে খৰচ কৰিব।

তাৰ পিচত 'ৰেকৰ্ড প্লেয়াৰ'ৰ কথা কৈছে। আমাৰ কমনমেন, কেইজনে ৰেকৰ্ড প্লেয়াৰ লৈছে? কিমানজনে এই বিলাক বস্তু লৈ এনজয়মেন্ট কৰে। এটা 'ব্লেক এণ্ড হোৱাইট' টি-ভি'ৰ দাম ৪/৫ হেজাৰ টকা আৰু কালাৰ টি-ভিৰ দাম ১৫-২০ হেজাৰ টকা। সেই বিলাক বস্তু ব্যৱহাৰ কৰা ধনী মানুহে কিয় ২ পাৰ্চেণ্ট দিব নোৱাৰিব। আকৌ 'ৱাচিং' মেচিনৰ কথা কৈছে। আমাৰ কমন মানুহে 'ৱাচিং মেচিন' ব্যৱহাৰ কৰে নেকি? যাৰ দাম ৩০-৪০ হেজাৰ টকা। যিবিলাকৰ ২-৩ মহলীয়া ঘৰ আছে সেই বিলাকে এই বিলাক বস্তু ব্যৱহাৰ কৰিব পাৰে, তেওঁলোকৰ কাৰণেহে টেক্স লগোৱা হৈছে। আজি প্লাচটিক পেইণ্ট কোনে ব্যৱহাৰ কৰিছে, দুখীয়া মানুহে এই বিলাক ব্যৱহাৰ

---

* Speech not corrected.

কৰিব পাৰে নেকি ? কমন মানুহৰ কাৰণে এটিন চুন হলেই হল। আৰু এ'য়াৰকুলাৰ, ৰিফ্রিজেটৰ ধনী মানুহে ব্যৱহাৰ কৰে যাৰ দাম ২০-২৫ হেজাৰ টকা। লটাৰী টিকেটৰ কথাও কোৱা হৈছে তাত আমি ১০ শতাংশ হাৰত লগাব বিচাৰিছো। কাৰ্পেটৰ ওপৰত ১ পাৰচেন্ট লগাইছো। এই কাৰ্পেট বিলাক নাৰিকলৰ আঁহেৰে প্ৰস্তুত কৰে। সাধাৰণতে এই বিলাক কেৰেলা, অন্ধ্র প্ৰদেশৰ পৰা আহে। 'ষ্টেইন-লেচ্ ষ্টিল, হীৰা আদি এই বিলাক কমন মানুহে ব্যৱহাৰ নকৰে। ইয়াত ১২ শতাংশলৈ বঢ়োৱাৰ প্ৰস্তাৱ কৰিছো। মই যি-বিলাক বস্তুৰ ওপৰত ৰিলিফ দিছো সেইবিলাক কাম এটি পিপলৰ কাৰণে কৰিছো নেকি ? দুখীয়া শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক সকাহ দিবৰ কাৰণে চাইকেলৰ টায়াৰ টিউবৰ ওপৰত কৰৰ হাৰ কমাইছো। ততুপৰি ৰাজ্যখনৰ বহুতো নিবনুৱা যুৱকে 'অটো' চলাই জীৱিকা উপাৰ্জন কৰে। তাৰ ওপৰত মই ৫ শতাংশ কৰ কমাইছো। এইটো কি এটি পিপুলৰ কাৰণে হল নেকি ? এলুমিনিয়াম কৰুগেটেড চীটৰ কৰ ৮ শতাংশ আছিল। এতিয়া আমি ৪ শতাংশ কৰিছো। আৰু অসমত এলুমিনিয়াম পাতৰ ধাৰ্য্য কৰা হল ৮ শতাংশ, সেয়েহে মানুহে আন ৰাজ্যৰ পৰা এলুমিনিয়ামৰ পাত কিনিবলৈ বিচাৰে। ফলত এই ব্যৱসায় প্ৰৱজন ঘটাৰ কাৰণে ২ শতাংশ কৰ ধৰিছো। এইটো এটি পিপুলৰ কাম নেকি ? If we get it at 2% it will be good for us:

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : গাড়ীৰ বডি বনাওঁতে ২ পাৰচেণ্ট বঢ়াইছে।

* শ্ৰীজীৱকান্ত গগৈ (বিত্তমন্ত্ৰী) : নহয়, ২ পাৰচেণ্ট কমাইছোহে আৰু স্কুল ইউনিফৰ্মৰ ওপৰত থকা বিক্ৰি কৰ উঠাই লোৱা হৈছে অৱশ্যে স্কুলৰ হেডমাষ্টৰ বা প্ৰিন্সিপালৰ প্ৰমাণ পত্ৰ থাকিব লাগিব। তাৰোপৰি 'হেন্দিকেপ্ট' সকলৰ হুইল চেয়াৰৰ আৰু বিশেষ জোতাৰ ওপৰত থকা বিক্ৰি কৰ উঠাই লোৱা হৈছে। সেয়েহে মই কওঁ যে এই বাজেট খন সৰ্বসাধাৰণ মানুহৰ কামত অহা বাজেট। ঠিক তেনেকৈ পচন সাৰ, শুকান গোবৰ, গৰু-মহক খুওৱা খলিহৈ আদিৰ টেক্স ৰেহাই দিয়া হৈছে। 'বেবি ফুড'ৰ কথা কৈছে baby food inclusive of all taxes. লোকেল টেক্সৰ কথা সুকীয়া। মাসটোভা বা এভিৰিদ্ৰ 'বেবী ফুড'ত নপৰে। (ভইচ—ফেৰেক্স) ফেৰেক্স পৰে। তাৰ পিছত টায়াৰ, টিউবৰ কথা কৈছে— I am proposing sales tax exemption to all new, যদি এনেকুৱাই হয়

* Speech not corrected.

তেতিয়াহলে আমি আন এমপ্লইমেণ্ট প্ৰবলেম্ কেনেকৈ চলভ্ কৰিম।

* শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : হব হব আপুনি আৰু কব নেলাগে। উদ্যোগৰ ক্ষেত্ৰত এটা কথা মই কব বিচাৰিছো যে সেই সম্পৰ্কে মই উদ্যোগ মন্ত্ৰীৰ লগত আলোচনা কৰিছো। উদ্যোগ কৰিবলৈ যি আইন বনাইছে আমি তাত ভাল পাইছো। আজি চামৰা উদ্যোগ অসমত কৰিব পাৰে। তেতিয়া ৭ বছৰলৈ নতুন উদ্যোগ কৰিবলৈ টেক্স দিব নেলাগে। ভাৰতবৰ্ষৰ যিবিলাক উদ্যোগ আছে যেনে কলিকতাৰ এয়াৰ পৰ্টৰ ওচৰত তেনে এটা উদ্যোগ আছে কিন্তু তাৰ গোন্ধত ওচৰলৈ যাব নোৱাৰি। গতিকে অসমত এনে ধৰণৰ উদ্যোগ কৰিব পৰা থল আছে।

* শ্ৰীজীৱ কান্ত গগৈ ( বিত্ত মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, আমি বিভিন্ন ধৰণেৰে কথাবিলাক ফহীয়াই চাইছো। আনকি বিভিন্ন বিষয়ত অভিজ্ঞতা থকা এক্সপাৰ্ট সকলক লৈ একোখন এক্সপাৰ্ট কমিটিয়ো গঠন কৰিছো য'ত বিশ্ববিদ্যা-লয়ৰ প্ৰোফেচাৰ, ইকোনোমিক্স, বিভাগীয় অভিজ্ঞতা থকা বিষয়া আমাৰ বিধায়ক সকল বিশেষকৈ যি সকলৰ লিগেল মেটাৰচত অভিজ্ঞতা আছে আৰু বিভিন্ন দিশৰ লোকৰ লগত কথা-বতৰা পাতি এই কমিটি গঠন কৰিছো তাৰোপৰি অল আসাম চেম্বাৰচ অব কমাৰ্চৰ মানুহ আৰু ইণ্ডাষ্ট্ৰিয়েলিষ্টৰ পৰাও আমি পৰামৰ্শ লৈছো। মাননীয় সদস্য প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই চাহপাতৰ আৰু চাহবাগানৰ সম্পৰ্কত যি কেইটা কথা ডাঙি ধৰিছে সেই বিষয়ে আমি চিন্তা কৰি চাইছো কিন্তু আপোনালোকে জানে যে আমাৰ চাহৰ বিবিলাক হেড অফিচ আমাৰ ৰাজ্যত নাই সেইবিলাক বেচি ভাগেই কলিকতাত আছে, ইয়াত অতি কম পৰিমাণেহে বিক্ৰী হয়, বেচিভাগেই কলিকতাত বিক্ৰী হৈ থাকে আৰু যিটো অৰ্থোদক্স চাহপাত সেইটো সম্পূৰ্ণ কলিকতাতেই বিক্ৰী হয় সেই কাৰণে বিক্ৰী কৰ লগোৱাৰ ক্ষেত্ৰত আমাৰ ইয়াৰ পৰা বিশেষ লাভ নহয়। যোৱা-বাৰ এগ্ৰিকালচাৰ ইনকাম টেক্স কম আছিল আৰু ৰেহাই দিয়াৰ কাৰণে এইটো বেচিকৈ বিক্ৰী নহ'ল। বস্তুৰ দাম যিমানেই বেচি বৃদ্ধি হয় সেই অনুপাতে টেক্সো বাঢ়ি যায়। সেইদৰে প্লাইউদৰ ওপৰতো আমি টেক্স লগোৱাৰ কাৰণে চেষ্টা কৰিছিলো কিন্তু দেখা গ'ল এই প্লাইউদৰ ৫ শতাংশ আমাৰ ৰাজ্যত বিক্ৰী হয় আৰু বাকী ৯৫ শতাংশ বাহিৰলৈ গুচি যায়। গতিকে এই ব্যৱস্থাৰ দ্বাৰা আমি বিশেষ ভাবে উপকৃত হব নোৱাৰো।

---

• Speech not corrected.

* শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : আপুনি আৰু দিঘলীয়া কৰিব নালাগে।

* শ্ৰীজীৱ কান্ত গগৈ ( বিত্তমন্ত্ৰী ) : माननीয় অধ্যক্ষ মহোদয়, মই ভাল পাইছো যে বিৰোধী পক্ষৰ সদস্যই বিলখন সমৰ্থন জনাইছে। এতিয়া কেৱল তেখেত সকলে কব লাগে যে এই বাজেট খন জনস্বাৰ্থ বিৰোধী নহয়। এইখন ৰাইজৰ হিতৰ কাৰণে দাখিল কৰা হৈছে। অকল সদনৰ ভিতৰত কলেই নহব বাহিৰতো আপোনালোকে যাতে ৰাইজক পতিয়ন নিয়ায়। এইখিনিকে জনাই মই সকলো সদস্যকে বাজেটখন সমৰ্থন জনোৱাৰ কাৰণে ধন্যবাদ জ্ঞাপন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

* শ্ৰীদিলীপ কুমাৰ শইকীয়া : অধ্যক্ষ মহোদয়, মোৰ অতি চমু বক্তব্য আছে। আসাম প্ল্যানটেশন এণ্ড প্ৰভিডেণ্ট ফাণ্ড এক্ট চাহ শ্ৰমিক কল্যাণ আইন আৰু আসাম ৰুৰেল এক্ট গ্ৰাম্য উদ্যোগীকৰণ আইনখন যোৱা ১৯৮৬ চনৰে পৰা ৰাষ্ট্ৰপতিৰ চহী নোহোৱাকৈ ৰাষ্ট্ৰপতিৰ হাতত পৰি আছে আৰু এই এক্ট কেইখনত অনুমোদন অভিয়ালৈকে লোৱা নাই। এই অনুমোদন পালে আমাৰ ৰাজ্যলৈ বিশ কোটি আৰু এশ ছিয়ানব্বৈ কোটি টকা আহিব। গতিকে এই বিলখন আইনৰ অনুমোদন ৰাষ্ট্ৰপতিৰ পৰা লোৱাৰ ব্যৱস্থা কৰিব লাগে।

* শ্ৰীজীৱ কান্ত গগৈ ( বিত্তমন্ত্ৰী ) : ১৯৮৬ চনতে এইখন দিয়া হৈছিল। কিন্তু কিয় ৰাষ্ট্ৰপতিয়ে অনুমোদন দিয়া নাই সেই সম্পৰ্কত ৰাষ্ট্ৰপতিক লগ ধৰিব লাগে।

* শ্ৰীজয়নাথ শৰ্মা : ৰাষ্ট্ৰপতিক লগ ধৰা কথা নহয়। আপুনি ৰাষ্ট্ৰপতিৰ অনুমোদনৰ কাৰণে ব্যৱস্থা লোৱাটো প্ৰয়োজন।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : গৃহস্থই দুই এপইচা বিচাৰিছে নিজেই যাব লাগিব। গতিকে আপুনি আমাৰ বিত্তমন্ত্ৰী হিচাবে এই ব্যৱস্থা লোৱাতো উচিত।

* শ্ৰীজীৱ কান্ত গগৈ ( বিত্তমন্ত্ৰী ) : এইটো চিন্তা কৰি ব্যৱস্থা লোৱা হব।

## OBITUARY REFERANCE :

Mr. Speaker : Here is an obituary reference. I have received an intimation from Honourable Member Shri Prafulla Kumar Mahanta at about 1 p.m. to-day that Shri Jagat Hazarika an ex-Member of this Assembly suddenly

* Speech not corrected.

expired this morning. Mr. Hazarika was born at Naoboicha village in the Lakhimpur District in 1956. He was elected to the Assam Legislative Assembly in December, 1985 from Naoboicha Assembly Constituency. He was appointed Chairman of the House Commitee and Commitee on Government Assurances of the Assam Legislative Assembly respectively. He was closely connected with various social and voluntary organisations. At his death at the age of 37, Assam has lost a young energetic social worker and prospective politician. To pay respect to the departed soul I request the Honourable Members to rise in their seats and to observe two minutes silence.

( Two minutes silence observed. )

Now, the House stands adjourned till 9 a. m. of 29th March, 1993.

## ADJOURNMENT

The House stood adjourned at 8·19 p.m. till 9 A. M. on 29th March, 1993.

D. Talukdar

Dispur ; Secretary

The 24th March, 1993 Assam Legislative Assembly.

জিলা ভিত্তিক সুৰাৰ অনুজ্ঞাপত্ৰ সমূহৰ সংখ্যা

| ক্ৰ : নং | জিলা | ভাঃ নিঃ বিদেশী সুৰাৰ খুচুৰা দোকান off licence | ভাঃ নিঃ বিদেশী সুৰাৰ খুচুৰা হোটেল বিক্ৰী বাৰ on licence | বিয়েৰৰ দোকান off licence | বিয়েৰৰ বাৰ on licence |
|---|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ | ৬ |
| ১। | ধুবুৰী | ১ | — | — | ১ |
| ২। | কোকৰাঝাৰ | ১ | — | — | ১ |
| ৩। | বঙ্গাইগাওঁ | — | — | ১ | ২ |
| ৪। | গোৱালপাৰা | ২ | — | — | ১ |
| ৫। | নলবাৰী | — | — | ১ | — |
| ৬। | বৰপেটা | — | — | ২ | — |
| ৭। | কামৰূপ | ২ | ১৭ | ১৫ | ১১ |
| ৮। | শণিতপুৰ | ৩ | ১ | — | ৮ |
| ৯। | দৰং | ২ | — | — | ২ |
| ১০। | নগাওঁ | ২ | — | ২ | ৮ |
| ১১। | মৰিগাওঁ | — | — | ২ | ১ |
| ১২। | লক্ষীমপুৰ | ৬ | ২ | — | — |
| ১৩। | ধেমাজী | ৬ | — | — | — |
| ১৪। | যোৰহাট | ৭ | ২ | ২ | ২ |
| ১৫। | গোলাঘাট | ৭ | ২ | — | ৩ |
| ১৬। | ডিব্ৰুগড় | ১৩ | ২ | — | ৫ |
| ১৭। | তিনিচুকীয়া | ১৬ | ২ | ৩ | ৩ |
| ১৮। | উঃ কাছাৰ পাহাৰ জিলা | ৫ | ১ | — | — |
| ১৯। | কাছাৰ | ৭ | — | ১ | ১ |
| ২০। | কৰিমগঞ্জ | ৭ | — | ১ | ১ |
| ২১। | হাইলাকান্দি | ৪ | — | — | — |
| ২২। | শিৱসাগৰ | ৮ | ৪ | — | ২ |
| ২৩। | কাৰবিআংলং | ৬ | ১ | — | ১ |
| | মুঠ | ১০৫ | ৩৪ | ৩১ | ৫৩ |

সৰ্বমুঠ—২২৩ খন

## STATEMENT

The Debt position of the State Govt. From 1982-83 to 1992-93 is as follows.

Outstanding as at the end of ( Rs. in crores)

| | | |
|---|---|---|
| 1982-83 | — | 1167·57 |
| 1983-84 | — | 1442·93 |
| 1984-85 | — | 1736·12 |
| 1985-86 | — | 2070·75 |
| 1986-87 | — | 2346·93 |
| 1987-88 | = | 2690·97 |
| 1988-89 | = | 3070·55 |
| 1989-90 | — | 3704·74 |
| 1990-91 | = | 4309·44 |
| 1991-92 | — | 4564·44 |
| 1992-93 | — | 4721·00 |

The statements showing the amount of loans taken and also the amount repaid together with the names from whom borrowed and repaid in each of the years are annexed. Amounts repaid were on the basis of the terms and conditions fixed by the respeetive londing authorities from time to time.

**Statment Showing the Receipt And Payment**

( Rs. in Lakhs )

| Year | Amount of Loans taken | From whom taken | To whom repaid | Amount repaid |
|---|---|---|---|---|
| 1982-83 | 1240 | Market | Market | 382 |
| | 112 | LICI/GICI | LICI/GICI | 25 |
| | 64 | NABARD | NABARD | — |
| | 65 | NCDC | NCDC | 49 |
| | 12247 | RBI | RBI | 23917 |
| | 32594 | GOI | GOI | 3577 |
| | 745 | GPF | GPF | 323 |
| | 47067 | | | 28273 |
| 1983-84 | 1790 | Market | Market | 647 |
| | 83 | LICI/GICI | LICI/GICI | 29 |
| | – | NABARD | NABARD | 2 |
| | 299 | NCDC | NCDC | 56 |
| | 11285 | RBI | RBI | 11285 |
| | 29563 | GOI | GOI | 4761 |
| | 1647 | GPF | GPF | 349 |
| | 44667 | | | 17129 |
| 1984-85 | 2445 | Market | Market | 1192 |
| | 142 | LICI/GICI | LICI/GICI | 29 |
| | – | NABARD | NABARD | 60 |
| | 112 | NCDC | NCDC | 5 |
| | 65517 | RBI | RBI | 61243 |
| | 30302 | GOI | GOI | 7795 |
| | 1678 | GPF | GPF | 552 |
| | 100195 | | | 70876 |

| Year | Amount of Loan | From whom taken | To whom repaid | Amount repaid |
|---|---|---|---|---|
| 1985-86 | 1436 | Market | Market | 1488 |
| | 63 | LICI/GICI | LICI/GICI | 31 |
| | — | NABARD | NABARD | 2 |
| | 201 | NCDC | NCDC | 96 |
| | 38413 | RBI | RBI | 42687 |
| | 45972 | GOI | GOI | 8705 |
| | 1704 | GPF | GPF | 1310 |
| | 87789 | | | 54319 |
| 1986-87 | 2145 | Market | Market | 798 |
| | 161 | L.I.C./G.I.C. | LICI/GICI | 56 |
| | — | NABARD | NABARD | 2 |
| | 508 | NCDC | NCDC | 122 |
| | 8123 | RBI | RBI | 8123 |
| | 37165 | G.O.I. | G.O.I. | 12188 |
| | 1744 | G.P.F. | G.P.F. | 938 |
| | 49846 | | | 22227 |
| 1987-88 | 2310 | Market | Market | 899 |
| | 140 | LIC/GIC | LIC/GIC | 65 |
| | — | NABARD | NABARD | 2 |
| | 528 | NCDC | NCDC | 137 |
| | 22902 | RBI | RBI | 22902 |
| | 42853 | GOI | GOI | 11648 |
| | 2601 | GPF | GPF | 1275 |
| | 71334 | | | 36928 |

| Year | Amount of Loan | From whom taken | To whom repaid | Amount repaid |
|---|---|---|---|---|
| 1988-89 | 2410 | Market | Market | 875 |
| | 115 | LIC/GIC | LIC/GIC | 253 |
| | — | NABARD | NABRD | — |
| | 1076 | NCDC | NCDC | — |
| | 52902 | RBI | RBI | 51394 |
| | 46193 | GOI | GOI | 16218 |
| | 4999 | GPF | GPF | 996 |
| | 107695 | | | 69736 |
| 1989-90 | 6048 | Market | Market | 634 |
| | 102 | LIC/GIC | LIC/GIC | 460 |
| | — | NABARD | NABARD | 2 |
| | 609 | NCDC | NCDC | 208 |
| | 48945 | RBI | RBI | 28658 |
| | 56956 | GOI | GOI | 18764 |
| | 3713 | GPF | GPF | 1229 |
| | 113373 | | | 49955 |
| 1990-91 | 3431 | Market | Market | 9 |
| | 102 | LIC/GIC | LIC/GIC | 78 |
| | — | NABARD | NABARD | 2 |
| | 669 | NCDC | NCDC | — |
| | 127577 | RBI | RBI | 127538 |
| | 87684 | GOI | GoI | 33789 |
| | 3779 | GPF | GPF | 1356 |
| | 223242 | | | 162772 |

| Year | Amount of Loan | From whom taken | To whom repaid | Amount repaid |
|---|---|---|---|---|
| 1991-92 | 3774 | Market | Market | 4 |
| | 60 | LIC/GIC | LIC/GIC | 225 |
| | 49 | NABARD | NABARD | 289 |
| | 522 | NCDC | NCDC | 317 |
| | 74335 | RBI | RBI | 71295 |
| | 23015 | GOI | GOI | 7658 |
| | 5256 | GPF | GPF | 1723 |
| | 107011 | | | 81511 |
| 1992-93 | 12047 | Market | Market | 894 |
| | 370 | LICI/GICI | LICI/GICI | 201 |
| | — | NABARD | NABARD | 474 |
| | 433 | NCDC | NCDC | 344 |
| | 60000 | RBI | RBI | 60000 |
| | 29361 | GoI | GoI | 27949 |
| | 5350 | GPF | GPF | 2043 |
| | 107561 | | | 91905 |

# MEMORANDUM

SUBMITED To
SHRI P. V. NARASIMHA RAO
Prime Minister of India

BY

SHRI HITESWAR SAIKIA
Chief Minister, Assam

---

Respected Prime Minister,

On behalf of the people and the Government of Assam we take this opportunity to greet you on your assumption of the high position of Prime Minister of the Country. We hope that under your leadership the country will march forward and the State of Assam will received your best attention in its endeavour for all round economic progress.

The State of Assam is at present passing through a severe social and economic crisis. The State Government has been seized with solving some of these problems. Being located in an isolated corner of the country and being deficient in infrastructural facilities, Assam's economic growth has left much to be desired. The State suffers from devastating floods annually affecting public essets, habitations and agricultural crops on a very large scale. The transport system whether by road, railway or air are extremely tennous- Industrial progress is slow and agricultural potential not fully harnessed. To accelerate paee of development which is the key to the solution of verious socio-economic problems in the State, we would like to

put forward a few of our outstaning issuses with the sincere hope that these will receive your kind attention as early as possible.

## ESTABLISHMENT OF CENTRAL UNIVERSITES :

Government of India passed a Bill in the Parliament for establishment of a Central University in the Barak Valley. Before this Bill was passed the than Union Minister for Education assured that a similar Bill would be introduced in the Parliament for setting up of another Central University.

Somewhere in the North Bank of Brahmaputra. It was also indicated that setting up of these Universities would be taken up together. We would earnestly request you to introduce the Bill for establishment of the second Central University at Tezpur during the current session of Parliament.

Simultaneously the preliminary work relating to the establishment of the Central University in the Barak Valley should be quickened.

## ESTABLISHMENT OF I. I. T. :

It was agreed that an IIT would be set up in terms of the Assam Accord signed on August 15, 1985 within a reasonable time. But the project has not yet materialised even though six years have passed after the singing of the Assam Accord. We would like to request you to impress upon the Ministry of Education to proceed with the establishment of the IIT immediately. On behave of the State

Government we have already initiated measures to allot land and make available other facilities required for the IIT

## FOURTH REFINARY

The Assam Accord signed on August 15, 1985 provided for establishment of a Refinary in Assam for refining crude oil processing in the State. It was decided in 1989 that this Refinery would be set at Numaligarh in Golaghat District with a capacity for processing 3 million tonnes of crude oil per annmu. The Refinary is proposed to be set up under a separate company and the Indo-Burma Petroleum Company and the Government of Assam will be the main share holders. But we have noticed with dismay that the progress of work relating to establishment of this refinary has been rather slow. A Memorandum of understanding ( MOU) is now to be signed between the Government of Assam and M/S. Indo-Burma Petroleum Company. Investment clearance for the refinary is required to be accorded by obtaining approval of the Project Invesment Board/ Cabinet Committee on Economic Affairs. We appeal to you to advise the concerned Ministries to take expeditions action for giving necessary clearance so that the work on the ground can be started without any further delay.

## THE GAS CRACKER PROJECT

The Government of Assam have been asking for a long time for setting up of a Gas Cracker Project for utilising the natural gas that is abandantly available in the State. Industrial development in Assam would be greatly accelerated by establishment of this complex as a very large number of small industrial units can be set up with the downstream products which will be available from this Complex.

A letter of Intent has now been issued in favour of Assam Industrial Development Corporation for setting up of this project. While a number of industrial units

have shown interest in this project, their financial and other capability would have to be fully assessed before selecting a private corporated. Keeping in view the important role played by Oil India Ltd. (OIL) in the hydrocarbon scenario of Assam, the Government of Assam have requested the Government of India to allow M/S OIL have also prepared a feasibility report in this regard and are reportedly keen for participation in this important project. It is requested that the concerne Ministries be advised to ask M/S OIL to take up a substantial equity participation in the project and to work out further details for urgently starting the work on the ground.

## ASHOK PAPER MILL

